অধ্যায়- ৮ খ্ৰীষ্টান ধৰ্মৰ কেইটামান প্ৰাথমিক বিশেষত্ব

অধ্যায় গঠন ঃ

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ খ্ৰীষ্টান ধৰ্ম আৰু ইয়াৰ ক্ৰমবিকাশ

৮.৪ খ্ৰীষ্টান ধৰ্মৰ প্ৰধান লক্ষণসমূহ

৮.৫ খ্ৰীষ্টান ধৰ্মত ত্ৰিনিতিৰ ধাৰণা

৮.৬ অধ্যায়টিৰ পৰা আমি শিকিলো

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮ অধিক জানিবলৈ

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই গোটটো অধ্যয়নৰ পিছত তোমালোক সক্ষম হ'বা—

- খ্ৰীষ্টান ধৰ্মৰ বিষয়ে যীশুখ্ৰীষ্টৰ শিক্ষাদানৰ আলোচনা কৰিবলৈ।
- ধৰ্মপ্ৰচাৰমূলক ধৰ্ম হিচাপে খ্ৰীষ্টান ধৰ্মৰ বিশ্লেষণ কৰিবলৈ।
- খ্ৰীষ্টানধৰ্মৰ লক্ষণবোৰ বৰ্ণনা কৰিবলৈ।
- খ্ৰীষ্টানধৰ্মৰ 'ত্ৰিনিতি' মতবাদৰ ব্যাখ্যা কৰিবলৈ।

৮.২ পৰিচয়

খ্ৰীষ্টান ধৰ্মই ইয়াৰ উৎস আহৰণ কৰিছিল যীশুখ্ৰীষ্ট নামৰ এজন ব্যক্তিৰ পৰা। এইটো বিশ্বাস কৰা যায় যে যীশুখ্ৰীষ্টৰ জীৱন, শিক্ষা আৰু মৃত্যুতে খ্ৰীষ্টানধৰ্মৰ প্ৰাথমিক বিশেষত্ববোৰ নিহিত হৈ আছে। বেথেলহামৰ এখন সৰু চহৰত এটা ইহুদী পৰিয়ালত 4B.C.ত যীশুখ্ৰীষ্টৰ জন্ম হৈছিল। কিন্তু তেওঁৰ মূল ঘৰ আছিল গালিনী প্ৰদেশৰ নাজাৰেথত। ইয়াকো বিশ্বাস কৰা হয় যে যীশুখ্ৰীষ্টৰ জন্ম মাক মেৰীৰ গৰ্ভৰপৰা অলৌকিকভাৱে হৈছিল আৰু জোছেফক এজন পালিত পিতৃ বুলিহে গ্ৰহণ কৰা হয়। যীশুক এজন মছিহা অৰ্থাৎ ঈশ্বৰৰ প্ৰেৰিত দূত বুলি অভিহিত কৰা হয়। ভৰিষ্যত বক্তা ঈশায়াহে যীশুৰ জীৱন নামৰ গ্ৰন্থৰ 53নং অধ্যায়ত যীশুক এজন 'কষ্ট সহ্যকাৰী ভগৱানৰ সেৱক' ৰূপত ব্যাখ্যা কৰিছে। বিভিন্ন উৎস যেনে Old Testament, Eroch

আৰু Danielৰ Apocryphal গ্ৰন্থসমূহে যীশুৰ শিক্ষাক অনুপ্ৰাণিত কৰিছিল। কিন্তু আপোনালোকে জানি সুখী হ'ব যে এই উৎসসমূহৰ উপৰিও খ্ৰীষ্টীয়ানসকল New Testamentত সন্নিবিষ্ট হৈ থকা আন ২৭ খন গ্ৰন্থৰপৰাও অনুপ্ৰাণিত হৈছিল। খ্ৰীষ্টান ধৰ্মত 'বাইবেল' শব্দৰ অৰ্থ হ'ল 'গ্ৰন্থৰ সংগ্ৰহ'। সেই অনুসৰি New Testament চাৰিটা উপদেশমূলক ভাগত বিভক্ত। এই চাৰিপ্ৰকাৰৰ উপদেশসূচক গ্ৰন্থই যীশুৰ জীৱন, শিক্ষা, মৃত্যু আৰু পুনৰুত্থানৰ এক তথ্যৰ যোগান ধৰে। প্ৰথম তিনিটা ভাগে সাধাৰণ বিষয়সমূহ তালিকাভুক্ত কৰে। কিন্তু শেষৰ ভাগটো ছেণ্ট জ'নএ লিখিছিল। ইয়াক 'Johannine' বুলি কোৱা হয়। ছেণ্ট জ'নে ইয়াত যীশুৰ বিষয়ে বিভিন্ন প্ৰকাৰৰ তথ্যৰ যোগান ধৰিছে আৰু যীশুক মছিহা তথা ভগবানৰ পুত্ৰ বুলি অভিহিত কৰিছে। অৱশ্যে তোমালোকে অতি সাৱধান হ'ব লাগিব 'Son of Man' বা 'মানৰ পুত্ৰ' আৰু 'Son of God' বা 'ভগৱানৰ পুত্ৰ' —এই পদ দুটাৰ অৰ্থ বুজাৰ ক্ষেত্ৰত যি দুহেজাৰ বছৰৰো আগতে ধৰ্মীয় ভাষা সন্দৰ্ভত ব্যৱহাৰ কৰা হৈছিল।

খ্ৰীষ্টান ধৰ্মই যীশুৰ ব্যক্তিত্ব তথা শিক্ষাদানক সংযুক্তভাৱে অন্তৰ্ভুক্ত কৰিছে। এই ধৰ্মই বিশ্বাস কৰে যে ধৰ্ম হিচাপে খ্ৰীষ্টান ধৰ্ম সম্পূৰ্ণ আৰু ঈশ্বৰৰ পৰা মানুহলৈ শেষ বা অন্তিম প্ৰকাশ। দৰাচলতে প্ৰত্যেক ইহুদীসম্পৰ্কীয় ধৰ্মই দুটা অতি গুৰুত্বপূৰ্ণ প্ৰধান বিশেষত্ব স্বীকাৰ কৰে। সেইকেইটা হ'ল—

1. প্ৰতিষ্ঠাপকজন এজন মানুহ হিচাপে আৰু
2. প্ৰতিষ্ঠাপকজনৰ শিক্ষাদানসমূহ।

কিন্তু খ্ৰীষ্টানধৰ্মত যীশুৰ শিক্ষাদানতকৈ তেওঁৰ জীৱণী বেছি গুৰুত্বপূৰ্ণ। ইয়াৰ কাৰণ হ'ল খ্ৰীষ্টানসকলে কেৱল আৰু কেৱলমাত্ৰ যীশুৰ জৰিয়তে মুক্তিৰ আশা কৰে। তেওঁলোকে গ্ৰহণ কৰে যে খ্ৰীষ্টান ধৰ্ম হৈছে 'সম্পূৰ্ণ আৰু ঈশ্বৰৰ অন্তিম প্ৰকাশ।' ন্যায়সঙ্গতভাৱে বিচাৰ কৰিলে দেখা যায় যে পৌৰাণিক Hebrew ভৱিষ্যত বাণীত উল্লেখ থকা মতে যীশু হ'ল (Massenger) মছিহা বা 'ঈশ্বৰৰ পয়গম্বৰ' অনুসৰি 'যীশুৰ' ক্ষেত্ৰত খ্ৰীষ্ট শব্দটো ব্যৱহাৰ কৰা হৈছিল। 'খ্ৰীষ্ট' শব্দটো গ্ৰীক ভাষাৰ 'Christos' শব্দৰ পৰা লোৱা হৈছে। Christos শব্দৰ অৰ্থ হ'ল 'মছিহা'। গতিকে পোনপ্ৰথমবাৰৰ বাবে 'খ্ৰীষ্টীয়ান' শব্দটো চিৰিয়াৰ এণ্টিয়কত অৱস্থিত নাজাৰেথৰ যীশুৰ অনুসৰণকাৰীসকলৰ লগত সংযুক্ত। এইটো উল্লেখযোগ্য যে আদিম বা প্ৰাৰম্ভিক সময়ৰপৰা খ্ৰীষ্টানধৰ্ম ইহুদীধৰ্মৰ (Judaism) লগত অন্তৰঙ্গভাৱে সম্বন্ধযুক্ত।

'Apostlesৰ Creed the Divine Character and Life of Jesus' গ্ৰন্থত বিশদভাৱে বৰ্ণনা কৰিছে যে 'যীশু হ'ল ঐশ্বৰিক পিতৃৰ একমাত্ৰ সন্তান আৰু ধাৰণ কৰিছিল পবিত্ৰ আত্মাই, মেৰীৰ গৰ্ভত জন্ম লৈছিল, ক্ৰুছবিদ্ধ কৰিবলৈ আদেশ দিয়া হৈছিল, মৃত্যু হৈছিল আৰু পুতি পেলোৱা হৈছিল। তেওঁক নৰকলৈ নিমজ্জিত কৰা হ'ল; তৃতীয় দিনা তেওঁ মৃত্যুৰ শয্যাৰপৰা সাৰ পাই উঠিল। তেওঁ স্বৰ্গলৈ আৰোহণ কৰিলে আৰু পৰমপিতা ভগৱানৰ সোঁহাতত উপবিষ্ট হয়, য'ৰপৰা তেওঁ সজীৱ আৰু মৃত্যুৰ বিচাৰ কৰিবলৈ আহিব।

কিন্তু যীশুৰ জীৱন সম্পৰ্কে কিছুমান বিতৰ্ক পোৱা যায়। খ্ৰীষ্টানধৰ্মত বিশ্বাসী কিছু লোকে খ্ৰীষ্টীয় প্ৰত্যাদেশত উল্লেখ থকা জীৱনবৃত্তান্ত মানি ল'বলৈ অস্বীকাৰ কৰে। তেওঁলোকৰ মতে, যীশু এজন বুৰঞ্জীৰ চৰিত্ৰ নহয়। আনি কিছুমানে মতপোষণ কৰে যে যীশু এনে এজন ব্যক্তি আছিল যি মানৱমনত নৈতিকতা স্থাপন কৰিব বিচাৰিছিল। গতিকে তেওঁ এজন নৈতিক সংস্কাৰক আছিল। বিখ্যাত নিৰীক্ষণটো হ'ল যে 'যীশু মানৱপুত্ৰ আৰু ঈশ্বৰপুত্ৰ দুয়োটাই, মানৱজাতিৰ উদ্ধাৰকৰ্তা আৰু কেৱলমাত্ৰ মানুহৰ পাপৰ প্ৰায়শ্চিত্তৰ কাৰণে তেওঁ ক্ৰুছবিদ্ধ হয়।' গতিকে তোমালোকে বিবেচনা কৰিব পাৰা যে খ্ৰীষ্টান ধৰ্ম হ'ল এক ধৰ্মপ্ৰচাৰমূলক ধৰ্ম। ইহুদীধৰ্মৰ ক্ৰমবিবৰ্তনেই এই ধৰ্মৰ লক্ষ্য। যদিও ইহুদী ভৱিষ্যত বক্তাসকলে এক সাৰ্বজনীন ধৰ্ম আৰু এক কেন্দ্ৰধৰ্ম প্ৰতিষ্ঠাৰ উৎকৃষ্ট চেষ্টা কৰিছিল তথাপি ইহুদীসকলৰ ঠেক মনোবৃত্তি আৰু সাময়িক ধৰ্মীয় বিধিসমূহে ইহুদী ধৰ্মৰ প্ৰকৃত স্থিতিত গ্ৰহণ লগাইছিল। যীশুৰ শেষৰ বাক্যকেইটাই তেওঁৰ সময়ৰ উচ্চ কৰ্মস্থিতিকে অনুসৰণ কৰিছিল যে— "যোৱা, সকলো ঠাইৰে সকলো মানুহৰ ওচৰলৈ যোৱা আৰু তেওঁলোকক মোৰ শিষ্য কৰি তোলা।" (Mt. 28.19)

তদুপৰি, যীশুৰ ধৰ্মপ্ৰচাৰৰ সপক্ষে তোমালোকে দেখা পাবা যে ভৱিষ্যত বক্তাসকলে ধৰ্মীয় ত্যাগকো অস্বীকাৰ কৰিছিল আৰু সেয়েহে মতপোষণ কৰিছিল যে— "ঈশ্বৰে কৈছে, মই তোমালোকৰ ধৰ্মীয় উৎসৱবোৰক ঘিণ কৰোঁ, মই কেতিয়াও সেইবোৰক স্থান নিদিওঁ। ....তোমালোকে নিজৰ লাভৰ বাবে যিবোৰ জীৱ-জন্তুক মোৰ ওচৰত উৎসৰ্গা কৰা মই সেইবিলাকক স্বীকাৰ নকৰোঁ। তাৰ পৰিবৰ্তে ধৰি লোৱা সাধুতা নদীৰ দৰে প্ৰবাহিত হয় আৰু বিশুদ্ধতা এখন নদীৰ নিচিনা যি কেতিয়াও শুকাই নাযায়। (Amos 5.21–24)

সেয়েহে যীশুৱে মৰমিয়াল পিতৃৰ পুত্ৰ হিচাপে মানুহৰ সাৰ্বজনীন ভ্ৰাতৃত্ববোধৰ আত্মাক উপদেশ দিছিল আৰু সমৰ্থন কৰিছিল আৰু তেওঁক ঈশ্বৰ বুলি অভিহিত কৰিছিল। যীশুৱে ভগৱানৰ সন্মুখত সকলো মানুহৰ সমতাৰ প্ৰশংসা কৰিছিল।

গতিকে তোমালোকে যীশুৰ শিক্ষাদানত কোনো বেছি দৃঢ় ধৰ্মতত্ব বা ধৰ্মতত্বমূলক নিৰ্দেশনা বিচাৰি নোপোৱা। যীশুক ইহুদী মন্দিৰবিলাকত আৰু ইহুদী ধৰ্মীয় গৃহসমূহত আৰাধনা কৰা হৈছিল। তেওঁ ইহুদী ধৰ্মীয় নীতিবোৰক সন্মান কৰিছিল কিন্তু তীব্ৰভাৱে সেই ধৰ্মীয় নীতিবোৰক অগ্ৰাহ্য কৰিছিল যিবোৰে প্ৰৱলভাৱে আইনীবিদ্যাক সন্মান কৰিছিল কিন্তু ইয়াৰ আত্মাক নহয়। যীশুৱে একেশ্বৰবাদৰ নীতিক সন্মান জনাই কৈছিল যে ঈশ্বৰ এক, পবিত্ৰ, সৰ্বশক্তিমান আৰু সকলোৰে প্ৰতি দয়াশীল। তেওঁ দৃঢ়ভাৱে ঈশ্বৰৰ পিতৃত্বক শ্ৰদ্ধা কৰিছিল আৰু জোৰ দি কৈছিল যে মনৰ সুখ আৰু শান্তিৰ কাৰণে আমি ঈশ্বৰক সনাতন পিতৃৰূপে গ্ৰহণ কৰিবই লাগিব। যীশুৱে সদায় এই উপদেশেৰে উৎসাহিত কৰিছিল যে, যিদৰে এজন পিতৃয়ে নিজৰ ল'ৰা-ছোৱালীক বিনাচৰ্তে মৰম কৰে, ঠিক সেইদৰে ঈশ্বৰ যিজন আমাৰ মৰমৰ পিতৃ আৰু সেয়েহে তেওঁ প্ৰত্যেক ব্যক্তিকে বিনাচৰ্তে আৰু কোনো আইনী নীতিৰ অবিহনে মৰম কৰে। গতিকে শাস্ত্ৰৰ বিধি-বিধান কেতিয়াও খ্ৰীষ্টান ধৰ্মৰ স্নায়ুত গঠিত নহয়।

৮.৩ খ্ৰীষ্টান ধৰ্ম আৰু ইয়াৰ ক্ৰমবিকাশ

যীশুৰ ধৰ্মীয় শিক্ষানীতিসমূহ আগলৈ বহুতো অতিন্দ্ৰীয়বাদী, সন্তপুৰুষ, সমালোচক আৰু চিন্তাবিদৰ সহায়ত ক্ৰমবিকাশ হয়। বিশেষভাৱে উল্লেখযোগ্য যে যীশুৰ পিছত খ্ৰীষ্টানধৰ্মলৈ ছেণ্ট পলৰ অৱিহণা অতি গুৰুত্বপূৰ্ণ আৰু বিশেষ উৎসাহজনক। বহুতো সমালোচক আৰু ধৰ্মতত্ববিদে বিশ্বাস কৰে যে খ্ৰীষ্টানধৰ্মক ধৰ্ম হিচাপে গঢ় দিয়াত সন্ত পল (যীশুৰ প্ৰিয় শিষ্য) প্ৰশংসনীয় কাৰণ যীশুৱে কেৱল সংস্কাৰক হ'বলৈ চেষ্টা কৰিছিল আৰু ইহুদীবিলাকক তেওঁৰ ব্যক্তিগত ধাৰণা ঈশ্বৰক প্ৰেম স্বৰূপে শিকাবলৈ লক্ষ্য কৰিছিল। তোমালোকে মনত ৰাখিবা যে যীশুৱে কেৱল চেষ্টা কৰিছিল দুষ্টমতিৰ ইহুদীধৰ্মক নিকা কৰিবলৈ যিবোৰ কালৰ প্ৰবাহত ইয়াত কেউফালৰপৰা আগুৰি ধৰিছিল। গতিকে তেওঁ বাৰে বাৰে ব্যক্তি কৰিছিল যে ইহুদীসকলৰ পু�ৰণি বিশ্বাসক ধ্বংস কৰাটো কেতিয়াও তেওঁৰ লক্ষ্য নাছিল কিন্তু ভৱিষ্যতবক্তাসকলৰ নীতিক ফলপ্ৰসু কৰিব বিচাৰিছিল।

ছেণ্ট প'লে ভক্তিসহকাৰে তেওঁৰ গুৰু যীশুৱে প্ৰচাৰ কৰা শিক্ষানীতিক অনুসৰণ কৰিছিল। তেওঁ প্ৰায়শ্চিত্তবাদ নীতিক তীব্ৰভাৱে ব্যাখ্যা কৰিছিল আৰু গঠন কৰিছিল। তেওঁ খ্ৰীষ্টানধৰ্মক ভদ্ৰভাৱে সূচনা কৰিছিল আৰু বহুতো গুৰুত্বপূৰ্ণ নীতি-নিয়ম স্বাধীনভাৱে সূচনা কৰিছিল। ছেণ্ট প'লে গ্ৰহণ কৰিছিল যে যীশুৰ মৃত্যু আছিল সংসাৰৰ পাপৰ বাবে পবিত্ৰ ত্যাগৰ এক অদ্বিতীয় কৰ্মৰ প্ৰতীকাত্মক ৰূপ। গতিকে, আপোনালোকে জানিব পাৰিলে যে যীশুৰ লগতে ছেণ্ট প'লেও খ্ৰীষ্টান ধৰ্মৰ বৃদ্ধি তথা বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিন্তু ইয়াত তোমালোকক খ্ৰীষ্টান ধৰ্ম সম্পৰ্কে যীশুৰ ব্যাখ্যাক অধিকভাৱে অৱগত কৰা হৈছে। তদুপৰি তোমালোকে জানিবলৈ পাই সুখী হ'বা যে ছেণ্ট প'লে এই আদৰ্শক সমৰ্থন কৰিছিল যে মানুহক তেওঁলোকৰ পাপকৰ্মৰ পৰা মুক্তি দিয়াৰ কাৰণে ঈশ্বৰে তেওঁৰ জন্ম দিয়া পুত্ৰক এই পৃথিৱীলৈ পঠোৱাৰ দায়িত্ব গ্ৰহণ কৰিছিল যি মানৱ জাতিৰ বাবে ঈশ্বৰৰ মৰমৰ নামত ইচ্ছাকৃতভাৱে উৎসৰ্গা কৰিছিল। ছেণ্ট প'লে ত্ৰিনিতিৰ মতবাদটোও বিস্তাৰ কৰিছিল। ত্ৰিনিতি মতবাদৰ মতে, একেজন ঈশ্বৰেই তিনিটা ৰূপত প্ৰকাশিত হয় ঃ পিতৃস্বৰূপ ঈশ্বৰ, পুত্ৰৰূপী ঈশ্বৰ আৰু পবিত্ৰ আত্মাৰূপত ঈশ্বৰ। ত্ৰিনিতি মতবাদে ব্যক্ত কৰে যে ঈশ্বৰ হৈছে পিতৃস্বৰূপ। ঈশ্বৰে নিজকে সৃষ্টিকৰ্তা হিচাপে প্ৰতিনিধিত্ব কৰে। সৰ্বশক্তিমান ঈশ্বৰে নিজকে সকলো বস্তুৰে চৰম উৎস হিচাপে প্ৰতিনিধিত্ব কৰে। এই বিশেষ ব্যাখ্যাত ইয়াকো কোৱা হৈছে যে পুত্ৰ হিচাপে ঈশ্বৰেই যীশুৰূপে অৱতাৰ লৈছে আৰু আত্মাৰূপে তেওঁ আমাৰ হৃদয়ত আৰু সকলো সৃষ্টিৰ মাজত বসবাস কৰে। খ্ৰীষ্টানধৰ্মই ত্ৰিনিতিৰূপী ঈশ্বৰক বিশ্বাসী ধৰ্মক প্ৰতিনিধিত্ব কৰে। এই অধ্যায়টোত আপোনালোকে খ্ৰীষ্টানধৰ্মৰ প্ৰধান লক্ষণবোৰ জানিব পাৰিব আৰু লগতে যীশুখ্ৰীষ্টই বৰ্ণনা কৰাৰ দৰে ত্ৰিনিতিৰ ধাৰণাটোও বুজিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খ্রীষ্টান ধর্মৰ প্রধান বিশেষত্ব উল্লেখ কৰা।

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ ঈশ্বৰতত্বৰ আলোচকজনৰ নাম উল্লেখ কৰা যিজনে খ্রীষ্টান ধর্মক ধর্মৰ আকাৰ দিছিল।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰ কৰা ঃ

(a) যীশুই এক _____ পৰিয়ালত জন্মগ্রহণ কৰিছিল।

(b) যীশুক এজন _____ অভিহিত কৰা হয়।

৮.৪ খ্রীষ্টান ধর্মৰ প্রধান ধর্মমতসমূহ

খ্রীষ্টান ধর্মৰ প্রধান নীতি বা লক্ষণ বা ধর্মমতবোৰ তলত উল্লেখ কৰা ধৰণৰ—

১. খ্রীষ্টান ধর্মত Old Testamentৰ প্রভাৱ ঃ

ইহুদী ধর্মৰ লগতে খ্রীষ্টান ধর্মইও মতপোষণ কৰিছে যে Old Testament হ'ল ঈশ্বৰৰ প্রকাশিত শব্দ। এই মতটোৰ লগতে, খ্রীষ্টান ধর্মই নিৰীক্ষণ কৰিছিল যে New Testament হ'ল ঈশ্বৰৰ প্রকাশিত শব্দৰ শেষ প্রকাশ। ঈশ্বৰৰ প্রকাশিত শব্দ যীশুৰ ৰূপত অৱতাৰ গ্রহণ কৰাৰ উৰ্দ্ধত সম্ভৱ হয়। ইয়াত যীশুক এতিয়াও স্বর্গত বাস কৰা বুলি বিশ্বাস কৰা হয় আৰু এতিয়াও মানুহৰ মাজত পবিত্র আত্মাক দান কৰা বুলিও বিশ্বাস কৰা হয়। খ্রীষ্টান ধর্মই মতপোষণ কৰে যে ঈশ্বৰে যীশুৰ মাধ্যমেৰে তেওঁৰ শব্দবোৰ প্রকাশ কৰিছিল কাৰণ খ্রীষ্টানধর্মৰ মতে যীশুৱে হ'ল একমাত্র আৰু কেৱলমাত্র প্রকাশ। যীশুৰ প্রকাশ চৰম বিশুদ্ধ আৰু সেয়েহে ঈশ্বৰৰ মৰম পোৱাৰ পৰম প্রকাশক কেন্দ্রীভূত কৰে।

২. একেশ্বৰবাদ খ্ৰীষ্টান ধৰ্মৰ প্ৰকৃতি ঃ

খ্ৰীষ্টান ধৰ্ম প্ৰধানতঃ একেশ্বৰবাদী প্ৰকৃতিৰ। ই কেৱল আৰু কেৱলমাত্ৰ এজন ঈশ্বৰকে বিশ্বাস কৰে। যদিও খ্ৰীষ্টানধৰ্মই ত্ৰিনিতিৰ ধাৰণাক সমৰ্থন কৰে তথাপিও ই দৃঢ়ভাৱে কেৱল এজন ঈশ্বৰৰ ধৰ্মতত্বমূলক ধাৰণাক অনুসৰণ কৰে। সেয়েহে পিতৃস্বৰূপ ঈশ্বৰ, পুত্ৰৰূপী ঈশ্বৰ আৰু পবিত্ৰ আত্মাস্বৰূপ ঈশ্বৰ— এই তিনিজন ব্যক্তিগত ঈশ্বৰৰ এজনতে দেৱত্ব আৰোপ কৰা হৈছে আৰু সেয়েহে খ্ৰীষ্টীয়ান একেশ্বৰবাদ অনুসৰণ কৰা হয়। গতিকে খ্ৰীষ্টান ধৰ্মই সমৰ্থন কৰে যে এজন পৰম ঈশ্বৰেই হৈছে এটা শুদ্ধ আত্মাৰ প্ৰকৃতি। যদিও খ্ৰীষ্টান ধৰ্মই ঈশ্বৰৰ ব্যক্তিত্বৰ ধৰ্মপ্ৰচাৰ কৰে তথাপিও তোমালোকে সাৱধানেৰে মনত ৰাখিবা যে ইয়াত ঈশ্বৰ এজন সাধাৰণ ব্যক্তি নহয়। তেওঁ অনিৰ্দিষ্ট, অসীম, সৰ্বজ্ঞ-সৰ্বব্যাপী আৰু সৰ্বশক্তিমান আদি গুণেৰে বিভূষিত। ঈশ্বৰক শাশ্বত বুলি অভিহিত কৰা হয় আৰু তেওঁৰ অস্তিত্ব অৱশ্যাম্ভাৱী। গতিকে, ঈশ্বৰ অস্তিত্বশীল আৰু তেওঁক আমি অস্তিত্বহীন বুলি গ্ৰহণ কৰিব নোৱাৰো। ঈশ্বৰ সনাতন বা নিত্য আৰু সেয়েহে তেওঁৰ আদি বা অন্ত নাই।

ঈশ্বৰ হ'ল পৃথিৱীৰ স্ৰষ্টা আৰু পালনকৰ্তা। সৰ্বশক্তিমান ঈশ্বৰে শূন্যৰপৰা পৃথিৱীখন সৃষ্টি কৰিছে। ঈশ্বৰক জীৱনৰ মূল্যবোধ যেনে— দয়ালু, পবিত্ৰ, দানশীলতা আৰু মৰমিয়াল আদিৰদ্বাৰা চিনাকী দিয়া হয়। গতিকে ঈশ্বৰ কেতিয়াও ভয় বা ত্ৰাসৰ উৎস হ'ব নোৱাৰে আৰু শেষত যীশুক মানৱজাতিৰ মঙ্গলৰ কাৰণে পৃথিৱীলৈ প্ৰেৰণ কৰে। সেইকাৰণে খ্ৰীষ্টীয়ানসকলে যীশুক ঈশ্বৰৰ প্ৰেমক এক বাস্তৱ আৰু জীৱন্ত আদৰ্শৰূপে স্বীকাৰ কৰে।

৩. খ্ৰীষ্টান ধৰ্মত পৃথিৱীৰ বিশ্লেষণ ঃ

খ্ৰীষ্টান ধৰ্মই সৃষ্টিশীলতাক ভগৱানৰ এক পবিত্ৰ কাৰ্য বুলি সমৰ্থন কৰে আৰু 'Ex nihilo'ক অনুসৰণ কৰে। ঈশ্বৰেই এই সংসাৰৰ সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু শেষত ঈশ্বৰেই নিজে এই সংসাৰখন পোহপাল দি থাকে। সংসাৰৰ প্ৰকৃতি বা স্বভাৱ কেতিয়াও সনাতন বা শাশ্বত নহয় কাৰণ চূড়ান্তভাৱে সংসাৰখন ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল পৃথিৱীখন অনিশ্চিত। খ্ৰীষ্টান ধৰ্মৰ মতে, সংসাৰৰ অনিশ্চিত গুণটো সঁচা আৰু সেয়েহে ই সংসাৰখনক মানুহৰ জীৱন নিৰ্বাহৰ স্থানৰূপে গঠন কৰে আৰু বিশ্বজনীন ভাতৃত্ববোধ জগাই তুলে। যদি ঈশ্বৰে এই সংসাৰৰ পালন আৰু পৰিচালনাৰ ইচ্ছা নকৰিলেহেঁতেন তেনেহ'লে সংসাৰৰ অস্তিত্ব নাথাকিলহেঁতেন। প্ৰকৃতি সকলো প্ৰকাৰৰ সহজাত গুণৰদ্বাৰা প্ৰকাশিত হয় কাৰণ ঈশ্বৰ যি দানশীল আৰু আদৰণীয় পিতৃ তেওঁৰেই জগতখন সৃষ্টি কৰিছিল আৰু ঈশ্বৰে তেওঁ সৃষ্টি কৰা বস্তুবোৰ চায় আৰু সেইবোৰ বল ভাল।

খ্ৰীষ্টীয়ান জেনেচিচসকলে আদাম আৰু ইভৰ লগতে অন্যান্য মানৱসত্তাৰো সৃষ্টিৰ ব্যাখ্যা আগবঢ়াইছে। এটা পৌৰাণিক আখ্যান অনুসৰি ঈশ্বৰে শূন্যৰপৰা মানুহ

আৰু জগতৰ সৃষ্টি কৰিছিল এইটো প্ৰমাণ কৰিবলৈ যে ঈশ্বৰ সৰ্বশক্তিমান। ফলস্বৰূপে এক বিশ্বাস প্ৰচলিত হ'ল যে ঈশ্বৰে শূন্যৰপৰাই সকলো সৃষ্টি কৰিছিল। খ্ৰীষ্টান ধৰ্মমতে, 'ঈশ্বৰৰ বাহিৰে কোনেও একে সময়তে ঈশ্বৰৰ লগত অস্তিত্বশীল হ'ব নোৱাৰে। বাইবেলৰ উদ্ধৃতি অনুসৰি উন্নত্ত মহাসাগৰ যি সকলোবস্তুকে আৱৰি থাকে সি সম্পূৰ্ণ অন্ধকাৰত বিলীণ হৈ যায় আৰু ঈশ্বৰৰ মহিমাই পানীৰ ওপৰত পৰিভ্ৰমণ কৰি থাকে। খ্ৰীষ্টান ধৰ্মৰ মতে, সৃষ্টিও এক কল্পনা। গতিকে তোমালোকে কেতিয়াও সৃষ্টিমতবাদৰ লগত সম্বন্ধিত দৰ্শনমূলক প্ৰশ্নৰ অৱতাৰণা কৰিব নোৱাৰা। আনকি খ্ৰীষ্টান ধৰ্মত "এজন সৃষ্টিকৰ্তা ঈশ্বৰ" কেৱল এক কল্পনা মাত্ৰ। ইয়াত বাইবেলে সৃষ্টিক এক কল্পনা বোলা কথাষাৰ সমৰ্থন কৰিছে আৰু সেয়েহে তোমালোকে ব্যাখ্যা পাবা যে— "ঈশ্বৰে এই জগতখনৰ সৃষ্টি কৰিছে আৰু তেওঁ যি সৃষ্টি কৰিছে তাৰ তেওঁ যত্নও লৈছে। আনকি এটা ঘৰচিৰিকাও পিতৃৰ (ঈশ্বৰৰ) ইচ্ছাৰ অবিহনে পথাৰলৈ নামিব নোৱাৰে। আৰু ঈশ্বৰে তেওঁৰ সৃষ্টিক লৈ সুখী।"

আপোনালোকে মনত ৰখা উচিত যে খ্ৰীষ্টানধৰ্মত এজন সৃষ্টিকৰ্তা ঈশ্বৰ হ'ল কেৱলমাত্ৰ এক কল্পনা। ঈশ্বৰৰ সৰ্বশক্তিমত্তা গুণক বিচাৰ কৰিবৰ বাবে খ্ৰীষ্টান ধৰ্মই এইটো স্বীকাৰ কৰে যে ঈশ্বৰে শূন্যৰপৰাই সকলোবোৰ সৃষ্টি কৰিছিল। সেইকাৰণে, সমগ্ৰ জগতৰ লগতে ইয়াৰ স্থান আৰু কালত মানুহ আৰু মানুহৰ চৰম অদৃষ্ট বা ভাগ্য সকলোবোৰ ঈশ্বৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। গতিকে যিটো সৃষ্টি কৰা নাযায় সি নিত্য বা সনাতন। জেনেছিছৰ দ্বিতীয় অধ্যায়ত, যিখনক বাইবেলৰ প্ৰথম গ্ৰন্থ বুলি গ্ৰহণ কৰা হয় তেওঁলোকে আদাম আৰু ইভৰ লগত অন্যান্য মানৱ সত্তাৰো সৃষ্টি বৰ্ণনা কৰে। খ্ৰীষ্টান ধৰ্মত ঈশ্বৰ আৰু তেওঁৰ আইন-কানুনক সনাতন আৰু চিৰস্থায়ী বুলি সমৰ্থন কৰে। সেয়েহে "প্ৰকৃতিৰ ৰহস্য" অনুসন্ধানৰ সম্ভাৱনীয়তা মানুহৰ আছে। ইয়াত তোমালোকে বুজি পাবা যে যেতিয়া প্ৰকৃতিৰ ৰহস্য অনুসন্ধান কৰা হয়, তেতিয়া খ্ৰীষ্টীয়ান ধৰ্মতত্বই ব্যক্ত কৰে যে মানুহে নিজৰ কৰ্মৰ মাধ্যমেৰে ঈশ্বৰৰ ইচ্ছা আৰু উপদেশবোৰ সঁচাকৈয়ে জানিবলৈ সক্ষম হয়। প্ৰকৃতি হ'ল ঈশ্বৰৰে সৃষ্টি, এই বৈজ্ঞানীক অনুসৰণক বাইবেলে স্বীকাৰ কৰিছিল। প্ৰকৃতিৰ মাধ্যমেৰেই ঈশ্বৰক পূজা কৰা আৰু প্ৰকাশ কৰা হয় আৰু বৈজ্ঞানীক অনুসৰণক পবিত্ৰ বুলি গ্ৰহণ কৰা হয়। মৰমিয়াল পিতৃস্বৰূপে ঈশ্বৰৰ হস্তক্ষেপৰদ্বাৰা প্ৰকৃতিক পবিত্ৰ কৰা হয়। মানৱ অস্তিত্বৰ কল্যাণ আৰু ইয়াৰ বৃদ্ধি তথা বিকাশৰ কাৰণে। সেইকাৰণে কোৱা হয় যে, "স্বৰ্গত থকা পিতৃৰ নিচিনাকৈ জ্ঞানী হৈ থাকা।" এইটো সম্পূৰ্ণ স্পষ্ট যে, প্ৰকৃতিৰ অনুসন্ধানত বৈজ্ঞানীক অনুসৰণক উদগনি জনালেও খ্ৰীষ্টান ধৰ্মই বস্তুবাদক সমৰ্থন কৰিছিল। তাৰ পৰিবৰ্তে তোমালোকে বিচাৰি পাবা যে বাইবেলৰ কাল্পনিক সৃষ্টি হ'ল উদ্দেশ্যমূলক স্বভাৱৰ। বিশ্বজগতৰ স্বভাৱ হ'ল পবিত্ৰ আৰু সেয়েহে মানৱ জীৱনৰ লক্ষ্য কেৱল এজন ব্যক্তিৰ স্বাৰ্থপৰ মনোভাৱক

সন্তুষ্ট কৰাটোৱেই নহয়। মানুহৰ বাবে পৃথিৱীখন মুখ্য নহয় য'ত তেওঁলোকে নিজৰ সত্তাৰ সৈতে বসবাস কৰে। পৃথিৱীখনৰ কেৱল গৌণ মূল্যহে আছে। সেইকাৰণে মানুহে ঈশ্বৰক অন্তৰঙ্গতাৰে জানিব লাগিব আৰু তেওঁৰ সাধুতা গুণটো আহৰণ কৰাৰ লগতে ঈশ্বৰৰ ৰাজ্যও অনুসন্ধান কৰিব লাগিব। সেয়েহে যীশুৱে বৰ্ণনা কৰিছে যে ঃ "হে সন্দেহবাদী মানৱ কিয় তোমালোকে আহাৰ আৰু পোছাকৰ কথা চিন্তা কৰিছা। চৰাইবোৰে গুটি নিসিঁচে বা খেতিও নকৰে। তথাপিও ঈশ্বৰে সিহঁতৰ প্ৰতিপালন কৰে..... গতিকে প্ৰথমে ঈশ্বৰৰ ৰাজ্যখন আৰু তেওঁৰ সাধুতাক বিচাৰি উলিওৱা আৰু তেতিয়া বাকী সকলোবোৰ বস্তু তোমালোকৰ লগত সংলগ্ন হৈ যাব।

এই জগতখন মানৱ অস্তিত্বৰ কেৱল এক মাধ্যম আৰু ইয়াৰ লক্ষ্য হ'ল এই জগতত ঈশ্বৰৰ ৰাজ্য স্থাপন কৰা। সেয়েহে কোৱা হয় যে ঃ "এই পৃথিৱীত য'ত ঘূণ আৰু মামৰ ধ্বংস হয় আৰু ডকাইতে ডকাইতি কৰে তাত তোমাৰ গুণবোৰ জমা নকৰিবা। তাৰ পৰিবৰ্তে স্বৰ্গত তোমাৰ সকলোবোৰ সংৰক্ষণ কৰা য'ত ঘূণ আৰু মামৰ নাথাকেই।"

৪. **খ্ৰীষ্টান ধৰ্মত মানুহ আৰু মুক্তি ঃ**

খ্ৰীষ্টান ধৰ্মই মতপোষণ কৰিছে যে ঈশ্বৰে মানুহক তেওঁৰ সৃষ্টিৰ শেষৰ দিনা সৃষ্টি কৰে। ক্ৰমান্বয়ে মানুহে নৈতিক পবিত্ৰতাৰ বাবে চেষ্টা কৰে। তোমালোকে ইয়াত নিশ্চিতভাৱে বুজিব লাগিব যে খ্ৰীষ্টান ধৰ্মই শাৰীৰিক কামনা আৰু আত্মাৰ মাজত এটা সূক্ষ্ম প্ৰভেদৰ বিকাশ ঘটায়। খ্ৰীষ্টীয়ানসকলে কয় যে অতি সহজতে এটা কামনাযুক্ত শৰীৰ পাপ কাৰ্যৰ কাৰণে বাধ্য হয়। যিহেতু শৰীৰে অতি সহজতে পাপৰ ভাগী হয়, সেইকাৰণে আদাম আৰু ইভে বসবাস কৰা ইডেন নামৰ বাসস্থানক প্ৰকৃত পাপৰ ঠাই বুলি গ্ৰহণ কৰা হয় তেতিয়া আৰু তাৰ পিছত মানৱসত্তাক পাপী বুলি কোৱা হয়। কিন্তু খ্ৰীষ্টান ধৰ্মই ব্যক্তি এজনক নিজকে পাপী বুলি অভিহিত কৰাৰ পৰা মুক্ত কৰিছে। যীশুখ্ৰীষ্টৰ ত্যাগৰ লগত নিজকে একত্ৰকৰণৰদ্বাৰা পবিত্ৰতাৰ বাবে চেষ্টা কৰা স্বাধীনতাই কামনাযুক্ত শৰীৰৰ নিজৰ কৰ্মৰ দায়িত্বক স্বীকাৰ কৰিছে। কোনো ব্যক্তিক প্ৰকৃত পাপৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত খ্ৰীষ্টান ধৰ্মই ঈশ্বৰৰ কৃপাক উৎসাহ জন্মায়। তোমালোকে এইক্ষেত্ৰত মনত ৰখা উচিত যে মানৱসত্তাই অতি সহজতে পাপ কৰ্ম কৰাৰ প্ৰৱণতাতো খ্ৰীষ্টান ধৰ্ম অতি দৃঢ়। সেয়েহে খ্ৰীষ্টান ধৰ্মই মানৱজাতিক পাপৰপৰা মুক্ত কৰাৰ বাবে কৃপা আৰু পবিত্ৰতাৰ ওপৰত নিৰ্ভৰ কৰে। কামনাযুক্ত শৰীৰৰ পাপৰ ধাৰণাৰ ক্ষেত্ৰত খ্ৰীষ্টান ধৰ্ম দৃঢ় নহয়। ই পাপৰ প্ৰকৃতকৰণ আৰু সাধুতাৰ বাবে চেষ্টাৰ এক আশাৰ ৰেঙনিৰ ক্ষেত্ৰত এক নমনীয় দৃষ্টিভঙ্গীক সমৰ্থন কৰে। এইদৰে মানুহে তেওঁলোকৰ অস্তিত্বৰক্ষাৰ গুণসমূহৰ বিকাশত মহৎ হৈ পৰে। কামনাযুক্ত শৰীৰ অতি সহজতে পাপকৰ্মৰ বাবে বাধ্য হয় আৰু আনহাতে মাজে মাজে ঈশ্বৰৰ কৃপাত দেৱদূতসকলোতকৈও আগবাঢ়ি যায়। খ্ৰীষ্টান ধৰ্মত পাপৰ ধাৰণাই মুক্তিৰ পথ মুকলি

কৰি দিয়ে। মুক্তি, অমৰত্ব, সনাতন জীৱন আৰু 'পাপৰপৰা মুক্ত বা প্রায়শ্চিত্ত' আদি শব্দবিলাক সাধাৰণতে মানুহৰ ভাগ্য বর্ণনাৰ বাবে ব্যৱহাৰ কৰা হয়। ই হ'ল জীৱনৰ পবিত্রতা যি মানুহক এক পাপমুক্ত জীৱনৰ ফালে নিশ্চিতভাৱে অগ্রসৰ কৰে। পিতৃস্বৰূপ ঈশ্বৰে প্রত্যেক ব্যক্তিকে তেওঁৰ পবিত্র বা নির্মল মৰম প্রদান কৰে আৰু এইদৰে মানুহে সকলো পাপ অতিক্রম কৰিব পাৰে। 'ক্রুছে' সেই মৰমকে প্রকাশ কৰে। পুত্রস্বৰূপ ঈশ্বৰে মানুহৰ প্রায়শ্চিত্ত বা অনুশোচনাক প্রেমৰ ত্যাগৰ চূড়ান্ত কার্যৰদ্বাৰা যথার্থতা প্রদান কৰে আৰু এইদৰে চিৰকালৰ বাবে পাপীসকলৰ কাৰণে প্রেমৰ পথ আলোকিত কৰে আৰু ইয়াৰদ্বাৰা মুক্তি লাভ কৰিব পাৰে। যদিও মানুহেই পাপৰ উৎপত্তিৰ মূল। তথাপি তেওঁলোকে নিজকে ঈশ্বৰৰ পবিত্র ইচ্ছাৰ ওচৰত আত্মসমর্পণ কৰি ইয়াৰদ্বাৰা মুক্তি লাভ কৰাৰ ক্ষমতা আৰু দক্ষতা আছে। গতিকে মানুহে পবিত্র ধার্মিকতালৈ অগ্রসৰ হ'ব পাৰে। কথনখিনি এনেধৰণৰ হ'ব— "যেতিয়া মই আকাশলৈ চাওঁ, যাক তুমি সৃষ্টি কৰিছা, চন্দ্র আৰু তৰাবোৰ, যাক তুমি সিহঁতৰ ঠাইত সংস্থাপন কৰিছা। মানুহ কি, তুমি তেওঁলোকৰ কথা চিন্তা কৰা, একমাত্র তোমাতেই মানুহ।

(ঈশ্বৰে) মানুহৰ কথা চিন্তা কৰে?

৫. খ্রীষ্টান ধর্মত মৃত্যুৰ পিছত জীৱন সম্পর্কে এক বিশ্লেষণ ঃ

খ্রীষ্টান ধর্মই আত্মাৰ অমৰত্বক স্বীকাৰ কৰে। তেওঁলোকৰ মতে, মৃত্যুৰেই মানৱ জীৱনৰ শেষ লক্ষ্য নহয়। এই বিশেষ গুণটোৱে প্রতিফলন কৰে যে মৃত্যুৰ পিছতো জীৱই জীৱন-নির্বাহ কৰি থাকে। এই মতবাদক প্রমাণ কৰিবৰ বাবে তোমালোকে তিনিটা লক্ষণক গুৰুত্ব দিব লাগিব। সেইকেইটা হ'ল এনেধৰণৰ—

(a) বিচাৰৰ দিনটো

(b) মৃত্যুৰ পৰা পুনৰুত্থান,

(c) এই পৃথিৱীত মানুহৰ কর্মৰ ফলানুসৰি স্বর্গ বা নৰকৰ নির্দেশপত্র।

মানৱ জীৱনৰ মৃত্যুৰ লগে লগে শৰীৰটো ধ্বংস হৈ যায়। কিন্তু আত্মাটো জীয়াই থাকে। খ্রীষ্টান ধর্মই বিশ্বাস কৰে যে, বিশ্বব্রহ্মাণ্ডৰ ধ্বংসৰ পিছতো, মৃত্যুৰ পৰা পুনৰুত্থান হয়। কেৱল মাত্র ঈশ্বৰ যিজন সর্বজ্ঞ তেওঁৰহে এই পৃথিৱীৰ ধ্বংসৰ জ্ঞান আছে আৰু লগতে মৃত্যুৰ পুনৰুত্থানৰ ঘটনাও তেওঁৰ জ্ঞাত। ধর্মশাস্ত্রসমূহে প্রমাণ কৰে যে, বিশ্বৰ ধ্বংস বা শেষৰ দিনটোৱে যীশুখ্রীষ্টৰ পুনৰাগমনক অনুসৰণ কৰে আৰু যীশুৱে সকলো মানুহকে সর্বশেষত বিচাৰ কৰে। ইয়াত যীশুৱে পবিত্র খ্রীষ্টীয় প্রত্যাদেশৰ বিশ্বজনীন শিক্ষাৰ ধর্মোপদেশ দিছিল আৰু ধর্মক সকলো বাহ্যিক বিশৃংখলতাৰপৰা মুক্ত কৰিছিল। গতিকে এইক্ষেত্রত তোমালোকে বুজিব লাগিব যে এই সংকটকালত যীশুখ্রীষ্টই ধর্মক পবিত্র কৰিছিল কাৰণ এই পৃথিৱীত তেওঁৰ পুনৰাগমনৰ বাবে ধর্মই কেতিয়াও কঠোৰ ধর্মীয় ৰীতি-নীতি আৰু সদাচাৰ বিধিত বিভ্রান্তিৰ সৃষ্টি কৰা নাছিল।

যীশুখ্ৰীষ্টই শিকাইছিল "ঈশ্বৰ মোৰ পিতৃ আৰু জীৱনৰ প্ৰত্যেক ক্ষণতে প্ৰত্যেক ব্যক্তিয়ে নিজকে সকলোপ্ৰকাৰৰ প্ৰলোভনৰ পৰা মুক্ত কৰি ৰাখিব লাগে।" তেওঁ আৰু কৈছিল যে "ঈশ্বৰৰ কৃপা বা আশীৰ্বাদ প্ৰধান আৰু ই সম্ভৱ হোৱাৰ একমাত্ৰ কাৰণ হ'ল ঈশ্বৰ আমাৰ মৰমিয়াল পিতৃস্বৰূপ।" সেয়েহে যীশুখ্ৰীষ্টক মানৱজাতিৰ উদ্ধাৰকৰ্তা বুলি গ্ৰহণ কৰা হয়। যীশুখ্ৰীষ্টক ক্ৰুছবিদ্ধ কৰা হৈছিল আৰু এইটো প্ৰতীকীকৰণ কৰা হৈছিল ঈশ্বৰৰ সৃষ্টিত তেওঁৰ চৰ্তবিহীন মৰম আৰু যীশুখ্ৰীষ্টই প্ৰকাশ কৰিছিল যে, "মই ঈশ্বৰৰ পুত্ৰ"। ছেণ্ট প'লে এনেদৰে কৈছিল যে—

"ধৰ্মশাস্ত্ৰত লিখিত এটা বিৱৰণ অনুসৰি, যীশুখ্ৰীষ্টৰ আমাৰ পাপৰ ফলতে মৃত্যু হ'ল, তেওঁক কবৰ দিয়া হ'ল আৰু তিনিদিনৰ পিছত তেওঁ পুনৰ উদিত হ'ল, ধৰ্মশাস্ত্ৰৰ লিখনি মতে; তেওঁ পিটাৰত আৰ্বিভাৰ হ'ল..... তেতিয়া তেওঁ (James) জেমছত আৰ্বিভাৰ হ'ল আৰু ইয়াৰ পিছত যীশুখ্ৰীষ্টৰ সকলো মূল শিষ্যবৃন্দৰ মাজত আৰ্বিভাৰ হৈছিল। সৰ্বশেষত তেওঁ মোৰ মাজত আৰ্বিভাৰ হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খ্ৰীষ্টান ধৰ্মত ঈশ্বৰক কিদৰে ব্যক্ত কৰা হৈছে?

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ কিয় এই পৃথিৱীখনক সকলো বাস্তৱিক মূল্যৰ সৈতে প্ৰকাশ কৰা হয়?

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ লিখা ঃ

(a) খ্ৰীষ্টান ধৰ্মত ঈশ্বৰ অন্তৰ্নিহিত নে অতিলৌকিক?

.....

(b) যীশুখ্ৰীষ্টক ঈশ্বৰৰ প্ৰেমৰ জীৱন্ত আদৰ্শ বুলি গ্ৰহণ কৰা নহয়।

.....

৮.৫ খ্রীষ্টান ধর্ম আৰু ত্রিনিতিৰ ধাৰণা

খ্রীষ্টান ধর্মই প্রধানতঃ একেশ্বৰবাদী ধর্মতত্ব প্রচাৰ কৰিছিল। কিন্তু ইয়াত আমি দেখা পাওঁ যে এজন মাত্র ঈশ্বৰতে তিনিজন ব্যক্তিৰ দেৱত্বক স্বীকাৰ কৰা হয়। এইয়ে হৈছে খ্রীষ্টান ধর্মত ত্রিনিতিৰ ধাৰণা যি মত প্রকাশ কৰে যে ঈশ্বৰ এজনেই কিন্তু এজন ঈশ্বৰকে তিনিটা বেলেগ বেলেগ ৰূপত পোৱা যায়। এই তিনিজন ঈশ্বৰ হ'ল ক্রমান্বয়ে— পিতৃস্বৰূপ ঈশ্বৰ, পুত্রৰূপী ঈশ্বৰ আৰু পবিত্র আত্মা। যীশুখ্রীষ্টক দ্বিতীয়জন ব্যক্তিৰ ৰূপত পুত্রৰ আৱির্ভাৱ হিচাপে গ্রহণ কৰা হয়। গতিকে তৃতীয়জন ব্যক্তি হ'ল পবিত্র আত্মা। এই পবিত্র আত্মাক চর্তবিহীন প্রেমৰ ৰূপত প্রতীকীকৰণ কৰা হয়। গতিকে পিতৃস্বৰূপ ঈশ্বৰ আৰু পুত্রৰূপী ঈশ্বৰ দুয়োজনে এই পবিত্র আত্মাক অনুসৰণ কৰে। এইদৰেই খ্রীষ্টান ধর্মত ত্রিনিতিৰ ধাৰণাটো এক ৰহস্যযুক্ত ধাৰণা। যেনেকৈ তোমালোকে জগতৰ সৃষ্টি সম্পর্কে কোনো দার্শনিক প্রশ্ন কৰিব নোৱাৰা যিহেতু খ্রীষ্টান ধর্মত ই এক ৰহস্য, ঠিক সেইদৰে ত্রিনিতিৰ ধাৰণাটোও দার্শনিক মাত্রাৰ পৰিধিৰ ভিতৰত নাথাকে। আত্মিক শক্তিৰ দ্বাৰা লাভ কৰা ঐশ্বৰিক জ্ঞানৰ ব্যাখ্যাৰ মানসিক প্রকাশ আৰু নির্মলতাৰ শক্তি আছে। সেয়েহে ত্রিনিতিৰ ধাৰণাটোৰ চৈতন্য প্রকাশৰ দক্ষতা থাকে আৰু সেইকাৰণে ইয়াক কেৱলমাত্র মানুহৰ প্রত্যক্ষ জ্ঞানৰ দ্বাৰা বিচাৰ কৰাটো সম্ভৱ নহয়।

মাজে মাজে ত্রিনিতিৰ ধাৰণাটো হিন্দুধর্মৰ সমকক্ষ ৰূপত প্রত্যক্ষ কৰা যায়। হিন্দুধর্মটো ত্রিনিতিৰ ধাৰণাটো পোৱা যায়। হিন্দুধর্মৰ ত্রিনিতিৰ ব্যক্তিকেইজন হ'ল— ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰ। সমালোচকসকলে মতপ্রকাশ কৰিছে যে তিনিজন ব্যক্তি কেতিয়াও এজন হ'ব নোৱাৰে যিমানেই তেওঁলোক সমকক্ষ নহওঁক কিয়। কিন্তু সমালোচকসকল আৰু ধর্মতত্ববিদসকলে ৰহস্যবাদৰ বিষয়ে কেতিয়াও কোনো অ-দার্শনিক অনুসন্ধান সমর্থন নকৰে। সমালোচকসকলৰ মতে যীশু আৰু ঈশ্বৰ কেতিয়াও একে হ'ব নোৱাৰে কাৰণ তেওঁলোকৰ এই সমকক্ষতাই কেতিয়াও যীশুক এজন সাধাৰণ মানুহৰ ৰূপত সমর্থন নকৰে। আনহাতে, যীশুৰ ক্রুছবিদ্ধক গ্রহণ কৰিব পৰা নাযায় কাৰণ ঈশ্বৰ সনাতন। তদুপৰি ঈশ্বৰ আৰু যীশুৰ সমকক্ষতাৰ স্বভাৱক গণনা কৰিব নোৱাৰি কাৰণ যদি সেয়ে হয় তেনেহ'লে যীশুৰ "ঈশ্বৰ মোৰ পিতৃ" কথাষাৰৰ কোনো অর্থ নাথাকিব। গতিকে যীশুক "অদৃশ্যমান ঈশ্বৰৰ দৃশ্যমান ভালপোৱা" হিচাপে গণ্য কৰা হয়।

সমালোচকসকল আৰু ধর্মতত্ববিদসকলে প্রশ্ন উত্থাপন কৰিছে যে যদিহে যীশু এক মানৱসত্তা হয় তেনেহ'লে খ্রীষ্টীয়ানসকলে 'মূর্তি' পূজাৰো সমর্থন কৰিলেহেঁতেন। এইক্ষেত্রত খ্রীষ্টীয়ানসকলক প্রতিমাপূজক বুলি দৃঢ় অর্থত কোৱা যাব যদিহে যীশুক জগতৰ সৃষ্টিকর্তা বুলি ঈশ্বৰক পূজা কৰা এজন সাধাৰণ মানৱ সত্তা বুলি গ্রহণ কৰা হয়। দার্শনিক অনুসন্ধান আত্ম-পৰস্পৰবিৰোধী হ'ব যদিহে তোমালোকে "এটা সত্তাক সসীম আৰু অসীম দুয়োটা" বুলি স্বীকাৰ কৰা হয়। তোমালোকে দেখা পাবা যে ত্রিনিতি সম্পর্কে ভাৰতীয় দর্শনৰ ব্যাখ্যা পাশ্চাত্য দর্শনৰ ত্রিনিতিৰ ব্যাখ্যাতকৈ কম পৰস্পৰ-বিৰোধী। চিন্তাবিদ যেনে- ৰাজা ৰামমোহন ৰয়, কেশৱ চন্দ্র

সেন আৰু অন্যান্য চিন্তাবিদসকলে মতপোষণ কৰিছে যে 'সচ্ছিদানন্দ'ৰ ধাৰণাটোত লগত ত্ৰিনিতিৰ ধাৰণাটো অন্তৰ্ভুক্ত হ'লে কম বিৰোধমূলক হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ খ্ৰীষ্টান ধৰ্মত বিচাৰি পোৱা মুক্তিৰ ধাৰণাটো ব্যাখ্যা কৰা।

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ খ্ৰীষ্টান ধৰ্মই 'ত্ৰিনিতি' মতবাদটোৰ কিদৰে ব্যাখ্যা আগবঢ়াইছে?

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ খালী ঠাই পূৰ কৰা ঃ

(a) খ্ৰীষ্টান ধৰ্মত ত্ৰিনিতিৰ ধাৰণাটো হ'ল এক _____।

(b) পবিত্ৰ আত্মাক প্ৰতীকীকৰণ কৰা হয় আত্মাৰ _____ মৰম হিচাপে।



৮.৬ অধ্যায়টিৰ পৰা আমি শিকিলো

- খ্ৰীষ্টান ধৰ্মই ইয়াৰ উৎপত্তি, যীশুখ্ৰীষ্ট নামৰ ব্যক্তিজনৰ নামৰপৰা গ্ৰহণ কৰিছে। এইটো বিশ্বাস কৰা হয় যে যীশুখ্ৰীষ্টৰ জীৱন, শিক্ষা আৰু মৃত্যু আদিত খ্ৰীষ্টান ধৰ্মৰ মূল বিশেষত্ববোৰ নিহিত হৈ থাকে।
- 'Christ' পদটো গ্ৰীক শব্দ 'Christos'ৰ পৰা অনা হৈছে। 'Christos'ৰ অৰ্থ হ'ল মছিহা বা পয়গম্বৰ। গতিকে, পোনপ্ৰথমবাৰৰ বাবে 'খ্ৰীষ্টীয়ান' শব্দটো চিৰিয়াৰ এণ্টিয়কত অৱস্থিত নাজাৰেথৰ যীশুৰ অনুসৰণকাৰীসকলৰ লগত সংযুক্ত। এইটো উল্লেখযোগ্য যে আদিম বা প্ৰাৰম্ভিক সময়ৰপৰা খ্ৰীষ্টানধৰ্ম ইহুদীধৰ্মৰ লগত অন্তৰঙ্গভাৱে সম্বন্ধযুক্ত।

- ছেণ্ট প'লে ভক্তিসহকাৰে তেওঁৰ গুৰু যীশুৱে প্রচাৰ কৰা শিক্ষানীতিক অনুসৰণ কৰিছিল। তেওঁ প্রায়শ্চিত্তবাদ নীতিক তীব্রভাৱে ব্যাখ্যা কৰিছিল আৰু গঠন কৰিছিল। তেওঁ খ্রীষ্টান ধর্মক ভদ্রভাৱে সমর্থন কৰিছিল আৰু বহুতো গুৰুত্বপূর্ণ নীতি-নিয়ম স্বাধীনভাৱে সূচনা কৰিছিল।
- খ্রীষ্টান ধর্মই নিৰীক্ষণ কৰিছিল যে New Testament হ'ল ঈশ্বৰৰ প্রকাশিত শব্দৰ শেষ প্রকাশ। ঈশ্বৰৰ প্রকাশিত শব্দ যীশুৰ ৰূপত অৱতাৰ গ্রহণ কৰাৰ উর্দ্ধত সম্ভৱ হয়। ইয়াত যীশুক এতিয়াও স্বর্গত বাস কৰা বুলি বিশ্বাস কৰা হয় আৰু এতিয়াও মানুহৰ মাজত পবিত্র আত্মাক দান কৰিছিল।
- ঈশ্বৰক অনির্দিষ্ট, অসীম, সর্বজ্ঞ, সর্বব্যাপী আৰু সর্বশক্তিমান আদি গুণেৰে বিভূষিত কৰা হয়। তেওঁক শাশ্বত বুলি অভিহিত কৰা হয় আৰু তেওঁৰ অস্তিত্ব অৱশ্যাম্ভাৱী। গতিকে ঈশ্বৰ অস্তিত্বশীল আৰু তেওঁৰ অস্তিত্বশীলতাক আমি গ্রহণ কৰিব নোৱাৰো। ঈশ্বৰ সনাতন বা নিত্য আৰু সেয়েহে তেওঁৰ আদি বা অন্ত নাই।
- খ্রীষ্টান ধর্মত পাপৰ ধাৰণাই মুক্তিৰ পথ মুকলি কৰি দিয়ে। 'মুক্তি', 'অমৰত্ব', 'সনাতন জীৱন' আৰু 'পাপৰ পৰা মুক্ত' বা 'প্রায়শ্চিত্ত' আদি শব্দবিলাক সাধাৰণতে মানুহৰ ভাগ্য বর্ণনাৰ বাবে ব্যৱহাৰ কৰা হয়। ই হ'ল জীৱনৰ পবিত্রতা যি মানুহক এক পাপমুক্ত জীৱনৰ ফালে নিশ্চিতভাৱে অগ্রসৰ কৰে।
- খ্রীষ্টীয়ানসকলে কয় যে অতি সহজতে এটা কামনাযুক্ত শৰীৰ পাপ কার্যৰ কাৰণে বাধ্য হয়। যিহেতু শৰীৰে অতি সহজতে পাপৰ ভাগী হয় সেইকাৰণে আদাম আৰু ইভে বসবাস কৰা ইডেন নামৰ বাসস্থানক প্রকৃত পাপৰ ঠাই বুলি গ্রহণ কৰা হয় তেতিয়া আৰু তাৰ পিছত মানৱসত্তাক পাপী বুলি কোৱা হয়।
- ত্রিনিতিৰ ধাৰণা যি ব্যক্ত কৰে যে ঈশ্বৰ এজন কিন্তু এজন মাত্র ঈশ্বৰতে তিনিজন ব্যক্তিৰ দেৱত্বক ৰূপ দিয়া হয় বা এজন ঈশ্বৰকে তিনিটা বেলেগ বেলেগ ৰূপত পোৱা যায়। এই তিনিজন ঈশ্বৰ হ'ল ক্রমান্বয়ে ঃ পিতৃস্বৰূপ ঈশ্বৰ, পুত্রৰূপী ঈশ্বৰ আৰু পবিত্র আত্মা। যীশুখ্রীষ্টক দ্বিতীয়জন ব্যক্তিৰ ৰূপত পুত্রৰ অৱতাৰ হিচাপে গ্রহণ কৰা হয়। গতিকে তৃতীয়জন ব্যক্তি হ'ল পবিত্র আত্মা। এই পবিত্র আত্মাক চর্তবিহীন প্রেমৰ ৰূপত প্রতীকীকৰণ কৰা হয়।



৮.৭ অগ্রগতি খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ যীশুখ্রীষ্টৰ জন্ম, শিক্ষা আৰু মৃত্যুআদিত একেলগে খ্রীষ্টান ধর্মৰ প্রধান লক্ষণসমূহ নিহিত হৈ থাকে। এইয়ে হ'ল খ্রীষ্টান ধর্মৰ প্রধান বিশেষত্ব।

২ নং প্ৰশ্ন উত্তৰ ঃ ছেণ্ট প'ল হৈছে ঈশ্বৰতত্বৰ আলোচক যিজনে খ্ৰীষ্টানধৰ্মক ধৰ্মৰ আকাৰ দিছিল।

৩ নং প্ৰশ্ন উত্তৰ ঃ (a) ইহুদী, (b) মছিহা

৪ নং প্ৰশ্ন উত্তৰ ঃ খ্ৰীষ্টান ধৰ্মত ঈশ্বৰক অনিৰ্দিষ্ট, অসীম, সৰ্বব্যাপী আৰু সৰ্বশক্তিমান আদি গুণেৰে বিভূষিত কৰা হয়। তেওঁক শাশ্বত বুলি অভিহিত কৰা হয় আৰু তেওঁৰ অস্তিত্ব অৱশ্যাম্ভাৱী।

৫ নং প্ৰশ্ন উত্তৰ ঃ পৃথিৱীখনক সকলো বাস্তৱিক মূল্যৰ সৈতে প্ৰকাশ কৰা হয় কাৰণ ঈশ্বৰ যি দানশীল আৰু আদৰণীয় পিতৃ তেওঁৰেই জগতখন সৃষ্টি কৰিছিল।

৬ নং প্ৰশ্ন উত্তৰ ঃ (a) সঁচা, (b) মিছা বা অশুদ্ধ

৭ নং প্ৰশ্ন উত্তৰ ঃ খ্ৰীষ্টান ধৰ্মত পাপৰ ধাৰণাই মুক্তিৰ পথ মুকলি কৰি দিয়ে। 'মোক্ষ', 'অমৰত্ব', 'সনাতন জীৱন' আৰু 'পাপৰপৰা মুক্ত বা প্ৰায়শ্চিত্ত আদি শব্দবিলাক সাধাৰণতে মানুহৰ ভাগ্য বৰ্ণনাৰ বাবে ব্যৱহাৰ কৰা হয়। ই হ'ল জীৱনৰ পবিত্ৰতা যি মানুহক এক পাপমুক্ত জীৱনৰফালে নিশ্চিতভাৱে অগ্ৰসৰ কৰে।

৮ নং প্ৰশ্ন উত্তৰ ঃ খ্ৰীষ্টান ধৰ্মত ত্ৰিনিতিৰ ব্যাখ্যা আগবঢ়াইছে এনেদৰে— খ্ৰীষ্টান ধৰ্মত ত্ৰিনিতিৰ ধাৰণা হৈছে যি মতপ্ৰকাশ কৰে যে ঈশ্বৰ এজনেই কিন্তু এজন ঈশ্বৰকে তিনিটা বেলেগ বেলেগ ৰূপত পোৱা যায়। এই তিনিজন ঈশ্বৰৰূপী ব্যক্তি হ'ল ক্ৰমান্বয়ে ঃ পিতৃস্বৰূপ ঈশ্বৰ, পুত্ৰৰূপী ঈশ্বৰ আৰু পবিত্ৰ আত্মা। যীশুখ্ৰীষ্টক দ্বিতীয়জন ব্যক্তিৰ ৰূপত, পুত্ৰৰ অৱতাৰ হিচাপে গ্ৰহণ কৰা হয়। গতিকে তৃতীয়জন ব্যক্তি হ'ল পবিত্ৰ আত্মা। এই পবিত্ৰ আত্মাক চৰ্তবিহীন প্ৰেমৰ ৰূপত প্ৰতীকীকৰণ কৰা হয়। গতিকে পিতৃস্বৰূপ ঈশ্বৰ আৰু পুত্ৰৰূপী ঈশ্বৰ দুয়োজনে এই পবিত্ৰ আত্মাক অনুসৰণ কৰে।

৯ নং প্ৰশ্ন উত্তৰ ঃ (a) ৰহস্য, (b) চৰ্তবিহীন

৮.৮ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন
২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়
৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



৮.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্রশ্ন ১ ঃ খ্রীষ্টান ধর্মৰ স্বীকৃতিমূলক মুখ্য বিশেষত্ব দুটা কি কি?

প্রশ্ন ২ ঃ খ্রীষ্টান ধর্মৰ কেৱল তিনিটা মূল নীতি উল্লেখ কৰা।

প্রশ্ন ৩ ঃ ইহুদী ধর্ম আৰু খ্রীষ্টানধর্মৰ মতে ঈশ্বৰৰ প্রকাশিত শব্দ বুলি কিহক গণ্য কৰা হয়?

প্রশ্ন ৪ ঃ 'ত্রিনিতিৰ ধাৰণা'ই কি বুজায়?

প্রশ্ন ৫ ঃ 'Christos' শব্দৰ অর্থ কি?

খ) চমু প্রশ্ন (১০০—১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ খ্রীষ্টান ধর্মৰ 'একেশ্বৰবাদী' লক্ষণটো চমুকৈ বর্ণনা কৰা।

প্রশ্ন ২ ঃ ত্রিনিতিৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

প্রশ্ন ৩ ঃ খ্রীষ্টান ধর্মত 'আত্মাৰ অমৰত্ব'ৰ অর্থ কি? ব্যাখ্যা কৰা।

প্রশ্ন ৪ ঃ 'কামনাযুক্ত' শৰীৰ আৰু 'আত্মা'ৰ মাজত খ্রীষ্টান ধর্মই কেনেকৈ প্রভেদ কৰিছে? চমুকৈ লিখা।

প্রশ্ন ৫ ঃ খ্রীষ্টান ধর্মৰ মোক্ষৰ ধাৰণা চমুকৈ বর্ণনা কৰা।

প্রশ্ন ৬ ঃ খ্রীষ্টান ধর্মই 'Old Testament'ৰ দ্বাৰা কেনেকৈ অনুপ্রাণিত হৈছিল? চমুকৈ বুজাই লিখা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০—৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ খ্রীষ্টান ধর্মৰ বিশেষত্বসমূহ ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ খ্রীষ্টান ধর্মত 'মানুহ আৰু ঈশ্বৰৰ' মাজৰ সম্বন্ধ বর্ণনা কৰা।

প্রশ্ন ৩ ঃ খ্রীষ্টান ধর্মৰ একেশ্বৰবাদী ধাৰণাটো আলোচনা কৰা।

প্রশ্ন ৪ ঃ খ্রীষ্টান ধর্মই কিদৰে জগতৰ সৃষ্টিৰ ব্যাখ্যা কৰিছে?

প্রশ্ন ৫ ঃ 'ত্রিনিতি' মতবাদৰ ক্ষেত্রত খ্রীষ্টান ধর্মৰ লগত হিন্দুধর্মৰ কি কি সাদৃশ্য আছে? আলোচনা কৰা।

*** ***** ***

অধ্যায় ৯ ঃ ইছলাম ধর্ম ঃ পঞ্চ স্তম্ভ [Five Pillars]

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ইছলাম ধর্মৰ মূল বৈশিষ্ট্য

৯.৪ ইছলাম ধর্ম একেশ্বৰবাদী ধর্ম হয় নে নহয়

৯.৫ ঈশ্বৰৰ পৰম ঐক্যতাৰ মতবাদ

৯.৬ ইছলাম ধর্মৰ মতে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্ক

৯.৭ মানুহৰ অন্তিম লক্ষ্যৰ প্ৰশ্ন (স্বৰ্গ আৰু নৰকৰ ধাৰণা)

৯.৮ ইছলামৰ পঞ্চ স্তম্ভ

৯.৮.১ কালিমাৰ উচ্চাৰণ

৯.৮.২ নামাজ (দৈনন্দিন প্ৰাৰ্থনা)

৯.৮.৩ ৰোজা

৯.৮.৪ জাকাট

৯.৮.৫ হজ্

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অগ্ৰগতিৰ খতিয়ান

৯.৬ অধিক জানিবলৈ

৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ণৰ জৰিয়তে আপোনালোক সক্ষম হ'ব —

- ইছ্লামৰ দৰ্শন কি তাক ব্যাখ্যা কৰিবলৈ
- ইছলামধর্মৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰিবলৈ
- ইছলাম একেশ্বৰবাদী ধর্ম হয় নে নহয় তাক ব্যাখ্যা কৰিবলৈ
- ঈশ্বৰৰ পৰম ঐক্যতাৰ মতবাদ বর্ণনা কৰিবলৈ
- ইছলামৰ মতে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিবলৈ
- স্বৰ্গ আৰু নৰকৰ ধাৰণা বহলাই আলোচনা কৰিবলৈ
- ইছলামৰ পঞ্চ স্তম্ভ ব্যাখ্যা কৰিবলৈ
- কালিমাৰ উচ্চাৰণৰ ব্যাখ্যা কৰিবলৈ
- দৈনন্দিন প্ৰাৰ্থনা (নামাজ) বিষয়ে আলোচনা
- ৰোজাৰ ব্যাখ্যা কৰিবলৈ

- জাকাটৰ ব্যাখ্যা কৰিবলৈ
- হজ্ব আলোচনা কৰিবলৈ

৯.২ পৰিচয়

যদিও বহুতো মনীষিয়ে কয় যে ইছলাম ধম এক ধর্মপ্রচাৰ সম্পর্কীয় আগ্রহ যুক্ত ইহুদী ধর্মৰ বাদে একো নহয়,তথাপি ইয়াৰ বহুসংখ্যক বিশেষ বৈশিষ্ট্য আছে। ছেমাইট নৃগোষ্ঠীয় ধর্ম হোৱা হেতু এই ধর্ম জোৰাষ্টিয়ান ধর্ম, ইহুদী ধর্ম আৰু খ্রীষ্টান ধর্মৰ দ্বাৰা প্রভাৱান্বিত হৈছে। কিন্তু এই প্রভাৱবোৰৰ পৰিবর্ত্তে ইছলাম ধর্মৰ নিজস্ব বহুতো বৈশিষ্ট্য আছে। ঈশ্বৰৰ ধাৰণা, স্বর্গ আৰু নৰকৰ ধাৰণা আদিৰ ক্ষেত্রত খ্রীষ্টান ধর্ম আৰু ইহুদী ধর্মৰ সৈতে ইছলাম ধর্মৰ সঙ্গঁতি থকা দেখা যায়, কিন্তু ইছলাম ধর্মই ইয়াৰ অনুগামীসকলৰ জীৱনৰ এক স্বকীয়তাপূর্ণ পথৰ নির্দ্দেশ দিছে আৰু ইয়ে ইছলাম ধর্মৰ আন আন ধর্মবোৰৰ পৰা পৃথক কৰিছে।



জনি থোৱা ভাল

জোৰাষ্ট্রিয়ান ধর্মঃ ইৰাণৰ প্রচীন প্রাক্-ইছলামীয় ধর্ম, যি তাৰ দূৰৱর্তী অঞ্চলসমূহত প্রচলিত আছিল, আৰু ভাৰততত অধিক সমৃদ্ধিশালী আছিল, য'ত পার্চীয় প্রব্রজনকাৰী সকলৰ বংশধৰসকলক পার্চী বুলি জনা যায়।

ইহুদী ধর্মঃ ই হৈছে আটাইতকৈ প্রাচীন একেশ্বৰবাদী ধর্ম আৰু মধ্যপ্রাচ্য দেশত তিনি হাজাৰ পাঁচশ বছৰ আগেয়ে উদ্ভৱ হৈছিল। ইহুদীসকলে বিশ্বাস কৰিছিল যে জগতৰ প্রতি পবিত্রতা আৰু নৈতিক আচৰণৰ এক নিদর্শন প্রতিষ্ঠা কৰাৰ অর্থে ঈশ্বৰে তেওঁৰ নির্বাচিত লোক হিচাপে ইহুদীসলক নিযুক্ত কৰিছিল।

খ্রীষ্টান ধমী ঃ যীশু খ্রীষ্টৰ জীৱন আৰু মূলমন্ত্রৰ ভিত্তিত প্রতিষ্ঠিত এক ইব্রাহিম্ একেশ্বৰবাদী ধর্ম।

৯.৩ ইছলাম ধর্মৰ মূল বৈশিষ্ট্যসমূহ

ইহুদী ধর্মৰ দ্বৰা প্রভাৱান্বিত হোৱাৰ পৰিবর্ত্তেও ইছলাম ধর্মৰ নিজস্ব কেতবোৰ বৈশিষ্ট্যসুচক চৰিত্র আছে। ইছলাম ধর্মৰ এইবোৰ বৈশিষ্ট্যক তলত দিয়াৰ দৰে-

(১) ইছলাম ধর্মই এজন আৰু কেৱল এজন ঈশ্বৰক বিশ্বাস কৰে, যাক কোৱা হয় 'আল্লা'। সেইকাৰণে, ই এক একেশ্বৰবাদী ধর্ম।

(২) ই সম্পূর্ণৰূপে বহুইশ্বৰবাদ, আচাৰ সর্বস্বতা, মুর্ত্তি পূজা, আৰু পুৰোহিত শ্রেণীক বিৰোধীতা কৰিছে।

(৩) ই ধর্মযাজকসকলৰ সত্যতা আৰু বিশ্বাসযোগ্যতাত বিশ্বাস কৰে, যাক মানুহৰ প্রতি ঈশ্বৰৰ

বার্ত্তা কঢ়িয়াই আনোতা ৰূপে গ্রহণ কৰে। ই মানি লয় যে নোৱা, আব্রাহাম, মুচা আৰু যীশুৰ দৰে বহুতো পয়গম্বৰ আছিল আৰু মহম্মদেই আছিল শেষৰজন পয়গম্বৰ, তেৱেই মহান আৰু সকলোৰে মাজত তেৱেই শক্তিশালী ৰু তেওঁৰ বার্ত্তা সকলোৰে দ্বাৰা সন্মানিত হ'ব লাগিব।

(৪) ইছলাম ধর্মই বিচাৰৰ দিনত মৃত্যুৰ পুনৰুত্থান আৰু স্বর্গ আৰু নৰকৰ ৰূপত ঈশ্বৰৰ দ্বাৰা পৰষ্কাৰ আৰু শাস্তিৰ পৰিশোধক অন্তর্ভুক্ত কৰি মৃত্যুৰ পাছত এক জীৱন অর্থাৎ পুনর্জনমত বিশ্বাস কৰে।

(৫) ই সম্পূর্ণ শুদ্ধতাৰ নীতিবিজ্ঞান, মানৱীয়তাৰ সেৱা আৰু মানুহৰ ভাতৃত্ববোধৰ শিক্ষা দিয়ে।

(৬) ইছলামৰ দ্বাৰা নির্দ্দেশিত বহুতো নৈতিক আৰু ধর্মীয় কর্তব্যৰ মাজত ঈশ্বৰৰ প্রতি সম্পূর্ণ ধর্মনিষ্ঠাৰে পৰম সমর্পন (ইছলাম)ক মানুহৰ মৌলিক কর্তব্য হিচাপে গন্য কৰা হয়।

(৭) ইছলাম ধর্মই 'কোৰাণ' ক আটাইতকৈ -মহান আৰু পবিত্র গ্রন্থ ৰূপে গ্রহণ কৰে আৰু ই এনে এখন গ্রন্থ, যাৰ ওপৰত সমগ্র ইছলাম ধর্মৰ গাঁথনি নির্ভৰ শীল।

(৮) ই স্বর্গীয় দূত আৰু আত্মা, ভাল আৰু অমঙ্গলীয়া দুয়োটা ইচ্ছাৰ অস্তিত্বত বিশ্বাস কৰে। ভাল দেৱদূত সদায় ঈশ্বৰৰ আদেশ পালন কৰিবলৈ প্রস্তুত সদায় ঈশ্বৰৰ আদেশ পালন কৰিবলৈ প্রস্তুত থাকে। তেওঁলোকে শেষ বিচাৰৰ বাবে মানুহৰ আচৰণৰ এক লিখিত বৃত্তান্ত পালন কৰে। ভাল দেৱদূতৰ উপৰিও ইছলাম ধর্মই এক পতিত দেৱদূতৰূপী পক্ষী আৰু তেওঁৰ সহপাঠীৰ ওপৰতো বিশ্বাস কৰে। এই পক্ষী নৰকৰ শাসক। দেৱদূতৰ বাহিৰেও ইছলাম ধর্মই ভাল আৰু বেয়া জিন্‌ৰ ওপৰতো বিশ্বাস কৰে।

জনি থোৱা ভাল



মুর্ত্তি পূজাঃ মুৰি উপাসনা কৰা

একেশ্বৰবাদঃ এজন ঈশ্বৰত বিশ্বাস।

বহু ঈশ্বৰবাদ ঃ এজনতকৈ অধিক দেৱতা বা ঈশ্বৰৰ উপাসনা নাইবা-বিশ্বাস। 'paly' (গ্রীক শব্দ)-বহু, ' theos' (গ্রীক শব্দ)- ঈশ্বৰ।

ছেমাইট্ নৃগোষ্ঠীয় ধর্মঃ তিনিটা প্রধান ছেমাইট্ নৃগোষ্ঠীয় ধর্ম হ'ল- খ্রীষ্টান ধর্ম, ইহুদীধর্ম আৰু ইছলাম ধর্ম। এইসকল ঈশ্বৰৰ ওপৰত থকা এক সাধাৰণ বিশ্বাসৰ দ্বাৰা সম্পর্কযুক্ত।

ধর্মনিষ্ঠাবাদ ঃ মাটিন লুথাৰৰ দ্বাৰা প্রৱর্ত্তিত ধর্মমত সম্বন্ধীয় গীর্জাত এক নিষ্ঠাজনিত আন্দোলন। ইয়াৰোপৰি প্রমাণ আৰু যুক্তিতকৈ নিষ্ঠা আৰু বিশ্বাসৰ ওপৰত জোৰ দিয়া যিকোনো ধর্মীয় আচৰণ।

পয়গম্বৰ ঃ এজন ব্যক্তি ঈশ্বৰ নাইবা এজন দেৱতাৰ বাবে কয়; যাৰ এক বিশেষ শক্তি আছে বুলি বিশ্বাস কৰা হয় যিয়ে তেওঁলোকক ঈশ্বৰে মানুহক কি ক'বলৈ ইচ্ছা কৰে, বিশেষকৈ সেইবোৰৰ বিষয়ে, যিবোৰ ভৱিষ্যতে সংঘটিত হ'ব, তাক ক'বলৈ অনুমতি দিয়ে

৯.৩.১ ইছলামধর্ম এক একেশ্বৰবাদী ধর্ম

ইছলাম ধর্ম প্রকৃতিগতভাৱে অত্যন্ত একেশ্বৰবাদী। এই ধর্মই একেশ্বৰবাদৰ নৃগোষ্ঠীয় ধর্মীয় পৰম্পৰাক বহুদূৰলৈ কঢ়িয়াই আনিছে। একেশ্বৰবাদৰ উদ্যমৰ প্রতি বিৰোধীতা কৰা কিবা টো বস্তু বা বিষয় হিচাপে ইছলাম ধর্মই আনকি খ্রীষ্টান ধর্মৰ ত্রিমুর্ত্তি (Trinity)ৰ ধাৰণাকো সমালোচনা কৰিছে। ইছ্লাম অৰু একেশ্বৰবাদী দুয়োটা মনোভাৱকে একেলগে দেখা যায়। কিন্তু ইছলাম ধর্মত বহু ঈশ্বৰবাদ আৰু মুর্ত্তিপূজাৰ একেবাৰে স্থান নাই। ইছলাম ধর্ম বৌদ্ধ ধর্মৰ পৰাও বেলেগ। এক ধর্ম হিচাপে আগৰ বৌদ্ধধর্ম আছিল নাস্তিক। কিন্তু ঈশ্বৰৰ অস্তিত্বত বিশ্বাস হৈছে ইছলাম ধর্মৰ মৌলিক বৈশিষ্ট্যসমূহৰ মাজৰ এটা। মৌলিক বৈশিষ্ট্যসমূহৰ মাজৰ এটা।

'আল্লা' শব্দটো প্রকৃততে দুটা আৰবিক শব্দ 'অল' (Al) আৰু 'লাহ' (llah) ৰ এক চুম আকাৰ। এই শব্দটোৰ আক্ষৰিক অর্থ 'প্রৱল পৰাক্রমী (mighty)। কেৱল এটাই শক্তি বিদ্যমান, যি অতি উচ্চ অর্থত প্রৱল পৰাক্রমী। সেইবাবে, ই যৌক্তিকভাৱে নিঃসৃত কৰে যে ঈশ্বৰ কেৱল মাত্র এজনেই।

কোৰাণ বিভিন্ন শ্লোক আছে, য'ত একেশ্বৰবাদক দৃঢ়ভাবে মানি লোৱা হৈছে। "আন কোনো ঈশ্বৰ নাই, আল্লাতে আছে, আৰু মহম্মদ হৈছে তেওঁৰ পয়গম্বৰ"- এই শাৰীটো প্রত্যেক প্রার্থনাৰ আগত পুনৰাবৃত্তি কৰাটোক অনুসৰণ কৰা প্রত্যেক মুছলমানৰ মৌলিক কর্তব্য। এটা দিনত সমগ্র মচজিদৰ পৰা পাঁচ বাৰকৈ প্রার্থনা কৰিবলৈ আহ্বান জনোৱা হয়। এনেদৰে- "ঈশ্বৰ আটাইতকৈ মহান, আছে কেৱল আল্লা..... মই পৰীক্ষা কৰিছো যে মহম্মদ হৈছে ঈশ্বৰৰ পয়গম্বৰ। সুৰক্ষাৰ বাবে আঁহা। ঈশ্বৰ মহান।" কোৰাণত বহু ঈশ্বৰবাদক দৃঢ়ভাৱে পৰত্যাখ্যান কৰিছে আৰু বিভিন্ন অসত্য দেৱতা বা ঈশ্বৰক অস্বীকাৰ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) ইছলাম এক ত্রকেশ্বৰবাদী ধর্ম। (সত্য / অসত্য)

(খ)হিন্দুধর্ম এক বহুঈশ্বৰবাদী ধর্ম। (সত্য / অসত্য)

(গ) ইছলাম ধর্ম এক নৃগোষ্ঠীয় ধর্ম। (সত্য / অসত্য)

প্রশ্ন নং ২ ঃ ইছলাম ধর্মত কোনো মুর্ত্তি পূজাৰ স্থান আছে নে?

.....

.....

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰাওক।

(ক) পৌৰানিক বৌদ্ধদর্শন এক..... ধর্ম।

(খ) 'আল্লা' শব্দটো প্রকৃততে দুটা আৰবী শব্দ.....আৰু .....ৰ চমু ৰূপ।

প্রশ্ন নং ৪ ঃ প্রত্যেক প্রার্থনাৰ পূর্বে প্রত্যেকজন মুছলমানৰ মৌলিক কর্ত্তব্য কি?

.....

.....

.....

.....

৯.৩.২ ঈশ্বৰৰ পৰম ঐক্যতাৰ মতবাদ

ইছলাম ধর্মত সম্ভৰতঃ বিশ্বাসৰ আটাইতকৈ গুৰুত্বপূর্ণ বিধান হৈছে যে ঈশ্বৰে মানুহৰ প্রতি নিজৰ ইচ্ছা প্রকাশ কৰে প্রধান উপাসকৰ জৰিয়তে, যিজনে এক লিখিত বার্ত্তা আনে। কোৰাণ হৈছে শেষ আৰু আটাইতকৈ সম্পূর্ণ স্বর্গীয় প্রকাশ। মহম্মদ হৈছে অন্তিমজন পয়গম্বৰ আৰু পয়গম্বৰৰ ধাৰাটো মহম্মদতেই শেষ হয়। কিন্তু ইছলাম ধর্মত মহম্মদক যে মহান শ্রদ্ধা দিয়া হয়, তাৰ পৰিবর্তে, তেওঁক ঈশ্বৰৰ সৈতে সমান বুলি ভৱা নহয়। ইছলাম ধর্মই কয়যে, ঈশ্বৰ সম্পূর্ণৰূপে অতি উত্তম। স্বর্গীয় সর্বব্যাপী উদ্ভাৱন শক্তিৰ ধাৰণাটো ইছলাম ধর্মত সম্পূর্ণৰূপে অনুপস্থিত। হিন্দুধর্মৰ অৱতাৰৰ ধাৰণাটো ইছলাম ধর্ম দেখা পোৱা নাযায়। স্বর্গীয় বার্ত্তা গ্রহণ কৰিবলৈ ঈশ্বৰে মহম্মদক বিশেষভাৱে নির্বচন কৰিছে।

প্রধান উপাসক (Apostle) ঃ বার্ত্তাবাহক, এজন লোক, যাক ঈশ্বৰে প্রেৰণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ইছলাম ধর্মৰ প্রধান উপাসক কোন?

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ ইছলাম ধর্মৰ অন্তিমজন পয়গম্বৰ কোন?

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ ইছলাম ধর্মত 'অৱতাৰ' ৰ ধাৰণাটো আছে নে নাই?

.....

.....

.....

.....

৯.৩.৩ ইছলাম ধর্ম মতে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্বন্ধ

ইছলামীয় ধর্মতত্ত্বত মানুহ আৰু ঈশ্বৰৰ সম্বন্ধৰ বিষয়টোৰ এক বিস্তৃত আলোচনা আছে। মানুহ আৰু ঈশ্বৰৰ সম্বন্ধৰ এই বিস্তৃত আলোচনা কো�ৰাণৰ ওপৰত ভিত্তিশীল।

প্রথমে, কোৰাণৰ মতে, ঈশ্বৰ সম্পূর্ণৰূপে সর্বশ্রেষ্ঠ। তাৰোপৰি, ঈশ্বৰ ৰহস্যময় আৰু অবোধগম্য। সেয়ে, ঈশ্বৰ পৰিব্যাপ্ত আভ্যন্তৰীক আত্মা নহয়। হিন্দুধর্মত, ঈশ্বৰক সাধাৰণতে আভ্যন্তৰীন আত্মা ৰূপে স্বীকাৰ কৰে। কিন্তু, ই এনে নহয় য'ত ইছলাম ধর্মই মানুহ আৰু ঈশ্বৰৰ সম্বন্ধক ধাৰণ কৰে।

২য়তে, ইছলাম ধর্মৰ মতে, ঈশ্বৰ আৰু মানুহৰ সম্বন্ধ হৈছে সৃষ্টিকর্ত্তা আৰু সৃষ্টিৰ মাজৰ সম্বন্ধ। কোৰাণৰ মতে, ঈশ্বৰে মানুহক 'গোটমৰা তেজ'ৰ পৰা সৃষ্টি কৰিছে। কোৰাণৰ এটা বিখ্যাত অধ্যায় আছে, যাক নাম দিয়া হৈছে 'চেকুঁৰা' (the clot)।

তৃতীয়তে, ইছলাম ধর্মৰ মতে ঈশ্বৰৰ সম্বন্ধত মানুহৰ কোনো অধিকাৰ নাই, আছে কেৱল কর্তব্য। মানুহৰ মৌলিক কর্তব্য হৈছে ঈশ্বৰৰ ইচ্ছাৰ প্রতি নিজকে সমর্পন কৰা। 'ইছলাম' শব্দৰ আক্ষৰিক অর্থ-সমর্পন। মানুহে ঈশ্বৰৰ প্রতি নিজকে সম্পূর্ণৰূপে সমর্পন কৰিব লাগে। সেয়ে, ঈশ্বৰ আৰু মানুহৰ সম্বন্ধ কিছুপৰিমানে মালিক আৰু লগুৱাৰ সম্বন্ধৰ দৰে। মানুহে প্রথমে ঈশ্বৰক প্রার্থনা কৰিব লাগে আৰু তাৰ পাছত ঈশ্বৰৰ প্রতি সেৱা আগবঢ়াব লাগে। কঠোৰ অর্থত তেওঁ ঈশ্বৰৰ পৰা একো বিচাৰিব নোৱাৰে। A.C Bonquet য়ে আঙুলিয়াই দিয়ে যে ইছলামীয় প্রার্থনা আবেদনকাৰী নহয়, কেৱল সম্ভ্রম সেৱা সম্পর্কীয়। শেষত, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্বন্ধক ইছলাম ধর্মত পথ প্রদর্শনৰ ধাৰণাৰ সহায়ত আগবঢ়াইছে। মানুহে ঈশ্বৰৰ পথ প্রদর্শন বিচাৰি তেওঁক প্রার্থনা কৰিব পাৰে। ইছলামৰ মতে, মানুহৰ ইচ্ছাৰ স্বাতন্ত্র্যতা নাই। প্রত্যেক

মানুহৰ অন্তিম লক্ষ্য সম্পূৰ্ণৰূপে ঈশ্বৰৰ দ্বাৰা পূৰ্ব-নিৰ্দ্ধাৰিত হৈ থাকে। সেইবাবে, এই ধৰ্মত আছে সম্পূৰ্ণ পূৰ্ব-নিৰ্দ্ধাৰণ আৰু কোনো ইচ্ছাৰ স্বাতন্ত্ৰ্যতা নাথাকে।

এইদৰে, ইছলামধৰ্মই ঈশ্বৰ আৰু মানুহৰ সম্বন্ধৰ এক বোধগম্য ছৰি দিবলৈ প্ৰয়াস কৰিছে। এজন লোকে চাব পাৰে যে এই ছৰিখনৰ লগত ইহুদী আৰু খ্ৰীষ্টান মতামতৰ বহুতো সাদৃশ্য আছে।

Mysterious : বুজিবলৈ, ব্যাখ্যা কৰিবলৈ নাইবা চিণাক্ত কৰিবলৈ কঠিন বা অসম্ভৱ; গুপুত।

Inscrutable : বুজিবলৈ নাইবা ব্যাখ্যা কৰিবলৈ অসম্ভৱ; ৰহস্যময়।

A.C. Bouquet : তেওঁ "Comparative Religion: A Short Outline" -ৰ লেখক।

Reverential : ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধশীল ব্যক্তি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) কোৰাণৰ মতে ঈশ্বৰ সম্পূৰ্ণৰূপে.....।

(খ)ঈশ্বৰ ৰহস্যময় আৰু.....।

(গ) ইছলাম ধৰ্মৰ মতে মানুহৰ কোনো অধিকাৰ নাই, আছে.....।

(খ) ইছলামীয় প্ৰাৰ্থনা আবেদনকাৰী নহয়, বৰঞ্চ কেৱল.....।

৯.৩.৪ মানুহৰ অন্তিম বা চৰম লক্ষ্যৰ প্ৰশ্ন (স্বৰ্গ আৰু নৰকৰ ধাৰণা)

কোৰাণত মানুহৰ জীৱনৰ অন্তিম বা চৰম লক্ষ্যৰ আলোচনাও কৰা হৈছে। স্বৰ্গ আৰু নৰকৰ ধাৰণাও ইছলাম ধৰ্মত দেখা পোৱা যায়। বিশ্বাসীসকলৰ বাবে সাতখন স্বৰ্গ আছে, ঈশ্বৰে যাক তেওঁলোকৰ বাবে সৃষ্টি কৰিছে আৰু অবিশ্বাসীসকলৰ বাবে ঈশ্বৰে নৰকৰ সৃষ্টি কৰিছে। ইক্বালৰ দৰে বহুতো মুছলমান চিন্তাবিদে স্বৰ্গ আৰু নৰকক মানুহৰ আধ্যাত্মিক উন্নতি ও অৱনতিৰ স্তৰ হিচাপে ধাৰ্য্য কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২. খালী ঠাই পূৰণ কৰকঃ

(ক) ইছলাম ধৰ্মত স্বৰ্গ আৰু.....ৰ ধাৰণাটো দেখা পোৱা যায়।

(খ) ইছলাম ধৰ্মত..... টা স্বৰ্গ আছে।

৯.৩.৫ ইছলাম ধর্ম পঞ্চস্তম্ভ

কোৰাণৰ প্ৰয়োগিক শিক্ষনসমূহ ধর্মীয় শিক্ষা সম্বন্ধীয় মতবাদসমূহৰ সমানে গুৰুত্বপূর্ণ। ইয়াক দুটা প্রধান শ্রেণীত বিভক্ত কৰা হৈছে। প্রথমে, বিস্বস্তসকলৰ বাবে কেতবোৰ ধর্মীয় কর্তব্য আছে। দ্বিতীয়তে, নীতিগত আৰু সামাজিক কর্তব্য আছে। ধর্মীয় কর্তব্যসমূহে মুছলীম অনুশীলনবোৰক আকৃতি প্রদান কৰে, আৰু এক আন্দোলনৰ উল্লেখযোগ্য সংসক্তিৰ বাবে সহায় আগবঢ়ায়, যি সংগবদ্ধ পুৰুহিতসকলৰ এক ৰাজত্বৰ ওপৰত কেতিয়াও বিশ্বাস নকৰে। এইবোৰ ইছলাম ধর্মৰ তথাকথিত 'পঞ্চস্তম্ভ' (Five Pillers) ৰ দ্বাৰা গঠিত। সেয়া হ'ল- ইছলামৰ চমু মূলকথা **"লা ইলাহা. ইল্লা আল্লা; মহম্মদ ৰচুল আল্লা" (ঈশ্বৰ বুলি কোনো নাই, আছে আল্লা, আৰু মহম্মদ তেওঁৰ পয়গম্বৰ)** ৰ পুনৰাবৃর্ত্তি, প্রার্থনা, জাকাট, ৰোজা আৰু হজ্। এই কথা সাধাৰণতে কোৱা হয় যে ধর্ম হিচাপে ইছলাম ধর্ম এই পঞ্চস্তম্ভৰ ওপৰত **প্রতিষ্ঠিত।**

প্রশ্ন নং ১৩. ইছলাম ধর্মত কেইটা স্তম্ভ আছে?

প্রশ্ন নং ১৪. "লা ইলাহা ইল্লা আল্লা মহম্মদ ৰচুল আল্লা"- কথাষাৰৰ-অর্থ কি?

৯.৩.৫.১ কালিমাৰ উচ্চাৰণ (Utterance of Kalima)

কঠোৰ একেশ্বৰবাদী ধর্ম হিচাপে ইছলাম ধর্মই প্রত্যেক মুছলমানৰ মৌলিক কর্তব্য হিচাপে ইয়াক নির্দ্দেশ কৰে যে প্রত্যেক প্রার্থনাৰ পূর্বে তেওঁ কালিমাৰ উচ্চৰণ কৰাটো উচিত। প্রকৃততে কালিমাৰ উচ্চাৰণ হৈছে 'লা ইলাহা ইল্লা আল্লা, মহম্মদ ৰচুল আল্লা"- ৰ উচ্চাৰণ। ইয়াৰ অর্থ "কোনো ঈশ্বৰ নাই, আছে কেৱল আল্লা, আৰু মহম্মদ হৈছে তেওঁৰ পয়গম্বৰ।" এই পুনৰাবৃত্তি সম্পূর্ণ অনিচ্ছা পূর্ণভাৱে শব্দৰ কেৱল এক আবৃত্তি কৰাটো নহয়, বৰঞ্চ সম্পূর্ণ আন্তৰিক দৃঢ়বিশ্বাসৰ পুণৰ স্বীকৃতি হিচাপেহে ইয়াৰ পুনৰাবৃত্তি কৰা হয় যে আল্লাই একমাত্র পৰম ঈশ্বৰ আৰু এই গুৰত্বপূর্ণ বার্ত্তাটো সন্মানীয় মহম্মদৰ দ্বাৰা পৃথিবীৰ সকলো মানুহলৈ লৈ যোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ ঃ কালিমা কি?

.....

.....

.....

.....

৯.৩.৫.২ দৈনন্দিন প্রার্থনা (নামাজ) (Daily Prayers)

নামাজ মুছলমানসকলৰ ধর্মীয় জীৱনৰ কেন্দ্রবিন্দু। দৈনন্দিন প্রার্থনা ইছলামীয় বিশ্বাসৰ এক অতি গুৰুত্বপূর্ণ দিশ। এটা দিনত পাঁচ বাৰ প্রার্থনা কৰাটো আৱশ্যকীয়। কোৰাণে ইয়াক এক বিধি বা আইন হিচাপে দিয়া নাই, বৰঞ্চ এক সন্দেহ আছে যে এই বিধান পয়গম্বৰৰ নিজৰ সময়ৰ পৰাই আৰম্ভ হৈছিল। প্রথম নামাজ আৰম্ভ হয় সূর্য্যস্তৰ সময়ত আৰু ইয়াক ৰাতি হোৱাৰ আগলৈকে, পুৱতি নিশা, দুপৰীয়া আৰু আৱেলি আদি সময়বোৰত পালন কৰা হয়। A.C. Bounquel ৰ মতে, আন্তৰিক মানসিক কৌশলবোৰ, যাৰ সহায়ত ভক্তিমূলক শৰীৰিক ভঙ্গিঁমাক পৰিকল্পনা কৰা হয়, সি "উল্লেখযোগ্য আৰু ইয়াৰ নিচেই সমান্তৰালকৈ ভাৰতত যোগ ভঙ্গিঁমাৰ ব্যৱস্থাত তাক দেখা যায়।" সকলো মছজিদৰ পৰা প্রার্থনা বা নামাজ কৰিবলৈ আহ্বান জনোৱা হয়। মুছলমানসকলক মক্কাৰ পিনে মুখ কৰি নামাজ কৰিবলৈ কোৱা হয়। মূলত ঃ পয়গম্বৰে তেওঁৰ অনুগামীসকলক জেৰুজালেমৰ, ফালে মুৰ দোঁৱাবলৈ কৈছিল, কিন্তু ইহুদীসকলৰ বিৰোধীতা আৰু অন্যান্য কাৰণত পিছৰ নিয়মটো আগবঢ়াবলৈ তেওঁক প্রভাৱিত কৰিছিল। প্রথম সুৰৰ শব্দবোৰৰ আবৃত্তিয়েই হৈছে সাধাৰণ নামাজ, যি হৈছে মুছলমানসকলৰ ভক্তিৰ কেন্দ্রবিন্দু।

ভক্তি বা নামাজৰ বাবে শুক্রবাৰ দিনটোক বিশেষ দিন ৰূপে ধার্য্য কৰাহৈছে। মছজিদত সামূহিক নামাজৰ কেন্দ্রিয় কার্য্যালয় থাকে, যদিও ই সাধাৰণ আৰু কোনো মুর্ত্তিৰ দ্বাৰা ভূষিত নহয়, কিন্তু মুছলীম দৃষ্টিভঙ্গী খ্রীষ্টানসকলৰ গীর্জাঘৰৰ অনুৰূপ। বেদীৰ পৰিবর্ত্তে ইয়াত এক অর্দ্ধ-বৃত্তাকাৰ বিশেষ স্থান থাকে, যাক কোৱা হয় 'মিৰাব' (mihrab); ইয়াৰ পিনে মুখ কৰি ভক্তবৃন্দই মক্কালৈ মুৰ দোঁৱায়। প্রার্থনা (নামাজ)ৰ এজন নেতা, যাক কোৱা হয় ইমাম, ৰ দ্বাৰা এই নামাজৰ নেতৃত্ব দিয়া হয়। তেওঁ ভক্ত সকলে নিদৃষ্ট সময়ত নামাজৰ বিভিন্ন ভঙ্গিঁমা তেওঁৰ পৰাই অনুকৰণ কৰে। মুছলীম মতবাদবোৰ প্রচাৰ কৰাটোও ইমামৰ বাবে সাধাৰণ কথা। ইছলাম ধর্মত দৈনন্দিন নামাজ কৰাৰ অতি গুৰুত্ব থকা দেখা যায়। ইয়াক স্বর্গৰ 'ছবি-কাঠি' বুলি ভৱা হয়। এই কথা কোৱা হয় যে "যিসকলে পাঁচবাৰ নামাজ কৰে, তেওঁলোকক ঈশ্বৰে স্বর্গলৈ লৈ যোৱাৰ প্রতিজ্ঞা কৰে, আৰু কাকো বাদ নিদিয়ে।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ মুছলমান সকলে এটা দিনত কেইবাৰ নামাজ কৰিব লাগে ?

.....

.....

.....

.....

প্রশ্ন নং ১৭. কেনেকুৱা সময়ত নামাজ কৰা হয়?

.....

.....

.....

.....

প্রশ্ন নং ১৮ ঃ খালী ঠাই পূৰাওঁকঃ

(ক) .....বাৰকভক্তিৰ বাবে এক বিশেষ দিন ৰূপে ধার্য কৰা হৈছে।

(খ) মুছলমানসকলে.....ৰ পিনে মুখ কৰি নামাজ কৰিব লাগে।

(গ) নামাজক এজন নেতা অর্থাৎ.....ৰ দ্বাৰা নেতৃত্ব দিয়া হয়।

৯.৩.৫.৩ ৰোজা (Fasting)

ৰমজান মাহত ৰোজা পালন কৰা হয়। ই তাৰিখৰ ক্ষেত্রত বেলেগ বেলেগ হয় যিহেতু ই চান্দ্রমাহত হয় আৰু ইয়াৰ সৈতে পাশ্চাত্য কেলেণ্ডাৰৰ মাহৰ সাদৃশ্য নাথাকে। এই কালছোৱাত সূর্য্যউদয়ৰ পৰা সূর্য্যাস্তলৈকে কোনো খাদ্য নাইবা পানীয় গ্রহণ কৰিব নোৱাৰে। সম্পূর্ণ ৰোজাৰ মাহটোত দিনৰ ভাগত ৰোজা পালন কৰাটো এটা গুৰুত্বপূর্ণ কর্তব্য। তথাপি, সৰু ল'ৰা- ছোৱালী, ৰোগী আৰু ভ্রমণকাৰী সকলৰ বাবে ইয়াৰ ব্যতিক্রম আছে। এই কথা বিশ্বাস কৰা হয়নে গোটেই বছৰৰ কালছোৱাত কৰা সকলো প্রকাৰৰ পাপ এই ৰোজাই মার্জনা কৰে। বিশেষকৈ গৰম আৰু শুকান দেশসমূহত এই ৰোজাৰ বাবে যথেষ্ট মনোবলৰ প্রয়োজন হয়। তীর্থযাত্রাৰ বাধ্যবাধকতাৰ মাজতো এই ৰোজা পালন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৯ ঃ কোনটো মাহত ৰোজা পালন কৰা হয়?

.....

.....

.....

.....

প্রশ্ন নং ২০ ঃ ৰোজাৰ সময় কি?

.....

.....

.....

.....

৯.৩.৫.৪ জাকাট (Alams giving)

দুখীয়া আৰু দ্ৰৰিদ্ৰক দান দিয়াটোও প্ৰত্যেক মুছলমানৰ আন এক অপৰিহার্য্য কর্তব্য। এটা সময়ত ই বাধ্যতামূলক আছিল এজন মানুহৰ উপার্জনৰ চাৰিভাগৰ এভাগ সমাজৰ বাবে সংগ্ৰহ হৈছিল। ইছলাম ধর্মত এই দান প্ৰক্ৰিয়াৰ বিভিন্নধৰণৰ নিয়মৰ প্ৰচলন আছিল, কেতিয়াবা বিশভাগৰ এভাগ, আকৌ কেতিয়াবা দহ ভাগৰ এভাগ। কিন্তু বহু দিনধৰি এই বাধ্যবাধকতাৰ ব্যৱহাৰ নোহোৱা হৈ পৰিছে । কোৰাণে দুখীয়ালোকক পইচাৰে সহায় কৰিবলৈ গুৰুত্ব আৰোপ কৰিছে। মুছমান পৰোপ্ৰকাৰীতাৰ ই এক মূল অংশ। ইয়াৰ মাজেৰে সমাজৰ প্ৰতি সহানুভূতি আৰু ঐক্যতাক প্ৰকাশ কৰা হয়। অতীজৰে পৰা জাকাট্‌ক মহম্মদৰ দ্বাৰা দুখীয়ালোকৰ প্ৰতি ধর্মনিষ্ঠা আৰু উদাৰতা স্বৰূপে পৰামর্শ দি আহিছে, কিন্তু পিছলৈ ই এক নিয়মিত ধর্মীয় কৰৰ ৰূপ লয়, যাক কোৱা হয় জাকাট্‌।



অগ্ৰগতি নিৰীক্ষণ

প্রশ্ন নং ২১ ঃ মুছলমান সকলে জাকাট কাক দিয়ে?

.....

.....

.....

.....

প্রশ্ন নং ২২ ঃ দুখীয়াসকল দান দিয়াৰ অনুপাত কি?

.....

.....

.....

.....

৯.৩.৫.৫ তীর্থযাত্রা (হজ্) [Pilgrimage]

এজন ঈশ্বৰ পৰায়ন মুছলমানৰ শেষ কর্তব্যটো হৈছে তীর্থযাত্রা। প্রত্যেক মুছলমান, যিসকল যাত্রাৰ বাবে সক্ষয়, তেওঁলোকে জীৱনত এবাৰলৈ হ'লেও মক্কা দর্শন কৰিবই লাগিব। এই যাত্রা প্রায়ে সংকটপূর্ণ আৰু কষ্টকৰ হয়। মক্কাৰ পৰিসৰৰ ভিতৰত প্রত্যেক তীর্থযাত্রীয়ে শুদ্ধ বগা কাপোৰ পৰিধান কৰিব লাগে। তীর্থযাত্রাৰ লগত সম্পর্কযুক্ত মূল উৎসৱৰ সময়ছোৱাত বিভিন্ন জাতি আৰু পৰম্পৰাৰ মানুহ আৰু বিভিন্নৰ সামাজিক স্তৰৰ লোকসকলক এক ভাতৃত্বৰ সমতাৰেএকেলগ কৰা হয়। ই আৰম্ভ হয় 'কাবা' (kabah)ৰ চাৰিওফালে সাতবাৰ প্রদক্ষিণ কৰা কার্য্য আৰু প্রত্যেকু পলক্ষ্যত 'ক'লা পাথৰ' (Black Stone) ক চুমা খোৱা কার্য্যৰ দ্বাৰা । ইয়াক অনুসৰণ কৰি তীর্থযাত্রীসকল ওচৰা-ওচৰিকৈ থকা দুটা পাহাৰ মাজত সাতবাৰকৈ দৌৰিব ধৰে। ইয়াৰ পাছত অষ্টম দিনা তেওঁলোকে আৰাফট্ (Araphat)ৰ মনোৰম দৃশ্য, মক্কাৰ পৰা প্রায় ৰচ মাইল দূৰত্বত উপভোগ কৰে। ইয়াৰ পিছত দিনত তেওঁলোকে সমতল ভূমিত সময় অতিবাহিত কৰে আৰু নিজকে ধ্যানৰ মাজত ব্যস্ত কৰি ৰাখে। মক্কাৰ পৰা ঘুৰি অহাৰ পথত, তেওঁলোক মিনা (mina) ত ৰয়, য'ত নিক্ষেপৰ অনুষ্ঠান হয়, প্রত্যেক তীর্থযাত্রীয়ে সাতবাৰ শিলগুটি নিক্ষেপ কৰে; ই হৈছে 'চয়তানৰ প্রতি শিলগুটি নিক্ষেপ' (Stoning of the Devil)। কুর্বানি দিয়া হয় আৰু দুখীয়াসকলৰ মাজত মাংস বিতৰণ কৰা হয়। ৰোজা যুক্ত আনন্দ স্ফুর্ত্তিয়ে নির্দ্দেশিত কামবোৰক আনন্দময় কৰি তোলে। তীথচ্ছুযাত্রীসকল মক্কালৈ পুনৰ উভতি যায় আৰু শেষত 'ক'ৱাব'ৰ চাৰিওপিনে প্রদক্ষিণ কৰে। সূর্যউদয়ৰ পৰা সূর্য্যস্তলৈ বেছিভাগ সময় তেওঁলোক ৰোজাত থাকে আৰু তেতিয়া যৌন বাসনাশূণ্য বা আত্মসংযমী হৈ থাকিব লাগে। চুলি কাটিব নোৱাৰে, নখ কাটিব নোৱাৰে। মদিনাস্থিত পয়গম্বৰৰ সমাধি দর্শনৰ অবিহনে কোনো তীর্থযাত্রা সম্পূর্ণ নহয়।

ওপৰত উল্লেখিত ইছলামধর্মৰ পঞ্চস্তম্ভই এই ধর্মৰ এক দৃঢ় ভেঁটি আগবঢ়াইছে। এই টো উল্লেখনীয় যে বাধ্যবাধকতাসমূহ ব্যক্তিসকলৰ বাবে দিয়া হৈছেঃ ই ব্যক্তিসকলৰ ইচ্ছাকৃত সন্মতিৰ জৰিয়তে হয়, যিসকলে সমাজ গঠন কৰে যাতে এই ধর্মীয় পৰম্পৰা চলায় নিব পাৰে। ইছলাম ধর্মৰ এটা লক্ষনীয় দিশ এইযে ইয়াত পুৰোহিত সকলৰ

কোনো সংগঠনীয় গাঁথনি নাই। প্রত্যেক মানুহে মাধ্যস্থতাকাৰীৰ অবিহনেই নিজৰ সৃষ্টি কর্ত্তাৰ সন্মুখত প্রত্যক্ষভাৱে থিয় হ'ব পাৰে। এইদৰে, আমি সিধান্ত লৈ আহিব পাৰো যে এছ্লাম ধর্মৰ বহুতো পার্থক্যবোধৰ বৈশিষ্ট্য আছে আৰু এক ধর্ম হিচাপে পৃথিৱীৰ সকলো ধর্মৰ মাজত এক অদ্বিতীয় স্থান দখল কৰি আছে। আনৰ সৈতে সম্পর্ক ৰক্ষার্থে প্রত্যেক মুছলমানৰ বাবে কো�ৰাণে বহুতো নৈতিক সততা আৰু কর্তব্য আগবঢ়াইছে। সেইবাবে, ইছলামীয় নীতিশাস্ত্র প্রধানকৈ সামাজিক। আতিথ্য হৈছে ইছলামে শিকিওৱা মহান সততাবোৰৰ ভিতৰত এটা। ই মানৱ ভাতৃত্ববোধ আৰু মানৱীয়তাৰ সেৱাৰ নীতিবিজ্ঞানো প্রচাৰ কৰে। ইয়াৰোপৰি পিতৃ-মাতৃক মানিচলা, ব্যভিচাৰক এৰিচলা, ঠগন আৰু মিছামতাৰ পৰা বিৰত থকা, চুৰ কৰা আৰু হত্যা কৰাৰ পৰা বিৰত থকা ইত্যাদি সততাবোৰৰ ওপৰতো গুৰুত্বৰ প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২৩ ঃ এজন ভক্তপ্রাণ মুছলমানৰ অন্তিম কর্তব্য কি?

.....

.....

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ইছলাম ধর্মৰ আৰু ইছলাম ধর্মৰ এক অতি গুৰুত্বপূর্ণ বৈশিষ্ট্য "পঞ্চস্তম্ভ" ৰ বিষয়ে আলোচনা কৰিলো। আটাইতকৈ গুৰুত্বপূর্ণ দিশসমূহ হ'ল-

- ইছলাম প্রকৃতিগতভাৱে দৃঢ় একেশ্বৰবাদী
- কোৰাণৰ বিভিন্ন আয়াত আছে, য'ত একেশ্বৰবাদক দৃঢ়কৈ স্বীকাৰ কৰা হৈছে।
- ইছলাম এক নৃগোষ্ঠীয় ধর্ম।
- ইছলামত বহুঈশ্বৰবাদ আৰু মুর্ত্তিপূজাৰ কোনো স্থান নাই।
- মহম্মদ ঈশ্বৰ দূত বা পয়গম্বৰ
- কোৰাণৰ মতে, ঈশ্বৰ সম্পূর্ণৰূপে সর্বশ্রেষ্ঠ, ৰহস্যময় আৰু অবোধগম্য।
- ইছলাম মতে ঈশ্বৰ আৰু মানুহৰ সম্বন্ধ হৈছে সৃষ্টিকর্ত্তা আৰু সৃষ্টিৰ মাজৰ সম্পর্ক।

- মানুহৰ মৌলিক কর্তব্য হৈছে ঈশ্বৰৰ প্রতি সমর্পন।
- 'ইছলাম' ৰ আক্ষৰিক অর্থ সমর্পন।
- ইছলাম ধর্মত স্বর্গ আৰু নৰকৰ উল্লেখ আছে।
- ইছলাম ধর্মত স্বর্গ আৰু নৰকৰ উল্লেখ আছে।
- সাধাৰণতে এই কথা কোৱা হয় যে, ধর্ম হিচাপে ইছলাম পঞ্চস্তম্ভৰ ওপৰত ভিত্তিশীল। এই পঞ্চস্তম্ভ হৈছে কালিমাৰ উচ্চাৰণ, নামাজ, ৰোজা, জাকট আৰু হজ।



৯.৫ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধর্ম দর্শন', ভগৱতী প্রকাশন

২) ধর্ম দর্শন— পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ (ক) সত্য (খ) সত্য (গ) সত্য

২ নং প্রশ্ন উত্তৰ ঃ নহয়।

৩ নং প্রশ্ন উত্তৰ ঃ নিৰীশ্বৰবাদী (খ) অল্, লাহ

৪ নং প্রশ্ন উত্তৰ ঃ প্রত্যেক মুছলমানৰ মৌলিক কর্তব্য হৈছে "ঈশ্বৰ বুলি কোনো নাই আছে কেৱল আল্লা, আৰু মহম্মদ হৈছে তেওঁৰ পয়গম্বৰ'- এই শাৰীটো প্রত্যেক নামাজৰ পূর্বে পুনৰাবৃত্তি কৰা।

৫ নং প্রশ্ন উত্তৰ ঃ মহম্মদ

৬ নং প্রশ্ন উত্তৰ ঃ মহম্মদ

৭ নং প্রশ্ন উত্তৰ ঃ নহয়

৮ নং প্রশ্ন উত্তৰ ঃ(ক) অতীন্দ্রিয় (খ) অবোধগম্য (গ) কর্তব্য (ঘ) সম্ভ্রম সেৱা।

৯ নং প্রশ্ন উত্তৰ ঃ ইছলামৰ মতে, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক সৃষ্টিকর্ত্তা আৰু সৃষ্টিৰ মাজৰ সম্পর্ক।

১০ নং প্রশ্ন উত্তৰ ঃ 'ইছলাম'- ৰ আক্ষৰিক অর্থ সমর্পন।

১১ নং প্রশ্ন উত্তৰ ঃ নহয়।

১২ নং প্রশ্ন উত্তৰ ঃ (ক) নৰক (খ) সাত

১৩ নং প্রশ্ন উত্তৰ ঃ পাঁচ

১৪ নং প্রশ্ন উত্তৰ ঃ 'লা ইলাহা ইল্লা আল্লাহঃ মহম্মদ ৰচুল আল্লাহ্'ৰ অর্থটো হৈছে "ঈশ্বৰ বুলি

কোনো নাই, আছে কেৱল আল্লা, আৰু মহম্মদ তেওঁৰ পয়গম্বৰ।"

১৫ নং প্রশ্ন উত্তৰ ঃ 'লা ইলাহা ইল্লা আল্লাহঃ মহম্মদ ৰচুল আল্লাহ্'ৰ (ঈশ্বৰ বুলি কোনো নাই, আছে কেৱল আল্লা আছে, আৰু মহম্মদ তেওঁৰ পয়গম্বৰ)ক কালিমা ৰূপে জনা যায়।

১৬ নং প্রশ্ন উত্তৰ ঃ পাঁচ বাৰ।

১৭ নং প্রশ্ন উত্তৰ ঃ প্রথম নামাজ আৰম্ভ হয় সূর্যাস্তৰ সময়, ইয়াৰ পাছৰ সময়বোৰ হ'ল সন্ধিয়া, পুৱতি নিশা, দুপৰীয়া আৰু মধ্য দুপৰীয়া।

১৮ নং প্রশ্ন উত্তৰ ঃ (ক) মক্কা (খ) শুক্রবাৰ (গ) ইমাম

১৯ নং প্রশ্ন উত্তৰ ঃ ৰমজান

২০ নং প্রশ্ন উত্তৰ ঃ সূর্য্য উদয়ৰ পৰা সূর্য্যস্তলৈ

২১ নং প্রশ্ন উত্তৰ ঃ দুখীয়া

২২ নং প্রশ্ন উত্তৰ ঃ চাৰিভাগৰ এভাগ

২৩ নং প্রশ্ন উত্তৰ ঃ তীর্থযাত্রা (হজ্)



৯.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ একেশ্বৰবাদ কি?

প্রশ্ন ২ ঃ বহুঈশ্বৰবাদ কি?

প্রশ্ন ৩ ঃ জাকাট বুলিলে কি বুজে?

প্রশ্ন ৪ ঃ হজ্ কি?

প্রশ্ন ৫ ঃ কালিমা বুলিলে কি বুজে?

প্রশ্ন ৬ ঃ ৰোজা কি?

প্রশ্ন ৭ ঃ ইছলামৰ পয়গম্বৰ কোন?

খ) চমু প্রশ্ন (১০০ৰ পৰা ১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ইছলাম একেশ্বৰবাদী ধর্ম হয়নে?

প্রশ্ন ২ ঃ ইছলামৰ মতে ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্বন্ধ কি? আলোচনা কৰক।

প্রশ্ন ৩ ঃ চমুটোকা লিখকঃ (ক) হজ (খ) জাকাট্ (গ) নামাজ (ঘ)ৰোজা

গ) ৰচনাধর্মী প্রশ্ন (৩০০ ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ইছ্লামসকলৰ নিয়মানুবর্ত্তিতাৰ ধাৰণাটো ব্যাখ্যা কৰক। ইছ্লাম পঞ্চস্তম্ভ কি?

প্রশ্ন ২ ঃ ইছলামৰ পার্থক্যবোধক বৈশিষ্ট্যসমূহ কি কি? বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ হিন্দুধর্ম ঃ ঈশ্বৰ, মানুহ আৰু মুক্তিৰ ধাৰণা

অধ্যায় গঠন ঃ

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ হিন্দুধর্মৰ উৎসসমূহ

১০.৪ হিন্দুধর্ম ইয়াৰ লক্ষণ

১০.৫ হিন্দুধর্ম আৰু কর্মবাদ

১০.৬ হিন্দুধর্ম আৰু মোক্ষৰ ধাৰণা

১০.৭ অধ্যায়াটিৰ পৰা আমি কি শিকিলো

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্রগতিৰ খতিয়ান

১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই গোটটো অধ্যয়নৰ পিছত তোমালোক সক্ষম হ'বা—

- হিন্দুধর্মৰ প্রকৃতি আৰু লক্ষণ ব্যাখ্যা কৰিবলৈ।
- হিন্দুধর্মত কর্মবাদৰ ধাৰণা তথা গুৰুত্ব বর্ণনা কৰিবলৈ।
- হিন্দুধর্মত মোক্ষৰ ধাৰণা আলোচনা কৰিবলৈ।

১০.২ পৰিচয়

হিন্দুধর্মৰ সাৰাংশ নিহিত হৈ আছে বেদ, উপনিষদ আৰু ধর্মশাস্ত্রসমূহৰ লগতে দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ পবিত্র সৃষ্টিৰ মাজত। তদুপৰি আমি হিন্দুধর্মত তন্ত্রসমূহৰ কথা পাওঁ যিবোৰ আধ্যাত্মিক অনুসন্ধানৰ গোপন তথ্য আৰু প্রাশ্চ্য দর্শনৰ বিভিন্ন পদ্ধতিবোৰৰ লগত জড়িত হৈ থাকে। তদুপৰি হিন্দুধর্ম হৈছে পৃথিৱীৰ এটা অতি পুৰণি সজীৱ ধর্ম যি জ্ঞানৰ অনুসন্ধান কৰি 'Tat tvam asi-that thou art' —এই কথাকেইটাত উপনীত হয়। যাৰ অর্থ হ'ল আত্মা প্রকৃততে ব্রহ্ম। সেয়েহে হিন্দুধর্ম যি ধর্মতকৈ বেছি দর্শন যি এক সনাতন, শাশ্বত, অবিনশ্বৰ, পবিত্র সত্তাৰ বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত আৰু এই বিশ্বৰ ওপৰতে প্রকৃতিৰ সনাতন নিয়ম অনুসৰি মানুহে চিন্তা কৰে, কর্ম কৰে আৰু জীৱন নির্বাহ কৰি থাকে। উপনিষদসমূহেই

হৈছে হিন্দুধর্মৰ মূল উৎস। জীৱনৰ দার্শনিক দৃষ্টিভংগী অধিকভাৱে সম্পর্কযুক্ত কাৰণ সংস্কৃত শব্দ দর্শন বা দৃষ্টি (seeing) অর্থাৎ (see thy self) 'আত্ম দৃষ্টি'— এই শব্দখণ্ডই মহৎ দ্রষ্টাসকলৰ উন্নত আধ্যাত্মিক চেতনশক্তিৰ পবিত্র সত্যক প্রতিনিধিত্ব কৰে। ই কেৱল যথার্থ সত্তাৰ বুদ্ধিগত অনুসন্ধান নহয় বৰং 'self' বা আত্মাৰ প্রত্যক্ষ দর্শনেই হৈছে ইয়াৰ প্রধান ভিত্তি। জীৱনৰ শ্রেষ্ঠ আধ্যাত্মিক পৰিমণ্ডলৰ নির্দেশসমূহ ইশোপনিষদত বিচাৰি পোৱা যায় আৰু প্রথমবাৰৰ বাবে এই নির্দেশ পোৱা গৈছিল এনেদৰে যে, "সমগ্র পৃথিৱীৰ স্থিৰতা বা গতিশীলতা যিয়েই নহওক তাক যথার্থ সত্তাই নিৰীক্ষণ কৰি থাকে", —ইয়াতেই হিন্দুধর্মৰ বাস্তৱিক সত্য নিহিত হৈ থাকে।

মুণ্ডক উপনিষদত উল্লেখ আছে যে, "উপনিষদসমূহ হৈছে আধ্যাত্মিক উপলব্ধিৰ বাহন। ইয়াতে উপনিষদসমূহৰ ভূমিকা সম্পর্কে আমি এটা শ্লোক বিচাৰি পাওঁ এনেদৰে— "উপনিষদক বৃহৎ অস্ত্র হিচাপে যদি ধেনুখন ধৰি লোৱা হয়, আৰু কোনোৱে অবিৰত তপস্যাৰদ্বাৰা ধাৰ দিয়া শৰ ইয়াত লগলগাই দিয়ে, তেতিয়াহে মানৰ সমাজ চিৰস্থায়ী বা অক্ষয় হিচাপে ব্রহ্মক (That, Brahman) নিজৰ মনত স্থাপন কৰিব পাৰি।"

তদুপৰি, হিন্দু চিন্তাধাৰাৰ বিকাশ, ইয়াৰ ধর্ম আৰু সভ্যতাৰ এক ভৌগোলিক ব্যাখ্যাও পোৱা যায়। সংস্কৃত "সিন্ধু" শব্দই 'ইণ্ডাছ' নদীখনক বুজায় বুলি কোৱা হয়। আকৌ ভৌগোলিকভাৱে, হিন্দুধর্ম বৃহৎ "সিন্ধু" নদীৰ সৈতে সম্বন্ধিত। সিন্ধু নদীৰ পাৰত আর্য ঋষিসকলে বসবাস কৰিছিল। যেতিয়া পার্চী আৰু গ্রীক আক্রমণকাৰীসকল উত্তৰ-পশ্চিম ভাৰতত সংস্থাপিত হৈছিল যেতিয়া সেই মানুহবিলাকৰ কাৰণে প্রধান অংগীকাৰ আছিল 'সিন্ধু' নদীখন আৰু ইয়াৰ উচ্চাৰণ। পার্ছী আক্রমণকাৰীসকলে 'স' (S) শব্দৰ উচ্চাৰণ 'হ' (H) হিচাপে কৰিছিল আৰু তেতিয়াৰপৰাই 'সিন্ধু' নদীখনক তেওঁলোকে 'হিন্দু' বুলি কৈছিল। সেই আক্রমণকাৰী ব্যৱসায়ীসকলে যি সিন্ধু নদীৰ পূৱ দিশত বসবাস কৰিছিল তেওঁলোকক 'হিন্দু' বুলি অভিহিত কৰিছিল। লাহে-লাহে হিন্দুধর্ম, হিন্দুসকলৰ আর্য-ধর্ম হিচাপে বিখ্যাত হৈ পৰিল। বিশ্বাস, সাহিত্য-সংস্কৃতি, ধর্ম, স্বভাৱ, শাস্ত্রসন্মত নীতি-নিয়ম আৰু উৎসৱ তথা সমাৰোহ আদিৰ বিশাল পৰিধিৰে সমৃদ্ধি লাভ কৰি সাধাৰণভাৱে হিন্দুধর্ম নাম হৈছে। যিহেতু হিন্দুধর্ম কোনোপধ্যে গঠন কৰা নহয় বৰং মানুহৰ সভ্যতা-সংস্কৃতিৰ উত্থানৰ লগে-লগে হিন্দুধর্মৰো উত্থান হয়— সেয়েহে ইয়াক 'সনাতন ধর্ম' বুলি অভিহিত কৰা হ। এই শাশ্বত ধর্মই (সনাতন ধর্ম) বিভিন্ন গুণী-জ্ঞানী ব্যক্তি তথা ঋষি-মুনিসকলৰ বিশিষ্ট জ্ঞান বা বিশ্বাসক প্রতিনিধিত্ব কৰে। হিন্দুধর্মক সনাতন ধর্ম বুলি কোৱা হয় কাৰণ ই এনে এক ধর্ম যি সনাতন বা শাশ্বতভাৱে মানুহৰ মাজলৈ আহিছে। আন বহুতো ধর্মৰ দৰে হিন্দুধর্মৰ কোনো নির্দিষ্ট প্রৱর্তক নাই লগতে কোনো বিশেষ ধর্মশাস্ত্রও নাই। ইয়াৰ মূল কাৰণ হ'ল এয়ে যে হিন্দুধর্ম ধর্মতকৈ বেছি দর্শন হিচাপেহে জনাজাত। এই পৰীক্ষণৰ দ্বাৰা এইটো প্রতিপন্ন কৰিব পৰা যায় যে হিন্দুধর্মক মানুহৰ সভ্যতা-সংস্কৃতিৰ বিভিন্ন অৱস্থাই সহায় কৰিছে। এই সম্পর্কত আমি Sir Charles Eliotৰ কথাযাৰ উনুকিয়াব পাৰোঁ— "হিন্দুধর্মক

সাজিব নালাগে কিন্তু ই বৃদ্ধি হয়। ই জংঘল, কিন্তু অট্টালিকা নহয়।" আকৌ কে.এম. সেনে তেওঁৰ "Hinduism" নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে হিন্দুধর্ম এটা অট্টালিকাতকৈ এজোপা গছৰ নিচিনা কাৰণ গছজোপা নিজে নিজে বাঢ়ি ডাঙৰ হয়। আনহাতে বহুতো ডাঙৰ ডাঙৰ স্থপতিবিদে (architect) নির্দিষ্ট সময়ৰ ভিতৰত নির্মিত একোটা অট্টালিকা নির্মাণ কৰে। ই বহুতো সভ্যতা-সংস্কৃতিৰ অনুপ্রেৰণা নিজৰ মাজতে ধাৰণ কৰে আৰু হিন্দু চিন্তাধাৰাই ভাৰতীয় জাতিৰ নিচিনাকৈ বিভিন্নতাক উপস্থাপন কৰিছে। বিজ্ঞ ব্যক্তি বা ঋষিসকলৰ সংযুক্ত জ্ঞানে কেতিয়াও কোনো কঠোৰ বা দৃঢ় নীতিক প্রকাশ নকৰে। তাৰ পৰিবর্তে ই গভীৰ মানৱতাবাদী দর্শনকে অনুপ্রাণিত কৰে। মানৱ অস্তিত্বৰ সমস্যাই বৈদিক যুগৰ বিজ্ঞলোকসকলক উৎসাহিত কৰিছিল আৰু তেওঁলোকে আধ্যাত্মিক উপলব্ধিৰ জৰিয়তে এই সমস্যাক অতিক্রম কৰি 'মানৱ ধর্ম' আৰু লগতে দর্শন প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। 'মানৱ ধর্ম' (Religion of Man) হ'ল হিন্দুধর্মক ৰেখাংকিত কৰা মূল নীতি আৰু ভাগবদ্ গীতাৰ উল্লেখিত নীতিসমূহৰ দৰে ই হিন্দুধর্মৰ মিলন চৰিত্র হৈ পৰে। সেয়েহে হিন্দুধর্মৰ এক সৰল তথা দক্ষ বা প্রায়োগিক সংজ্ঞা এনেদৰে দিব পৰা যায়— "বেদত বিচাৰি পোৱা পৌৰাণিক ধর্ম যাক সনাতন ধর্ম বুলি কোৱা হয়, যাক পাঞ্জাৱ আৰু ইয়াৰ পূৱ প্রান্তত বসবাস কৰা লোকসকলে পালন কৰিছিল; আৰু যিসকল লোকে এই ধর্মক স্বীকাৰ কৰিছিল তথা তেওঁলোকৰ বংশধৰসকলে পালন কৰিছিল সকলোবোৰেই 'হিন্দ'।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'দর্শন' শব্দৰ প্রকৃত অর্থ কি?

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ হিন্দু ধর্মক কিয় 'সনাতন ধর্ম' বুলি কোৱা হয়?

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ কোৱা—

(a) হিন্দুধর্মত 'Tat tvam asi– that thou art' শব্দ খণ্ডই বুজাই যে "বিশুদ্ধ ৰূপত আত্মাই ব্রহ্ম।"

(b) 'মানৱ ধর্ম' (Religion of Man) —হিন্দুধর্মৰ মূল তত্ব নহয়।

১০.৩ হিন্দুধর্মৰ উৎসসমূহ

আমি ইয়াত হিন্দুধর্মৰ উৎসসমূহৰ লগত জড়িত থকা এটা গুৰুত্বপূর্ণ বিষয় আলোচনা কৰিম। গতিকে হিন্দুধর্মৰ উৎসৰ লগত জড়িত বিষয়বোৰৰ ক্ষেত্রত আমি ক'ব পাৰোঁ যে হিন্দুধর্মৰ দর্শন, বিশ্বাস, অভ্যাস, বিভিন্ন পদ্ধতি আৰু প্রবাদসমূহ বহুতো উৎসৰ পৰা সংগৃহীত। বিভিন্ন উৎসবিলাকৰ ভিতৰত বেদ, উপনিষদ আৰু ব্রাহ্মণসমূহক হিন্দুধর্মৰ মূল উৎস হিচাপে গণ্য কৰা হয়। সেয়েহে আমি হিন্দুধর্মৰ উন্নতি আৰু ক্রমবিকাশত অৱিহণা যোগোৱা প্রধান উৎসবোৰহে আলোচনা কৰিম।

বিশদভাৱে ক'বলৈ হ'লে হিন্দুধর্মৰ শাস্ত্র আৰু আধ্যাত্মিক জ্ঞান প্রধানতঃ তিনিটা উৎস— ভৱিষ্যত দ্রষ্টাসকল, বেদ আৰু উপনিষদৰ সাম্প্রদায়িক কার্যাৱলী আৰু সাহিত্যিক উৎস যেনে ঃ দুখন মহাকাব্য— ৰামায়ণ আৰু মহাভাৰত, ভাগৱত গীতা। পুৰাণসমূহ আৰু আন আন বিভিন্ন উৎসৰপৰা সংগৃহীত। বহুলভাৱে বিশ্লেষণ কৰিলে পোৱা যায় যে হিন্দু বিশ্বাস পদ্ধতিৰ মূল উৎস হ'ল নিশ্চিতভাৱে বেদসমূহ। বেদক শাশ্বত বা নিত্য বুলি গ্রহণ কৰা হয় কাৰণে বেদসমূহক অনাদি বুলি কোৱা হয় আৰু হিন্দুধর্মৰ বিধান বা আইন বেদৰপৰাই আৰম্ভ হয়। উপনিষদসমূহ হিন্দুধর্মৰ অত্যাৱশ্যকীয় মৌলিক উপাদান আৰু প্রায়ে উপনিষদক বেদান্ত বুলি জনা যায়। উপনিষদসমূহত আমি "সত্যৰ সার্বজনীন নীতি" বিচাৰি পাওঁ আৰু এই একমাত্র শাশ্বত সত্যৰ অন্বেষণৰ কাৰণে উপনিষদসমূহে বস্তুবাদ আৰু বিজ্ঞানৰ পৰিবর্তিত সময়, আক্রমণাত্মক দৃষ্টিভংগীক অনুমোদন জনায়। উপনিষদৰ এই ধাৰণ ক্ষমতা সম্ভৱ হৈছে একমাত্র নিয়ত বা শাশ্বত সত্যৰ সার্বজনীন মনোভাৱৰ কাৰণে।

হিন্দুধর্মক নিপুণভাৱে আগবাঢ়ি যোৱাৰ ক্ষেত্রত ভৱিষ্যত দ্রষ্টা আৰু ঋষিসকলে এক বিশেষ ভূমিকা পালন কৰিছিল। তেওঁলোকে হিন্দুধর্মৰ প্রধান গ্রন্থসমূহৰ গোপন শিক্ষা তথা তথ্যসমূহ পোহৰলৈ আনিছিল। তোমালোকে মনত ৰখা উচিত যেন এই ভৱিষ্যত বক্তা বা ঋষিসকলেই পৌৰাণিক হিন্দু সমাজৰ দেৱত্ব বা প্রবাদ পুৰুষ বা শিক্ষক। তেওঁলোকে প্রাচ্য দর্শন বা দর্শনৰ (Darshan) চিন্তাশীল মনোভাৱক প্রতিনিধিত্ব কৰিছিল। এই ভৱিষ্যত দ্রষ্টা বা ঋষিসকলে তেওঁলোকৰ শিষ্যসকললৈ পঠোৱা বাণীবোৰৰ তেওঁলোকে ৰচনা কৰা নাছিল। তেওঁলোকে কেৱল তপস্যাৰদ্বাৰা প্রাপ্ত পবিত্র বাণীসমূহৰ প্রচাৰহে কৰিছিল। এই বাণীবোৰ আছিল ভগৱানৰ কথা বাণী, যিবোৰ ঋষিসকলে তেওঁলোকৰ ব্যক্তিগত অভিজ্ঞতাৰ অনুৰূপে শিষ্যসকলক যোগান ধৰিছিল। লগতে পৰম্পৰাগত শিক্ষকসকলৰ মতেও, হিন্দুধর্মই সন্যাসী

আন্দোলনৰ গভীৰ উত্থানৰো সাক্ষী বহন কৰিছিল। সাধাৰণভাৱে ক'বলৈ হ'লে সন্যাসবাদ হৈছে জীৱন-দক্ষতাৰ এক দাৰ্শনিক পথ যি আধ্যাত্মিক লক্ষ্যৰ অনুসন্ধানৰ বাবে ব্যক্তিবিশেষক বিভিন্ন সুখ ভোগৰপৰা আঁতৰাই আনিব পাৰে। ভাৰতীয় আস্তিক পৰম্পৰা প্ৰধানতঃ সন্যাসবাদৰদ্বাৰা প্ৰভাৱান্বিত আৰু বস্তুবাদ অধিকৃত জীৱন তথা ইন্দ্ৰিয়াসক্তিবোৰৰ প্ৰতি বৈৰাগ্যতাক উৎসাহিত কৰে। ভাৰতবৰ্ষত হিন্দুধৰ্মৰ পবিত্ৰ গ্ৰন্থসমূহে সন্যাস আন্দোলনক অনুপ্ৰাণিত কৰিছিল। ফলস্বৰূপে সময়ৰ অগ্ৰগতিৰ লগে লগে ধৰ্মতত্ব বা ব্ৰহ্মবিদ্যা আৰু আধ্যাত্মিক দৰ্শনক এই সন্যাস আন্দোলনে সাৱধা কৰি তোলে। এই সম্পৰ্কত বৌদ্ধধৰ্ম আৰু জৈনধৰ্মৰ দৰে মুখ্য ভাৰতীয় ধৰ্মবোৰৰ কথা উনুকিয়াব পাৰি। পৌৰাণিক ভাৰতবৰ্ষত, সন্যাসবাদ হিন্দুধৰ্মৰ সাৰ হৈ পৰিছিল। কাৰণ ই মত প্ৰকাশ কৰিছিল যে মোক্ষ প্ৰাপ্তিৰ বাবে কোনো ব্যক্তি শাৰীৰিক তথা মানসিক দুয়োটা দিশৰপৰা সম্পূৰ্ণ শুদ্ধ হ'ব লাগিব। আকৌ আমাৰ হিন্দুধৰ্মৰ জ্ঞান বিভিন্ন হিন্দু সম্প্ৰদায়সমূহ যেনে— শৈৱবাদ, বৈষ্ণৱবাদ, শাক্তবাদ আৰু তন্ত্ৰৰপৰা আহৰিত। যদিও এই সম্প্ৰদায়সমূহৰ নিজা নিজা ক্ৰমবিকাশ আছে তথাপিও এইসমূহে বৈদিক পৰম্পৰাৰ লগত সংহতি স্থাপন কৰে যাতে হিন্দুধৰ্মৰ দাৰ্শনিক ভাবাদৰ্শক উন্নতিত উচ্চ অৰিহণা যোগাব পাৰে।

হিন্দুধৰ্মৰ উন্নতি আৰু ক্ৰমবিকাশ অনুসৱণ কৰি আমি পুনৰ ক'ব পাৰো যে হিন্দুধৰ্মৰ ক্ৰমবিকাশে কেৱল শাস্ত্ৰসমূহৰ ওপৰত নিৰ্ভৰশীল নহয়, কিন্তু বহুধৰণৰ সাহিত্যিক উৎসৰপৰাও ই অনুপ্ৰেৰণা লাভ কৰিছিল। বেদ, উপনিষদ আৰু পুৰাণৰ লগতে ফঁকৰা সাহিত্য (Sutra literature), গুৰুত্বপূৰ্ণ ভাষ্যসমূহ, আইনী গ্ৰন্থ বা ধৰ্মশাস্ত্ৰসমূহেও হিন্দুধৰ্মৰ উত্থানত বৰঙণি যোগাইছিল। জীৱনৰ উন্নতিৰ দৰ্শনস্বৰূপে হিন্দুধৰ্ম সম্পূৰ্ণৰূপে বিভিন্ন দাৰ্শনিক সম্প্ৰদায়সমূহৰ গ্ৰন্থসমূহৰ ওপৰত নিৰ্ভৰ কৰে। তদুপৰি হিন্দুধৰ্ম প্ৰবলভাৱে বিভিন্ন সাহিত্য আৰু ধৰ্মনিৰপেক্ষ গ্ৰন্থ যেনে, কালিদাস ৰচিত গ্ৰন্থসমূহ— শংকৰাচাৰ্য, ৰামানুজ, মাধবাচাৰ্য আদিৰ দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। এই সম্পৰ্কত আমি অতি স্পষ্টভাৱে ক'ব পাৰো যে স্মৃতি, উপনিষদ, ভাগৱদ্গীতা আৰু ব্ৰহ্মসূত্ৰ এই তিনিটা উৎস হৈছে পৰম্পৰাগতভাৱে হিন্দুধৰ্মক দাৰ্শনিক স্পষ্ট ৰূপ দিয়াত অতি গুৰুত্বপূৰ্ণ উৎস। তদুপৰি ভাগবদ্গীতাক বেদান্তৰ পবিত্ৰ ভাষ্য বুলি বৰ্ণনা কৰা হয় কাৰণ ই হৈছে বেদান্তৰ অতি গুৰুত্বপূৰ্ণ অংশ বা সাৰাংশ। এইটো কথা সত্য যে আমি হিন্দুধৰ্মৰ কোনো নিৰ্দিষ্ট প্ৰৱৰ্তক বিচাৰি নাপাওঁ। হিন্দুধৰ্মৰ কোনো নিৰ্দিষ্ট ধৰ্মগ্ৰন্থও নাই। আমি পাওঁ যে হিন্দুধৰ্মত মানুহে বহুতো বিশ্বাস অৱলম্বন কৰে। উদাহৰণস্বৰূপে— এজন মানুহে বহু ভগবান বিশ্বাস কৰে অৰ্থাৎ এজন বহুঈশ্বৰবাদী সম্পূৰ্ণৰূপে এজন হিন্দু বা হিন্দুধৰ্মত বিশ্বাসী। আনহাতে এজন ব্যক্তিয়ে কেৱলমাত্ৰ এজন ঈশ্বৰকে বিশ্বাস কৰে অৰ্থাৎ একেশ্বৰবাদী এজন যেনেকৈ হিন্দুভক্ত আৰু এজন নাস্তিক ব্যক্তিয়ে যিকোনো ব্যক্তিগত ৰূপৰ ভগবান বিশ্বাস নকৰে যদিও দৃঢ়ভাৱে হিন্দুধৰ্মত বিশ্বাস কৰে। সেয়েহে ছাৰ চার্লছ ইলিয়তে অতি শুদ্ধভাৱে কৈছে যে হিন্দুধৰ্ম জংঘলৰ নিচিনা আৰু অট্টালিকা নহয়, গতিকে ই সম্ভৱ নহয়।

শেষত আমি ইয়াকে ক'ব পাৰোঁ যে হিন্দুধর্মই বিভিন্ন উৎসৰপৰা অনুপ্রেৰণা পাইছিল যদিও ইয়াৰ বিশ্বাস আৰু প্রয়োগৰ ক্ষেত্রত পবিত্র গ্রন্থ যেনে— বেদ বা সংহিতাবিলাককহে প্রধান উৎস বুলি গ্রহণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ হিন্দুধর্মৰ আধ্যাত্মিক জ্ঞানৰ উৎসসমূহ কি কি?

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ হিন্দুধর্মৰ ক্রমবিকাশত উপনিষদসমূহে কেনেকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল?

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ সন্যাসবাদ স্বীকাৰ কৰা হিন্দুধর্মৰ দুটা ধর্মীয় সম্প্রদায়ৰ নাম লিখা।

.....

.....

.....

.....

১০.৪ হিন্দুধর্মৰ লক্ষণসমূহ

হিন্দুধর্মৰ বিভিন্ন বিশ্বাস, অনুশীলন আৰু ইয়াৰ দার্শনিক উৎসৰ বিচিত্রতাৰ কাৰণে হিন্দুধর্মৰ প্রধান লক্ষণসমূহ উল্লেখ কৰাটো কঠিন। তথাপিও ইয়াৰ কেইটামান সাধাৰণ লক্ষণ বিচাৰি পোৱা যায় যি হিন্দুধর্মৰ ধর্মীয় আৰু দার্শনিক চিন্তাক একেলগ কৰি ৰাখিছে। সেইবোৰ তলত উল্লেখ কৰা ধৰণৰ ঃ

১। **হিন্দুধর্মই বিভিন্ন সময় আৰু বিভিন্ন সংস্কৃতিৰ মহান পণ্ডিত আৰু ঋষিসকলৰ সার্বজননী অভিজ্ঞতাক সন্নিবিষ্ট কৰে**

হিন্দুধর্মৰ সার্বজনীন আৰু ব্যক্তিত্বশূন্য ক্রমবিকাশৰ স্বভাৱৰ কাৰণেই ই সকলো সভ্যতা আৰু সংস্কৃতিৰ প্রভেদ আৰু মূল্যবোধক ধাৰণ কৰি আছে। হিন্দুধর্মক প্রকাশিত ধর্ম বুলি অভিহিত কৰা হয়, কাৰণ ইয়াৰ কোনো সৃষ্টিকর্তা নাই। সেয়েহে আমি জানো যে হিন্দুধর্মই কেতিয়াও কেৱলমাত্র এজন ভৱিষ্যতবক্তাৰ ব্যাখ্যাকে জনাজাত কৰিব বিচৰা নাছিল। হিন্দুধর্মত 'সত্যই সার্বিক বা বিশ্বজনীন'। ইচ্ছা কৰিলে প্রত্যেক ব্যক্তিয়েই এই সত্যক উপলব্ধি কৰিব পাৰে— এই কথাষাৰ হিন্দুধর্মই পক্ষপাতিত্ব কৰিছিল। এই অভিজ্ঞতাৰ প্রক্রিয়াত হিন্দুধর্মই কেতিয়াও কোনো সত্যৰ অভিজ্ঞতাক সার্বজনীন কৰা নাছিল বৰঞ্চ বিশেষ ৰূপত কৈছিল যে সত্যৰ অন্বেষণৰ কাৰণে বিভিন্ন প্রকাৰৰ সত্যৰ অভিজ্ঞতাই হৈছে শক্তি। ই আমাক শ্রীৰামকৃষ্ণদেৱে কোৱা কথাষাৰ মনত পেলাই দিয়ে যে, সত্যৰ প্রত্যেক আধ্যাত্মিক অভিজ্ঞতা যি নিত্য বা শাশ্বত সি আমাক ভগবানৰ ওচৰলৈ অগ্রসৰ কৰে। আধ্যাত্মিক অভিজ্ঞতা সম্পর্কে তেওঁ কৈছিল, "যিদৰে বহু মতামত সেইদৰে বহু উপায়ো আছে।" (as many views, so many are the paths)

আকৌ বেদ আৰু উপনিষদক হিন্দুধর্মৰ প্রধান উৎস বুলি কোৱা হয় আৰু এই ধর্মশাস্ত্রসমূহৰ বাণীবোৰে পৌৰাণিক ভাৰতবর্ষৰ ঋষিসকলৰ আধ্যাত্মিকতাবাদৰ সত্যতাক প্রকাশ কৰিছিল। সেয়েহে উপনিষদসমূহক আমাৰ ঋষিসকলৰ উজ্জ্বল জীৱনৰ বিভিন্ন দিশৰ আলোচনাৰ অভিজ্ঞতাসমৃদ্ধ গৱেষণাৰ প্রকাশক বুলি গণ্য কৰা হয়। ঋষিসকলে তেওঁলোকৰ অতিন্দ্রীয় অভিজ্ঞতাবোৰ অতি বিতংভাৱে পুৰুষানুক্রমে নিজৰ শিষ্যসকলৰ মাজত বিলাই দিছিল আৰু ভৱিষ্যত দ্রষ্টাসকলে তেওঁলোকৰ আধ্যাত্মিক অভিজ্ঞতাবোৰক মুখ্য সমস্যাসমূহৰ চুক্তি সাপেক্ষে লক্ষণীয়ভাৱে অনুশীলন কৰি দেখুৱাইছিল আৰু মুখ্য তথা যুক্তিতর্কবিহীন বা সন্তোষজনক সিদ্ধান্তত উপনীত হৈছিল। হিন্দু ধর্মই 'চৰম সত্ত্বাৰ' উপলব্ধিক প্রকাশ কৰিছিল আৰু আন আন ধর্মীয় সম্প্রদায়ৰ নিচিনাকৈ ই কেতিয়াও কেৱলমাত্র ধর্মীয় নীতিৰ ওপৰত বিশ্বাস কৰা নাছিল। বার্ণার্ড (Barnard)এ "Hindu Philosophy"ত লিখিছে যে হিন্দুধর্ম বা হিন্দুত্ববাদ হৈছে এক উপলব্ধিৰ বিষয়। হিন্দুধর্মৰ নীতিসমূহে জ্ঞানান্বেষী মনৰ তথ্য প্রমাণ আৰু যুক্তিৰ বিবাদৰ বিৰোধিতা কৰে। সেয়েহে, প্রত্যেক উপনিষদতেই ই পদে পদে আগবাঢ়ি যোৱাৰ কাৰণ দর্শাইছে আৰু ইয়াৰ এই যুক্তিৰ ভিত্তিতেই বহুসংখ্যক ঋষিয়ে ব্যক্তিগতভাৱে তপস্যা কৰি কিছুমান সন্তোষজনক যুক্তিত উপনীত হৈছিল যিবিলাক এই গ্রন্থখনত হিন্দুধর্মৰ অতি গুৰুত্বপূর্ণ বিষয়ৰূপে একত্রিত হৈছে।

২। <u>হিন্দুত্ববাদ হিন্দুধর্মৰ লগত জড়িত</u>

দার্শনিক বিবেচনা আৰু মানসিক ধর্মীয় চেতনা দুয়োটাই হিন্দুধর্মৰ পৰিধিৰ মাত্রাৰ ভিতৰত ইটো-সিটোৰ লগত সম্বন্ধযুক্ত। ইতিমধ্যে তোমালোকে জানিব পাৰিছা যে

হিন্দুধর্মৰ বিভিন্ন সম্প্রদায়ৰ ধর্মীয় গ্রন্থসমূহে শ্রুতি, বেদ, উপনিষদ আৰু পুৰাণসমূহৰ কর্তৃপক্ষক স্বীকাৰ কৰিছে। এই গুৰুত্বপূর্ণ বিশেষত্বটো থাকিলেও আমি হিন্দুধর্মত আৰু হিন্দুধর্মৰ বিভিন্ন সম্প্রদায়সমূহৰ ক্ষেত্রত উদাৰতা আৰু স্থিতিস্থাপকতাৰ গুণ দেখা পাওঁ। হিন্দুধর্মই "আত্মানাম বিধি"ৰ মাজত কোনো প্রভেদ নকৰে আৰু হিন্দুধর্মৰ ধর্মীয় পদ্ধতিবোৰ সম্পূর্ণৰূপে ইয়াৰ লগত মিলি যায়। সেইকাৰণে ইয়াত 'হিন্দুধর্মৰ সার্বজনীন সত্য' আৰু বিভিন্ন সম্প্রদায় যেনে— শাক্ত, বৈষ্ণৱ আদিৰ ধর্মীয় চেতনাৰ নীতিৰ মাজত কোনো পার্থক্য দেখা নাযায়। তোমালোকে ইয়াত হিন্দুধর্মৰ অবিভক্ত দিশসমূহৰ অত্যাৱশ্যকীয় একতাক উপলব্ধি কৰিব পাৰিবা কেৱলমাত্র যদিহে তোমালোকে হিন্দুধর্মৰ অত্যাৱশ্যকীয় মতবোৰ নিশ্চিত কৰিব পাৰা।

আমি যুক্তিৰে ন্যায়সঙ্গতভাৱে হিন্দুধর্মৰ এই অত্যাৱশ্যকীয় একতাৰ ঘটনাক প্রমাণ কৰিব পাৰিম যেতিয়া আমি কেৱল সামৰণি মাৰিব পাৰিম যে, 'এইবোৰ হ'ল একে বৈদিক ধর্ম যি যুগ যুগ ধৰি বিভিন্ন ধর্মমত ব্যক্ত কৰি আহিছে।' ধার্মিক চিন্তাশীল ব্যক্তিসকলে জীৱনৰ প্রায়োগিক নীতিসমূহ যেনে নৈতিকতা, মোক্ষ বা মুক্তি, কর্মবাদ, পুনৰজন্ম বা মৃত্যুৰ পিছৰ ইত্যাদি ইত্যাদি আৰু জীৱনৰ উচ্চ মনৰ ধাৰণাৰ নানা প্রকাৰৰ পথসমূহৰ লগত বেছিকৈ জড়িত হৈ থাকে। গতিকে হিন্দুধর্ম কেৱল এক আধ্যাত্মিক আইন বা বিধানেই নহয় বৰঞ্চ এক সামাজিক বান্ধোন আৰু ই হিন্দুধর্মক আটাইতকৈ পুৰণি জীৱন্ত ধর্ম হিচাপে ধৰি ৰাখিছে। সেই কাৰণেই হিন্দুধর্মই হৈছে 'সনাতন' বা 'শাশ্বত' উপাধিৰ একমাত্র দাবীদাৰ। হিন্দুধর্মই এইউপাধি পোৱাৰ কাৰণ হ'ল ইয়াৰ কোনো আদি বা অন্ত নাই আৰু ইয়াত আমি 'বিশ্বজনীন নীতি'ৰ এক বান্ধনী শক্তি বিচাৰি পাওঁ।

৩। হিন্দুধর্মই অসীমৰ লগত সসীমৰ নীতিক অনুসৰণ কৰে

উপনিষদৰ প্রধান শিক্ষা হ'ল আত্মাৰ ঈশ্বৰত্ব, সসীম আত্মাই হৈছে অসীমৰ প্রকাশ। ঈশোপনিষদত উল্লেখ কৰিছে যে, 'হে ভগবান, মোক তালৈ লৈ যোৱা য'ত সংসাৰৰ চিৰস্থায়ী উৎসবোৰ থাকে, যিবোৰ অবিনশ্বৰ, য'ত অমৰত্বই সর্বশ্রেষ্ঠতাক ত্যাগ কৰে আৰু মোক অমৰ কৰি তোলে।' হিন্দুধর্মৰ প্রধান স্বীকার্য বিষয় হ'ল 'ব্রহ্ম সর্বব্যাপী।' উপনিষদিক দৃষ্টিভংগীয়ে এই ব্যাখ্যাটোক সমর্থন কৰিছে এটা মুখ্য ধাৰণাৰ জৰিয়তে যে সকলোৰে অস্তিত্বৰ মূলতে হ'ল এই ঐশ্বৰিক গুণৰ প্রকাশ। হিন্দুধর্মৰ ঐক্য শক্তি সম্পর্কীয় দার্শনিক মতবাদ যিসকল বৈজ্ঞানীয়ে সাহসীকতাৰে তন্নতন্নকৈ এটা মতবাদ পৰীক্ষা কৰিছিল যে যিকোনো অস্তিত্বই সঁচা অর্থত একে শক্তি'এ তেওঁলোকে সমর্থন কৰিছিল। আইনষ্টাইনৰ পিছত বৈজ্ঞানীকসকলে স্বীকাৰ কৰিছিল যে অস্তিত্বই বিষয় বা শক্তি হিচাপে নাইবা পৰমাণু বা ঢৌ হিচাপে দেখা দিলেও, ই প্রকৃত্বতে সমশক্তি। গতিকে, এই সম্পর্কত আমি উপনিষদৰ "ব্রহ্ম সর্বব্যাপী" ধাৰণাক বৈজ্ঞানীক ব্যখ্যাৰ পৰা আধ্যাত্মিক নকলৈলৈ পৰিণত কৰিব পাৰোঁ। হিন্দুধর্মৰ সর্বব্যাপী দর্শনৰ ধাৰণাটো

এনেধৰণৰ ঃ বৃহৎ উপলব্ধি হ'ল, তুমি ওপৰলৈ বা তললৈ, সোঁফালৰ পৰা বাওঁফাললৈ, ভিতৰত বা বাহিৰত য'তে চোৱা ব্ৰহ্ম সকলোতে বিৰাজমান।" বেদান্তৰ প্ৰথম গুৰুত্বপূৰ্ণ ধাৰণাটোৱে হ'ল, সৰ্বব্যাপী ব্ৰহ্ম হ'ল একেশ্বৰবাদৰ সাৰভাগ।"

সেইকাৰণে তোমালোকে বুজা উচিত যে হিন্দুধৰ্মই সমৰ্থন কৰে যে ব্ৰহ্ম প্ৰত্যেক ব্যক্তিগত চেতনাতে বাস কৰে আৰু এই ব্যক্তিগত চেতনা হৈছে আত্মা বা আধ্যাত্মিক শক্তি আৰু ব্ৰহ্মৰপৰা ই কেতিয়াও পৃথক নহয়। ইয়াৰপৰা আমি উপনিষদৰ 'অম্রতস্য পুত্র' (সন্তানৰ অমৰত্ব) খণ্ডবাক্যটো বিচাৰি পাওঁ। হিন্দুধৰ্মই কেতিয়াও পাপক সমৰ্থন নকৰে; সেয়েহে আমি নিজকে পাপী বুলি কোৱাটো হৈছে আটাইতকৈ ডাঙৰ পাপ। হিন্দুধৰ্মই জীৱনৰ অস্তিত্বৰ আধ্যাত্মিক প্ৰতিক্ৰিয়াৰ সমৰ্থন কৰে। ইয়াত কোনোধৰণৰ অদৃশ্য বা গোপন স্বৰ্গৰ ধাৰণা নাই বৰং হিন্দুধৰ্মই এই কথাটোহে বিশ্বাস কৰে যে আমি অমৰত্বৰ সন্তান। আমি বিশুদ্ধতা, জ্ঞান, পৰমসুখ আৰু পোহৰৰ প্ৰত্যক্ষ শক্তি। আধ্যাত্মিক অস্তিত্ব আমাৰ চেতনাতে নিহিত থাকে।

এই আধ্যাত্মিক ঐক্য শক্তিৰ উপলব্ধিৰ ক্ষেত্ৰত যোগৰ মূলমন্ত্ৰ ইয়াৰ আধাৰ আৰু বেদান্তই ইয়াকে প্ৰতিপন্ন কৰিছে যে এই ঐক্যই নিৰ্দেশ কৰা ফল বা পৰিণাম হ'ল— "বাহিৰৰ সৰ্বব্যাপী ব্ৰহ্ম আৰু ভিতৰত অমৰ আত্মাৰ ঐক্য।" আত্মা অমৰ— এই কথাষাৰ ভাগৱতৰ সাৰভাগ। তাৎপৰ্যপূৰ্ণভাৱে আত্মাৰ অমৰত্বই স্পষ্টকৈ নিৰ্দেশ কৰে যে পূৰ্ণজন্মৰ মতবাদটো হিন্দুৰ সৃষ্টি সম্পৰ্কীয় মতবাদৰে প্ৰতিফল। ই এটা কালচক্ৰৰ শাশ্বত বা নিত্য প্ৰক্ৰিয়া, যাৰ কোনো আদি বা অন্ত নাই। ইয়াকো বিশ্বাস কৰা হয় যে পূৰ্ণজন্মৰ ধাৰণাটো হিন্দুৰ সৃষ্টি সম্পৰ্কীয় মতবাদৰ এটা তৰ্কীয় বা যৌক্তিক শাখা। বিচাৰ কৰি চালে দেখা যায় যে, যদি সংসাৰৰ সৃষ্টি স্থায়ী ক্ৰমবিকাশ আৰু অধঃপতনৰ প্ৰক্ৰিয়া হয় তেনেহ'লে প্ৰত্যেক অস্তিত্বই এই শাশ্বত প্ৰক্ৰিয়াৰ এক পবিত্ৰ অংশ হ'ল। পুনৰজন্মৰ প্ৰক্ৰিয়াটো নিশ্চিতভাৱে আধ্যাত্মিক উত্তোলনৰ সহায়ত চলি থাকে যেতিয়ালৈকে প্ৰত্যেক অস্তিত্বই এই নিত্য বা শাশ্বত সৃষ্টিত ডুব হৈ থাকে। সেয়েহে চাণ্ডোগ্য উপনিষদত শিকাইছে যে—Tat tvam asi-that thou art যাৰ অৰ্থ আত্মা হ'ল ব্ৰহ্মৰ সাৰভাগ। সেয়েহে পুনৰ উল্লেখ কৰা হয়, ব্যক্তিগত আত্মা, যাক আমি দেখা পাওঁ এই ই অনন্তকালৰ এটা অংশীদাৰ, যি অসীমৰ পৰাই নিৰ্গত হয় আৰু অসীমতে বিলীণ হৈ থাকে। 'অনৈক্যৰ মাজত ঐক্য'ৰ উপলব্ধিয়ে হৈছে হিন্দুধৰ্মৰ প্ৰধান আধ্যাত্মিক আৱিষ্কাৰ।

৪। <u>হিন্দুধৰ্মই কেতিয়াও একমাত্ৰ আধ্যাত্মিকতাহে প্ৰতিনিধিত্ব নকৰে, সামাজিক জীৱনত প্ৰয়োগবাদক উৎসাহিত কৰে</u>

আত্মাৰ লগত ব্ৰহ্মৰ সনাতন ঐক্য হৈছে হিন্দুধৰ্মৰ এটা প্ৰধান ধৰ্মমত। এই বস্তুবাদী অস্তিত্বৰ সংসাৰৰ লগত অস্তিত্বৰ স্বাভাৱিক অভিন্নতাই প্ৰমাণ কৰে যে জীৱনৰ চৰম

লক্ষ্য আধ্যাত্মিক উপলব্ধিত নিহিত হৈ থাকে। আত্মাৰ অন্তহীন আৰু সনাতন স্বভাৱৰ উপলব্ধিয়ে মানুহৰ জীৱনৰ দুঃখ, বার্ধক্য আৰু মৃত্যু আদিক নতুন মাত্রা প্রদান কৰে। মানৱ জীৱনৰ কর্মৰ গণনাই ইয়াত বল, শক্তিৰ আলাপৰ নৈতিক আদর্শৰ প্রমাণ কৰে। পুনৰ কর্মবাদে বিশেষভাৱে দাবী কৰে যে প্রত্যেক ব্যক্তিয়েই যাতে নিজৰ কর্মৰ দায়িত্ব লয়। সেয়েহে বিখ্যাত উক্তি পালন কৰা হয় "As you sow so shall you reap" যেনে কর্ম তেনে ফল। পুনৰ নিউটনৰ সূত্রঃ প্রত্যেক ক্রিয়াৰে সমান আৰু বিপৰীতমুখী প্রতিক্রিয়া থাকে। সেয়েহে হিন্দুধর্মই কার্যকাৰণবাদ, কর্মবাদ আৰু মানুহৰ ভাগ্য বা অদৃষ্ট আদিৰ ধাৰণাক ন্যায়শাস্ত্রসন্মতভাৱে সমর্থন কৰে।

৫। মানৱ-জীৱন চৰম লক্ষ্যত উপনীত হোৱাৰ এটা পথ

হিন্দুধর্মই দৃঢ়ভাৱে মানৱ-জীৱনৰ অত্যাৱশ্যকীয় বিশেষত্ব মোক্ষ বা মুক্তিত বিশ্বাস কৰে। জন্ম-মৃত্যুৰ চক্রৰপৰা মুক্তি পোৱাটোৱেই হৈছে মোক্ষ। নিজৰ কর্মৰ জৰিয়তে মানৱ জীৱনৰ চৰম লক্ষ্যত উপনীত হোৱাৰ বাবে হিন্দুধর্মই তিনিটা যোগ বা পথ স্বীকাৰ কৰিছে। ই মত পোষণ কৰে যে, জন্ম-মৃত্যুৰ চক্রৰপৰা মুক্ত হোৱাটো জ্ঞান, নিষ্কাম-কর্ম আৰু ভক্তি বা মানৱ মনক দমন কৰা— এই তিনিটা মার্গৰদ্বাৰা সম্ভৱ হয়। যেতিয়া ব্যক্তিগত জীৱনে চৰম লক্ষ্যত অর্থাৎ মোক্ষ প্রাপ্তিৰ কামনা কৰে তেতিয়া সেই আত্মাটো সংসাৰৰ সমস্ত দোষৰ পৰা মুক্ত হয়। মানৱ অস্তিত্বৰ এই অৱস্থাত অর্থাৎ মোক্ষত, ব্যক্তিগত আত্মাই নিজৰ সীমা বা সসীসত্বক উপলব্ধি কৰে যিবোৰ আত্মাৰ স্বর্গীয় স্বৰূপক অৱজ্ঞা কৰাৰ বাবে সৃষ্টি হয়। আত্মাৰ এই স্বর্গীয় স্বৰূপক ব্যক্তিবিশেষে যোগৰ কোনো এটা পথ অনুসৰণ কৰি উপলব্ধি কৰিব পাৰে। আধ্যাত্মিকতাই শাৰীৰিক জগতক অতিক্রম কৰে আৰু ইয়াক বেছি অর্থপূর্ণ কৰি তোলে। মানৱ মনৰ এই উচ্চ বা চৰম অৱস্থাক ৰবীন্দ্রনাথ ঠাকুৰে কোৱাৰ দৰে উপলব্ধি কৰিব পাৰি। এইয়াই মানৱ ধর্ম। ভাগৱদ্গীতাই নিষ্কাম কর্মক সমর্থন কৰোঁতে বাৰে বাৰে মানৱসেৱাৰ আদেশ কৰিছে আৰু ই হ'ল মানৱতাবাদ দর্শনৰ আৰম্ভণি। তদুপৰি উপনিষদত কৈছে যে প্রত্যেক ব্যক্তিয়েই চৰম সত্যৰ প্রকাশ আৰু সেয়েহে মানুহৰ সমাজক সেৱা আগবঢ়োৱাই হ'ল চৰম সত্যৰ উপলব্ধি। ই আমাক বিবেকানন্দৰ ব্যৱহাৰিক বেদান্তক সোঁৱৰাই দিয়ে য'ত তেওঁ গোলকীয় পৃথিৱীখনৰ সন্মুখত এক কার্যক্ষম শ্লো'গাম আগবঢ়াইছিল— "জীৱই শিৱ" (Jiva is Siva)। গতিকে মানৱ জীৱনৰ এক চৰম লক্ষ্য আছে যি হিন্দুধর্মক বেছি প্রায়োগিক কৰি তোলে আৰু এই জাগতিক লক্ষ্যই সার্বজনীন বা উদাৰ হিন্দুধর্মৰ নিৰপেক্ষ প্রকৃতিক বঢ়াই তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ হিন্দুধর্মৰ লগত হিন্দুবাদ কিয় জড়িত হৈ থাকে?

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ হিন্দুধর্মই কেনেকৈ একেশ্বৰবাদৰ বর্ণনা কৰিছে?

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ হিন্দুধর্মত মোক্ষ (Moksha) শব্দৰ অর্থ কি?

.....

.....

.....

.....

১০.৫ হিন্দুধর্ম আৰু কর্ম নীতি

হিন্দুধর্মত কার্যকাৰণবাদে হিন্দু দর্শন আৰু হিন্দুধর্মৰ এক অবিভক্ত আকাৰ প্রদান কৰে। কার্য আৰু কাৰণৰ নীতিক 'কর্ম' ৰূপে মোহৰ মৰা হয়। হিন্দুধর্মৰ পুনৰজন্ম আৰু কর্মবাদ তত্ব দুয়োটাই মুক্তি আৰু অধ্যৱসায় মতবাদ দুটাৰ লগত জড়িত। কর্মবাদে এজন ব্যক্তিৰ জীৱনৰ অভিজ্ঞতা যিবোৰ তেওঁ চিন্তা, কথা আৰু কার্যৰদ্বাৰা কঢ়িয়াই ফুৰে সেই সময়খিনিক উন্নত কৰাৰ আশা আলোকিত কৰে। যিহেতু তোমালোকে জানিব পাৰিছা যে কর্মনীতিয়ে কার্যকাৰণবাদ সমর্থন কৰা অনুপ্রেৰণাৰ পথ মুকলি কৰি দিয়ে। হিন্দুধর্মই কর্মবাদ সমর্থন কৰে কার্যকাৰণবাদৰ নৈতিক আদর্শৰ দিশৰ পৰা। এই কথনে প্রমাণ কৰে যে "তুমি যি কর্ম কৰিবা তেনে ফল পাবা।" ইয়াৰ পৰা তুমি এইটো বুজিবা যে আমি কৰা প্রত্যেক কর্মই নিজস্ব ফল ভোগ কৰে। সেয়েহে প্রত্যেক ব্যক্তিয়েই নিজৰ কর্মৰ দায়িত্ব নিজে ল'ব লাগিব। আমি ভাল কর্ম কৰাৰ সিদ্ধান্ত ল'ব লাগিব কিয়নো ইয়াৰ ফলাফল ভাল হ'ব। অন্যথা সামাজিক নিয়মৰ দোষ হ'ব। প্রত্যেক বেয়া

কর্মৰে নিশ্চিতভাৱে ফলাফল বেয়া হয়। শেষত সকলো কর্মৰে ফলাফলৰ হিচাপ শক্তিৰ সুপ্ত আকাৰত আত্মাত নিহিত হৈ থাকে।

হিন্দুধর্মত এনেদৰে সিদ্ধান্ত কৰা হয় যে যিকোনো নির্দেশিত কর্তব্য প্রদর্শনে আত্মাত পূন্য আৰু ধর্ম উৎপন্ন কৰে। পুনৰ ইয়াকো উল্লেখ কৰা হয় যে যিকোনো নিষিদ্ধ কর্মৰ প্রদর্শনে পাপ আৰু অধর্ম উৎপন্ন কৰে। ধর্ম আৰু অধর্ম দুয়োটাকে অদৃষ্ট বুলি গ্রহণ কৰা হয় যি ভৱিষ্যত জীৱনৰ অৱস্থিতিবোৰক ধাৰণ কৰি থাকে। ভৱিষ্যত জীৱনত ধর্মই সুখ আৰু অধর্মই কষ্ট বা দুঃখ উৎপন্ন কৰে। ব্যক্তিগত কর্মৰ এই দুটা অদৃশ্য শক্তি অর্থাৎ ধর্ম আৰু অধর্ম প্রকৃত্বতে পূর্ব-পৰিচালিত সুখ আৰু দুঃখৰ কাৰণবোৰত নিহিত হৈ থাকে আনহাতে বাহ্যিক অৱস্থিতি আৰু বস্তুগত বিষয়বোৰে এই দুই অদৃশ্য শক্তিৰ উন্নতিত সহযোগ কৰে। কর্মনীতিৰ পৰা নিজকে মুক্ত কৰাৰ কোনো প্রশ্নই নুঠে। ভাল বা বেয়া কর্ম দুয়োটাৰে ফলাফল ইহজন্মত নাইবা পৰজন্ম বা ভৱিষ্যত জন্মত ভোগ কৰিবই লাগিব। গতিকে তোমালোক দেখা পাবা যে হিন্দুধর্মই কর্মবাদক সমর্থন কৰে যি পুনৰজন্মৰ লগত সংযুক্ত হৈ থাকে। পুনৰজন্মৰ নীতিক ব্যাখ্যা নকৰাকৈ কর্মবাদক ন্যায়শাস্ত্রসন্মতভাৱে ব্যাখ্যা কৰিব নোৱাৰি। অর্থাৎ ইয়াৰপৰা এইটো বুজা যায় যে, পুনৰজন্ম যাক আত্মাৰ স্থানান্তৰকৰণ বুলিও জনা যায় যি কর্মনীতিৰ পৰিণাম।

কেতিয়াবা কর্ম, ক্রিয়া বা কার্য বা দস্তাবেজৰ লগত জড়িত বুলিও বিশ্বাস কৰা হয়। হিন্দুধর্মত কর্মবাদক কার্য আৰু কাৰণৰ আধ্যাত্মিক নীতি বুলিও বিশ্বাস কৰা হয় আৰু এই আধ্যাত্মিক নীতিত ব্যক্তিগত উদ্দেশ্য লগতে ব্যক্তিগত কর্মই ভৱিষ্যত কর্মৰ ফল নির্ধাৰণ কৰে। ভাল উদ্দেশ্যযুক্ত কর্ম আৰু ভাল কর্মই ভাল ফল দিয়া আৰু ইয়াৰ লগে লগে ভৱিষ্যত সুখত অৱিহণা যোগায়। আনহাতে উদ্দেশ্যযুক্ত কর্মই ভৱিষ্যতে দুঃখযুক্ত ফলহে দিয়ে। যিহেতু হিন্দুধর্মই পুনৰজন্ম নীতিৰ প্রতিফল। তাৎপর্যপূর্ণভাৱে ইহুদী বা আৰৱ আদি জাতি সম্বন্ধীয় ধর্ম যেনে— ইছলাম, খ্রীষ্টান ধর্ম আৰু হিন্দুধর্মৰ মাজত থকা প্রধান প্রভেদটো হ'ল ইছলাম আৰু খ্রীষ্টান ধর্মত ব্যক্তিবিশেষে পাপ কৰে ভগৱানৰ নীতিৰ বিৰুদ্ধে আনহাতে হিন্দুধর্মত ব্যক্তিবিশেষে নিজৰ কর্মৰ দায়িত্ব নিজে পালন কৰিবলগীয়া হয়। গতিকে ইয়াত পাপৰ ধাৰণা উদয় নহয়। ইহুদী বা আৰৱী ধর্মবিলাকে সৃষ্টিৰ মতবাদ প্রস্তাৱ কৰে সেয়েহে পাপৰ ন্যায়সন্মত বিচাৰ কৰা হয় যেতিয়ালৈকে নৈতিক আদর্শৰ দাতা অর্থাৎ ভগৱানক মানি লোৱা নহয়। সেয়েহে স্বর্গ আৰু নৰকৰ ধাৰণাই ইছলাম ধর্ম আৰু খ্রীষ্টান ধর্মত গুৰুত্বপূর্ণ সমস্যাৰ সৃষ্টি কৰে। আনহাতে হিন্দুধর্মই আৱির্ভাৱ নীতিক সমর্থন কৰে য'ত জীৱাত্মাক ব্রহ্মাৰ আৱির্ভাৱ বুলি স্বীকাৰ কৰা হয়। সেয়েহে আত্মাক সনাতন বুলি স্বীকাৰ কৰা হয় আৰু ইয়াৰ কেতিয়াও বিনাশ নহয়। এই সম্পর্কত স্বর্গ আৰু নৰকৰ ধাৰণাই হিন্দুধর্মত কম গুৰুত্ব পায়।

পৌৰাণিক ভাৰতীয় দর্শনে কর্মক বৈদিক যুগৰ ধর্মমত বলিদান বা শাস্ত্রসন্মত কাম-কাজৰ প্রতিশব্দ বুলি শিকায়। ই উৎসাহ যোগায় যে "কর্মকাণ্ডই শাস্ত্রসন্মত কর্মৰ সমাধা কৰাটো বুজায়। আনহাতে ব্যক্তিগত ত্যাগৰ অনুষ্ঠান পালন কৰাটোৱে সামাজিক দায়বদ্ধতাৰ এটা ভাগক

সূচায়। সেয়েহে বলিদানৰ অনুষ্ঠান পালন কৰাটো এজন ব্যক্তিৰ নৈতিক কর্তব্য পালনৰ এক অবিভক্ত অঙ্গ হৈ পৰে। ক্রমান্বয়ে, এজন ব্যক্তিৰ কর্মৰ গণনা স্বতঃস্ফূর্তভাৱে মানৰ কার্যৰ প্রতিটো অভিপ্রায়ৰ লগত জড়িত হৈ পৰে আৰু সিহঁতৰ ফলাফলৰ সৈতেও একাত্ম হয়।

ভাগৱদ্‌গীতাত উল্লেখ আছে— "আত্ম-নিয়ন্ত্রিত ব্যক্তিজনে অভিপ্রায়ৰ মাজেৰে গতি কৰে তেওঁৰ আসক্তি আৰু হিংসাৰ পৰা মুক্ত ইন্দ্রিয়ৰ সৈতে আৰু এইবিলাকৰ দমন কৰি শান্ত অৱস্থাত উপনীত হয়।

গতিকে তোমালোকে জানি সুখী হ'বা যে কর্ম মতবাদৰ লগত নিউটনৰ গতিসূত্রৰ সাদৃশ্য আছে। নিউটনৰ গতিসূত্রত উল্লেখ আছে যে, "প্রত্যেক কার্যৰে সমান আৰু বিপৰীতমুখী প্রতিক্রিয়া আছে।" ই যুক্তিযুক্তভাৱে বিচাৰ কৰে যে যেতিয়া আমি কোনো কর্ম কৰোঁ মানসিক বা শাৰীৰিকভাৱে আমি তেতিয়া কার্যৰ এক কাৰণ সৃষ্টি কৰো আৰু শেষত এই কাৰণে কার্যৰ ফল ভোগ কৰে। এই কার্যকাৰণৰ চক্র আৰু ইয়াৰ ফল ভোগে সংসাৰৰ ধাৰণা আৰু জন্ম আৰু মৃত্যুৰ নীতিক পথ প্রদর্শন কৰে। সেয়েহে হিন্দুধর্মই পৃষ্ঠপোষকতা কৰে যে বর্তমানৰ কর্মই ব্যক্তিৰ ভৱিষ্যত জীৱনক প্রভাৱিত কৰে আৰু একেদৰে ভৱিষ্যত জীৱনৰ প্রকৃতি আৰু গুণে ব্যক্তিৰ সংসাৰৰ ওপৰত প্রভাৱ পেলায়।

১০.৬ হিন্দুধর্মত ঈশ্বৰ আৰু মানুহৰ ধাৰণা

হিন্দুধর্মই "ঈশ্বৰ অস্তিত্বশীল" এই নীতিক বিশ্বাস কৰে। চৰম সত্তাৰ অস্তিত্বত বিশ্বাস সকলোবোৰ উপনিষদৰে অৱশ্যাম্ভাৱী আৰু বিস্তাৰিত বিশ্লেষণ। ঈশ্বৰৰ অস্তিত্বক আত্ম-প্রমাণ বুলি গ্রহণ কৰা হয়। এইটো জগতৰ প্রায় সকলো ধর্মৰে সাধাৰণ আস্তিক বচন। কিন্তু হিন্দুধর্মত এই সাধাৰণ বচনটোৱেই আধ্যাত্মিকতাবাদৰ মূল আৰু দৃঢ়ভাৱে ই একমাত্র আস্তিকতাবাদতকৈ উচ্চ। হিন্দুধর্ম, যি আগেয়ে উল্লেখ কৰা ধৰণে ধর্মতকৈ বেছি দর্শন। যেতিয়া "ঈশ্বৰ অস্তিত্বশীল" এই নীতিক বিস্তাৰিতভাৱে বিশ্লেষণ কৰে তেতিয়া ই প্রকৃতিৰ সকলো বুজিব নোৱাৰা আৰু সন্দেহ নথকা ৰহস্যক বাধা দিয়ে। তোমালোকে সদায় মনত ৰখা উচিত যে প্রথম আৰু প্রধান স্বতঃসিদ্ধ হিচাপে ঈশ্বৰৰ অস্তিত্বই হিন্দুধর্মক বৌদ্ধধর্ম আৰু জৈনধর্মৰ পৰা পৃথক কৰিছে। হিন্দুধর্মৰ অবৈদিক বা নাস্তিক সম্প্রদায় হিচাপে বৌদ্ধধর্ম আৰু জৈনধর্মই প্রধান কাৰণ হিচাপে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰাটো বিচাৰি পোৱা নাযায়। হিন্দুধর্মই স্বীকাৰ কৰে যে প্রথম কাৰণ যিটো সার্বজনীন আত্মা অর্থাৎ চৰম সত্তা সি অস্তিত্বৰ প্রতিটো আকাৰৰ জৰিয়তে প্রকাশ পায়। এইটো আধ্যাত্মিকতাবাদৰ হেঁচা যে হিন্দুধর্মই একেশ্বৰবাদী দর্শনৰ উদগনি জনাওঁতে দৃষ্টি প্রকাশ কৰে।

গতিকে ঈশ্বৰৰ ধাৰণাটো বিস্তাৰিত আৰু অতিন্দ্রীয়। মাজে-মাজে সমালোচকসকলৰ মাজত বিতর্ক হয় যে হিন্দুসকলে ব্যক্তিগত নে ব্যক্তিত্বশূন্য ঈশ্বৰক বিশ্বাস কৰে, হিন্দুধর্মই একেশ্বৰবাদ নে বহুঈশ্বৰবাদ নে নাস্তিকতাবাদত বিশ্বাস কৰে কিন্তু হিন্দু ধর্মশাস্ত্রবিলাকৰ চৰম চৈতন্য শক্তিৰ অস্তিত্ব সম্পর্কে তাত কোনো বেমেজালি বা তর্ক-বিতর্কৰ স্থান নাই। এই 'শক্তি'

বা 'আত্মাক' ব্রহ্ম বুলি কোৱা হয়। এই সজীৱ আধ্যাত্মিক পৰম চৈতন্য হৈছে নিত্য, এক বা অদ্বিতীয়, নিশ্চিত আৰু একমাত্র স্বাধীন সত্তা।" হিন্দুধর্মই ঈশ্বৰবাদ সমর্থন কৰে কাৰণ ই সমর্থন কৰে যে ভগবান অস্তিত্বশীল। হিন্দুধর্মৰ এই একেশ্বৰবাদী দৃষ্টিভংগীয়ে ব্যক্ত কৰে যে ব্রহ্ম সমগ্র সৃষ্টিৰ মাজেৰে অনন্তকাললৈ সর্বব্যাপী হৈ থাকে।

গতিকে হিন্দুধর্মই প্রকৃতিৰ বিশ্বৰ অসীম জগতৰ পৰিচালকৰ এক অবিচ্ছেদ্য অঙ্গ হিচাপে গঠন কৰে। ইয়াত বিশ্বৰ প্রথম কাৰক অর্থাৎ ঈশ্বৰক প্রকৃতিৰ প্রধান ফলাফলৰূপে সীমাবদ্ধ কৰে। ঈশ্বৰবাদৰ এইটো প্রধান বিশেষত্ব। গতিকে প্রকৃতি অন্ধ নহয় বা প্রকৃতি এই সংসাৰৰ প্রথম কাৰণ নহয়। ভৱিষ্যত বক্তাসকলে এই প্রশ্নটো দৃঢ়ভাৱে বিবেচনা কৰিছে যে "সকলো প্রাকৃতিক অস্তিত্বৰ উৎস কি?" আৰু ন্যায়সঙ্গতভাৱে ধ্যানৰ মাধ্যমেৰে এক নেদেখা আৰু নজনা প্রতিনিধি যি প্রধান কাৰণৰ বাহিৰে একো নহয়। এই প্রথম বা প্রধান কাৰণ হিচাপে হিন্দুধর্মত ঈশ্বৰক মুদ্রিত কৰা হয়। সেইকাৰণে ঈশ্বৰক সংসাৰৰ সৃষ্টিকর্তা, পালনকর্তা আৰু অৱশেষত সংহাৰকর্তা হিচাপে অভিহিত কৰা হয়।

গতিকে মুণ্ডক উপনিষদত (1.1.3) উল্লেখ কৰিছে যে "যেতিয়া সকলো জনা যায়, তেতিয়াও অলপ বাকী থাকে আৰু ইয়াৰ পৰা সন্দেহ উৎপন্ন হয়—

"কি বস্তু, অ' মহাশয়, যিটো জনাৰদ্বাৰা আমি সকলোবোৰ জানিব পাৰোঁ যে সেয়া জানিবলগীয়া?"

পুনৰ এই প্রশ্নটোৰ উত্তৰ চাণ্ডোগ্য উপনিষদত (VI.1.3) উল্লেখ আছে যে—

"সেই জ্ঞান— পৰমসত্তাৰ জ্ঞান—

যাৰ মাধ্যমত নুশুনিখিনিও শুনালৈ পৰিবর্তন হয়—

যিবিলাক চিন্তা কৰা নাযায় সেইবিলাক বুজি পোৱা যায়,

যিবিলাক নজনা সেইবিলাক জনালৈ ৰূপান্তৰ হয়।"

এইখিনিতে সংযোগ কৰিব পাৰি যে হিন্দুধর্মই সাধাৰণতে দেৱতাৰ সর্বব্যাপী আকাৰক তিনিটা ৰূপত স্বীকাৰ কৰে। তেওঁলোক হ'ল ক্রমে ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰ বা শিৱ। এওঁলোকে ক্রমান্বয়ে সৃষ্টিকর্তা, পালনকর্তা আৰু সংহাৰকর্তা ঈশ্বৰক প্রতিনিধিত্ব কৰে। ইয়ে হিন্দুধর্মৰ ত্রিমূর্তিৰ ধাৰণা। এই ত্রিমূর্তিৰ ধাৰণাই হৈছে ব্যক্তিত্বশূন্য পৰম চৈতন্য বা পৰম সত্তাৰ প্রতীকাত্মক প্রকাশ। গতিকে ঈশ্বৰে কেৱলমাত্র সেই শক্তিকহে প্রতিনিধিত্ব কৰে যি সদা পৰিবর্তনশীল, বিনাশযুক্ত এক জগতক চলাই আছে। ঈশ্বৰে প্রকৃতিৰ স্বামীক প্রতিনিধিত্ব কৰে আৰু সেয়েহে তেওঁ প্রকৃতিৰ সকলোবোৰ শক্তিক নিয়ন্ত্রণ কৰে। এনেদৰে হিন্দুধর্মই এই সিদ্ধান্তত উপনীত হৈছে যে প্রকৃতিৰ নিজস্ব কোনো সৃষ্টি শক্তি নাই আৰু সেয়েহে সৃজনি শক্তিক পবিত্র চৈতন্য শক্তিৰ ওপৰত ন্যস্ত কৰা হৈছে আৰু তেওঁকেই ব্রহ্ম বুলি কোৱা হয়। এই কথাই আমাক হার্বার্ট স্পেনছাৰলৈ মনত পেলাই দিয়ে যিজনে সিদ্ধান্ত কৰিছিল যে "যি শক্তিয়ে জগতৰ মাধ্যমেৰে নিজকে প্রকাশ কৰে সি এক চৈতন্য শক্তি।" গতিকে ব্যক্তিত্বশূন্য চৈতন্য সত্তাৰ অস্তিত্বক দিশৰপৰা ভৱিষ্যত

বক্তাসকলে এইজনক ব্রহ্ম বুলি কয়। আনহাতে, ব্যক্তিগত চৈতন্যসত্তাৰ অস্তিত্বৰ দিশৰপৰা এজন ঈশ্বৰ বিশ্বাসী ব্যক্তিয়ে এওঁক পৰম ঈশ্বৰ বুলি অভিহিত কৰে। এই কাৰণে, সার্বভৌম সত্তা (ব্রহ্ম) ব্যক্তিত্বশূন্য আৰু ব্যক্তিগত দুয়োটাই। ব্যক্তিত্বশূন্য ব্রহ্মই ব্যক্তিগত ঈশ্বৰৰ ভূমিকা পালন কৰে সৃষ্টিকর্তা, পালনকর্তা আৰু সংহাৰকর্তা— এই উদ্দেশ্য পূৰণৰ অর্থে। গতিকে হিন্দুধর্মত বহুঈশ্বৰবাদ ন্যায়শাস্ত্রসন্মতভাৱে একেশ্বৰবাদত বিলীণ হৈ যায়। তোমালোকে মাত্র মনত ৰখা উচিত যে ব্যক্তিত্বশূন্য ব্রহ্ম আৰু ব্যক্তিগত ঈশ্বৰ পৃথক সত্তা নহয়। নিৰাকাৰ ব্রহ্মই সর্বশক্তিমান সৃষ্টিকর্তাৰ মাজেৰে প্রকাশ পায় তথাপিও ব্রহ্মই পূর্ণৰূপত আগৰদৰেই বর্তি থাকে। এই সম্পর্কত Nossএ কৈছে ব্রহ্ম, আত্মা, ব্যক্তিত্বশূন্য চৰম সত্তাই এক ধর্মীয় বিশেষত্বমূলক তিনিসিদ্ধ বা ত্রিমূর্তি অর্থাৎ তিনিজন ব্যক্তিগত দেৱতা যি ক্রমান্বয়ে সৃষ্টি, পালন আৰু ধ্বংস— এই তিনিটা পবিত্র কর্ম সম্পাদন কৰে তেওঁলোকৰ মাজেৰে প্রকাশ পায়।

আপোনালোকৰ বহুতৰে আশ্চর্যপূর্ণ প্রশ্ন এটাৰ সৃষ্টি হয় যে হিন্দুসকলে কাক পূজা কৰে? পুনৰ এটা সাধাৰণ বোধগম্যতা আছে যে হিন্দুধর্মত ৩৩ কোটি দেৱ-দেৱীক পূজা কৰা হয়। এই সাধাৰণ বোধগম্যতাৰ সহজ উত্তৰ হ'ল এনেধৰণৰ "হিন্দুসকলে বহুধৰণৰ দেৱতাক পূজা কৰে, তথাপি বিশ্বাস কৰে যে ঈশ্বৰ এজন, "বৈদিক উপাসনাৰ পৰাই হিন্দুসকলে বিভিন্ন দেৱী-দেৱতাক পূজা কৰি আহিছে। সেই দেৱতাসকল প্রকৃতিৰ ব্যক্তিত্বযুক্ত। প্রাকৃতিক ঘটনাবিলাকক দেৱী-দেৱতাসকলৰ মাধ্যমেৰে প্রতিনিধিত্ব কৰা হৈছিল। এই প্রাকৃতিক ঘটনাবিলাকক প্রতিনিধিত্ব কৰা অতি জনপ্রিয় দেৱতাসকল হ'ল— ইন্দ্র, মিত্র, বৰুণ, অগ্নি ইত্যাদি। একে সময়তে বৈদিক যুগৰ ভৱিষ্যতবক্তাসকলে উপলব্ধি কৰিছিল যে বিভিন্ন ধৰণৰ দেৱী-দেৱতাসকল হৈছে সার্বভৌম পৰমসত্তাৰ প্রকাশ। সেইকাৰণে বেদে সিদ্ধান্ত কৰিছে যে এক পৰম সত্তাক বিভিন্ন নামেৰে অভিহিত কৰা হয় (একম্ সদবিপ্র বহুধা বদন্তি)। মেক্সমূলাৰে নিৰীক্ষণ কৰিছিল যে বৈদিক সংস্কৃতিক বহুঈশ্বৰবাদী ভাৱধাৰাই ঈশ্বৰবাদৰ মাজেৰে প্রবাহিত হৈ একেশ্বৰবাদী লক্ষণক প্রতীকাত্মক ৰূপ প্রদান কৰিছিল।

হিন্দুসকলৰ হৃদয়ত ঈশ্বৰে অন্তর্যামীৰূপে অৱস্থান কৰে। ঈশ্বৰ হৈছে ৰহস্যবাদী ভাৱধাৰাৰ আধ্যাত্মিক শক্তি। ঈশ্বৰেই সকলো পবিত্র মূল্যবোধৰ সাৰাংশ। গতিকে ঈশ্বৰ সর্বজ্ঞ, সর্বশক্তিমান আৰু সর্বব্যাপী। ঈশ্বৰ পবিত্র, ঈশ্বৰ জ্ঞানী, ঈস্বৰ পৰমানন্দ। ঈশ্বৰ চিৎ বা চৈতন্য আৰু অচিৎ বা অবচেতন দুয়োটা অৱস্থাতে থাকে। সেয়েহে ভাগৱদগীতাত ঈশ্বৰক পুৰুষোত্তম বুলি অভিহিত কৰিছে। হিন্দুধর্মৰ অতি গুৰুত্বপূর্ণ অংশ "ঈশ্বৰক পাবলৈ হ'লে তুমি নিশ্চতৰূপে ঈশ্বৰৰ নিচিনা হ'ব লাগিব" —এই কীর্তিত বান্ধ খাই আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ হিন্দুধর্মৰ মূল প্রকৃতি বা অবিচ্ছেদ্য অঙ্গ কি?

.....

.....

.....

.....

প্রশ্ন নং ১১ ঃ কিয় হিন্দুধর্মই ব্যক্তিত্বশূন্য ঈশ্বৰৰ প্রতিনিধি হিচাপে ত্রিমূর্তিৰ ধাৰণাক স্বীকাৰ কৰিছে?

.....

.....

.....

.....

প্রশ্ন নং ১২ ঃ খালী ঠাই পূৰ কৰা ঃ

(a) হিন্দুধর্মত দেৱতাসকলক _____ ঘটনাবিলাকৰ ক্রম বুলি অভিহিত কৰা হয়।

(b) ঈশ্বৰে হিন্দুসকলৰ হৃদয়ত বাস কৰে _____।

১০.৭ হিন্দুধর্ম আৰু মোক্ষৰ ধাৰণা

হিন্দুধর্মই বিশ্বাস কৰে যে এজন ব্যক্তিৰ দেহ বা শৰীৰৰ মৃত্যুৱে জীৱনৰ শেষ হোৱাটো নুবুজায়। মৃত্যুৰ পিছত মানুহৰ অমৰ আত্মাই আগৰ শৰীৰটো পৰিত্যাগ কৰি এটা নতুন দেহত প্রৱেশ কৰে। ই হ'ল হিন্দুধর্মৰ পুনৰজন্মৰ ধাৰণা। আত্মাই অতীত জীৱনৰ ক্রম অনুসৰি পুনর্জন্ম ল'বলৈ বাধ্য। ভাগৱদ্গীতাত এই সম্পর্কত কৈছে— "যেনেকৈ মানুহে পুৰণি কাপোৰ সলনি কৰি নতুন কাপোৰ পিন্ধে ঠিক সেইদৰে আত্মাই পুৰণি দেহ ত্যাগ কৰি নতুন দেহ ধাৰণ কৰে।" তোমালোকৰ হয়তো মনত আছে যে পুৰনজন্ম মতবাদটো কর্মবাদৰ লগত প্রধানকৈ জড়িত। হিন্দুধর্মৰ কর্ম মতবাদে মোক্ষত উপনীত হোৱাৰ বাবে এক প্রাথমিক ঘটনাৰ উদ্রেক কৰে আৰু ইয়ে হিন্দুধর্মৰ মতে মানুহৰ জীৱনৰ পৰম লক্ষ্য। মোক্ষ হ'ল সেই প্রধান নীতি যি পৰমলক্ষ্যত উপনীত হোৱাৰ বাবে মানুহৰ জীৱনক এটা পথ বা উপায় হিচাপে অভিহিত কৰে। অর্থাৎ মোক্ষ হ'ল মানৰ জীৱনৰ পৰম লক্ষ্য আৰু কর্মবাদ হ'ল উপায় বা পথ কাৰণ জীৱই মোক্ষ লাভ কৰা প্রক্রিয়াটো আমাৰ কর্মৰ ওপৰত নির্ভৰ কৰে। ই মানুহৰ কর্মৰ লগত অ-সংযুক্ত যি আত্মাৰ পৰিবর্তনৰ

প্ৰক্ৰিয়াৰ পৰা অৰ্থাৎ জন্ম আৰু মৃত্যুৰ অবিৰত প্ৰক্ৰিয়াৰ পৰা মোক্ষক স্বীকাৰ কৰে।

ইতিমধ্যে আপোনালোকে জানিব পাৰিলে যে ই মানুহৰ কৰ্মৰ গণনাৰ লগত জড়িত যি মানৱ জীৱনত দুঃখৰ সূচনা কৰে। 'মোক্ষ' অৰ্থাৎ জন্ম আৰু মৃত্যুৰ চক্ৰৰপৰা মুক্তিয়ে 'বন্ধনৰপৰা মুক্ত হোৱা, বা মুক্ত হোৱা' বুজায়। হিন্দুসকলৰ বিশ্বাস অনুসৰি কোৱা হৈছে যে জীৱই ইয়াৰ মুক্ত অৱস্থাত পৰমসত্তাৰ অৱস্থা প্ৰকাশ কৰে অৰ্থাৎ 'মই প্ৰকৃতৃতে ব্ৰহ্ম' বুলি প্ৰকাশ কৰে আৰু এনেকৈয়ে জীৱই চৈতন্যভাৱে জ্ঞান, বিশুদ্ধতা, কৈৱল্য, নিৰ্বাণ আৰু সহিষ্ণুতা আদি পবিত্ৰ গুণবোৰ উপলব্ধি কৰিব পৰা শুদ্ধ আত্মাৰ এই চৈতন্যতাই জীৱৰ পুনঃপুনঃ জন্ম-মৃত্যুৰ চক্ৰ আৰু পুনৰজন্ম চক্ৰৰ ওৰ পেলায়। সেয়েহে 'যোগীসকলে' মোক্ষক 'মুক্তি' বুলি অভিহিত কৰিছে। তোমালোকে মন কৰিবা যে 'যোগ' শব্দৰ শাব্দিক অৰ্থ হ'ল 'একতা' অৰ্থাৎ ব্যক্তিআত্মাৰ সাৰ্বজনীন আত্মা বা পৰমাত্মাৰ লগত আধ্যাত্মিক মিলন বা একতা আৰু বেদান্তত এই অৰ্থতে ব্যৱহাৰ কৰা হৈছে। 'যোগ'ক পুনৰ 'চিত্ত'ৰ (chitta) বিকাৰৰ সংশোধনৰ সমাপ্তি বুলিও কোৱা হয়। গতিকে মোক্ষ বা মুক্তিৰ দশাত বা অৱস্থাত চিত্ত সকলো প্ৰকাৰৰ মানসিক বিকাৰৰ পৰা মুক্ত হোৱা বুলি ক'ব পাৰি। এনেকৈ যোগ 'ৰাজযোগ' হিচাপে লোকপ্ৰিয় হৈ পৰে। সাধাৰণতে কোৱা হয় যে জীৱ সংসাৰৰ স্বাভাৱিক নীতিৰ পৰিমণ্ডলৰ লগত জড়িত হৈ থাকে আৰু ফলস্বৰূপে চিত্তৰ বিকাৰসমূহক স্বীকাৰ কৰে আৰু পৰিণতিত ব্যক্তিবিশেষৰ জীৱনত বিভিন্ন ধৰণৰ দুঃখৰ উদ্ভৱ হয়। 'ভাৱ-চক্ৰ' অৰ্থাৎ জন্ম-মৃত্যু চক্ৰৰ প্ৰক্ৰিয়াত ব্যক্তিগত জীৱ নিজেই বন্ধনৰ বিষয় হৈ পৰে। আনহাতে যেতিয়া তাত কোনো জীৱক জন্ম-মৃত্যুৰ চক্ৰৰপৰা মুক্ত কৰাৰ আভ্যন্তৰীণ চেতনা জাগ্ৰত হয় তেতিয়া সকলো মানসিক বিকাৰক নিবাৰণ কৰা হয়। এই অৱস্থাত ব্যক্তিজনে চিত্তৰ বিশুদ্ধ চৈতন্যক উপলব্ধি কৰে আৰু ইয়ে এজন যোগীৰ জীৱন।

ভাগবদ্ গীতাৰ মতে এই আধ্যাত্মিক একাত্মতা বিভিন্ন প্ৰক্ৰিয়াৰদ্বাৰা সম্ভৱ হয়। সেইবোৰ হ'ল শুদ্ধ জ্ঞান প্ৰক্ৰিয়া (জ্ঞান) বা ভক্তি (ভক্তি) বা শুদ্ধ কৰ্ম (নিষ্কাম-কৰ্ম) বা ৰাজযোগৰদ্বাৰা। হিন্দুসকলৰ মতে বিশ্বাস, বিশুদ্ধতা, আত্ম-নিয়ন্ত্ৰণ, সত্যতা, অহিংসা, সহিষ্ণুতা আৰু সকলো জীৱৰ প্ৰতি দয়া আদি আধ্যাত্মিক জীৱনৰ প্ৰধান মাৰ্গ দৰ্শক। গতিকে এইটো স্বীকাৰ কৰা হয় যে আত্মউপলব্ধি হ'ল জীৱৰ মোক্ষ বা মুক্তি লাভৰ উপযুক্ত পথ বা মূল ছাবি-কাঠি।

হিন্দুদৰ্শনত মোক্ষ লাভৰ বাবে এই চাৰিপ্ৰকাৰৰ আধ্যাত্মিক কাৰ্যৰ লগতে চাৰিপ্ৰকাৰৰ পুৰুষাৰ্থবো উল্লেখ আছে। হিন্দুধৰ্মত এই বিষয়বোৰৰ লগত সম্বন্ধিত নীতিশাস্ত্ৰ আৰু নৈতিকতাৰ আমি বিভিন্ন উৎস পাওঁ যেনে— দাৰ্শনিক গ্ৰন্থসমূহ, পুৰাণ, দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰত লগতে ধৰ্মশাস্ত্ৰসমূহ। চাৰিপ্ৰকাৰৰ পুৰুষাৰ্থ যি মানৱ জীৱনৰ চৰম লক্ষ্যৰ উপাদান আচলতে ভাৰতীয় সংস্কৃতিৰ সামাজিক প্ৰক্ৰিয়াৰ পৰা অহা। হিন্দুধৰ্মই ভাৰতীয় সমাজ-সভ্যতাক এটা নিৰ্দিষ্ট মূল্যবোধৰ প্ৰক্ৰিয়াৰদ্বাৰা গঢ় দিছে কোনো ব্যক্তিবিশেষৰ জীৱনৰ সম্পূৰ্ণ পৰিবৰ্তনক পৰিস্কৃত কৰাৰ উদ্দেশ্যেৰে। এইদৰে আমি চাৰিপ্ৰকাৰৰ পুৰুষাৰ্থ পাওঁ, যেনে— সুখলাভৰ আশা (কাম), ধন (অৰ্থ), গুণ (ধৰ্ম) আৰু মোক্ষ (মোক্ষ), সুখ লাভৰ আশাই কৰ্মক উৎসাহ যোগায়।

ব্যৱহাৰিক দিশৰপৰা কোনো নৈতিক আদর্শ যি ব্যক্তিগত কর্মৰ ভাল বা বেয়া ব্যাখ্যা কৰে কেতিয়াও ই সাংসাৰিক প্রয়োজনীয়তা আৰু সুখৰ মহত্বক গুৰুত্ব নিদিয়ে। নিশ্চিতভাৱে সাংসাৰিক আকাংক্ষাবিলাকৰ পূৰণৰ প্রয়োজনীয়তাৰ প্রসঙ্গত তথা সুখৰ অনুভূতিৰ বাবে এই সঠিক নিয়ম বা উপায়ৰ প্রয়োজন। দ্বিতীয় পুৰুষার্থ হ'ল ধন বা অর্থ। সমাজত উন্নতি কৰিবলৈ হ'লে ধনৰ অতি প্রয়োজন। ধন-সম্পত্তিয়ে সামাজিক দৃষ্টিভংগী 'লোকসংগ্রহ' বা 'জগত কল্যাণ'ৰ ক্ষেত্রত মানৱ চিন্তাধাৰাৰ সদ্‌গুণক স্বীকাৰ কৰে। অর্থ বা ধনক পুনৰ ব্যক্তিবিশেষৰ জীৱনৰ দক্ষতাৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰি। এজন ব্যক্তিয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ দক্ষতাৰ মাধ্যমেৰে সামাজিক কল্যাণৰ বাবে কর্ম কৰিব পাৰে। এজন দক্ষ ব্যক্তি আকাংক্ষিত কর্ম সম্পাদনত নৈতিক হ'ব পাৰে, কাৰণ অর্থ বা দক্ষতাই এজন ব্যক্তিৰ জীৱনত বিশ্বাস প্রদান কৰে। তৃতীয় পুৰুষার্থটো হ'ল গুণ যি ধর্ম বা নৈতিকতাৰ মানদণ্ডক বুজায়, গুণ বা ধর্মই সামাজিক জীৱনৰ নিয়ন্ত্রণ কৰে। হিন্দুধর্মত এহাতে সুখ বা আনন্দক সম্পত্তিতকৈ অধিক ওপৰত আৰু অন্যহাতে গুণক আনন্দ বা ধনতকৈ অধিক ওপৰত বুলি অভিহিত কৰা হয়। গুণ বা ধর্ম নিজেই এক পুৰুষার্থ কাৰণ হিন্দুধর্মই এই দর্শনক সমর্থন কৰে যে প্রত্যেক জীৱই ব্রহ্মৰ প্রকাশিত ৰূপ। আত্মাৰ পবিত্রতাই স্বীকাৰ কৰে যে নৈতিকতা নিজে নিজেই এক পুৰুষার্থ আৰু সেয়েহে পুৰুষার্থসমূহ সাংসাৰিক জীৱনতে এটা আশীর্বাদপুষ্ট জীৱন লাভৰ উপায় হৈ পৰে। হিন্দুধর্মত আমি দেখা পাওঁ যে সদ্‌গুণ বা নৈতিক মানদণ্ড হ'ল ব্যক্তিবিশেষৰ বিবেকৰ এক মূল্য। সদ্‌গুণ বা ব্রহ্মাই বিবকেৰ আভ্যন্তৰিণ মূল্যবোধক ভাবি চায়। ভাগৱদ গীতাত তোমালোকে বিচাৰি পাবা যে ই হ'ল 'উচিত বা আৱশ্যক'ৰ এটা প্রশ্ন যাক 'নৈতিক মানদণ্ডৰ আদর্শ' বুলি গ্রহণ কৰা হয়। নৈতিক মানদণ্ড পালন কৰিবলৈ হ'লে কি উচিত বা কি আৱশ্যক? এই প্রশ্নটোৰ উত্তৰ হ'ল মই 'লোকসংগ্রহ' বা 'জগতৰ কল্যাণ'ৰ অনুসন্ধানমূলক কৰণীয় যিবোৰ তাকে কৰিব লাগিব। তোমালোকে মনত ৰখা উচিত যে 'লোকসংগ্রহ' বা 'জগতকল্যাণে' কেতিয়াও উপযোগিতাবাদ অর্থাৎ বৃহৎ সংখ্যকৰ বাবে বৃহত্তৰ সুখক সমর্থন কৰে কাৰণ হিন্দুধর্মত গুণ বা নৈতিক বিষয়বিলাক ধর্মৰ লগত সম্বন্ধিত। আমি জানো যে সুখবাদত উপযোগিতাবাদে সুখক নৈতিক মানদণ্ডৰ এক লক্ষ্য হিচাপে স্বীকাৰ কৰে। কিন্তু হিন্দুধর্মত 'লোকসংগ্রহ' বা 'জগতকল্যাণ' মানৱ সুখতকৈ উচ্চ স্থান দিয়া হয় কিয়নো ই ধর্মক এনে এক গুণ বুলি স্বীকাৰ কৰে যি মানুহৰ সামাজিক অস্তিত্বক বান্ধি ৰাখে। ধর্ম বা গুণে মানৱ জীৱনত স্বর্গীয় সুখ বা তৃপ্তিক প্রবৃত্ত কৰে। গতিকে শেষৰ দশাটো হ'ল মোক্ষ বা মুক্তি। ই হ'ল উদ্ধাৰ বা ৰক্ষাকৰণ। উদ্ধাৰ বা মুক্তি হ'ল শাৰীৰিক বন্ধনৰ পৰা মুক্ত। শাৰীৰিক বন্ধনে দুঃখৰ উদ্রেক কৰে কাৰণ মনৰ এই অৱস্থাত ব্যক্তিজনে নিজৰ ব্যক্তিগত স্থায়ী মনোৰঞ্জনৰ ইচ্ছা কৰে। মোক্ষ অৱস্থাত ব্যক্তিবিশেষে জনকল্যাণ বা লোকসংগ্রহৰ উদ্দেশ্যেৰে সকলো কর্ম কৰে আৰু এনেদৰে 'অস্তিত্ব-সত্তা'ৰ স্বর্গীয় সুখত উপনীত হয় বা উপলব্ধি কৰে। এনেকৈ হিন্দুধর্মই মত পোষণ কৰে যে মোক্ষত উপনীত হোৱাই ব্যক্তিবিশেষৰ জীৱনৰ একমাত্র লক্ষ্য বা চৰম অভিপ্রায়। মানুহে আত্মাৰ আধ্যাত্মিক অস্তিত্ব উপলব্ধি কৰে অর্থাৎ মোক্ষ অৱস্থাত 'সৎ-চিৎ-আনন্দ'ৰ উপলব্ধি সম্ভৱ হয় আৰু এইদৰেই জীৱই পৰজন্মৰ বন্ধনৰপৰা মুক্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ ঃ হিন্দু দর্শনৰ চাৰিপ্রকাৰৰ পুৰুষার্থ কি কি?

.....

.....

.....

.....

প্রশ্ন নং ১৪ ঃ কর্মবাদৰ নীতিক হিন্দুধর্মই কেনেকৈ ব্যাখ্যা কৰিছে?

.....

.....

.....

.....

প্রশ্ন নং ১৫ ঃ 'ভাগৱদ্-গীতা'ত 'লোকসংগ্রহ'ৰ অর্থ কি?

.....

.....

.....

.....



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- হিন্দুধর্মৰ সাৰভাগ সন্নিবিষ্ট হৈ থাকে বেদ, উপনিষদ আৰু ধর্মশাস্ত্রসমূহ লগতে দুখন মহাকাব্যৰ পবিত্র স্বভাৱত।
- হিন্দুধর্ম যি পৃথিৱীৰ অতি পৌৰাণিক ধর্মসমূহৰ ভিতৰত এটা পুৰণি ধর্ম যি জ্ঞানৰ অনুসন্ধান কৰি অৱশেষত 'tat tvam asi'–that thou art'—এই বাক্যশাৰীত উপনীত হয় যাৰ অর্থ হ'ল আত্মা অৱশ্যাম্ভাৱীৰূপে ব্রহ্ম।
- ভৌগোলিকভাৱে মনত ৰখা উচিত যে হিন্দুবাদ শব্দটো বৃহৎ নদী 'সিন্ধু'ৰ লগত সম্বন্ধিত।
- এক জীৱন উজ্জ্বলতাৰ দর্শন হিচাপে হিন্দুধর্মই বিশদভাৱে দর্শনৰ বিভিন্ন সম্প্রদায়ৰ

কর্মৰাজিৰ ওপৰত নির্ভৰ কৰে।

- ভাগৱদ্-গীতা বেদান্তৰ পবিত্র 'ব্যাখ্যা' বুলি অভিহিত কৰা হয় কাৰণ ই বেদান্তৰ বিশুদ্ধ সাৰাংশক প্রতিনিধিত্ব কৰে।
- হিন্দুধর্মত আমি বিভিন্ন উৎসবিলাক যেনে— দর্শনশাস্ত্রসমূহ, পুৰাণ, দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰত লগতে ধর্মশাস্ত্রসমূহ বিচাৰি পাওঁ।
- মোক্ষ অর্থাৎ জন্ম-মৃত্যুৰ চক্রৰপৰা মুক্তিয়ে 'বন্ধনৰ পৰা মুক্ত হোৱা' বা 'মুক্ত হোৱা' বুজায়। হিন্দুসকলৰ বিশ্বাস অনুসৰি কোৱা হৈছে যে জীৱই ইয়াৰ মুক্ত অৱস্থাত পৰমসত্তাৰ অৱস্থাক প্রকাশ কৰে আৰু এনেকৈয়ে জীৱই চৈতন্যভাৱে জ্ঞান, বিশুদ্ধতা, কৈৱল্য, নির্বাণ আৰু সহিষ্ণুতা আদি পবিত্র গুণবোৰ উপলব্ধি কৰিব পৰা হয়।
- আত্মাৰ পবিত্রতাই স্বীকাৰ কৰে যে নৈতিকতা নিজেই এক লক্ষ্য আৰু সেই কাৰণে পুৰুষার্থসমূহ সাংসাৰিক জীৱনত স্বর্গীয় সুখ উপলব্ধিৰ উপায় হৈ পৰে।



১০.৯ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধর্ম দর্শন', ভগৱতী প্রকাশন
২) ধর্ম দর্শন— পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়
৩) ড° ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



১০.১০ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'দর্শন' শব্দৰ অর্থ হ'ল 'দৃষ্টি' বা 'চোৱা' অর্থাৎ আত্মদৃষ্টি (see thy self)। ই মহৎ দ্রষ্টাসকলৰ উন্নত আধ্যাত্মিক চেতনশক্তিৰ পবিত্র সত্যক প্রতিনিধিত্ব কৰে। ই কেৱল যথার্থ সত্তাৰ বুদ্ধিগত অনুসন্ধান নহয় বৰং 'Self' বা আত্মাৰ প্রত্যক্ষ দর্শনেই ইয়াৰ প্রধান ভিত্তি।

২ নং প্রশ্নৰ উত্তৰ ঃ হিন্দুধর্মক 'সনাতন ধর্ম' বুলি কোৱা হয় কাৰণ হিন্দুধর্ম কেতিয়াও গঠন কৰা নহয় বৰং মানৱ সভ্যতা-সংস্কৃতিৰ উত্থানৰ লগে-লগে হিন্দুধর্মৰো উত্থান হয়। এই শাশ্বত ধর্মই বিভিন্ন গুণী-জ্ঞানী ব্যক্তি তথা ঋষি-মুনিসকলৰ বিশিষ্ট জ্ঞান বা বিশ্বাসক প্রতিনিধিত্ব কৰে। হিন্দুধর্মক সনাতন ধর্ম বুলি কোৱা হয় কাৰণ ই এনে এক ধর্ম যি সনাতন বা শাশ্বতভাৱে মানুহৰ মাজলৈ আহিছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ (a) হয় (শুদ্ধ), (b) নহয় (অশুদ্ধ)

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** হিন্দুধৰ্মৰ আধ্যাত্মিক জ্ঞান তিনিটা উৎস ক্ৰমে ভৱিষ্যত দ্ৰষ্টাসকল, বেদ আৰু উপনিষদৰ সাম্প্ৰদায়িক কাৰ্যাৱলীৰ পৰা আহৰণ কৰা হৈছে। তদুপৰি সাহিত্যিক উৎস যেনে— দুখন মহাকাব্য আৰু ৰামায়ণ আৰু মহাভাৰতৰ পৰা আহৰণ কৰা হৈছে। ভাগৱদ্‌গীতা আৰু পুৰাণসমূহক হিন্দুধৰ্মৰ প্ৰধান উৎস বুলি গ্ৰহণ কৰা হয়।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** উপনিষদসমূহ হিন্দুধৰ্মৰ অত্যাৱশ্যকীয় মৌলিক উপাদান আৰু প্ৰায়ে উপনিষদক বেদান্ত বুলি জনা যায়। উপনিষদসমূহে হিন্দুধৰ্মৰ ক্ৰমবিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰে কাৰণ আমি পাওঁ যে উপনিষদবোৰে 'সত্যৰ সাৰ্বজনীন নীতি'ৰ অনুসন্ধান আৰু বিশ্লেষণ কৰিছিল। একমাত্ৰ শাশ্বত সত্যৰ অন্বেষণৰ কাৰণে উপনিষদসমূহে বস্তুবাদ আৰু বিজ্ঞানৰ পৰিবৰ্তিত সময়, আক্ৰমণাত্মক দৃষ্টিভংগীৰ অনুমোদন জনায়। সেয়েহে উপনিষদসমূহক হিন্দুদৰ্শনৰ কেন্দ্ৰ বুলি কোৱা হয়।

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** বৌদ্ধধৰ্ম আৰু জৈনধৰ্ম।

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** হিন্দুধৰ্ম ধৰ্মতকৈ বেছি দৰ্শন কাৰণ ইয়াৰ দাৰ্শনিক চিন্তা বা অনুসন্ধান নিহিত হৈ থাকে হিন্দুধৰ্মৰ ঘনিষ্ঠ ধৰ্মীয় চেতনাৰ প্ৰধান পটভূমিত। কিন্তু দৰ্শন আৰু ধৰ্ম দুয়োটাই ইটোৰ সিটোৰ লগত শান্তভাৱে আৰু হিন্দুধৰ্মৰ যুক্তি আৰু বোধগম্যতাৰ পৰিধিৰ ভিতৰত সম্বন্ধযুক্ত, তদুপৰি হিন্দুধৰ্মৰ বিভিন্ন সম্প্ৰদায়বিলাকৰ ধৰ্মশাস্ত্ৰসমূহে শ্ৰুতি, বেদ, উপনিষদ আৰু পুৰাণসমূহৰ কৰ্তৃত্ব মানি লৈছে যিবোৰ হিন্দুধৰ্মৰো উৎস। হ'লেও এই প্ৰয়োজনীয় বিশেষত্বটোত আমি হিন্দুধৰ্মৰ আৰু হিন্দুধৰ্মৰ বিভিন্ন সম্প্ৰদায়ৰ উদাৰতা আৰু স্থিতিস্থাপকতাৰ গুণসমূহ বিচাৰি পাওঁ।

৮ **নং প্ৰশ্নৰ উত্তৰ ঃ** হিন্দুধৰ্মৰ প্ৰধান স্বীকাৰ্য বিষয় হ'ল 'ব্ৰহ্ম সৰ্বব্যাপী'। ইয়াত হিন্দুধৰ্মৰ একেশ্বৰবাদৰ সাৰভাগ নিহিত হৈ আছে। একেশ্বৰবাদ মতবাদটো প্ৰধানকৈ হিন্দুধৰ্মতে আৰু লগতে উপনিষদৰ প্ৰধান শিক্ষাৰদ্বাৰা বিকাশ লাভ কৰিছে। উপনিষদসমূহে আত্মাৰ দেৱত্বক সমৰ্থন কৰিছিল। সসীম আত্মা পূৰ্ণ আত্মাৰেই নিজস্ব প্ৰকাশ। একেশ্বৰবাদে হিন্দুধৰ্মতে প্ৰকাশ লাভ কৰে, কাৰণ হিন্দুধৰ্মত এইটো বিশ্বাস কৰা হয় যে ব্ৰহ্ম প্ৰত্যেক ব্যক্তিগত চেতনাতে বাস কৰে আৰু এই ব্যক্তিগত চেতনা হৈছে আধ্যাত্মিক শক্তি আৰু ব্ৰহ্মৰপৰা ই কেতিয়াও পৃথক নহয়। ইয়াৰপৰা আমি উপনিষদৰ 'অমৃতস্য পুত্ৰ' (সন্তানৰ অমৰত্ব) খণ্ডবাক্যটো বিচাৰি পাওঁ।

৯ **নং প্ৰশ্নৰ উত্তৰ ঃ** যিটো অৱস্থাত জন্ম-মৃত্যুৰ চক্ৰৰপৰা মুক্তি পোৱা যায় সেইয়ে হৈছে মোক্ষ। যেতিয়া ব্যক্তিগত জীৱনে চৰম লক্ষ্যত অৰ্থাৎ মোক্ষ প্ৰাপ্তিৰ কামনা কৰে তেতিয়া

সেই আত্মাটো সংসাৰৰ সমস্ত দোষৰপৰা মুক্ত হয়। মানৱ অস্তিত্বৰ এই অৱস্থাত, অর্থাৎ মোক্ষত, ব্যক্তিগত আত্মাই নিজৰ সীমা বা সসীমত্বক উপলব্ধি কৰে যিবোৰ আত্মাৰ স্বৰ্গীয় স্বৰূপক অবজ্ঞা কৰাৰ বাবে সৃষ্টি হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ হিন্দুধর্মই ঈশ্বৰৰ অস্তিত্বশীলতাত বিশ্বাস কৰে। ঈশ্বৰৰ অস্তিত্বক আত্ম-প্রমাণ বুলি গ্রহণ কৰা হয়। ঈশ্বৰৰ অস্তিত্বশীলতা হৈছে হিন্দুধর্মৰ প্রথম আৰু প্রধান কাৰণ আৰু ই সার্বজনীন আত্মা বা চৰম সত্তা। সকলো অস্তিত্বশীল আকাৰৰ মাজেৰে সার্বজনীন আত্মাই প্রকাশ লাভ কৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ হিন্দুধর্মই সাধাৰণভাৱে দেৱতাৰ সর্বব্যাপী আকাৰক তিনিটা ৰূপত স্বীকাৰ কৰে। তেওঁলোক হ'ল ক্রমে ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰ বা শিৱ। এই তিনিজন ঈশ্বৰে ক্রমান্বয়ে সৃষ্টিকর্তা, পালনকর্তা আৰু সংহাৰকর্তা ঈশ্বৰক প্রতিনিধিত্ব কৰে। ইয়ে হিন্দুধর্মৰ ত্রিনিতি নীতি। এই ত্রিমূর্তিৰ ধাৰণাই হৈছে ব্যক্তিত্বশূন্য পৰম চৈতন্য বা পৰমসত্তাৰ প্রতীকাত্মক প্রকাশ। গতিকে হিন্দুধর্মই ত্রিমূর্তিৰ ধাৰণাক ব্যক্তিত্বশূন্য ঈশ্বৰৰ প্রতীকাত্মক প্রকাশ হিচাপে গ্রহণ কৰে।

১২ নং প্রশ্নৰ উত্তৰ ঃ (a) প্রকৃতি, (b) অন্তর্যামী।

১৩ নং প্রশ্নৰ উত্তৰ ঃ হিন্দুধর্মৰ চাৰিপ্রকাৰৰ পুৰুষার্থ হ'ল— সুখৰ প্রতি আকাংক্ষা (কাম), ধন (অর্থ), গুণ (ধর্ম) আৰু মুক্তি (মোক্ষ)।

১৪ নং প্রশ্নৰ উত্তৰ ঃ হিন্দুধর্মত কার্যকাৰণ নীতি হিন্দুদর্শন আৰু হিন্দুধর্মৰ এক অবিচ্ছেদ্য অঙ্গ। কার্য আৰু কাৰণৰ নীতিক 'কর্ম'ৰূপে মোহৰ মৰা হয়। হিন্দুধর্মৰ পুনৰজন্ম আৰু কর্মবাদ তত্ব দুয়োটাই মুক্তি আৰু অধ্যৱসায় মতবাদ দুটাৰ লগত জড়িত। কর্মবাদে এজন ব্যক্তিৰ জীৱনৰ অভিজ্ঞতা যিবোৰ তেওঁ চিন্তা, কথা আৰু কার্যৰদ্বাৰা কঢ়িয়াই ফুৰে সেই সময়খিনিক উন্নত কৰাৰ আশা আলোকিত কৰে।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ভাগৱদ্-গীতাত 'উচিত' বা 'আৱশ্যক'ৰ এটা প্রশ্ন যাক নৈতিক মানদণ্ডৰ আদর্শ বুলি গ্রহণ কৰা হয়। নৈতিক মানদণ্ড পালন কৰিবলৈ হ'লে কি উচিত বা কি আৱশ্যক? এই প্রশ্নটোৰ উত্তৰ হ'ল 'মই লোকসংগ্রহ' বা 'জগতৰ কল্যাণ'ৰ অনুসন্ধানমূলক কৰণীয় যিবোৰ তাকে কৰিব লাগিব। সেয়েহে ভাগবদ্গীতাই মতপোষণ কৰে যে 'লোকসংগ্রহ' বা 'জগত কল্যাণে' কেতিয়াও উপযোগিতাবাদ অর্থাৎ বৃহৎ সংখ্যকৰ বাবে বৃহত্তৰ সুখক সমর্থন নকৰে কাৰণ হিন্দুধর্মত গুণ বা নৈতিক বিষয়বিলাক ধর্মৰ লগত সম্বন্ধযুক্ত। হিন্দুধর্মত, লোকসংগ্রহ বা জগতকল্যাণে মানৱ সুখতকৈ উচ্চস্থান লাভ কৰে কিয়নো ই ধর্মক এনে এক গুণ বুলি স্বীকাৰ কৰে যি মানুহৰ সামাজিক অস্তিত্বক বান্ধি ৰাখে।



১০.১১ আৰ্হি প্ৰশ্ন

A. বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'Tat tvam asi'-ৰ অৰ্থ কি?

প্ৰশ্ন ২ ঃ যিখন নদীৰ নামেৰে 'হিন্দু' শব্দই প্ৰকাশ লাভ কৰিছিল সেই নদীখনৰ নাম লিখা।

প্ৰশ্ন ৩ ঃ হিন্দুধৰ্মৰ যিকোনো এটা লক্ষণ উল্লেখ কৰা।

প্ৰশ্ন ৪ ঃ হিন্দুধৰ্মৰ সাৰভাগ কি?

প্ৰশ্ন ৫ ঃ 'লোকসংগ্ৰহ'ৰ অৰ্থ কি?

প্ৰশ্ন ৬ ঃ চাৰিপ্ৰকাৰৰ পুৰুষাৰ্থ কি কি?

প্ৰশ্ন ৭ ঃ সৰ্বেশ্বৰবাদ বুলিলে কি বুজা?

প্ৰশ্ন ৮ ঃ'ত্ৰিনিতি' কি?

প্ৰশ্ন ৯ ঃ'একম্ সদ্‌বিপ্ৰ বহুধা বদন্তি'ৰ অৰ্থ লিখা।

প্ৰশ্ন ১০ ঃ 'অন্তৰ্যামী' শব্দৰ অৰ্থ লিখা।

প্ৰশ্ন ১১ ঃ হিন্দুধৰ্মৰ কেইজনমান দেৱতাৰ নাম লিখা।

B. চমু প্ৰশ্ন (১০০—১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ হিন্দুধৰ্মক কিয় সনাতন ধৰ্ম বুলি কোৱা হয় চমুকৈ বৰ্ণনা কৰা।

প্ৰশ্ন ২ ঃ হিন্দুধৰ্মৰ 'মোক্ষ' ধাৰণাটো চমুকৈ লিখা।

প্ৰশ্ন ৩ ঃ হিন্দুধৰ্মৰ কৰ্মবাদ নীতিৰ এক চমুটোকা লিখা।

প্ৰশ্ন ৪ ঃ লোকসংগ্ৰহৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

C. ৰচনাধৰ্মী প্ৰশ্ন (৩০০—৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ হিন্দুধৰ্মৰ লক্ষণসমূহ আলোচনা কৰা।

প্ৰশ্ন ২ ঃ হিন্দুধৰ্ম 'ধৰ্মতকৈ বেছি দৰ্শন' কথাষাৰ কেনেকৈ প্ৰতিপন্ন কৰিবা?

প্ৰশ্ন ৩ ঃ কৰ্মবাদ নীতিক হিন্দুধৰ্মই কেনেকৈ ব্যাখ্যা কৰিছে?

প্ৰশ্ন ৪ ঃ হিন্দুধৰ্মই পুৰনজন্মৰ ধাৰণাটো কেনেদৰে ব্যাখ্যা কৰিছে?

প্ৰশ্ন ৫ ঃ হিন্দুধৰ্মৰ মোক্ষৰ ধাৰণাটো আলোচনা কৰা।

*** ***** ***

অধ্যায় ১১ ঃ অমঙ্গলৰ সমস্যা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অমঙ্গল কি?
১১.৪ মূল সমস্যা
১১.৫ অমঙ্গলৰ অস্তিত্ব
১১.৬ অমঙ্গল সম্পৰ্কীয় বিভিন্ন মতবাদ
১১.৭ অমঙ্গল আৰু যন্ত্রণা কিয় অস্তিত্বশীল?
১১.৮ অধ্যায়টিৰ পৰা কি শিকিলোঁ
১১.৯ অধিক জানিবলৈ
১১.১০ অগ্রগতিৰ খতিয়ান
১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি পঢ়ি উঠাৰ পাচত আপুনি ঃ

- অমঙ্গলৰ ধাৰণা ব্যাখ্যা কৰিবলৈ,
- অমঙ্গলৰ অস্তিত্ব সম্পৰ্কে আলোচনা কৰিবলৈ,
- বিভিন্ন দৃষ্টিকোণৰ পাৰ অমঙ্গল সম্পৰ্কে বৰ্ণনা কৰিবলৈ,
- কিয় অমঙ্গল আৰু যন্ত্রণা অস্তিত্বশীল তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ।

১১.২ পৰিচয়

"Both good and evil belong to the relative world, to phenomena"- Swami Vivekananda.

যুগ যুগ ধৰি প্রাচ্য আৰু পাশ্চাত্যৰ ধর্মগুৰু আৰু দার্শনিক সকলে মঙ্গল আৰু অমঙ্গলৰ সমস্যা আলোচনা কৰি আহিছে আৰু বহুতে এই সমস্যাৰ সমাধানো আগবঢ়াইছে। এই দুই বিপৰীতমুখী শক্তি মঙ্গল আৰু অমঙ্গল দুয়োৰে ইটোৱে সিটোৰ লগত যুঁজ দিয়ে। আমি এই বিবাদ জগতৰ সকলোতে অর্থাৎ আমাৰ ভিতৰে বাহিৰে সকলোতে দেখা পাওঁ। এই দুই শক্তি ইমানেই সংমিশ্রিত যে ইহঁতক এটাক আনটোৰ পৰা পৃথক কৰাটো অসম্ভৱ। মানুহৰ জীৱনটো ভাল আৰু বেয়া দুয়োটাৰে সংমিশ্রণ। ভাল আৰু বেয়া দুয়োটাই সহসম্বন্ধিত ঘটনা। সেইকাৰণে ভালৰ ধাৰণাৰ অবিহনে বা অমঙ্গলক জানিব বিচৰাটো এক অসম্ভৱ বিষয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ "Both good and evil belong to the relative world, to Phenomena "- - কোনে কৈছিল ?

.....

.....

.....

.....

১১.৩ অমঙ্গল কি ?

খ্রীষ্টান ধর্মত মঙ্গল আৰু অমঙ্গলৰ বিষয়টো বৰ বিখ্যাত। ঈশ্বৰে মানুহক ভালহিচাবে সৃষ্টি কৰে, কিন্তু তেওঁলোকে শাৰীৰিক কামনাৰ বশৱর্তী হৈ বা মাংসহাৰী হৈ পৰে আৰু তেতিয়া অমঙ্গল তথা পাপৰ ভাগী হৈ পৰে। প্রথম ব্যক্তিৰ আচল পাপ সকলো ব্যক্তিলৈ তথা তেওঁলোকৰ বংশধৰসকললৈ প্রেৰিত হৈ পৰে। এই সকলো বেয়া শক্তি আৰু পাপে চয়তানক প্রতিনিধিত্ব কৰে। গতিকে পৰম্পৰাগত খ্রীষ্টান ধর্মত দুটা সত্তাৰ কর্মসূচী দেখা যায়- ঈশ্বৰ, সকলো মঙ্গলজনক শক্তি, আৰু দানৱ, সকলো অমঙ্গলৰ উৎস।

বেদান্ত দর্শনে ঘোষণা কৰিছে যে ঈশ্বৰ বা পৰমসত্তা অমঙ্গলৰদ্বাৰা প্রভাৱিত নহয় আৰু ই সমন্ধিত মঙ্গলৰ ওপৰত অৱস্থিত যি অমঙ্গলৰ সহসম্বন্ধিত। সম্বন্ধিত মঙ্গল আৰু সম্বন্ধিত অমঙ্গল দুয়োটাৰে এক সাধাৰণ উৎস আছে, সিহঁত একেই জাগতিক শক্তি, বিশ্বজনীন ক্ষমতাৰ দৃশ্যমান বস্তুৰ সমতলৰ দুইপ্রকাৰৰ প্রকাশভঙ্গী।

প্লেটোৰ মতে, বিশুদ্ধতাৰ জগত আৰু অপৰিবর্তনীয় ধাৰণাসমূহেই হৈছে মঙ্গলৰ পৃথিৱী। আনহাতে পৰিবর্তন আৰু বুদ্ধিৰ জগত হ'ল অমঙ্গলযুক্ত।

ছফিষ্টসকলে কৈছে যে, " Man is the measure of himself "- -অর্থাৎ মানুহ নিজেই নিজৰ মাপকাঠি। আৰু সেইকাৰণে মানুহে নিজে মঙ্গল আৰু অমঙ্গলৰ বিধান গঢ় দিব পাৰে, কিন্তু এই মতটো জীৱনত পালন কৰাটো নিঃসন্দেহে অতি বিপদজনক।

লাইবনিজৰ বিচাৰ অনুসৰি অমঙ্গলৰ কাৰণ হৈছে অসমপূর্ণতা যিবোৰ বিশ্বব্রহ্মাণ্ডৰ অসীম উপাদানসমূহৰ গঠনত স্থায়ীভাৱে নিহিত হৈ থাকে।

কোছাংকে কৈছে ঃ "অমঙ্গলত এনেকুৱা একো নাই যাক মঙ্গলে গ্রহণ কৰিব নোৱাৰে আৰু ইয়াৰ সহায়ক হিচাপে ই 'মঙ্গল আৰু গুণ' হিচাপে একেই উৎসৰপৰা উৎপাদিত হয়। ফিলিপ আৰু আলেকজেণ্ডিয়ানৰ মতে, ঈশ্বৰ হ'ল সম্পূর্ণ বিশুদ্ধতা আৰু সকলো মংগলৰ উৎস। প্রকৃতি বা বিষয় হ'ল সকলো অমঙ্গলৰে মূল উৎস।

স্পিনোজাই কৈছে যে অমঙ্গলৰ কাৰণ হ'ল বস্তুবিলাকৰ ওপৰত আমাৰ সংকীৰ্ণ দৃষ্টিভঙ্গী, যিহেতু আমি এক বিশেষ লাভৰ দিশৰপৰা বস্তুবোৰ লক্ষ্য কৰো সেয়েহে অমঙ্গলে দেখা দিয়ে কিন্তু যদি আমি আমাৰ দৃষ্টিভংগী বিস্তাৰ কৰোঁ আৰু সমগ্রতাৰ দৃষ্টিকোণৰ পৰা বা ঈশ্বৰৰ দৃষ্টিকোণৰ পৰা বস্তুবোৰ লক্ষ্য কৰোঁ তেতিয়া এই অমঙ্গল নোহোৱা হৈ যায়।

হেগেলৰ মতে, অমঙ্গল হৈছে কেৱল অযুক্তিকৰ উপাদান যিবোৰ মঙ্গল বা যুক্তিসন্মত হ'ব বিচাৰে কাৰণ যথার্থ যি যুক্তিসম্পন্ন মাধ্যম আৰু দেখা যায় যে অমঙ্গ বা অযুক্তিকতাক যুক্তিসম্পন্ন কৰিব পাৰি। স্পিনোজা আৰু হেগেল দুয়োজনেই ব্যক্তিগতভাৱে অমঙ্গলৰ সত্যতাক অস্বীকাৰ কৰিছে।



জানি থোৱা ভাল

প্লেটোঃ এজন গ্রীক দার্শনিক যিজনে অৱভাস আৰু সত্তাৰ মাজত এক দৃঢ় প্রভেদ দেখুওৱাইছিল। তেওঁ অপৰিবর্তনীয় সত্য হিচাপে গঠনাত্মক মতবাদৰ বিকাশ সাধন কৰিছিল আৰু যুক্তি আগবঢ়াইছিল যে সমাজৰ কেৱল জ্ঞানী সদস্যসকলকহে শাসনৰ ক্ষেত্রত বিশ্বাসযোগ্য।

ছফিষ্টসকল ঃ এওঁলোক আছিল প্রাক-ছক্রেটিক দার্শনিক যিয়ে এথেঞ্চৰ যুৱশক্তিক শিকাইছিল কেনেকৈ যুক্তি আৰু বাকশক্তি ব্যৱহাৰ কৰি যিকোনো বিবাদতে বিপৰীত শক্তিক বা শত্রুপক্ষক হৰুৱাব পাৰি।

গ'টফ্রিড উইলিয়াম লাইৱনিজ (১৬৪৬-১৭১৬) ঃ জার্মান দার্শনিক, গণিতজ্ঞ, আৰু বিসদজ্ঞানী ব্যক্তি। তেওঁৰ ৰচিত কেইখনমান গ্রন্থ হ'ল- Discourse of Metaphysics (1685), Theodicy (1710), Monadology (1713) ইত্যাদি।

বানার্ড বোছাংকে (১৬৪৮-১৭২৩) ঃ বৃটিছ দার্শনিক যি জনে হেগেলৰ তর্কবিজ্ঞানত যথার্থ আদর্শবাদ নাইবা "The Monadology of knowledge" ৰ এক উন্নত বর্ণনাৰ প্রতিৰক্ষা কৰিছিল, তেওঁৰ "History of Aesthetics (1892) অনুসৰি বোছাংকেৰ মতে, সকলোবোৰ প্রতিবাদেই কেৱল দৃশ্যমান আৰু যথার্থৰ অংশ হিচাপে সকলোকে একলগ কৰিব পাৰি, সৌন্দর্য্যৰ বিচাৰৰ সম্ভাৱনীয়তাৰ প্রক্রিয়া হিচাপে।

বেনেডিক্ট ডে স্পিনোজা (১৬৩২-১৬৭৭) ঃ পতুর্গীজ ডাইছ্ জিউছ দার্শনিক যি বিশ্বব্রহ্মাণ্ডৰ এক অসীম দ্রব্য (ঈশ্বৰ বা প্রকৃতি) ৰূপে প্রকাশ কৰিছিল যাৰ প্রয়োজনীয় বিশেষত্বসমূহে তর্কবিজ্ঞানৰ অনিবার্যতাৰ সৈতে গতি কৰে আৰু প্রণালীহিচাপে, সকলো সমীম সত্তাকে অন্তভূর্ক্ত কৰে।

জর্জ উইলিয়াম ফ্রেডেৰিক হেগেল (১৬৩২-১৬৭৭) ঃ জার্মান দার্শনিক যি তর্কবিজ্ঞানৰ এক উপভাষা (প্রবন্ধৰপৰা প্রতিবিসুখতা আৰু তাৰপৰা সংযোগলৈ গতি কৰে। আৰু

ইয়াৰ নিশ্চিত ইতিহাসৰ আনুমানিক বিশ্লেষণক বিয়োগ কৰিছিল, পৰমসত্তাৰ আত্মচেতনাৰ প্রকাশ হিচাপে এক আদর্শবাদৰ সমর্থন কৰিছিল য'ত মানৱ-সংস্কৃতিক এক উপযুক্ত ৰূপত দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া উক্তিবোৰ সত্য নে অসত্য লিখা-

(ক) খ্রীষ্টান ধর্মত কেৱল মঙ্গল ধাৰণাটো বাৰ জনাজাত (সত্য /অসত্য)।

(খ) বেদান্ত দর্শনে সিদ্ধান্ত কৰিছে যে ঈশ্বৰ বা পৰসসত্তা অমঙ্গলৰ দ্বাৰা প্রভাৱিত নহয় আৰু এই পৰমসতা সম্বন্ধিত মঙ্গলৰ ওপৰত স্থিত যি অমঙ্গলৰ সহসম্বন্ধিত (সত্য /অসত্য)।

(গ) প্লেটোৰ মতে, বিশুদ্ধ জগত, অপৰিবর্তনীয় ধাৰণাবোৰেই হ'ল মঙ্গলময় জগত (সত্য /অসত্য)।

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰ কৰা ঃ

(ক) ছফিষ্টসকলে কৈছে যে "মানুহ নিজেই নিজৰ....."

(খ).....ৰ বিচাৰ অনুসৰি অমঙ্গলৰ কাৰণ হৈছে অসম্পূর্ণতা যিবোৰ বিশ্বব্রহ্মাণ্ডৰ সমীম উপাদানসমূহৰ গঠনত স্থায়ীভাৱে নিহিত হৈ থাকে।

প্রশ্ন নং ৪ ঃ বোছাংকেৰ অমঙ্গল সম্পর্কীয় মতামত কি?

.....

.....

.....

.....

প্রশ্ন নং ৫ঃ স্পিনোজাৰ অমঙ্গল সম্পর্কীয় মতামত কি?

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ হেগেলৰ অমঙ্গল সম্পকীয় মতামত কি?

.....

.....

.....

১১.৪ প্ৰাথমিক সমস্যা

ঈশ্বৰকেই এই জগতৰ স্ৰষ্টা বুলি বিশ্বাস কৰা হয়। স্বাভাৱিকতে এটা প্ৰশ্ন উত্থাপিত হয় যে যদিহে এক কৰুণাময় শক্তিয়ে এই জগতখন সৃষ্টি কৰিছিল তেনেহ'লে জগতখনত অমঙ্গল কেনেকৈ অন্তভূৰ্ক্ত হ'বলৈ পালে। যদিহে জগত সৃষ্টিৰ পূৰ্বেই অমঙ্গলৰ অস্তিত্ব আছিল তেনেহ'লে ঈশ্বৰ ইয়াৰ উপস্থিতিত সমীম হৈ পৰিব। যদি ঈশ্বৰ সৰ্বজ্ঞানী আৰু কৰুণাময় তেনেহ'লে সেইজন ঈশ্বৰে কিয় তেওঁৰ সৃষ্টিৰ শাৰীৰিক আৰু মানসিক দুয়ো প্ৰকাৰৰ অমঙ্গলক স্বীকৃতি দিছে? ইয়াৰ কাৰণ এইটো হ'ব পাৰে যে যদিও ঈশ্বৰ সৰ্বমঙ্গলময় আৰু সৰ্বজ্ঞানী তথাপি তেওঁ অমঙ্গলক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত সমীম আৰু হয়তু এইটোও হ'ব পাৰে যে ঈশ্বৰ সৰ্বশক্তিমান, সৰ্বজ্ঞানী আৰু সৰ্বমঙ্গলময় যদিও তেওঁ এই জগতত অমঙ্গল প্ৰতিষ্ঠা কৰিছে কেৱল মানুহক নৈতিক শিক্ষাৰদ্বাৰা ভাল কৰাৰ কাৰণে।

যদিহে ঈশ্বৰ সীমাহীনভাৱে মঙ্গলময় তেনেহ'লে আমি কেনেকৈ যিকোনো ব্যক্তিৰ সকলো গুণ বা পাপ, পীড়া আৰু অমঙ্গল, সকলো পাপ আৰু দুঃখ আৰু যন্ত্ৰণাক ব্যাখ্যা কৰিম। তেওঁ দুষ্টক শাস্তিও দিব নোৱাৰে আৰু গুণীক পুৰস্কাৰো নিদিয়ে। আমাৰ বুদ্ধিবৃদ্ধিক অজ্ঞানতাৰ ডাৱৰে আৱৰি ৰাখিছে আৰু আমি মোহান্ধ হৈ আছো, আমাৰ অসম্পূৰ্ণ বুদ্ধিৰে আমি কল্পনা কৰিছো যে ঈশ্বৰে ভাল আৰু বেয়া, মঙ্গল আৰু অমঙ্গল সৃষ্টি কৰিছে, তেওঁৰ সৃষ্টি মঙ্গল নাইবা অমঙ্গল, তেওঁ শাস্তি বা পুৰস্কাৰ দিয়ে।

এইখিনিতে বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপিত হয়। যেনে- অমঙ্গল সদায় থাকিব নে? মোৰ পাপ মোৰ ৰোগৰ কাৰণ হ'ব পাৰেনে? ঈশ্বৰে বিশ্বাস থকা সকলোকে সবল কৰি তোলে নে? দানৱে মানসিক বিকাৰ গ্ৰস্ততাৰ বাবে অন্য নাম লয় নেকি? এই সকলোবোৰেই গুৰুত্বপূৰ্ণ বিষয় কিন্তু এইবোৰ ইয়াত দেখুওৱা ধৰণৰ নহয়। আমি জানিবলৈ ইচ্ছুক যে অমঙ্গলৰ অস্তিত্বই ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ নোহোৱা কৰিব নে নকৰে নাইবা অমঙ্গলৰ অস্তিত্বই ঈশ্বৰ বিশ্বাস নকৰাক অযুক্তিকৰ বুলি ক'ব বিচাৰে নে নিবিচাৰে?

ধৰ্মতত্বসম্পৰ্কীয় কিছুমান মতবাদৰদ্বাৰা অমঙ্গলক ব্যাখ্যা কৰাৰ চেষ্টা কৰাতকৈ সেই শব্দটোৱে বুজায় তাক নিৰ্দেশ কৰি স্পষ্টকৈ ব্যাখ্যা কৰাটোহে অতি উত্তম। ই শাৰীৰিক কষ্ট, মানসিক যাতনা আৰু নৈতিক দুৰ্বলতাক বুজায়। শেষৰটো প্ৰথম দুয়োটাৰে কাৰণ, কিয়নো মানুহৰ অমানবীয়তাৰ পৰাই মানুহৰ বহুপৰিমানৰ কষ্ট বা পীড়া উৎপন্ন হয়। ঈশ্বৰবাদৰ প্ৰতিদণ্ডী হিচাপে অমঙ্গলৰ সমস্যাটো যে এটা কঠিন পৰিস্থিতিৰ ৰূপত পৰম্পৰাগতভাৱে প্ৰকাশ কৰা হয়; যদি ঈশ্বৰ প্ৰকৃতিতে কৰুণাময় তেনেহ'লে ঈশ্বৰে সকলো পাপক মষিমূৰ কৰক; আৰু যদি ঈশ্বৰ সৰ্ব-শক্তিমান তেনেহ'লে ঈশ্বৰ সকলো পাপ মষিমূৰ কৰিবলৈ সক্ষম হ'বই লাগিব। কিন্তু, অমঙ্গল বা পাপ অস্তিত্বশীল; গতিকে ঈশ্বৰ কোনোপধ্যে সৰ্বশক্তিমান আৰু প্ৰকৃত কৰুণাময়- দুয়োটা হ'ব

নোৱাৰে।

ওপৰৰ আলোচনাৰপৰা আমি জানিব পাৰিলো যে, "অমঙ্গলৰ সমস্যাটো" ঈশ্বৰবাদৰ প্রসঙ্গতে উৎপত্তি হোৱা একমাত্র সমস্যা। অনিবার্যভাৱে, যদি ঈশ্বৰ অস্তিত্বশীল তেন্তে কেনেকৈ অমঙ্গলৰ অস্তিত্ব থাকিব পাৰে ইয়াক ব্যাখ্যা কৰাৰ সমস্যা। আমি এই সমস্যাটো অতি সাধাৰণভাৱে ক্রিয়াডৰ জৰিয়তে প্রকাশ কৰিব পাৰোঁ (এই ত্রিয়াডহ'ল তিনিটা উক্তিৰ সমষ্টি য'ত দুটা উক্তিৰ সত্যতাই তৃতীয়টোৰ মিথ্যাত্বক সূচায়)। এই ত্রিয়াডৰ প্রাসঙ্গিকতাক এনেদৰে ইয়াত প্রকাশ কৰিব পাৰি যে-

১। ঈশ্ব সর্ব-শক্তিমান

২। ঈশ্বৰ সর্ব কৰুণাময়

৩। অমঙ্গল অস্তিত্ব শীল

ইয়াৰ অমঙ্গলক স্বাভাৱিকতে দুঃখজনক বিষয়ৰূপে বুজা যায় যি নিজে নঞৰ্থক, যাৰ অবিহনে জগতখন সবল হ'ব। এই অর্থতে শাৰীৰিক কষ্ট আৰু যাতনাক সাধাৰণভাৱে অমঙ্গলৰ উপমা হিচাপে স্বীকাৰ কৰা হয়। যদি ই স্বাভাৱিক তেনেহ'লে কিয় বহুতো দার্শনিকে ভাৱে যে (১) (২) আৰু (৩) এ বিমঙ্গতিমূলক ত্রিয়াড গঠন কৰে। (১) বুজাই যে ঈশ্বৰে যিকোনো ধৰণৰ অমঙ্গলকে প্রতিৰোধ কৰিব পাৰে; (২) বুজাই যে ঈশ্বৰে যিকোনো অমঙ্গলকে প্রতিৰোধ কৰাৰ ইচ্ছা কৰিব পাৰে; যদি সেয়ে হয় তেন্তে (১) আৰু (২) সত্য (৩) অৱশ্যেই অসত্য।

ইয়াত অন্য দুটা সম্ভাৱনীয়তাও আছে। ধৰা হ'ল (১) আৰু (২) সত্য তেনেহ'লে সর্বশক্তিমান ঈশ্বৰৰ অস্তিত্ব থকা সত্তেও অমঙ্গল অস্তিত্বশীল হৈ আছে। আকৌ, যদি (৩) অসত্য, তেনেহ'লে দেখাযায় যে এইটোও অসত্য যে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিবলৈ বিচাৰে. সদৌশেষত, (২) আৰু (৩) যদি শুদ্ধ তেনেহ'লে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিবলৈ বিচৰা স্বত্তেও অমঙ্গলৰ অস্তিত্ব থাকে। তেনেহ'লে দেখা যায় যে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিব নোৱাৰে অর্থাৎ ই প্রতিপন্ন কৰে যে (১) অসত্য।



জানি থোৱা ভাল

বিসঙ্গতিমূলক ত্রিয়াড হৈছে তিনিটা উক্তিৰ সমষ্টি য'ত যিকোনো দুটা উক্তিৰ সত্যতাই তৃতীয়টোৰ অসত্যতাক বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ জগতৰ সৃষ্টিকর্তা কোন?

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰ কৰাঃ

(ক) স্বাভাৱিকতে প্রশ্ন উত্থাপিত হয় যে যদিহে এক..... শক্তিয়ে এই জগতখন সৃষ্টি কৰিছে তেনেহ'লে কেনেকৈ ইয়াত অমঙ্গলৰ অস্তিত্ব দেখা যায়।

(গ) ইয়াত অন্য কিছুমান প্রশ্নত উত্থাপিত হয়। যেনে- ইয়াত সদায়..... থাকিব নে? মোহ ৰোগৰ কাৰণ মোৰ..... নে কি? ঈশ্বৰে বিশ্বাস থকা সকলোকে..... কৰি তুলিব নে?

(গ) ঈশ্বৰবাদৰ প্রতিদণ্ডী হিচাপে অমঙ্গলৰ সমস্যাটোক এটা .....ৰূপত পৰম্পৰাগতভাৱে প্রকাশ কৰা হয়।

প্রশ্ন নং ৯ ঃ বিসঙ্গতিমূলক ত্রিয়াড কি?

.....

.....

.....

.....

১১.৫ অমঙ্গলৰ অস্তিত্ব

কিছুমান দার্শনিকে মতপোষণ কৰিছে ওপৰত উল্লেখিত তিনিটা ক্রিয়াডৰ (৩)টো অসত্য। দশক জুৰি অমঙ্গলৰ অস্তিতহক ব্যাখ্যা কৰিবৰ কাৰণে বহুতো জটিল আৰু যথার্থ যুক্তি আগবঢ়োৱা হৈছে। এইটো সম্ভৱ হ'ব পাৰে নেকি যে কিছুমান যন্ত্রনা বা কষ্ট অমঙ্গলৰ বাবে নহয়? কি যুক্তিয়ে এই সম্ভাৱনীয়তাক বুজাব? কোনো কোনো সময়ত যুক্তি দর্শোৱা হয় যে যাতনাই হয়তু কর্তব্য পালন কৰে বা যাতনা অনিবার্য (আৰু সেয়েহে অমঙ্গলৰ কাৰণ নহয়)। কেনেকৈ এই অভিগমনক মূল্যায়ন কৰিব পাৰি?

প্রথমতে, যদি যাতনাই কোনো এক কর্ম সম্পাদন কৰে (জৈৱ পদার্থবিলাকক সিহঁতৰ দেহৰ নঞার্থক দিশৰ প্রতি সজাগ কৰি) তেনেহ'লে ই বুজায় যে, আৱশ্যকভাৱে যাতনা নিজেই

দুঃখককৰিবলগীয়া নহয়। সঁচা আমি ইচ্ছাকৃতভাৱে কিছুমান সহ্য কৰোঁ, যেতিয়া যাতনাই নিজেই আমাৰ কিছু দিশত মঙ্গল সাধন কৰে; কিন্তু আমি সহ্য কৰা কোনো অমঙ্গল এই ক্ষেত্ৰত কিছুসংখ্যক মঙ্গললৈ পৰিবতচ্ছন নহয়। ঈশ্বৰে (যি সর্বজ্ঞা আৰু সর্বশক্তিমান) সম্ভৱপৰ এটা সংকেত পদ্ধতি উদ্ভাৱন কৰিছে যি যাতনা অন্তভূৰ্ক্ত নকৰে।

দ্বিতীয়তে, নিঃসন্দেহে যদি যাতনা অৱশ্যাম্ভাৱী, তেনেহ'লে ই বুজায় যে যাতনা এক অমঙ্গল নহয়, ই সদায় যাতনাক এক আৱশ্যকীয় অমঙ্গল বুলিয়ে ভাবোঁ। এইক্ষেত্ৰত, মই দন্তচিকিৎসকজনক মোক যাতনা দিয়াৰ বাবে অনুমতি দিওঁ কাৰণ মই বিশ্বাস কৰোঁ যে মোৰ দীর্ঘ দিনীয়া দাঁতৰ স্বাস্থ্যৰ বাবে যাতনা অৱশ্যাম্ভাৱী (যি আন কোনো বস্তুৰ ভিতৰত, ভৱিষ্যতে অলপ কম যাতনাৰ কথা বুজায়)। ভাল মানুহে য'তে হওক যাতনাক আঁতৰ কৰিবলৈ চেষ্টা কৰে, যদিও অলপ যাতনা অৱশ্যেই থাকে। ঈশ্বৰে কিয় যিকোনো যাতনাক আঁতৰ নকৰে- ই এক কঠিন প্ৰশ্ন আৰু এনেদৰে সকলো দার্শনিকৰদ্বাৰা এটা উত্তৰ দিব নোৱাৰি।

১১.৬ অমঙ্গল ঃ বিভিন্ন দৃষ্টিভঙ্গী

এই পৃথিৱীত অমঙ্গল আৰু যাতনা অস্তিত্বশীল আৰু সিহঁতে পর্যাপ্ত পৰিমাণে আগবাঢ়িছে; যি ধর্ম, নীতিশাস্ত্ৰ বা ৰাজ্যৰ অস্তিত্বৰ এটা প্ৰধান কাৰণ। এই কাৰ্যই কিছুমান গুৰুত্বপূর্ণ প্ৰশ্নৰ অৱতাৰণা কৰেঃ কিয় অমঙ্গল আৰু যাতনা অস্তিত্বশীল? এই জগতৰ সকলো যাতনাময় নাইবা সকলো অমঙ্গলযুক্ত নাইবা জগতত মঙ্গলৰ বাবে স্থান আছে নে নাই? এইবিলাকৰ বাবে কোন জগৰীয়া? অমঙ্গলক ধ্বংস কৰা বা নিয়ন্ত্ৰণ কৰাব উপায়সমূহ কি কি? ধর্মতত্ববিদ আৰু ৰাজনৈতিক দার্শনিকসকলে তেওঁলোকৰদ্বাৰা সমর্থন কৰা কিছু নৈতিক আদর্শমূলক মতবাদ আগবঢ়াইছে যি বিশ্বজনীন প্ৰেমৰপৰা জাতীয়তাবাদ, বর্ণ বৈষম্য, ইত্যাদি কিছুমান চৰম জাতীয়তাবাদৰ উগ্ৰ মতবাদলৈ পৰিবর্তন হৈছে। শেষ বা চৰম সিদ্ধান্তলৈ আহিবলৈ এনে কিছুমান মতবাদৰ ওপৰত এক চমু আলোকপাতৰ প্ৰয়োজন হয়।

<u>হিন্দু চিন্তাধাৰা</u> ঃ

হিন্দু চিন্তাবিদসকলে অমঙ্গলৰ সমস্যাক অস্বীকাৰ কৰিছে, কাৰণ তেওঁলোকৰ মতে জগতখন অসত্য আৰু ফলস্বৰূপে অমঙ্গলৰ অস্তিত্বক বেছি গুৰুত্ব দিয়া নহয়। মানৱ আত্মাৰ প্ৰকৃত বিষয় হ'ল জাকজমকীয়া অৱভাগ যাক জগত বুলি কোৱা হয় সেইয়া পৰিত্যাগ কৰি মোক্ষক অনুসন্ধান কৰা তথা মুক্তি বা ঈশ্বৰৰ সৈতে একাত্মতাৰ চেষ্টা কৰা। যিহেতু জগতখন এক সপোন বা কল্পনা মাথোন, গতিকে অমঙ্গল জগতৰ এক স্থায়ী দ্ৰব্য হ'ব নোৱাৰে। সেয়েহে এজন ধর্মবিশ্বাসী ব্যক্তিয়ে অমঙ্গলৰ কাৰণে চিন্তা কৰিব নালাগে। সংসাৰত যাতনা ভোগ কৰাটো এক কঠিন ঘটনা যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেইবিলাকৰ কাৰণ আৰু সমাধানৰ ক্ষেত্ৰত বিভিন্নতা দেখা যায়।

জানি থোৱা ভাল



মোক্ষ ঃ (সংস্কৃত) জীৱন পৰিক্ৰমা (সংসাৰ) ৰ পৰা মুক্তি।

বৌদ্ধধর্ম ঃ বৌদ্ধধর্মত অস্তিত্ব শীলতাক এক অমঙ্গল বুলি গ্ৰহণ কৰা হয়; জীৱন মানেই দুঃখ আৰু কেৱল দুঃখ অতিক্ৰম কৰিব পাৰিলেই জীৱন অতিক্ৰম কৰিব পাৰিব। বৌদ্ধধর্মৰ মতে ঈশ্বৰৰ অস্তিত্ব নাই। ইয়াত কেৱল ব্যক্তিত্বশূণ্য আৰু অপৰিবর্তনশীল কর্মবাদৰহে অস্তিত্ব আছে যি কোনো গুণ বা দোষৰ উপযুক্ত ফল স্বৰূপে সংলগ্ন হয়। যেতিয়া এজন শিষ্যই আকাংক্ষা পৰিত্যাগ কৰে তেওঁ নির্বাণ লাভ থাকে। গতিকে জীৱন দুঃখময় আৰু যাতনাময়।

নির্বাণ ঃ "অক্সফোর্ড ডিক্সনেৰী অফ ফিল'ছপি ইন বোদ্ধিজিম" অনুসৰি, উপযুক্ত বা সুখদায়ক অৱস্থা, আকাংক্ষা তথা অনুৰাগ বিনাশ কৰি আৰু আত্মাৰ সুকীয়া অস্তিত্বৰ শ্ৰেষ্ঠত্বই হৈছে নির্বাণ। বন্ধনৰপৰা মুক্ত।

ইছলাম ধর্ম ঃ

ইছলাম ধর্মত আমি দেৱদূত ইবলিছত চয়তানৰ এক নকল বিচাৰি পাওঁ, যদিও তেওঁৰ স্থিতি চয়তানতকৈ সামান্য পৃথক। সাধাৰণতে ইবলিছে ঈশ্বৰৰ আজ্ঞা অস্বীকাৰ কৰে যেতিয়া ঈশ্বৰে সকলো দেৱদূতকে মানুহক সকলো সৃষ্টিৰ ভিতৰত উৎকৃষ্ট সৃষ্টি হিচাপে পূজা কৰিবলৈ আদেশ দিয়ে। ইব্লিছে অস্বীকাৰ কৰিবলৈ সাহস কৰে যদিও কয় যে তেওঁ ঈশ্বৰক ইমান ভাল পায় যে তেওঁ কেতিয়াও অন্য সৃষ্টিৰ ওচৰত নতশিৰ নহয়, যদিও তেওঁ নিজেও ঈশ্বৰৰ অন্যতম সৃষ্টি। সেই কাৰণে ইবলিছ হ'ল এজন দানৱ যি ঈশ্বৰৰ অন্যতম সৃষ্টি। সেইকাৰণে ইবলিছ্ হ'ল এজন দানৱ যি ঈশ্বৰৰ ভক্ত আৰু সেয়েহে ই অমঙ্গলৰ এক ফলপ্রসু নীতি নহয়। কোৰাণৰ উল্লেখমতে অমঙ্গল কর্তাজন বা পাপীজন অমঙ্গল বিশ্বাস কৰা ব্যক্তি নহয়, কিন্তু তেওঁ এনে এক ব্যক্তি যি ঈশ্বৰ বিশ্বাস নকৰে। গতিকে ঈশ্বৰ আৰু চয়তানৰ দ্বৈতবাদে ইহুদী ধর্মই অমঙ্গল বিশ্বাস কৰে বুলি প্রতিষ্ঠা কৰে।

সাংখ্য ঃ

এই দ্বৈতবাদ ভাৰতীয় দর্শনৰ সাংখ্য দর্শনতো পোৱা যায়, যি পুৰুষ আৰু প্রকৃতিক (মায়া) পৃথক শাশ্বত উপাদান বুলি কয়, মায়াৰ বাবে অমঙ্গল হয় আৰু ইয়াৰ বাবে পুৰুষ বা প্রকৃতি প্রত্যেকৰে ইটোৰ ওপৰত সিটোৰ নিয়ন্ত্রণ নাথাকে।

ইহুদী ধর্ম ঃ

ইহুদী ধর্মই অমঙ্গলৰ নীতি বিশ্বাস কৰে যাক চয়তানে প্রতিনিধিত্ব কৰে। এই নঞৰ্থক, অপবিত্র আৰু পৈশাচিক নীতিক ঈশ্বৰৰ দৰে শাশ্বত বুলি স্বীকাৰ কৰা হয়। মঙ্গল আৰু অমঙ্গল দুয়ো ওচৰা-ওচৰিকৈ অস্তিত্বশীল হৈ থাকে। প্রত্যেককে চৰম শক্তিয়ে সহায় কৰে, প্রথমটোৰ

ক্ষেত্রত ঈশ্বৰ আৰু দ্বিতীয়টোৰ ক্ষেত্রত চয়তান। খ্রীষ্টান পুৰাণ শাস্ত্রমতে, চয়তান যি এজন কুচকুতীয়া মানুহ ইভৰ মাধ্যমেদি জ্ঞানবৃক্ষৰ ফলবোৰ খাই দিয়ে, যাৰ ফলস্বৰূপে জগতত সকলোধৰণৰ অমঙ্গল আৰু যাতনা ভোগ কৰিবলগীয়া হয়। জোৰাষ্ট্রিয়ান ধর্মই দুই প্রকাৰৰ ঈশ্বৰক বিশ্বাস কৰে; আহোৰামাজদা যিজনক মঙ্গলময় অ'ৰমজ্দ আৰু আহৰিমন যাক অমঙ্গলময় বুলিও জনা যায়।



জানি থোৱা ভাল

- ইহুদী বা আৰবীজাতিয় ধর্ম ঃ ইহুদী ধর্ম, ইছলাম ধর্ম আৰু খ্রীষ্টানধর্মক ইহুদী ধর্ম বুলি কোৱা হয়। ইহুদী ধর্ম আস্তিকবাদী সেয়েহে তেওঁলোকে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰে। গতিকে ইহুদী ধর্ম একপ্রকাৰ ভৰিষ্যত দ্রষ্টা ধর্ম। এই ধর্মই অবতাৰবাদ আৰু পুনৰজন্ম বিশ্বাস নকৰে।
- শ্বপেন হাৱাৰ ঃ শ্বপেনহাৱাৰ, এজন জার্মান দার্শনিক। তেওঁৰ মতে, জগতখন এক ইচ্ছা বা অভিপ্রায় আৰু সেয়েহে এই জগত অৱশ্যেই যাতনাময়। জীয়াই থকাৰ ইচ্ছাই আকাংক্ষাৰ ইংগিত দিয়ে যাৰ অর্থৰলোভ ইয়াত উপনীত হোৱাতকৈ বেছি। কাৰণ প্রতিটো সন্তোষজনক ইচ্ছাৰ বিপৰীতে তাত আন দহোটা ইচ্ছাক অস্বীকাৰ কৰা হয়। আকাংশক্ষাৰ কোনো সীমা নাই আনহাতে সন্তোষ্টি সীমিত। যেতিয়ালৈকে আমাৰ চেতনা আমাৰ ইচ্ছাৰ দ্বাৰা পূৰ কৰা হয়, আমি কেতিয়াও স্থায়ী সুখ বা শান্তি লাভ কৰিব নোৱাৰো।
- আর্থাক শ্বপেনহাৱাৰ (১৭৮৮-১৮৬০) ঃ জার্মান দার্শনিক। তেওঁ ফ্রান্স আৰু ব্রিটেইনত শিক্ষালাভ কৰিছিল আৰু ইউৰোপীয়ান আৰু প্রাচীন গ্রীক, লেটিন আদি ভাষাত বাকপটু আছিল। "তেওঁ "The world as will and Ideas" নামৰ গ্রন্থখনৰ গ্রন্থাকাৰ আছিল।

আগাষ্টাইনৰ ঈশ্বৰৰ মানৱ-শাসন বিষয়ক শাস্ত্র ঃ

- প্রধানতঃ পৰম্পৰাগত খ্রীষ্টানসকলৰ অমঙ্গলৰ সমস্যা ছেণ্ট আগাষ্টাইনে গঠন কৰিছিল (৩৫৪-৪৩০ খ্রীঃ)। ইয়াত ধর্মতত্ব তথা দার্শনিকতত্ব দুয়োটাকে অন্তভূর্ক্ত কৰা হয়। প্রধান দার্শনিক স্থিতি হ'ল অমঙ্গলৰ নঞার্থক আৰু অভাৱসূচক স্বভাৱ। আগাষ্টাইনে দৃঢ়ভাৱে "জগতখন মঙ্গলময়"- এই হেব্রিউ খ্রীষ্টীয়ান প্রত্যয়ক প্রহণ কৰিছিল। সেয়েহে কোৱা হয়, এইয়া মঙ্গলময় ঈশ্বৰৰ মঙ্গলৰ কাৰণে কৰা সৃষ্টি। অমঙ্গল- যিহেতু এক অমঙ্গলময় চিন্তা, এক পীড়াদায়ক ঘটনা নাইবা কিছুমান বিশৃংখল বা অবনমিত স্বভাৱ- সেয়েহে ঈশ্বৰৰ দ্বাৰা নিৰূপণ কৰা নহয়। কিন্তু কিছুমান প্রচলিত ভুলক প্রতিনিধিত্ব কৰে যি স্বাভাৱিকতে মঙ্গলময়। সেয়েহে আগাষ্টাইনে কৈছিল যে "সকলো অমঙ্গলেই হয় পাপ নহয় পাপৰ শাস্তি।"
- ছেণ্ট আগাষ্টাইনঃ ধর্মতত্ববিদ আৰু দার্শনিক। আগষ্টাইনে পোন প্রথমবাৰৰ বাবে

ঈশ্বৰৰ মানৱ শাসন- বিষয়ক শাস্ত্ৰ বা থিয়'ডিচিৰ উন্নতিসাধন কৰিছিল। তেওঁ অমঙ্গল স্বয়ংক্ৰিয়াভাৱে অস্তিত্বশীল এই ধাৰণাক অস্বীকাৰ কৰিছিল। তাৰ পৰিবৰ্তে ইয়াক মঙ্গলৰ দুনীৰ্তি বুলি কৈছিল যাৰ কাৰণ হ'ল মানুহৰ ইচ্ছাৰ স্বাধীনতাৰ অপব্যৱহাৰ। তেওঁ পাপৰ শাস্তিৰূপে এক নৰকৰ অস্তিত্বত বিশ্বাস কৰিছিল। কিন্তু যুক্তি, দৰ্শাইছিল যে যিজনে যীশুখ্ৰীষ্টৰ মুক্তিৰ স্বীকাৰ কৰিছিল তেওঁ স্বৰ্গলৈ যাব পাৰে।

- আইৰেনিয়ান থিয়'ডিচি ঃ আগাষ্টাইনৰ সময়তকৈ আগতেই অমঙ্গলৰ সমস্যা সম্পৰ্কীয় সমিধান উন্নত খ্ৰীষ্টান পৰম্পৰাগত উপস্থিত আছিল। ইয়াৰ ভেঁটি হ'ল প্ৰাচীন গ্ৰীকভাষী চাৰ্চৰ ফাডাৰসকলৰ চিন্তাধাৰা বোধকৰো অতি গুৰুত্বপূৰ্ণ ব্যক্তিজন আছিল ছেণ্ট আইৰেনিয়াছ। মানৱকূলৰ সৃষ্টিৰ ক্ষেত্ৰত তেওঁ দুইধৰণৰ দশা স্বীকাৰ কৰিছে। প্ৰথম দশাত মানৱ সত্তাক বুদ্ধিবৃত্তিযুক্ত প্ৰাণী হিচাপে অস্তিত্বশীল বুলি বিবেচনা কৰা হয় যি নৈতিক আৰু আধ্যাত্মিক গুণসম্পন্ন। দ্বিতীয় দশাত, মানুহে তেওঁলোকৰ ইচ্ছাৰ স্বাধীনতাৰ মাজেদি তেওঁলোকক পবিত্ৰৰ নিচিনা আকাৰ দিব বিচাৰিছিল।
- থিয়'ডিচি ঃ থিয়'ডিচি অৰ্থাৎ ঈশ্বৰৰ মানৱ -শাসন বিষয়ক শাস্ত্ৰ, ইয়াৰ সাধাৰণ আকাৰে কিয় মঙ্গলময় ঈশ্বৰে অমঙ্গলৰ প্ৰকাশক মঞ্জুৰ কৰিছিল- এই প্ৰশ্নৰ উত্তৰ দিয়াৰ চেষ্টা কৰিছে।
- আইৰেনিয়ান থিয়'ডিচি ঃ এইয়া হ'ল খ্ৰীষ্টান থিয়'ডিচি যাক অমঙ্গলৰ সমস্যাক সমাধান কৰাৰ বাবে ৰূপ দিয়া হয়। এইদৰে, ই সৰ্বশক্তিমান আৰু সৰ্বকৰুণাময় ঈশ্বৰৰ জগতৰ অমঙ্গলৰ প্ৰমাণৰ সম্ভাৱনীয়তাক ৰক্ষা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ খালী ঠাই পূৰ কৰাঃ

(ক) হিন্দু চিন্তাবিদসকলে.....আৰু ..... সমস্যাক অস্বীকাৰ কৰিছিল, কাৰণ জগতখন অসত্য আৰু ফলস্বৰূপে অমঙ্গলৰ অস্তিত্বক বেছি গুৰুত্ব দিয়া নহয়।

(খ) ইছলাম ধৰ্মত আমি.....এক নকল বিচাৰি পাওঁ।..... ৰূপত, যদিও তেওঁৰ স্থিতি চয়তানতকৈ সামান্য পৰিমাণে পৃথক।

(গ) সাংখ্য, যি..... আৰু প্ৰকৃতি (মায়া) ক পৃথক শাশ্বত উপাদান বুলি কয়।

প্ৰশ্ন নং ১১ ঃ তলত দিয়া উক্তিবোৰ সত্য নে অসত্য লিখা-

(ক) ইহুদী ধর্মসমূহে অমঙ্গলৰ নীতিক বিশ্বাস কৰে, যাক চয়তানৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়। (সত্য /অসত্য)

(খ) জোৰাষ্ট্ৰিয়ানসকলে দুইধৰণৰ ঈশ্বৰ বিশ্বাস কৰে। আহোৰা মাজদা যাক মঙ্গলময় অৰমজদ বুলিও কোৱা হয় আৰু আমজন হ'ল অমঙ্গলযুক্ত আহৰিসন (সত্য /অসত্য)

(গ) শ্বপেনহাৱাৰ, এজন ফ্ৰান্স দাৰ্শনিক (সত্য /অসত্য)

(ঘ) আগাষ্টাইনে কৈছিল যে 'সকলো অমঙ্গলেই পাপ বা পাপৰ কাৰণে শাস্তি।' (সত্য / অসত্য)

১১.৭ কিয় অমঙ্গল আৰু যাতনা অস্তিত্বশীল ?

এই প্ৰশ্নটোৰ উত্তৰ মানুহৰদ্বাৰা গঠিত নীতি-নিয়মতে পোৱা যায়। মানুহৰ পঞ্চ ইন্দ্ৰিয়ৰে গঠিত আৰু অহংকাৰ, কামভাৱ, ৰাগ, লোভ, আকৰ্ষণ আৰু আত্মভিমান আদি তেওঁৰ স্বভাৱৰ অংশ। ইয়াৰ উপৰিও মানুহ বুদ্ধিবৃত্তি, মন আৰু আত্ম আদি গুণবিশিষ্ট। বুদ্ধিবৃত্তিৰ সহায়ত আৰু আত্মাৰ উপদেশৰদ্বাৰা তেওঁ কোনো এটা নিদিষ্ট বস্তু ভাল নে বেয়া সেইটো বিচাৰ কৰিব পাৰে। তেওঁক ইচ্ছাৰ স্বাধীনতা গুণযুক্ত আৰু ইচ্ছা কৰিলে তেওঁ অমঙ্গলক আওকাণ কৰিব পাৰে। সেয়েহে প্ৰকৃতিয়ে তেওঁৰ ওপৰত কৰ্মৰ সমগ্ৰ দায়িত্ব অৰ্পন কৰিছে; যাতনা তেওঁৰ নিজস্ব সৃষ্টি। যেতিয়া ব্যক্তিবিশেষে আত্মা আৰু অনাত্মাৰ মাজত থকা বেৰাখন ভাঙি ঈশ্বৰৰ সৈতে একাত্মকতা লাভ কৰিব পাৰে তেতিয়া যাতনা শেষ হয়। যেতিয়া ঈভে জ্ঞানবৃক্ষৰ ফলবোৰ খাইছিল তেতিয়া মানুহে নিজৰ দায়িত্ব লৈছিল। মানুহে ভোগ কৰা অধিকসংখ্যক অধঃপতনশীল ৰোগৰ কাৰণ হ'ল যে সত্য মানৱ সমাজে প্ৰবিত্ৰ প্ৰকৃতিৰ লগত একাত্মভাৱে জীৱন- নিৰ্বাহ নকৰে। তেওঁলোকে তেওঁলোকৰ শাৰিৰীক নিজস্বতা আৰু পৃথকীকৰণক যঁক, উত্তেজনা, আকাংক্ষা, তীব্ৰ আবেগ, টকা-পইচাৰ ওপৰত পুৰণি চিন্তা ইত্যাদিৰ মাজেদি তীব্ৰ ভালপোৱা প্ৰকাশ কৰিছিল; এই বিকল্পখিনিৰ উপৰিও আন এক বিকল্প আছে- ঈশ্বৰৰ সৈতে একাত্ম হোৱাৰ আকাংক্ষা। সেয়েহে বুদ্ধিবৃত্তি আৰু ইচ্ছাৰ স্বাধীনতাই যাতনাৰ কাৰণ বুলি কোৱাটো ভুল। যিসকলে এই ভুল উৎপাদকবোৰৰ স্বীকাৰ হয় তেওঁলোকে যাতনা ভোগ কৰে; আনসকলে নকৰে।

ই আমাক সমাজৰ দৃঢ় বুনিয়াদ বা ভেঁটি আৰু নীতি শাস্ত্ৰৰ প্ৰয়োজনীয়তাৰ দিশলৈ অগ্ৰসৰ কৰে। কোনো প্ৰাকৃতিক বিজ্ঞান নাইবা দাৰ্শনিক বুদ্ধিগত চিন্তাই মানুহক যাতনাৰ পৰা মুক্ত কৰিব নোৱাৰে. জাগতখন মানৱ যাতনাৰ ওপৰত শুই থকা ভ্ৰম নহয়। সাধাৰণ মানুহৰ কষ্ট বা যাতনা লাঘৱ কৰিবলৈ কিবা এটা কৰাটো অতি প্ৰয়োজনীয় । বিশেষকৈ সেই দুঃখৰপৰা যাৰ বাবে কোনো ব্যক্তি জগৰীয়া নহয়। সামাজিক অমঙ্গলসমূহে দেহে কেহে যুঁজ দিব লাগিব। এক ধৰ্ম যি সমাজৰ এই বেমাৰবোৰত চকু মুদি থাকে, কেতিয়াও জীৱিত ধৰ্ম হৈ নাথাকে; ই ধৰ্ম হৈ থকাব অধিকাৰ হেৰুৱাই পেলায়। ই উপযুক্ত শিক্ষা আৰু পদ্ধতিৰ লগতে কিছুমান সামাজিক-নৈতিক মূল্য প্ৰতিষ্ঠা কৰি সেইবোৰক কাৰ্যত পৰিণত কৰিব লাগে।



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

আমি এই গোটত অমঙ্গলৰ সমস্যা সম্পৰ্কে আলোচনা কৰিলো। ইয়াৰ প্ৰধান আলোচ্য বিষয়বোৰ হ'ল-

- খ্ৰীষ্টান ধৰ্মত মঙ্গল আৰু অমঙ্গল দুয়োটাকে অতি স্পষ্ট ৰূপত বিচাৰি পোৱা যায়।
- বেদান্ত দৰ্শনে ঘোষণা কৰিছে যে ঈশ্বৰ বা পৰমসত্তা অমঙ্গলৰ দ্বাৰা প্ৰভাৱিত নহয় আৰু সম্বন্ধযুক্ত মঙ্গলৰ উৰ্দ্ধত বাস কৰে যিটো অমঙ্গলৰ সহসম্বন্ধাত্মক। স্পিনোজা আৰু হেগেল দুয়োজনেই বিশেষভাৱে অমঙ্গলৰ সত্তাক অস্বীকাৰ কৰিছিল।
- যদিহে ঈশ্বৰ অস্তিত্বশীল তেনেহ'লে অমঙ্গলৰ কেনেকৈ অস্তিত্ব থাকিব পাৰে এই প্ৰশ্নটোক ব্যাখ্যা কৰাটো এক সমস্যা।
- হিন্দু চিন্তাবিদসকলে অমঙ্গল আৰু যাতনাৰ সমস্যাক অস্বীকাৰ কৰিছে। মানৱআত্মৰ প্ৰকৃত বিষয় হ'ল মোক্ষ লাভৰ প্ৰচেষ্টা । যাতনা ভোগ কৰাটো জগতৰ এক জটিল ঘটনা; কোনেও অস্বীকাৰ কৰিব নোৱাৰে।
- বৌদ্ধদৰ্শনত অস্তিত্বশীলতাক এক অমঙ্গল বুলিয়ে গ্ৰহণ কৰা হয়; জীৱন মানেই দুঃখ আৰু দুঃখৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় হ'ল জীৱনৰ পৰা মুক্ত হোৱা। গতিকে জীৱন অমঙ্গলময় আৰু যাতনাৰে পৰিপূৰ্ণ।
- কোৰাণৰ মতে বেয়া কাম কৰাজন সেইজন ব্যক্তি নহয় যিজনে অমঙ্গলক বিশ্বাস কৰে কিন্তু সেইজন ব্যক্তিয়ে ঈশ্বৰ বিশ্বাস নকৰে।
- ঈশ্বৰ আৰু চয়তানৰ দ্বৈতবাদে এটা ঘটনা প্ৰতিষ্ঠা কৰে যে ইহুদী ধৰ্মবিলাকে অমঙ্গলৰ নীতিক বিশ্বাস কৰে।
- ইহুদী ধৰ্মসমূহে অমঙ্গলৰ নীতিত বিশ্বাস কৰে যাক চয়তানে প্ৰতিনিধিত্ব কৰে।
- শ্বপেন হাৱাৰৰ মতে জগতখন এক অভিপ্ৰায় বা ইচ্ছা আৰু সেয়েহে ই এক যাতনাৰ জগত।
- অমঙ্গলৰ সমস্যাক সমৰ্থন কৰা পৰম্পৰাগত খ্ৰীষ্টানসকলৰ প্ৰতিষ্ঠাতা আছিল ছেণ্ট আগাষ্টাইন (৩৫৪-৪৩০ খ্ৰীঃ)।
- আগাষ্টাইনৰ মতে, "সকলো অমঙ্গলেই হয় পাপ নাইবা পাপৰ শাস্তি।"
- মানুহ পঞ্চইন্দ্ৰিয়ৰে গঠিত অহংকাৰ, কামভাৱ, ৰাগ, লোভ, আকৰ্ষণ আৰু আত্মাভিমান আদি তেওঁৰ স্বভাৱৰ অংশ



১১.৯ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধর্ম দর্শন', ভগৱতী প্রকাশন

২) ধর্ম দর্শন— পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



১১.১০ অগ্রগতি খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ স্বামী বিবেকানন্দ

২ নং প্রশ্ন উত্তৰ ঃ (ক) অসত্য (খ) সত্য (গ) সত্য

৩ নং প্রশ্ন উত্তৰ ঃ (ক) মাপকাঠি (খ) লাইব্‌নিজ

৪ নং প্রশ্ন উত্তৰ ঃ বোছাংকেৰ মতে, "অমঙ্গলত এনেকুৱা একো নাই যাক মঙ্গলে গ্রহণ কৰিব নোৱাৰে আৰু সহায়ক হিচাপে ই 'মঙ্গল' আৰু 'গুণ' হিচাপে একেই উৎসৰপৰা উৎপাদিত হয়।

৫ নং প্রশ্ন উত্তৰ ঃ স্পিনোজাৰ মতে, অমঙ্গলৰ কাৰণ হ'ল বস্তুবিলাকৰ ওপৰত আমাৰ সংকীর্ণ দৃষ্টিভঙ্গী, যিহেতু আমি এক বিশেষ লাভৰ দিশৰ পৰা বস্তুবোৰ লক্ষ্য কৰো সেয়েহে অমঙ্গলে দেখা দিয়ে কিন্তু যদি আমি আমাৰ দৃষ্টিভঙ্গী বিস্তাৰ কৰোঁ আৰু সমগ্রতাৰ দৃষ্টিকোণৰ পৰা বা ইশ্বৰৰ দৃষ্টিকোণৰপৰা বস্তুবোৰ লক্ষ্য কৰোঁ তেতিয়া এই অমঙ্গল নোহোৱা হৈ যায়।

৬ নং প্রশ্ন উত্তৰঃ হেগেলৰ মতে, অমঙ্গল হৈছে কেৱল অযুক্তিৰ উপাদান যিবোৰ মঙ্গল বা যুক্তিসন্মত হ'ব বিচাৰে কাৰণ যথার্থ যি যুক্তি সম্পন্ন মাধ্যম আৰু দেখা যায় যে অমঙ্গল বা অযুক্তিকতাক যুক্তিসম্পন্ন কৰিব পাৰি। স্পিনোজা আৰু হেগেলে দুয়োজনেই ব্যক্তিগতভাৱে অমঙ্গলৰ সত্যতাক অস্বীকাৰ কৰিছে।

৭ নং প্রশ্ন উত্তৰ ঃ ঈশ্বৰ

৮ নং প্রশ্ন উত্তৰ ঃ (ক) সর্বকৰুণাময়, (খ) অমঙ্গল, পাপ, দমন, (গ) উভয়সঙ্কট

৯ নং প্রশ্ন উত্তৰ ঃ এক পৰস্পৰবিৰোধী ত্রিয়াড হ'ল তিনিটা উক্তিৰ সমষ্টি য'ত দুটা উক্তিৰ সত্যতাই তৃতীয়টোৰ মিথ্যাত্বক সূচায়। এই ত্রিয়াডৰ প্রাসঙ্গিকতাক এনেদৰে ইয়াত প্রকাশ কৰিব পাৰি যে- (ক) ঈশ্বৰ সর্ব- শক্তিমান। (খ) ঈশ্বৰ সর্ব-কৰুণাময় (গ) অমঙ্গল- অস্তিত্বশীল।

ইয়াত অমঙ্গলক স্বাভাৱিকতে দুঃখজনক বিষয়ৰূপে বুজা যায় যি নিজে নঞৰ্থক, যাৰ অবিহনে জগতখন সবল হ'ব। এই অর্থতে শাৰীৰিক কষ্ট আৰু যাতনাক সাধাৰণভাৱে অমঙ্গলৰ উপমা হিচাপে স্বীকাৰ কৰা হয়. যদি ই স্বাভাৱিক তেনেহ'লে কিয় বহুতো দার্শনিকে ভাৱে যে (১) (২) আৰু (৩) এ বিসঙ্গতিমূলক ত্রিয়াক গঠন কৰে। (১) বুজাই যে ঈশ্বৰে যিকোনো ধৰণৰ অমঙ্গলক প্রতিৰোধ কৰিব পাৰে; (২) বুজাই যে ঈশ্বৰে যিকোনো অমঙ্গলকে প্রতিৰোধ কৰাৰ ইচ্ছা কৰিব পাৰে; যদি সেয়ে হয় তেন্তে (১) আৰু (২)সত্য আৰু (৩) অৱশ্যে অসত্য।

ইয়াকে অন্য দুটা সম্ভাৱনীয়তাও আছে। ধৰা হ'ল (১) আৰু (২) সত্য তেনেহ'লে সর্বশক্তিমান ঈশ্বৰৰ অস্তিত্ব থকা সত্ত্বেও অমঙ্গল অস্তিত্বশীল হৈ আছে। আকৌ যদি (৩) অসত্য, তেনেহ'লে দেখা যায় যে এইটোও অসত্য যে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিবলৈ বিচাৰে। সদৌশেষত, (২) আৰু (৩) যদি শুদ্ধ তেনেহ'লে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিবলৈ বিচৰা সত্তেও অমঙ্গলৰ অস্তিত্ব থাকে। তেনেহ'লে দেখা যায় যে ঈশ্বৰে অমঙ্গল প্রতিৰোধ কৰিব নোৱাৰে অর্থাৎ ই প্রতিপন্ন কৰে যে (১) অসত্য।

১০ নং প্রশ্ৰৰ উত্তৰ ঃ (ক) অমঙ্গল,যাতনা (খ) চয়তান,ঈবলিছ (গ) আত্মা

১১ নং প্রশ্ৰৰ উত্তৰ ঃ (ক) সত্য, (খ) সত্য (গ) অসত্য



১১.১১ আৰ্হিপ্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ অমঙ্গলৰ সমস্যা কি?

প্রশ্ন ২ ঃ প্লেটো কোন?

প্রশ্ন ৩ ঃ দুজন জার্মান দার্শনিকৰ নাম লিখা।

প্রশ্ন ৪ ঃ ভাৰতীয় দর্শনৰ কোনটো পদ্ধতি কেৱল দ্বৈতবাদ?

(খ) চমু প্রশ্ন উত্তৰ দিয়া (১০০ -১৫০ ভিতৰত উত্তৰ লিখক)ঃ

প্রশ্ন ১ ঃ চমুটোকা লিখক।

(ক) অমঙ্গলৰ সমস্যা সম্পর্কে ভাৰতীয় চিন্তাধাৰা

(খ) আগাষ্টানিয়ান থিয়'ডি চি

প্রশ্ন ২ ঃ বৌদ্ধধর্মৰ অমঙ্গলৰ সমস্যা সম্পর্কীয় মতবাদটো কি?

প্রশ্ন ৩ ঃ অমঙ্গলৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ -৫০০ ভিতৰত উত্তৰ লিখক)ঃ

প্রশ্ন ১ ঃ এক সর্ব শক্তিমান সত্তাই সকলো কৰিব পাৰেন? যদি সেয়ে হয় তেনেহ'লে কিয়

সৰ্বশক্তিমান সত্তাই তেনে নকৰে?

প্ৰশ্ন ২ ঃ অমঙ্গলৰ উৎপত্তি সম্পৰ্কীয় দাৰ্শনিক বিশ্বাসমূহ ব্যাখ্যা কৰা আৰু ইয়াত মানুহৰ ইচ্ছাৰ স্বাধীনতাৰ (অমঙ্গলৰ ক্ষেত্ৰত) ভূমিকা কি ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ আগাষ্টাইনৰ থিয়'ডিচি বৰ্ণনা কৰা।

প্ৰশ্ন ৪ ঃ "প্ৰকৃতিগত অমঙ্গলৰ অস্তিত্বই প্ৰমাণ কৰে যে তাত ঈশ্বৰ নাই"- আলোচনা কৰা।

প্ৰশ্ন ৫ ঃ আইবেনিয়ান থিয়'ডিচিক ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ অমঙ্গল আৰু যাতনা কিয় অস্তিত্বশীল? ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ১২ ঃ ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ ঃ কাৰ্যকাৰণবাদী আৰু প্ৰয়োজনবাদী প্ৰমাণ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ কাৰ্যকাৰণ /যুক্তি আদি কাৰণ যুক্তি/ জগৎকাৰণ যুক্তি

১২.৩.১ আদিকাৰণ যুক্তি

১২.৩.২ এৰিষ্ট'টলৰ আদিকাৰণ যুক্তি

১২.৩.৩ ৰাছিলৰ দৃষ্টিভংগী

১২.৩.৪ আপতিত ঘটনাৰ পৰা লোৱা যুক্তি/ থ'মাছ একুইনাচৰ দৃষ্টিভংগী

১২.৩.৫ থ'মিষ্টৰ দৃষ্টিভংগী

১২.৩.৬ জগৎকাৰণ যুক্তিৰ কেইটামান পৰ্যায়

১২.৩.৭ কাৰ্যকাৰণ যুক্তিৰ সমালোচনা

১২.৪ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তি

১২.৪.১ প্লেট'ৰ দৃষ্টিভংগী

১২.৪.২ কাণ্টৰ দৃষ্টিভংগী

১২.৪.৩ হেনৰী ম'ৰৰ দৃষ্টিভংগী আৰু অন্যান্য দৃষ্টিভংগী

১২.৪.৪ এফ.আৰ. টেনাণ্টৰ দৃষ্টিভংগী

১২.৪.৫ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিৰ সমালোচনা

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অগ্ৰগতিৰ খতিয়ান

১২.৭ অধিক জানিবলৈ

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ঈশ্বৰৰ অস্তিত্বসম্পৰ্কীয় কাৰ্যকাৰণবাদী প্ৰমাণবোৰ ব্যাখ্যা কৰিব পাৰিব
- এৰিষ্ট'টলৰ আদিকাৰণ যুক্তিটো আলোচনা কৰিব পাৰিব
- আপতিত ঘটনাৰ পৰা লোৱা যুক্তি / থ'মাছ একুইনাচৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- থ'মিষ্টৰ দৃষ্টিভংগী বৰ্ণনা কৰিব পাৰিব

- জগৎকাৰণ যুক্তিৰ কেইটামান পৰ্যায় ব্যাখ্যা কৰিব পাৰিব
- জগৎকাৰণ যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব
- ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী প্ৰমাণবোৰ ব্যাখ্যা কৰিব পাৰিব
- প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে প্লেট'ৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে কাণ্টৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- প্ৰয়োজনবাদী প্ৰমাণ সম্পৰ্কে হেনৰী ম'ৰৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- এফ. আৰ. টেনাণ্টৰ দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব
- প্ৰয়োজনবাদী যুক্তিৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব

১২.২ পৰিচয়

ঈশ্বৰৰ ধাৰণাটোৰ ধৰ্মৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। সাধাৰণতে আমাৰ মনত এই ভাৰ ওপজে যে ধৰ্মই সদায় ঈশ্বৰৰ ধাৰণাটোক সামৰি লয়। কিন্তু ঈশ্বৰত বিশ্বাস কৰাৰ লগতে ধৰ্মই প্ৰাৰ্থনা, ৰীতি-নীতি, পৰম্পৰাগত প্ৰথা আৰু আন বহুতো বিষয় সামৰি লয়। কেৱল ঈশ্বৰত বিশ্বাস থাকিলেই এটা ধৰ্মৰ সৃষ্টি নহয়। ধৰ্মৰ সৈতে আন বহুতো ধাৰণা জড়িত হৈ আছে। যেনে- বৌদ্ধ আৰু জৈনধৰ্মকো ধৰ্ম বুলি ধৰা হয়। কিন্তু দুয়োটা ধৰ্মই ঈশ্বৰত বিশ্বাস নকৰে।

অৱশ্যে ধৰ্মৰ ক্ষেত্ৰখনত আমি ঈশ্বৰৰ ধাৰণাটো এৰাই চলিব নোৱাৰো। অধিকাংশ মানুহেই ঈশ্বৰক এক অতিপ্ৰাকৃতিক সত্বা বুলি বিশ্বাস কৰে। ঈশ্বৰ প্ৰাকৃতিক প্ৰক্ৰিয়াবোৰৰ সমগ্ৰতাৰ উৰ্দ্ধত। তেওঁ সৰ্বজ্ঞ (Omnisient), সৰ্বশক্তিমান (Omnipotent) আৰু সৰ্বময় (Omnipresent)। ঈশ্বৰৰ আন এটা বৈশিষ্ট্য আছে। ঈশ্বৰ দয়ালু। ঈশ্বৰত বিশ্বাস থকা সকলো ব্যৱস্থাকে আস্তিক (theism) বোলা হয়। আনহাতে ঈশ্বৰ অস্তিত্বক বিশ্বাস নকৰা ব্যৱস্থাবোৰক নাস্তিক (atheism) বোলা হয়। দেখা গৈছে যে দুটামান ব্যৱস্থাৰ বাহিৰে বাকী আটাইবোৰে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰে। আস্তিক সকলে দৃঢ়ভাৱে বিশ্বাস কৰে যে এজনা ঈশ্বৰ আছে যিজনা এই বিশ্বৰ সৃষ্টিকৰ্তা, প্ৰবৰ্তক আৰু বিনাশক। ঈশ্বৰৰ কিছুমান অতিপ্ৰাকৃতিক শক্তি আছে আৰু তেওঁ অসীম।

দাৰ্শনিকসকলে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় বহুতো প্ৰমাণ বাহিৰ কৰিছে। দৰ্শনত আমি এই প্ৰমাণবোৰকো অন্য যিকোনো ধৰণৰ যুক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য তৰ্ক আৰু ন্যায়সংগতাৰ স্বীকৃত মানবোৰেৰে মূল্যায়ন কৰি চাও। অৰ্থাৎ, ঈশ্বৰত বিশ্বাস থাকিবলৈ হ'লে আমাক ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় কিছুমান প্ৰমাণৰ প্ৰয়োজন। বিষয়টো সন্দৰ্ভত বিভিন্ন দাৰ্শনিকে বিভিন্ন যুক্তি আগবঢ়াইছে তেনে যুক্তি কেইটামান হ'ল-

(১) জগৎকাৰণ যুক্তি / কাৰ্যকাৰণ যুক্তি / আদিকাৰণ যুক্তি

(২) তাত্ত্বিক যুক্তি (Ontological Argument)

(৩) প্ৰয়োজনবাদী যুক্তি ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তি (Design Argument)

(৪) নৈতিক যুক্তি



জানি থোৱা ভাল

সৰ্বময় (Omnipresence)ঃ ঈশ্বৰৰ সকলো স্থানতে একে সময়তে বিৰাজ কৰিব পৰা ক্ষমতা

সৰ্বজ্ঞ (Omniscient)ঃ ঈশ্বৰৰ সকলো কথা জনাৰ ক্ষমতা

সৰ্বশক্তিমান (Omnipotent) ঃ সৰ্বশক্তিমান বুজোৱা ইংৰাজী শব্দ Omnipotent মূল হ'ল দুটা লেটিন শব্দ (Omni আৰু potent)- ইয়াৰ অৰ্থ হ'ল 'সকলো ক্ষমতা /শক্তিৰ অধিকাৰী'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ঈশ্বৰৰ অস্তিত্বৰ পৰম্পৰাগত প্ৰমাণবোৰ কি কি?

.....

.....

.....

.....

১২.৩ কার্যকাৰণ যুক্তি / আদিকাৰণ যুক্তি / জগৎকাৰণ যুক্তি

জগৎকাৰণ যুক্তিৰ প্ৰাৰম্ভিক ৰূপটো প্লেটে'ই বিকশিত কৰিছিল। জগৎকাৰণ যুক্তিক ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ প্ৰচলিত এটা পৰম্পৰাগত যুক্তি বুলি কোৱা হয়। এই যুক্তিটো নিগমনাত্মক। এই বিশ্বখন এটা ঘটনা অথবা এক প্ৰভাৱ (an event, or effect)- এই ধাৰণাটো হ'ল যুক্তিটোৰ ভেটি। সেয়েহে বিশ্বৰ নিজৰ বাহিৰত এনে এক কাৰণ থাকিব লাগিব যিটো বিশ্বৰ অস্তিত্ব সৃষ্টিৰ বাবে পৰ্যাপ্তৰূপে দায়ী। জগৎকাৰণ যুক্তিৰ ব্যাপক অৰ্থ হ'ল বিশ্বৰ পৰা ঈশ্বৰ অভিমুখী যিকোনো আস্তিক যুক্তিয়েই জগৎকাৰণ যুক্তি। এই যুক্তিয়ে ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তি (Design Arguments) কো সামৰি লয়। এই যুক্তি অনুসৰি সকলো স্বাভাৱিক বস্তুৰেই নিজ অস্তিত্বৰ বাবে অন্য কিহবাৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ নিৰ্ভৰশীল সত্বাবোৰৰ সমগ্ৰটোৱে তেনেহ'লে এক অ-নিৰ্ভৰশীল অথবা অৱশ্যম্ভাৱী অস্তিত্বৰ ওপৰত নিৰ্ভৰ কৰে। এই অ-নিৰ্ভৰশীল অথবা অৱশ্যম্ভাৱী অস্তিত্বটোৱেই হ'ল ঈশ্বৰ।



জানি থোৱা ভাল

বিশ্বতত্ত্ব (Cosmology)ঃ বিশ্ব-ব্ৰহ্মাণ্ডৰ উৎপত্তি আৰু সংৰচনাৰ অধ্যয়নকে বিশ্বতত্ত্ব বোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ একুইনাচৰ মতে আদিকাৰণ কি?

.....

.....

.....

.....

১২.৩.১ আদিকাৰণ যুক্তি (The First Cause)

যিসকলে ঈশ্বৰক বিশ্ব-ব্ৰহ্মাণ্ডৰ আদি কাৰণ বুলি বিশ্বাস কৰে তেওঁলোকে প্ৰথমে আদি কাৰণৰ প্ৰকৃতি নিৰ্ধাৰণ কৰি ল'ব লাগিব। এই প্ৰকৃতি বুজিবলৈ হ'লে এটা কাৰণ অথবা একাধিক কাৰণৰ এটা শৃংখলা থাকিব লাগিব যিটো অথবা যিবোৰ কাৰণ সম্পৰ্কে আমি অভিজ্ঞতা লাভ কৰোঁ। ঈশ্বৰ নিমিত্ত কাৰণ নে উপাদান কাৰণ? হয়তো ঈশ্বৰ দুয়োটাই- তেওঁৰেই বিশ্ব-ব্ৰহ্মাণ্ডৰ নিমিত্ত আৰু উপাদান কাৰণ।

জগৎ যুক্তি বোলা অভিধাটো বহুকেইটা পাৰস্পৰিক সম্পৰ্ক থকা যুক্তি সমষ্টিৰ ক্ষেত্ৰত প্ৰযোজ্য। ইয়াৰে প্ৰতিটো যুক্তিৰেই ব্ৰহ্মাণ্ড অথবা বিশ্ব-চৰাচৰৰ নিৰীক্ষণ কৰা (অথবা অন্যথা সুস্পষ্ট) বৈশিষ্ট্যৰে সূত্ৰপাত হয়। সূত্ৰবোৰে এইয়া বুজাবলৈ চেষ্টা কৰে যে বিশ্ব-ব্ৰহ্মাণ্ডৰ এই বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰাৰ একমাত্ৰ উপায় হ'ল ঈশ্বৰৰ অস্তিতক স্বতঃসিদ্ধ বুলি গ্ৰহণ কৰা। এনে যুক্তিবোৰত সততে ব্যৱহৃত বৈশিষ্ট্য দুটামান হ'ল গতি, কাৰণ আৰু প্ৰভাৱ, নৈমিত্তিকতা ইত্যাদি। তলত জগৎকাৰণ যুক্তিৰ এটা ক্ষুদ্ৰ ৰূপ উদাহৰণ হিচাপে তুলি দিয়া হ'ল-

(১) বস্তুয়ে লৰচৰ কৰে;

বস্তুবোৰে নিজে লৰচৰ নকৰে;

বস্তুবোৰ লৰচৰ কৰাওঁতাসকলে নিজে বস্তুবোৰ লৰচৰ নকৰে;

এই লৰচৰ কৰাওঁতাসকলৰ শৃংখলাটো সমীম হ'ব নোৱাৰে;

এতেকে, ইয়াত নিশ্চয় এগৰাকী প্ৰথম অলৰ-অচৰ লৰচৰ কৰাওঁতা আছে,

যাক আমি ঈশ্বৰ বুলি কওঁ।

(২) বেছিভাগ বস্তুৱেই হ'ল ফলাফল;

সিহঁতৰ কাৰণবোৰো আকৌ ফলাফল;

এই কাৰণ ফলাফল শৃংখলাটো সমীম হ'ব নোৱাৰে;

এতেকে, ইয়াত নিশ্চয় এটা প্ৰথম অ-কাৰণকৃত কাৰণ আছে,

ইয়াকেই আমি ঈশ্বৰ বুলি কওঁ।

ওপৰত উল্লেখ কৰা যুক্তিবোৰে নিজৰ সমৰ্থনত অথবা বিৰুদ্ধে, বন্ধুসুলভ অথবা অবন্ধুসুলভ বিভিন্ন প্ৰকাৰৰ কিন্তু হাজাৰ হাজাৰ পৃষ্ঠা জোৰা টীকা-টিপ্পনীৰ সৃষ্টি কৰিছে। সমসাময়িক দাৰ্শনিক কেইগৰাকীমানেহে এই যুক্তিবোৰ সমৰ্থন কৰিছে বুলি কোৱাটো হয়তো উচিত হ'ব। ই বস্তু অথবা ঘটনাৰ এক সুনিৰ্দিষ্ট বৈশিষ্ট্যৰ পৰা ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ দাবী জনায়। এই যুক্তিবোৰৰ নিৰ্ভৰশীল উৎসৰ লগতে চৰ্তসাপেক্ষ অথবা আপতিত অস্তিত্ব আছে। যেনে, মই মোৰ নিজ অস্তিত্বৰ কাৰণ নহয়। মোৰ বাহিৰৰ কিহবাৰ দ্বাৰা মোৰ অস্তিত্ব সৃষ্টি হৈছে অথবা মোৰ বাহিৰৰ কিহবাৰ ওপৰত মোৰ অস্তিত্ব নিৰ্ভৰশীল। মোৰ পিতৃ-মাতৃৰ ওপৰত মোৰ জন্ম নিৰ্ভৰশীল আৰু মোৰ পিতৃ-মাতৃৰ জন্ম তেওঁলোকৰ পিতৃ-মাতৃসকলৰ ওপৰত নিৰ্ভৰশীল আৰু এনেকৈয়ে আমি যিমানদূৰ সম্ভৱ যুক্তি আগবঢ়াই লৈ গৈ থাকিব পাৰোঁ। এই অন্তহীন কাৰ্যকাৰণ শৃংখলাটোত মোৰ জন্মৰ কোনো সন্তোষজনক ব্যাখ্যা বিচাৰি উলিয়াব নোৱাৰিম। কাৰ্যকাৰণ নীতিয়ে সেয়েহে দাবী কৰে যে আমি সত্বা এটাক এনে এক কাৰণ হিচাপে ধৰি লোৱা উচিত যিটো আন কোনো অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল নহয় আৰু যিটো স্বয়ংসম্পূৰ্ণ। সেই সত্বাটোৱেই হ'ল ঈশ্বৰ।

এই যুক্তিটো পৰৱৰ্তী সময়ত সুদৃঢ় হৈ গৈ আছে। যুক্তিটোৱে আঙুলিয়াই দেখুৱাইছে যে আমি এয়া মানি ল'ব পাৰোঁ যে এই ব্ৰহ্মাণ্ডখনৰ ঘটনাবোৰৰ কাৰ্যকাৰণমূলক ব্যাখ্যা ব্ৰহ্মাণ্ডৰ অন্য ঘটনাবোৰ মাজত আছে। সেই ব্যাখ্যা হ'ল ব্ৰহ্মাণ্ডখন নিজেই। কাৰ্যকাৰণ নীতিয়ে আমাক ব্ৰহ্মাণ্ড নামৰ ঘটনাবোৰৰ সমুদায় শৃংখলাটোৰ কাৰণ হিচাবে ঈশ্বৰক গ্ৰহণ কৰিবলৈ দাবী জনায়। এই কথা স্পষ্ট যে এই যুক্তিটো কাৰ্যকাৰণবাদী নীতিৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থাৎ, কাৰণ আৰু ফলাফলৰ শৃংখলাটোৰ এনে এটা কাৰণ থাকিব লাগিব যিটো শৃংখলাটোৰ বাহিৰৰ আৰু যিটো কাৰণ নিজে অ-কাৰণকৃত। তাকেই ঈশ্বৰ বোলা হয়।



জানি থোৱা ভাল

জগৎ (Cosmos)ঃ (গ্ৰীক Kosmos)- সমগ্ৰ পৃথিৱীখন; বিশেষকৈ ভাগ্য, নিয়তি, ন্যায়, ঐশ্বৰিক নিৰ্দেশ অথবা যুক্তিসংগত প্ৰয়োজনীয়তা যিহৱেই আধাৰত নহওক কিয়, জগৎ হ'ল এক শৃংখলাৱদ্ধ আৰু আইনৰ দ্বাৰা নিয়ন্ত্ৰিত ধাৰণা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক-

(ক) এই কথা স্পষ্ট যে এই যুক্তিটো কাৰ্যকাৰণবাদী নীতিৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থাৎ, কাৰণ ৰূ ফলাফলৰ শৃংখলাটোৰ এনে এটা কাৰণ থাকিব লাগিব যিটো শৃংখলাটোৰ বাহিৰৰ আৰু যিটো কাৰণ নিজে অ-কাৰণকৃত, তাকেই..... বোলা হয়।

(খ) যিসকলে ঈশ্বৰক বিশ্ব-ব্ৰহ্মাণ্ডৰ আদি কাৰণ বুলি বিশ্বাস কৰে তেওঁলোকে প্ৰথমে.....ৰ প্ৰকৃতি নিৰ্ধাৰণ কৰি ল'ব লাগিব।

১২.৩.২ এৰিষ্টটলৰ আদিকাৰণ যুক্তি

কেথ'লিক ধৰ্মশাস্ত্ৰবিদসকলৰ উপস্থাপন অনুসৰি এৰিষ্টটলীয়- থ'মষ্টিক (Thomistic) পৰম্পৰাত ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় জগৎকাৰণ যুক্তিটোত যথেষ্ট জোৰ দিয়া হয়। এই পৰম্পৰাই দৃঢ়ভাৱে কয় যে আমি যথাৰ্থতাৰ আকস্মিক আৰু অনিবাৰ্য বৈশিষ্ট্যবোৰৰ মাজৰ পাৰ্থক্য অথবা অভিজ্ঞতাৰ অস্থায়ী আৰু স্থায়ী বিষয়ৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰিব পাৰিব লাগিব। প্ৰতিটো ঘটনা আৰু পৰিৱৰ্তনেই একোটা কাৰণৰ পূৰ্বানুমান। যুক্তিযুক্তভাৱে, আমি এক অ-কাৰণকৃত (uncaused), স্ব-অস্তিত্ব বৰ্তাই ৰখা কাৰণ অথবা স্ব-অস্তিত্ব বৰ্তাই ৰখা সত্বাৰ কাষলৈ ঘুৰি যাব লাগিব। অৰ্থাৎ, ঈশ্বৰ এই নীতিত অন্তৰ্ভূক্ত। ঈশ্বৰ হ'ল এই ব্ৰহ্মাণ্ডৰ শৃংখলাৱদ্ধ বিকাশৰ চৰ্ত আৰু স্থায়ী উৎস অথবা আধাৰ।

এৰিষ্টটলে পোন প্ৰথমে পাশ্চাত্যত জগৎকাৰণ যুক্তিটো স্পষ্ট ৰূপত দাঙি ধৰিছিল। তেৱেঁই অবিচল সঞ্চালক (unmoved mover) ৰ ধাৰণাটোৰো জনক। এৰিষ্টটলৰ মতে সৃষ্টিৰ আদি কাৰণটো হ'ল 'প্ৰথম সঞ্চালক' (the First Mover) অথবা 'মুখ্য সঞ্চালক' (the Prime Mover)। তেওঁ বাস্তৱিকতা আৰু সম্ভাব্যতাৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰিছিল। এইবোৰ পাৰ্থক্যৰ ভিত্তিত এৰিষ্টটল এই সিদ্ধান্তত

উপনীত হৈছিল যে সম্ভাব্যতা হ'ল যুক্তিযুক্তভাৱে কোনো বাস্তৱিকতাৰ পূৰ্বৰূপ। পৰিৱৰ্তনৰ যথাৰ্থতা (the fact of change) কোনো প্ৰকৃত, সম্ভাব্যতাৰ কোনো মিশ্ৰণ নথকা বিশুদ্ধ বাস্তৱিকতাৰ অস্তিত্বৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব লাগিব। এৰিষ্টটলৰ মতে বিশুদ্ধ বাস্তৱিকতাই হ'ল ঈশ্বৰ। তেওঁৰ বাবে আদিকাৰণ যুক্তিকেই জগৎকাৰণিক জনা যায়। কাৰণ, তেওঁৰ মতে যি ঘটে প্ৰতিটোৰে একোটা কাৰণ থাকে। এই কাৰণৰো আকৌ একোটা কাৰণ থাকে। এনেকৈয়ে এটা অসীম শৃংখলাৰ সৃষ্টি হয়। সেই অসীম কাৰণটোকে, আদি কাৰণ নামেৰে জনা যায়।

জানি থোৱা ভাল



এৰিষ্টটল (৩৮৪-৩২২ খৃষ্টপূৰ্ব)ঃ গ্ৰীক দাৰ্শনিক। তেওঁ প্ৰাকৃতিক জগতখনৰ বিষয়ে অনুসন্ধান কৰাৰ এক পৰ্যবেক্ষণমূলক আৰু যুক্তিযুক্ত পদ্ধতি বিকশিত কৰিছিল।

থ'মেছিম (Thomism)ঃ একুইনাচৰ দৰ্শন। কেথ' লিক পৰম্পৰাৰ ভেটিত এই দৰ্শনৰ বিকাশ **ঘটিছিল**।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ এৰিষ্টটলৰ মতে সৃষ্টিৰ আদিকাৰণটো কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) এৰিষ্টটলে পাশ্চাত্যত পোন প্ৰথমে জগৎকাৰণ যুক্তিটো স্পষ্ট ৰূপত দাঙি ধৰিছিল। (সঁচা/ মিছা)

(খ) এৰিষ্টটলে বাস্তৱিকতা আৰু সম্ভাব্যতাৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰিছিল। (সঁচা/ মিছা)

১৩.৩.৩ ৰাছেলৰ দৃষ্টিভংগী

মহান দাৰ্শনিক বাট্ৰাণ্ড ৰাছেলে এটা উদাহৰণৰ সহায়ত নিজৰ দৃষ্টিভংগী স্পষ্ট কৰিছিল। আমাৰ প্ৰত্যেকৰে এগৰাকীকৈ মাতৃ আছে। কিন্তু মানৱ জাতিটোৰ অথবা আটাইবোৰ মানুহৰ মাতৃ কোন বুলি সোধাটো এটা অৰ্থহীন কথা। আটাইবোৰ মানুহকে সামৰি সৃষ্টি হোৱা সম্পূৰ্ণতাটো মাত্ৰ এগৰাকী ব্যক্তি নহয় যে ইয়াৰ কাৰণটো কি বুলি সোধাটো অৰ্থপূৰ্ণ হ'ব। যিহেতু বস্তু আৰু ঘটনাৰ সমগ্ৰতাকে ব্ৰহ্মাণ্ড বুলি কোৱা হয়, সেয়েহে ইয়াৰ কাৰণ সোধাটো অৰ্থহীন। কিন্তু ঈশ্বৰৰ অস্তিত্বৰ কাৰম সোধাটো হ'ল এক অৰ্থপূৰ্ণ কাৰ্য। কাৰণ, ঈশ্বৰ হ'ল এক সত্বা। ৰাছেলে কৈছে যে প্ৰতিগৰাকী ব্যক্তিৰে এগৰাকী পিতৃ অথবা মাতৃ থাকে বুলি আমি ক'ব পাৰোঁ, কিন্তু মানৱীয়তাৰ (humanity) পিতৃ অথবা মাতৃ থাকে বুলি আমি কোনোপধ্যে ক'ব নোৱাৰো। সেয়েহে ৰাছেলে এই মত পোষণ কৰিছিল যে প্ৰতিটো ঘটনাৰে একোটা কাৰণ থাকে, কিন্তু ঘটনাৰ সমগ্ৰতাটোৰ কোনো কাৰণ নাথাকিবও পাৰে। সেয়েহে কিছুমান আস্তিকে এই পৰিস্থিতিৰ পৰা বাহিৰ ওলোৱাৰ চেষ্টা কৰে। তেওঁলোকৰ মতে ঈশ্বৰ এক সত্বা নহয়, এক অস্তিত্ব নহয়, ঈশ্বৰ অস্তিত্ববোৰৰ অস্তিত্ব। ঈশ্বৰ সকলো সত্বাৰে আধাৰ।



জানি থোৱা ভাল

ৰাছেল (১৮৭২-১৯৭০)ঃ ইংৰাজ গণিতজ্ঞ আৰু দাৰ্শনিক। তেওঁ বিভিন্ন বিষয়ক লৈ লেখা-মেলা কৰিছিল। আনুষ্ঠানিক তৰ্কবিজ্ঞানৰ প্ৰতি মনোযোগ আৰু গণিতৰ দৰ্শন, জ্ঞানমীমাংসা আৰু অধিবিদ্যা, অজনপ্ৰিয় ৰাজনৈতিক কাৰণত প্ৰতি গভীৰ দায়ৱদ্ধতা আদি আছিল তেওঁৰ লেখনীৰ বিষয়বস্তু।

১২.৩.৪ আপতিত ঘটনাৰ পৰা লোৱা যুক্তি /থ'মাছ একুইনাচৰ দৃষ্টিভংগী

জগৎকাৰণ যুক্তিয়ে আপতিত ঘটনাৰ পৰা গঢ়া অনুমানটো হ'ল অস্তিত্বৰ পূৰ্বৰূপ হ'ল অন্তৰসত্বা অথবা ধাৰণা। এই ক্ষেত্ৰত একুইনাচৰ দাবী হ'ল ঈশ্বৰৰ অন্তৰসত্বাৰ দ্বাৰা ঈশ্বৰৰ অস্তিত্ব সূচাব পৰা নাযায়, কিন্তু ঈশ্বৰৰ অন্তৰসত্বা আৰু অস্তিত্ব একেটাই বস্তু। ঈশ্বৰৰ অস্তিত্বৰ কাৰ্যকাৰণবাদী যুক্তিটো আগবঢ়াইছিল। থ'মাছ একুইনাচে। তেওঁৰ মতে আমাৰ চৌপাশৰ পৃথিৱীখনৰ কিছুমান সাধাৰণ বৈশিষ্ট্য আছে আৰু এই নিৰ্দিষ্ট বৈশিষ্ট্যবোৰ নাথাকিলে আৰু ঈশ্বৰ বোলা পৰম বাস্তৱিকতা নাথাকিলে পৃথিৱীৰ কোনো অস্তিত্ব নাথাকিলহেঁতেন। একুইনাচে ভাবিছিল যে যদি আমি ঘটনাৰ শৃংখলা এটাত আৰম্ভণিটো চিনাক্ত কৰিব নোৱাৰো তেন্তে পৃথিৱীত বস্তুৰ উপস্থিতিৰ কাৰণো ব্যাখ্যা কৰিব নোৱাৰিম। একুইনাচৰ মতে এটা অসীম শৃংখলা হ'ল কেৱল মাত্ৰ এটা সুদীৰ্ঘ শৃংখলা। কিন্তু এটা শৃংখলা যিমানেই দীঘল নহওক কিয় ই এক অসীম শৃংখলা হ'ব

নোৱাৰে। ঈশ্বৰক অস্বীকাৰ কৰা মানে হ'ল শৃংখলা হ'ব নোৱাৰে। ঈশ্বৰক অস্বীকাৰ কৰা মানে হ'ল শৃংখলাবোৰৰ কোনো প্ৰথম নম্বৰ নাই বুলি কোৱা কথাটোৰ দৰে হ'ব। এইটো আকৌ পূৰ্বৰ কোনো কাৰণৰ ফলাফল নাই বোলাৰ দৰে হ'ব। এটা অসীম শৃংখলাত কোনো ঘটনাই কাৰণ অবিহনে সংঘটিত নহয়, যিটো ঘটনাৰ কাৰণ নাই বুলি কোৱা হয় সেই ঘটনাটো যি নিজে কোনো এক ফলাফল নহয় তেনে কিহবাই সংঘটিত কৰে। কাৰ্যকাৰণবাদী যুক্তিটো একুইনাচৰ দ্বিতীয় ধাৰণাটোৰ ওপৰত আধাৰিত। তেওঁৰ দ্বিতীয় ধাৰণাটোক আদি কাৰণ যুক্তি বোলা হয়। ট'মাছ একুইনাচৰ মতে প্ৰতিটো সংঘটনা অথবা ঘটনাৰে একোটা কাৰণ থাকে আৰু এই কাৰণো অন্য এটা কাৰণৰ ওপৰত আধাৰিত। অৰ্থাৎ বিভিন্ন ঘটনাৰ কাৰণৰ সৈতে আৰু কাৰণৰ আন কাৰণৰ সৈতে সম্পৰ্ক থাকে। একুইনাচে ঐশ্বৰিক অস্তিত্ব প্ৰমাণৰ পাঁচটা উপায় আগবঢ়াইছে। উপায় কেইটা হ'ল-

১) পৰিৱৰ্তনৰ যথাৰ্থতাৰ পৰা এক মুখ্য সঞ্চালকলৈ যোৱা

২) কাৰণতা / হেতুতাৰ পৰা এটা আদি কাৰণলৈ যোৱা

৩) আপতিত সত্বাৰ পৰা এটা প্ৰয়োজনীয় সত্বালৈ যোৱা

৪) প্ৰমূল্যৰ মাত্ৰাৰ পৰা পৰম প্ৰমূল্যলৈ যোৱা

৫) প্ৰকৃতিৰ উদ্দেশ্যপূৰ্ণতাৰ প্ৰমাণৰ পৰা এক ঐশ্বৰিক আৰ্হিকাৰলৈ যোৱা।

একুইনাচে কৈছিল যে এই কাৰণতা/ হেতুতাৰ শৃংখলাবোৰৰ এটা আৰম্ভণি বিন্দু থাকিবই লাগিব। তেওঁৰ মতে কাৰণ অথবা আদি কাৰণৰ এই আৰম্ভণি বিন্দুটোৱেই হ'ল ঈশ্বৰ। একুইনাচৰ তৃতীয় ধাৰণাটো হ'ল পৃথিৱীৰ সম্ভাব্যতা। ইয়াক জগৎকাৰণ যুক্তি বুলিও জনা যায়। এই যুক্তিয়ে কাৰ্যকাৰণবাদী যুক্তিটো এটা ভিন্ন পদ্ধতিৰে গঠন কৰে। একুইনাচৰ মতে পৃথিৱীৰ আমি বিষয়ক সকলো কথা আপতিত। প্ৰতিটো কাৰণৰ ক্ষেত্ৰতে এইটো সত্য যে কাৰণটোৰ কোনো অস্তিত্বই নাথাকিব পাৰে অথবা কাৰণটোৰ ভিন্ন ধৰণৰ অস্তিত্ব থাকিব পাৰে। ইয়াৰ প্ৰমাণ হ'ল এনেকুৱা এটা সময় আছিল যেতিয়া কাৰণৰ অস্তিত্ব নাছিল। তেওঁৰ মতে প্ৰতিটো কথাই ইয়াৰ পূৰ্ববৰ্তী কাৰকৰ ওপৰত নিৰ্ভৰশীল আৰু প্ৰতিটো কথাই নিজৰ গণ্ডী চেৰাই গৈ অন্য কথালৈ আঙুলিয়াই দেখুৱায়। তেওঁ বিশ্বাস কৰিছিল যে আমি যদি আপতিত সম্পৰ্ক বিবেচনা কৰি পিচলৈ উভতি চাও তেন্তে দেখিম যে এটা সময় আছিল যেতিয়া একোৱেই অস্তিত্ব নাছিল। যিহেতু অস্তিত্ব থকা বস্তু আছে সেয়েহে এনে কিবা বস্তুও নিশ্চয় আছে যিটো আপতিত নহয় আৰু সেয়াই ঈশ্বৰ। একুইনাচৰ যুক্তিক সৰলভাৱে তলৰ পৰ্যায়বোৰৰ জৰিয়তে বুজিব পাৰি-

১) পৃথিৱীৰ সকলো বস্তুৱেই আপতিত, যিবোৰ এটাৰ পাচত এটাকৈ, সকলোবোৰৰে প্ৰতিটোৱেই, এটা সময়ত নাইকিয়া হয়।

২) যদি যিকোনো এক সময়ত এক সম্পুৰ্ণ শূন্যতাই বিৰাজ কৰিছিল, তেন্তে এতিয়াও এক শূন্যতাই বিৰাজ কৰি থকা উচিত আছিল, কাৰণ একো নথকাৰ পৰা একোৰেই সৃষ্টি হ'ব নোৱাৰে।

৩) সময়ৰ সমীম শৃংখলাত, সকলো বস্তুৰেই, এটাৰ পাচত এটাকৈ, এটা সময়ত অস্তিত্বহীন হৈ পৰে। সেয়েহে, এটা সময়ত, এই সময়ত, একোৰেই থাকিব নালাগিছিল। অৰ্থাৎ, এই সময়ত ইয়াত এক সম্পূৰ্ণ শূন্যতা বিৰাজ কৰিব লাগিছিল।

৪) কিন্তু কিবা এটা আছে। সেয়েহে আমি ক'ব পাৰোঁ যে এই কিবা এটা আন কিবা এটাৰ ওপৰত আধাৰিত যিটো আপতিত নহয়, অৰ্থাৎ ই এক সত্ত্বা, যিটো কোনো সময়তে অস্তিত্বহীন হৈ সময়ৰ অসীম শৃংখলাত পৰিণত হ'ব নোৱাৰে।

৫) এই 'কিবা এটা', যিটোৰ নিজ অস্তিত্বৰ ভেটি আছে হ'ল এক প্ৰয়োজনীয় সত্ত্বা। এই প্ৰয়োজনীয় সত্ত্বাটো হ'ল সকলো আপতিত অনিশ্চিত বস্তুৰ আধাৰ হ'ল এই প্ৰয়োজনীয় সত্ত্বা আৰু ই সময়ৰ অসীম শৃংখলাত বস্তুবোৰক অস্তিত্বহীন হৈ পৰিবলৈ নিদিয়ে।

৬) এই প্ৰয়োজনীয় সত্ত্বাটোকে ঈশ্বৰ বোলা হয়।



জানি থোৱা ভাল

থ'মাছ একুইনাচ ঃ ইটালীয় ড'মিনিকান দার্শনিক আৰু ধর্মশাস্ত্রবিদ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ঐশ্বৰিক অস্তিত্ব প্ৰমাণ কৰিবলৈ একুইনাচে আগবঢ়োৱা উপায় পাঁচটা কি কি?

.....

.....

.....

.....

১২.৩.৫ থ'মিষ্টৰ দৃষ্টিভংগী

একুইনাচৰ অনুগামীসকলক থ'মিষ্ট নামেৰে জনা যায়। তেওঁলোকে পূৰ্বৰ শিতানত আলোচনা কৰা একুইনাচৰ দৃষ্টিভংগীটোৰ সংশোধন ঘটাইছিল। থ'মিষ্টসকলে কাৰণৰ শৃংখলাটোক ব্যাখ্যাৰ এক অনন্ত আৰু চিৰদিনেই অনিশ্চিত প্ৰত্যাৱৰ্তন বুলি বিবেচনা কৰিছিল। তেওঁলোকৰ মতে যদি যথাৰ্থতা A ক ইয়াৰ B,C আৰু D ৰ সৈতে থকা সম্পৰ্কৰ দ্বাৰা বোধগম্য কৰোৱা হয়, তেন্তে ইয়াৰ বিপৰীতে B,C আৰু Dৰ প্ৰতিটোৱেই অন্য যথাৰ্থতাৰ দ্বাৰা বোধগম্য হ'ব। এই যৌগিক ব্যাখ্যাৰ আঁৰত এনে এক বাস্তৱিকতা থাকিব লাগিব যিটো স্ব-ব্যাখ্যামূলক। এই বাস্তৱিকতাই সামগ্ৰিকৰ চূড়ান্ত ব্যাখ্যা গঠন কৰে। তেওঁলোকৰ মতে এই বাস্তৱিকতাই হ'ল ঈশ্বৰ। ঈশ্বৰৰ অস্তিত্ব নাথাকিলে এই ব্ৰহ্মাণ্ডখন এক এবোধগম্য ৰূঢ় যথাৰ্থতা হৈ পৰিব।

থ'মিষ্টসকলে পৃথিৱী আৰু ঈশ্বৰৰ সম্পৰ্কটোক এটা ঘড়ীৰ সৈতে তুলনা কৰে। তেওঁলোকৰ মতে যদিও এটা ঘড়ীৰ বিভিন্ন অংশ থাকে তথাপি ইয়াৰ ইণ্টাৰল'কিং চকাটোৱে ঘড়ীৰ স্প্ৰীংডালৰ দ্বাৰাহে গতিশীলতা লাভ কৰে। একেদৰে সম্ভাব্য বাস্তৱৰ পৃথিৱী এখন হ'বলৈ তাত কিছুমান অ-সম্ভাব্য বাস্তৱ থাকিব লাগিব আৰু তেনে বাস্তৱৰ অস্তিত্বৰ একোটা অ-সম্ভাব্য আধাৰ থাকিব লাগিব। নিজ সত্বাৰ উৎস নিজৰ মাজতে ধৰি ৰখা স্ব-অস্তিত্ব বৰ্তাই ৰখা বাস্তৱ এটাইহে অন্য যিকোনো অস্তিত্বৰ পৰম আধাৰ গঢ়িব পাৰে। থ'মিষ্টসকলৰ মতে এনে চৰম আধাৰ এটাই হ'ল 'প্ৰয়োজনীয় সত্বা' (necessary being) যাক ঈশ্বৰ বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

(৭) খালী ঠাই পূৰণ কৰকঃ

(ক) থ'মিষ্টসকলে পৃথিৱী আৰু ঈশ্বৰৰ সম্পৰ্কক এটা .....ৰ সৈতে তুলনা কৰে।

(খ) থ'মিষ্টসকলৰ মতে এনে চৰম আধাৰ এটাই হ'ল .....যাক ঈশ্বৰ বুলি কোৱা হয়।

১২.৩.৬ জগৎকাৰণ যুক্তিৰ কেইটামান পৰ্যায়

দাৰ্শনিকসকলৰ মতে যদিও কাৰণৰ বহুতো শৃংখলা আছে তথাপিও ঈশ্বৰ এই সকলো কাৰণৰ উৰ্দ্ধত। তেওঁ একো নথকা অৱস্থা এটাৰ পৰা ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিছে আৰু

ইয়াৰ দ্বাৰা প্ৰথম ঘটনাটো সংঘটিত কৰিছে। ইয়াৰ পাচতেই সকলো ঘটনা ঘটিবলৈ আৰম্ভ কৰিছে। অৰ্থাৎ, অতীত ঢুকি পোৱা ঘটনাৰ শৃংখলাবোৰ ঈশ্বৰত আহি স্তব্ধ হৈছে। কাৰ্যকাৰণবাদী যুক্তিৰ সমৰ্থকসকলৰ মতে ঈশ্বৰ হ'ল ব্ৰহ্মাণ্ডৰ মূল কাৰণ। ঈশ্বৰ সৰ্বশক্তিমান, সেয়েহে তেওঁ ব্ৰহ্মাণ্ড সৃষ্টি কৰিব পাৰে। বৰ্তমান এটা গুৰুত্বপূৰ্ণ নব্য-থ'মিষ্ট চিন্তাবিদৰ দলৰ উত্থান ঘটিছে। তেওঁলোকৰ মতে জগৎকাৰণ যুক্তিৰ কেইবাটাও বৈধ ৰূপ আছে। এই দৃষ্টিভংগীৰ সৈতে জড়িত কেইটামান সবাতোকৈ গুৰুত্বপূৰ্ণ লেখনীৰ বিষয়ে টোকাত উল্লেখ কৰা হৈছে।

জগৎকাৰণ যুক্তিৰ তলত উল্লেখ কৰা পৰ্যায়বোৰ থাকেঃ

১) প্ৰতিটো ঘটনাৰে একোটা কাৰণ থাকে, আৰু পৃথিৱীৰ কোনো ঘটনাই কাৰণ অবিহনে সংঘটিত হ'ব নোৱাৰে।

২) ঘটনা ঘটিয়েই থাকে। বৰ্তমানৰ ঘটনা A ৰ কাৰণ হ'ল অতীতৰ ঘটনা B, আৰু Bৰ কাৰণ হ'ল C, C ৰ কাৰণ হ'ল D ইত্যাদি।

৩) এইটো সুস্পষ্ট যে কাৰ্যকাৰণৰ শৃংখলাটো অন্তহীন। কিন্তু কাৰ্য আৰু কাৰণৰ সমগ্ৰ শৃংখলাটো বুজিবলৈ আমি এটা আদি কাৰণ ধৰি ল'ব লাগিব, আৰু এই কাৰণটো আন কোনো কাৰণৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নোৱাৰিব।

৪) আদি কাৰণটোৱে কাৰণ আৰু ফলাফলৰ সমগ্ৰ শৃংখলা এটাৰ সৃষ্টি কৰিব। এই কাৰণটো হ'ল 'সঞ্চালক' মাত্ৰ, ইয়াক আন একোৱেই সঞ্চালন কৰিব নোৱাৰে। এই মুখ্য সঞ্চালককে ঈশ্বৰ বুলি কোৱা হয়।

৫) অৰ্থাৎ, কাৰ্যকাৰণ শৃংখলাৰ জগতখন ব্যাখ্যা কৰাৰ বাবে ঈশ্বৰৰ প্ৰয়োজন হয়। ঈশ্বৰে নিজেই নিজৰ কাৰণৰূপে নিজ অস্তিত্ব বৰ্তাই ৰাখে আৰু জগতৰ কাৰণ হয়।



অগ্ৰগতি নিৰীক্ষণ

(৮) খালী ঠাই পূৰণ কৰাঃ

(ক) প্ৰতিটো.....ৰে এটা..... থাকে আৰু কাৰণ অবিহনে কোনো ঘটনা সংঘটিত নহয়।

(খ) ঘটনা.....থাকে।

১২.৩.৭ কাৰ্যকাৰণ যুক্তিৰ সমালোচনা

তলত দিয়া ধৰণে কাৰ্যকাৰণ যুক্তিটোক সমালোচনা কৰা হয়-

১) যদি আমি এই কথা মানি লওঁ যে প্ৰতিটো বস্তু অথবা কথাৰে একোটা কাৰণ আছে, তেন্তে ঈশ্বৰ কাৰণহীন হ'ব নোৱাৰে। হিউম আৰু তেওঁৰ অনুগামীসকলে সোধা প্ৰশ্ন কেইটামান হ'ল- যদি প্ৰতিটো ঘটনাৰে একোটা কাৰণ থাকিবই লগে তেন্তে তথাকথিত 'আদি কাৰণ'ৰ কাৰণ কি? আমি এয়া ধৰি ল'ব পাৰোঁ যে কাৰ্যকাৰণ শৃংখলা এটা আৰম্ভণি শূন্য।

২) কাৰণত্ব অথবা কাৰণ সম্পৰ্কে আমাৰ জ্ঞান সম্পূৰ্ণৰূপে অনিত্য স্থানিক (Spatio temporal) বস্তু, প্ৰক্ৰিয়া আৰু ঘটনা জগতখনৰ চাৰিসীমাৰ ভিতৰত আৱদ্ধ। যদি ঈশ্বৰ এই ব্ৰহ্মাণ্ডৰ কাৰণ, তেন্তে তেওঁ এই অনিত্য স্থানিক সম্পৰ্কৰ ভিতৰত সীমাৱদ্ধ হ'ব লাগিব। কিন্তু আমি ঈশ্বৰক এই সকলো কাৰকৰ উৰ্দ্ধত বুলি গণ্য কৰোঁ।

৩) প্ৰতিটো ঘটনাৰে একোটা নিৰ্দিষ্ট কাৰণ থাকে। এই ব্ৰহ্মাণ্ডখন বিভিন্ন ঘটনাৰ সংগ্ৰহ। সেয়েহে মাত্ৰ এজনা ঈশ্বৰ সকলো ঘটনাৰ সৈতে জড়িত হ'ব নোৱাৰে।

৪) এটা কাৰ্যকাৰণ শৃংখলাৰ প্ৰথম সদস্যজনা ঈশ্বৰ নহয়, তেওঁ শৃংখলা এটা কিয় গঠন হ'ল তাৰহে কাৰণ।

৫) ঈশ্বৰক সসীম কাৰ্যকাৰণ শৃংখলাৰ সৈতে সংলগ্ন কৰাটো এক জটিল কাম। যদি ঈশ্বৰ আদিকাৰণ, তেন্তে তেওঁ এক সমীম কাৰ্যকাৰণ শৃংখলাৰ অধীন। ইয়াৰ অৰ্থ হ'ল এক ফলাফল হিচাপে ঈশ্বৰৰো নিশ্চয় এটা কাৰণ আছে। যদি ঈশ্বৰ কাৰ্যকাৰণ শৃংখলাৰ উৰ্দ্ধত, তেন্তে তেওঁ আৰু তেওঁৰ সৃষ্টিৰ মাজত কোনো সম্পৰ্ক বিচাৰি উলিওৱাটো এক অসম্ভৱ কথা।

৬) প্ৰখ্যাত বৃটিছ অভিজ্ঞতাবাদী হিউমৰ মতে কাৰণ আৰু প্ৰভাৱ ফলাফল দুয়োটাই সীমিত। যদি এয়া সত্য হয় তেন্তে এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে ঈশ্বৰো সীমিত।

৭) কাণ্টৰ পৰ্যবেক্ষণ অধিক দুৰূহ। কাৰ্যকাৰণ যদি পৰিঘটনাৰ এটা শাখা হয়, তেন্ত ই আমাক পৰিঘটনাৰ উৰ্দ্ধলৈ নিব নোৱাৰে। আৰু পৰিঘটনাৰ ভিতৰতেই ঈশ্বৰৰ ধাৰণাটো সোমাই আছে। অৰ্থাৎ, ই সসীম প্ৰত্যাৱৰ্তন (finite regres) ৰ কথা সূচায়।

৮) আমি জানো যে দুটা কাৰণৰ মিলনতহে বস্তুৰ সৃষ্টি হয় ভৌতিক (material) আৰু পাৱদৰ্শী (efficient) কাৰণ। এৰিষ্টটলৰ মতে এটা মাটিৰ পাত্ৰৰ ক্ষেত্ৰত কুমাৰ

গৰাকী হ'ল পাৰদৰ্শী কাৰণ আৰু মাটি হ'ল ভৌতিক কাৰণ। যদি আমি ঈশ্বৰক ব্ৰহ্মাণ্ডৰ পাৰদৰ্শী অথবা নিমিত্ত কাৰণ বুলি কওঁ, তেন্তে ভৌতিক কাৰণ অথবা বিষয়ৰ সহায় অবিহনে সৃষ্টি কৰাতো ঈশ্বৰৰ পক্ষে অসম্ভৱ হ'লহেঁতেন।

৯) আস্তিকসকলে এই কথা মানি লৈছে যে ব্ৰহ্মাণ্ডৰ ঘটনা অধ্যয়নৰ সময়ত বিজ্ঞানে এনে কোনো 'আদি কাৰণ' বিচাৰি পোৱা নাই যিটো কোনো কাৰণৰ প্ৰভাৱ নহয়। কিন্তু তেওঁলোকে এই যুক্তি দৰ্শায় যে আমাৰ বোধগম্যতা (understanding) আমাৰ পৰীক্ষালব্ধ অভিজ্ঞতাতেই সীমাবদ্ধ নাথাকে। আমাৰ মনত একোটা পূৰ্ব কাৰণ থাকে যিটোৱে আমাক কয় যে প্ৰতিটো কথা আৰু কামৰে একোটা কাৰণ থাকে আৰু সেয়েহে এই পৃথিৱীখনৰো এটা কাৰণ থাকিবই লাগিব, নহ'লে পৃথিৱীখন অবোধগম্য হৈ ৰ'ব। আস্তিকসকলৰ প্ৰতি আমাৰ প্ৰশ্ন হ'ল তেওঁলোকে ঈশ্বৰৰ অস্তিত্বৰ কাৰণ নাই বুলি ক'ব খোজে কিয়? তেওঁলোকে ঈশ্বৰৰ কাৰণ কি সেয়া নোসোধে কিয়? যদি তেওঁলোকে ঈশ্বৰক কাৰণহীন বুলি প্ৰতিষ্ঠা কৰিব খোজে, তেন্তে তেওঁলোকে পৃথিৱীখনক কাৰণহীন বুলি মানি ল'বলৈ সংকোচ কৰে কিয়?

১০) একুইনাচে এটা অসীম শৃংখলাক কৱল এটা সুদীৰ্ঘ শৃংখলা বুলি ভাবিছিল। কিন্তু শৃংখলা এটা যিমানেই দীঘলীয়া নহওক কিয়, অসীম শৃংখলা হ'ব নোৱাৰে।

১১) জগৎকাৰণ যুক্তিয়ে ঈশ্বৰক কেৱল মাত্ৰ এটা পাৰদৰ্শী কাৰণত পৰিণত কৰিছে। ইয়াৰ ফলত ঈশ্বৰ আৰু পৃথিৱীৰ সম্পৰ্কটোৱে এক বাহ্যিক তথা যান্ত্ৰিক সম্পৰ্কৰ ৰূপ লৈছে। ব্ৰহ্মাণ্ডৰ সৈতে বাহ্যিকভাৱে জড়িত এনে ঈশ্বৰে ধৰ্মীয় সচেতনতাক সন্তুষ্ট কৰিব নোৱাৰে।

১২) কিছুমান দাৰ্শনিকে আঙুলিয়াই দেখুৱাইছে যে এই যুক্তিটোৱে প্ৰমাণ অবিহনে এয়া অনুমান কৰি লৈছে যে কাৰ্যকাৰণ শৃংখলাৰ এটাক বিচাৰ কৰি চোৱাৰ শুদ্ধ দৃষ্টিভংগীটো কাৰ্যকাৰণ দ্বৈতবাদ (causal pluralism) নহয়। কাৰ্যকাৰম অদ্বৈতবাদ (causal monism) হে এনে শৃংখলা বিচাৰ কৰি চোৱাৰ শুদ্ধ দৃষ্টিভংগী।

এই যুক্তি সম্পূৰ্ণ শুদ্ধ নহয় যদিও যুক্তিটোৰ ঐতিহাসিক গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

জগৎকাৰণ যুক্তিটো আসোঁৱাহপূৰ্ণ। কিন্তু ধৰি লোৱা হ'ল যে যুক্তিটো শুদ্ধ। তথাপিও ই সংজ্ঞা দাঙি ধৰাৰ দৰে ঈশ্বৰৰ অস্তিত্ব প্ৰমান কৰিব নোৱাৰে। ঈশ্বৰক কেৱল অস্তিত্বৰ পৃথিৱীখনৰ অকাৰণহীন কাৰণ বুলিয়েই কোৱা হোৱা নাই; ঈশ্বৰক 'প্ৰয়োজনীয় সত্বা', 'সৰ্ব শ্ৰেয়' আৰু 'সৰ্ব জ্ঞানী' বুলিও কোৱা হৈছে। 'শ্ৰেয়তা' (goodness)ৰ অভাৱ ঘটা ঈশ্বৰ এগৰাকী আস্তিকসকলে উপাসনা কৰা

ঈশ্বৰগৰাকী হ'ব নোৱাৰে অথবা আনন্দৰ ইতিবাচক প্ৰমূল্য চৰিত্ৰৰ অধিকাৰী নোহোৱা 'ব্ৰাহ্মণ'গৰাকী সেইজনা 'ব্ৰাহ্মণ' হ'ব নোৱাৰে যিজনাত বেদান্তবাদীসকল লীন হ'ব খোজে।



জানি থোৱা ভাল

হিউম ঃ (১৭১১-৭৮), ডেভিড হিউম আছিল এগৰাকী স্কটিছ দার্শনিক, ইতিহাসবিদ, অর্থনীতিবিদ আৰু নিৰন্ধকাৰ। ক্ৰান্তিকাৰী দার্শনিক অভিজ্ঞতাবাদ, সংশয়বাদ আৰু প্ৰকৃতিবাদৰ অতি প্ৰভাৱশালী চিন্তা-প্ৰণালীটোৰ বাবে হিউমৰ খ্যাতি আজি পর্যন্ত অটুট আছে।

কাণ্ট ঃ (১৭২৪-১৮০৪), আধুনিক দর্শনলৈ বৈপ্লৱিক পৰিৱর্তন কঢ়িয়াই অনা জার্মান দার্শনিক। তেওঁ হিউমৰ সংশয়বাদী যুক্তিৰ বিপক্ষে যুক্তি দর্শাইছিল আৰু মানৱীয় জ্ঞান তথা নৈতিকতাৰ এক দৃঢ় আধাৰ আগবঢ়াইছিল। কাণ্টে তেওঁৰ অতিন্দ্ৰীয়বাদী যুক্তিৰে বুজাই দিছিল যে মানুহে যিকোনো সম্ভাব্য অভিজ্ঞতাৰ বাবে এটা সংঘটন সম্বন্ধীয় সময় পূর্ব সিদ্ধান্তক পূর্বচর্ত হিচাপে প্ৰয়োগ কৰে।



অগ্ৰগতি নিৰীক্ষণ

(৯) জগৎকাৰণ যুক্তিক কোনে সমালোচনা কৰিছিল?

.....

.....

.....

.....

১২.৪ ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় প্ৰয়োজনবাদী যুক্তি

ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় প্ৰয়োজনবাদী যুক্তিটোক 'বিশ্বৰ আৰ্হিৰ পৰা উদ্ভৱ হোৱা যুক্তি' (the argument from design in the world) বুলিও কোৱা হয়। এই যুক্তিটোৰ দ্বাৰা এইটো সিদ্ধান্তত উপনীত হ'ব খোজা যায় যে ঈশ্বৰৰ অস্তিত্ব অভিজ্ঞতাসিদ্ধ প্ৰমাণৰ সহায়ত বর্তি থাকে। একেদৰে, এই যুক্তিটোৰ অধীনত পৃথিৱীখনক বিভিন্ন লানি নিছিগা বাস্তৱিকতাৰ মিশ্ৰণ বুলি

বুজি লোৱা হয়। এনে বাস্তৱিকতাবোৰৰ প্ৰকৃতি স্বয়ং সম্পূৰ্ণ নহয়। এই বাস্তৱিকতাবোৰৰ উৰ্দ্ধত এনে কিবা এটা থাকে যিটো কোনো লক্ষ্য অথবা উদ্দেশ্যত উপনীত হোৱাৰ উপায়। সেয়েহে মানুহৰ সাধাৰণ বুদ্ধিয়ে এই কথা বুজি পায় যে এই বিশ্বৰ আঁৰত এনে এক উদ্দেশ্য আছে যিটো সাধন কৰাৰ বাবে বিশ্বখনৰ সৃষ্টি হৈছে। এই উদ্দেশ্যটোৰ বাবেই বিশেষ ধৰণে পৃথিৱীখনৰ আৰ্হি যুগুত কৰা তথা ইয়াক সংগঠিত কৰা হৈছে। সেয়েহে, ধৰা হয় যে যদি কোনো উদ্দেশ্য আছে তেন্তে সেই উদ্দেশ্যৰ সৃষ্টাজনো আছে অথবা পৃথিৱীৰ আৰ্হি প্ৰস্তুত কৰা আৰ্হিকাৰো আছে। প্ৰয়োজনবাদী যুক্তি হ'ল এক দাৰ্শনিক আহিলা। ইয়াৰ জৰিয়তে সাধাৰণ বুদ্ধিৰ পৰা ওপজা বিশ্বাসক তৰ্কসংগতভাৱে প্ৰতিপাদনসাধ্য বুলি প্ৰণালীৱদ্ধভাৱে সংগঠিত কৰি দেখুওৱা হয়। এই বিশ্বাসক যুক্তিযুক্ত প্ৰতিপন্ন কৰাৰ প্ৰয়াস চলোৱাৰ কাৰণ হ'ল ইয়াক আৰ্হিৰ বাস্তৱিকতাৰ এক বৈধ প্ৰমাণ হিচাপে প্ৰতিষ্ঠা কৰা আৰু 'বুদ্ধিমান আৰ্হিকাৰক কোনোবা এজন'ক আমি প্ৰকৃতিত দেখা সকলো উদ্দেশ্যপূৰ্ণতাৰ 'আৰ্হি প্ৰস্তুতকাৰক' হিচাপে অভিগ্ৰহণ কৰা।



জানি থোৱা ভাল

টেল'চ (Telos) ঃ এটা গ্ৰীক শব্দ। অৰ্থ-লক্ষ্য, উদ্দেশ্য অথবা সিদ্ধান্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ প্ৰয়োজনবাদী যুক্তিৰ আন নামটো কি?

.....

.....

.....

.....

১২.৪.১ প্লেট'ৰ দৃষ্টিভংগী

তথাকথিত 'প্ৰয়োজনবাদী' অথবা 'ঈশ্বৰৰ অস্তিত্ব সিদ্ধি' যুক্তিটো স্বাভাৱিকতেই হ'ল ঈশ্বৰত থকা বিশ্বাসক যুক্তিযুক্ততা প্ৰদানৰ প্ৰয়াসকাৰী সবাতোকৈ প্ৰাচীন যুক্তিবোৰৰ এটা। হয়তো প্লেট'ৰ চিন্তাধাৰাৰ মাজতেই এই যুক্তিটোৰ শিপা বিচাৰি পোৱা যাব। প্লেট'ৰ যুক্তি অনুসৰি মনক বাদ দি ভৌতিক ব্ৰহ্মাণ্ডখনৰ কথা বুজি পোৱা নাযায়। তেওঁৰ মতে বিশ্বৰ আৰ্হি প্ৰস্তুত কৰোঁতাগৰাকী কেতিয়াও 'আদি কাৰণ' হ'ব

নোৱাৰে। ইয়াৰ এক চৰ্তসাপেক্ষ আৰু অন্যৰ পৰা ধাৰলৈ অনা যথাৰ্থতা আছে আৰু ইয়াৰ অসম্পূৰ্ণতা তথা ত্ৰুটিবোৰে এনে 'কিবা' এটাৰ কথা সদৰি কৰে যিটো 'বিশুদ্ধ বাস্তৱ' (true reality)। এই যুক্তিটোৱে একাধিক ৰূপ ধাৰণ কৰিব পাৰে। ই বিশ্বৰ অন্তৰ্নিহিত আৰু বোধাতীত উভয় কাৰণৰ বাবে এগৰাকী ঐশ্বৰিক স্ৰষ্টাৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰে, স্ৰষ্টা আৰু সৃষ্টিৰ দ্বৈতবাদৰ ৰূপ লয়, 'একো নথকা অৱস্থা' (void) এটা অথবা' শূন্যৰ পৰা হোৱা সৃষ্টি অথবা কোনো এক পৰিকল্পনা অনুসৰি পূৰ্বৰেপৰা অস্তিত্ব থকা বস্তুক ৰূপ অথবা আকাৰ দি কৰা সৃষ্টিৰ কথা বুজাৰ প্ৰয়াস কৰে। প্ৰয়োজনবাদী যুক্তিৰ প্ৰধান দাবী হ'ল এয়াই যে ব্ৰহ্মাণ্ডখন কেৱল ঘটনাৰ সমষ্টিয়েই নহয়, ই এক অৰ্থপূৰ্ণ আৰু সংগঠিত সম্পূৰ্ণতা। এই সম্পূৰ্ণতাত ক্ৰম, শৃংখলাৱদ্ধতা আৰু সমন্বয় দেখিবলৈ পোৱা যায়। বিশ্বাসীসকলে ইয়াক নিজ বিশ্বাসৰ যুক্তিযুক্ততা বুলি ভাবে। তেওঁলোকৰ বিশ্বাস অনুসৰি এজনা প্ৰাজ্ঞ আৰ্হিকাৰকে এই ব্ৰহ্মাণ্ডখন সৃষ্টি কৰিছে। এইজনা পৰম জাগতিক আৰ্হিকাৰ ঈশ্বৰত বাদে আন কোনো নহয় বুলি তেওঁলোকে দৃঢ়ভাৱে বিশ্বাস কৰে।

জানি থোৱা ভাল



প্লেট (৪২৭-৩৪৭ খৃঃপূঃ) ঃ গ্ৰীক দাৰ্শনিক। তেওঁ প্ৰকাশ (appearance) আৰু বাস্তৱ (reality) ৰ মাজৰ সুস্পষ্ট প্ৰভেদ নিৰ্ধাৰণ কৰিছিল আৰু অপৰিৱৰ্তনীয় সত্য হিচাপে আকাৰ তত্ত্ব (theory of forms) ৰ বিকাশ ঘটাইছিল। প্লেট'ৰে যুক্তি দৰ্শাইছিল যে এখন সমাজৰ সবাতোকৈ জ্ঞানী সদস্যসকলকহে কেৱল সমাজখনৰ শাসক হিচাপে বিশ্বাসত লোৱা উচিত।

১২.৪.২ কাণ্টৰ দৃষ্টিভংগী

কাণ্টৰ মতে আটাইবোৰ পৰম্পৰাগত ঈশ্বৰবাদী প্ৰমাণৰ ভিতৰত 'ঈশ্বৰৰ অস্তিত্ব সিদ্ধি' (অথবা প্ৰয়োজনবাদী) যুক্তিটো হ'ল সবাতোকৈ পুৰণি, স্পষ্ট আৰু মানুহৰ সাধাৰণ যুক্তিৰ সৈতে সবাতোকৈ ভালদৰে খাপ খোৱা যুক্তি। অৱশ্যে কাণ্টে এই যুক্তিটোৰ লগতে আন আটাইবোৰ ঈশ্বৰৰ অস্তিত্ব প্ৰমাণকাৰী যুক্তিক চোকা ভাষাত সমালোচনাও কৰিছিল। পুৰণি কালত চিন্তাবিদসকলে প্ৰায়েই জ্যোতিৰ্বিজ্ঞানৰ পৰা এনে উদ্দেশ্যপূৰ্ণতা অথবা 'সু-আৰ্হি, (good design) ৰ উদাহৰণ ধাৰলৈ লৈছিল।ঊনবিংশ শতিকাৰ পৰা সবাতোকৈ জনপ্ৰিয় উদাহৰণবোৰ জীৱবিজ্ঞানৰ পৰা লোৱা হৈছিল। আমিও আমাৰ উদাহৰণ হিচাপে জৈৱিক প্ৰাণী ব্যৱহাৰ কৰি তলত দিয়া ধৰণে প্ৰয়োজনবাদী যুক্তিটো পুনৰগঠন কৰাৰ চেষ্টা চলাব পাৰোঁঃ প্ৰাণীৰ এনে বহুতো বৈশিষ্ট্য থাকে যিবোৰ উদ্দেশ্যপূৰ্ণ; উদ্দেশ্যপূৰ্ণ বৈশিষ্ট্যবোৰ কোনো আৰ্হিৰ ফলাফল হ'বই লাগিব;

প্ৰাণীয়ে নিজে নিজৰ আৰ্হি সৃষ্টি নকৰে; প্ৰাণীৰ আৰ্হি মানুহেও সৃষ্টি নকৰে; সেয়েহে, এনে এজনা অনা-মানৱ (nonhuman) আৰ্হিকাৰ আছে যাক আমি ঈশ্বৰ বুলি কওঁ। প্ৰয়োজনবাদী যুক্তিয়ে ব্ৰহ্মাণ্ডৰ কিছুমান অনন্য বৈশিষ্ট্যৰ কথা কয়। প্ৰাণীকূল আৰু বিভিন্ন বস্তুত থকা এই অনন্য বৈশিষ্ট্য বোৰ, অৰ্বাচীনতা আৰু জটিলতাবোৰে এই সম্ভাৱনাটো নাকচ কৰে যে মানুহ, যি নিজেই কাৰোবাৰ দ্বাৰা সৃষ্ট অথবা কোনো কাৰণৰৱুৎপাদন, এই বিশাল ব্ৰহ্মাণ্ডখনৰ আৰ্হিকাৰ অথবা স্ৰষ্টা হ'ব নোৱাৰে। অৰ্থাৎ, ব্ৰহ্মাণ্ড সষ্টিৰ আঁৰত এক ঐশ্বৰিক আৰু অনা-মানৱ আৰ্হিকাৰ থাকিবই লাগিব। আমি যেনেদৰে ভূতাত্ত্বিক প্ৰমাণৰ আধাৰত বিগত কেইবা লাখ বছৰত পৃথিৱীৰ খোলাত হোৱা পৰিৱৰ্তনৰ প্ৰকৃতি অনুমান কৰিব পাৰোঁ, ঠিক একেদৰে ব্ৰহ্মাণ্ডৰ কিছুমান বৈশিষ্ট্যৰ সাধাৰণ পৰ্যবেক্ষণৰ ভিত্তিত এজনা আৰ্হিকাৰৰ অস্তিত্ব আৰু প্ৰকৃতি অনুমান কৰিব পাৰোঁ। প্ৰয়োজনবাদী যুক্তিয়ে এই কথাটোকো যুক্তিসংগত বুলি স্থাপন কৰে যে ব্ৰহ্মাণ্ডখন এজনা আৰ্হিকাৰৰ উৎপাদিত কৰ্ম। কাৰণ, ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিবলৈ এনে এক সত্বাৰ প্ৰয়োজন হ'ব যিটো বুদ্ধিমত্তাৰ দিশেৰে সবাতোকৈ আগবঢ়া আৰু যাৰ এক পৰিকল্পনা অনুসৰি ব্ৰহ্মাণ্ডৰ সামগ্ৰীবোৰক বিভিন্ন আকাৰ দিব পৰাকৈ পৰ্যাপ্ত ক্ষমতা আছে। ব্ৰহ্মাণ্ডৰ শৃংখলাৱদ্ধ ক্ৰম আৰু অগ্ৰগতিয়ে এক সুস্পষ্ট বুদ্ধিমত্তা আৰু উদ্দেশ্য প্ৰকট কৰে। এই ক্ষেত্ৰত আমি মানৱ মস্তিষ্ক আৰু মানৱ মনক উন্নততৰ কৰি তোলা বিকাশৰ সুদীৰ্ঘ প্ৰক্ৰিয়াটোক উদাহৰণ হিচাপে ল'ব পাৰোঁ। এই প্ৰক্ৰিয়াটোৰ ফলত মনৰ উৎপত্তি হৈছে যিটোৱে বিশ্বখনক বুজিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত চিন্তা আৰু মননৰ সৃষ্টি হৈছে। বিৱৰ্তন প্ৰক্ৰিয়াটো বুদ্ধিমান কোনোবাই পৰিচালিত নকৰাহেঁতেন এনেবোৰ কথা সম্ভৱ হ'লহেঁতেন জানো? ইয়েই প্ৰমাণ কৰে যে বিৱৰ্তন প্ৰক্ৰিয়াটোক চূড়ান্ত দিক্‌নির্দেশনা দিবলৈ এটা পৰম সত্বা নিশ্চয় আছে। এই পৰম সত্বাটোকে ঈশ্বৰ বোলে।



অগ্ৰগতি নিৰীক্ষণ

(১২) খালী ঠাই পূৰণ কৰকঃ

(ক) ব্ৰহ্মাণ্ডৰ শৃংখলাৱদ্ধ ক্ৰম আৰু অগ্ৰগতিয়ে এক সুস্পষ্ট বুদ্ধিমত্তা আৰু..... প্ৰকট কৰে।

(খ) ইয়েই প্ৰমাণ কৰে যে বিৱৰ্তন প্ৰক্ৰিয়াটোক চূড়ান্ত দিক্ নির্দেশনা দিবলৈ এটা পৰম সত্বা নিশ্চয় আছে। এই পৰম সত্বাটোকে.....বোলে।

১২.৪.৩ হেনৰী ম'ৰৰ দৃষ্টিভংগী আৰু অন্যান্য দৃষ্টিভংগী

প্ৰয়োজনবাদী যুক্তিটোক বিভিন্ন ৰূপত উপস্থাপন কৰিব পাৰি। উপস্থাপনৰ সময়ত বিজ্ঞানৰ বিভিন্ন শাখা আৰু জীৱ বিজ্ঞানৰ বিভিন্ন সিদ্ধান্তৰ উল্লেখ ব্যৱহাৰ কৰা হয়। আমি পৃথিৱীত বিভিন্ন বস্তুৰ অস্তিত্ব বিচাৰি পাওঁ। যেনে- মানুহৰ চকুৰ অংশবোৰ এনেদৰে সজোৱা থাকে যে সেই আটাইবোৰে একেলগে আমাক দৃষ্টিশক্তি প্ৰদান কৰে। ইয়াৰ দ্বাৰা আমি অনুমান কৰিব পাৰোঁ যে চকু সৃষ্টি কৰাৰ আঁৰত নিশ্চয় এটা বুদ্ধিমান কাৰণ আছে। হেনৰী ম'ৰৰ ভাষাত ঃ আমাৰ ভৰি, হাত আৰু আঙুলিত তিনিটাকৈ গাঁঠি কিয় থাকে? ই দুটা নাইবা চাৰিটা গাঁঠিতকৈ বেছি ভাল নেকি? আমাৰ মুখৰ সন্মুখ অংশৰ দাঁতবোৰৰ আগ জোঙা আৰু ভিতৰ অংশৰ দাঁতবোৰ বহল আৰু চেপেটা কিয়? ইয়াৰ সলনি সন্মুখ অংশৰ দাঁতবোৰ বহল আৰু ভিতৰৰৰ দাঁতবোৰ জোঙা নহ'ল কিয়? আকৌ, কেৱল থুঁতৰিৰ হাড়তহে দাঁতবোৰ কিয় গজে, অন্য হাড়ত নগজে কিয়? ইয়াৰ কাৰণ হ'ল কোনো কথাই অবোধভাৱে অথবা এনেয়ে সৃষ্টি কৰা হোৱা নাই। সকলো বস্তুকে নিয়াৰিকৈ শৃংগলাৱদ্ধ ৰূপ এটা দিবলৈ এক ঐশ্বৰিক শক্তি আছে।

অৱশ্যে এই ধৰণৰ যুক্তিবোৰ বৰ্তমান মূল্যহীন হৈ পৰিছে। কাৰণ, বিৱৰ্তনৰ তত্ত্বই আমাৰ আঙুলিত কিয় সবাতোকৈ সুবিধাজনক সংখ্যাৰ গাঁঠি আছে, আমাৰ দাঁতবোৰ কিয় থুঁতৰিৰ হাড়ত গজে আদি প্ৰশ্নৰ ব্যাখ্যা আগবঢ়াইছে। উৎপৰিৱৰ্তন আৰু প্ৰাকৃতিক বাছনিৰ দৰে প্ৰক্ৰিয়াবোৰে আমাক এয়া বুজাত সহায় কৰিছে যে আমাৰ দেহৰ প্ৰতিটো অংশই পৰস্পৰৰ সৈতে খাপ খাই চলাৰ কাৰণ হ'ল অস্তিত্ব বৰ্তাই ৰখাৰ উদ্দেশ্য সফল কৰা। এয়া সত্য যে ডাৰউইনৰ তত্ত্বই প্ৰয়োজনবাদী ক্ৰমটোৰ সম্পূৰ্ণ ব্যাখ্য আগবঢ়াব নোৱাৰে। ই কেৱল কেনেকৈ কিছুমান ঘটনা আন কিছুমান ঘটনাৰ পৰা বিকশিত হৈছে সেয়াহে ব্যাখ্যা কৰে। যদি আমি এটা যন্ত্ৰৰ পৰিৱৰ্তে এজোপা গছ অথবা এটা জন্তুৰ দৰে জীৱিত প্ৰাণী এটাৰ জীৱন বিন্যাসত ব্ৰহ্মাণ্ডৰ গাঁথনিটো পৰীক্ষা কৰি চাও তেন্তে আমাক এজনা ঈশ্বৰৰ অনুমান কৰিবলৈ কোনো কাৰণৰ প্ৰয়োজন নাই। হাবিত থকা গছ এজোপা ঘড়ী এটাৰ দৰে সজা হোৱা নাই। সমগ্ৰ প্ৰক্ৰিয়াটো উদ্দেশ্যপূৰ্ণ কিন্তু সংসিদ্ধ। এই মহান প্ৰদৰ্শনৰ আঁৰত কোনো বুদ্ধিমত্তা অথবা আৰ্হিৰ প্ৰয়োজন নাই। এই প্ৰদৰ্শনটো যিকোনো বিশৃংখল কথা এটা যিমানেই যান্ত্ৰিক আৰু যাদৃচ্ছিক হ'ব পাৰে সিমানেই যান্ত্ৰিক আৰু যাদৃচ্ছিক বুলিব পাৰি।

ইয়াৰ উপৰি, ভেঁড়াৰ বাবে খাবলৈ ঘাহঁ থকাৰ দৰে ব্ৰহ্মাণ্ডখনত নানা পৰোপকাৰী সমাযোজন (beneficent adjustment) থাকিব পাৰে। কিন্তু, ব্ৰহ্মাণ্ডত ভেঁড়াক খাবলৈ কুকুৰনেচীয়া বাঘ থকাৰ দৰে অশুভ অপ-সমাযোজনো থাকে। জীৱ জগতৰ বিধ্বংসী প্ৰক্ৰিয়াটোলৈ মন কৰক। এটা প্ৰজাতি আন এক প্ৰজাতিৰ ধ্বংসৰ কাৰণ। অৰণ্যত নিষ্ঠুৰতা আৰু অন্যায় বিদ্যমান। নিৰীহ প্ৰাণীবোৰে ত্ৰাসত জীৱন

কটায় অথবা শক্তিশালী আৰু বেগবান জন্তুৰ হাতত প্ৰাণ হেৰুৱায়। মানুহ বিভিন্ন ৰোগৰ উত্তৰাধিকাৰী মানুহৰ সংযমহীনতা ইয়াৰ কাৰণ নহয়। বানপানী, ভূমিকম্প, মহামাৰী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগে মানৱ জগতত সৃষ্টি কৰা শোকাৱহ মৃত্যু আৰু দু-যন্ত্ৰণাক কোনো যুক্তিসংগত কাৰণে নাইকিয়া কৰিব নোৱাৰে। যদি ব্ৰহ্মাণ্ডত বহুমূলীয়া সমাযোজনৰ আনন্দদায়ক ঘটনা আছে, তেন্তে ইয়াত অপ-সমাযোজনৰ শোকাৱহ যথার্থতাও আছে। আৰু সেয়েহে বিশ্বত লব্ধ যথার্থতাবোৰৰ পৰা ইয়াক এক সম্পূৰ্ণৰূপে শুভ ঈশ্বৰৰ সৃষ্টি বুলি অনুমান কৰাটো অবৈধ কথা হ'ব।

সাধাৰণতে জীৱনৰ প্ৰাত্যহিক সংগ্ৰামে উচ্চতৰ জীৱদ্দশাবোৰক সমর্থন কৰে আৰু বৰ্তাই ৰাখে। এই সকলোবোৰেই দৰাচলতে সচেতন অস্তিত্বলৈ উপ-সেৱা আগবঢ়ায় কীট-পতংগ আৰু পোক পৰুৱা হ'ল সৰু চৰাইৰ চিকাৰ; সৰীসৃপ জাতীয় প্ৰাণী হ'ল ডাঙৰ চৰাইৰ চিকাৰ; সৰু মাছক ডাঙৰ মাছে নাইবা জলজ স্তন্যপায়ী প্ৰাণীয়ে খায়; তৃণভোজী জন্তুবোৰ মাংসভোজী প্ৰাণীয়ে খায়। অৱশেষত, এই প্ৰক্ৰিয়াবোৰৰ পিচে পিচে দৌৰি, অথবা এনে প্ৰক্ৰিয়াৰ সৈতে সৃষ্টি হোৱা দ্বন্দৰ ফলত মানুহে নিজৰ প্ৰথম কলাটো শিকে আৰু সকলো জীৱকূলৰ মুৰব্বী হিচাপে নিজৰ স্থান দখল কৰে। মার্টিনিউৰ সিদ্ধান্ত মৰ্মে মানৱীয় কৌশলৰ প্ৰকৃতিৰ নিয়মৰ সৈতে থকা সাদৃশ্যবোৰেই কেৱল ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তিটোৰ আধাৰ হ'ব নোৱাৰে, কিন্তু এই সাদৃশ্যৰ কোনো এক বিশেষ বৈশিষ্ট্যক ইয়াৰ আধাৰ হিচাপে ল'ব পৰা যায়।

এই জটিল সমালোচনামূলক কথাবোৰৰ বাবে বহুতো দার্শনিকে প্ৰয়োজনবাদী যুক্তিৰ এক পৰিশীলিত সংস্কৰণ উলিওৱাৰ প্ৰয়াস কৰিছিল। ৰিচার্ড চুইনবার্নে তেওঁৰ গ্ৰন্থ 'The Existence of God' (অক্সফোর্ডঃ অক্সফোর্ড ইউনিভাচিটি প্ৰেছ, ১৯৭৯) ত ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তিটোৰ বিংশ-শতিকাৰ সবাতোকৈ প্ৰভাৱশালী ব্যাখ্যাটো আগবঢ়াইছিল। তেওঁ বায়েজৰ সম্ভাৱিতা তর্কৰ প্ৰমিতিৰ আধাৰত আন এক যৌগিক যুক্তি বাহিৰ কৰিছিল।

১২.৪.৪ এফ. আৰ. টেনাণ্টৰ দৃষ্টিভংগী

আধুনিক যুগত ধর্ম বিষয়ৰ এগৰাকী প্ৰখ্যাত দার্শনিক এফ.আৰ. টেনাণ্টে প্ৰয়োজনবাদী যুক্তিৰ এটা প্ৰভাৱশালী সংস্কৰণ আগবঢ়াইছিল। তেওঁৰ গ্ৰন্থ 'Philosophical Theology' ত টেনাণ্টে ৬ বিধ অভিযোজৰ বিষয়ে উল্লেখ কৰিছে। তেওঁৰ মতে সমগ্ৰ ব্ৰহ্মাণ্ডখনক অভিযোজনৰ এক প্ৰণালী বুলি ধৰি ল'ব পৰা যায়। টেনাণ্টৰ মতে অভিযোজনৰ মৌলিক প্ৰকাৰবোৰ হ'ল-

(১) পৃথিৱীৰ বোধগম্যতা। পৃথিৱী আৰু মানৱ মনৰ ইমান গভীৰ সম্পৰ্ক আছে যে আমি সীমাহীনভাৱে নতুন কথা শিকি গৈ থাকিব পাৰোঁ।

(২) পৰিৱেশ অনুকূলে জীৱই অভিযোজনবোৰ সংগঠিত কৰি লয়।

(৩) জীৱনৰ উত্থান আৰু বৰ্তাই ৰখাত অজৈৱিক পৃথিৱীখনৰ সংঘটন অনুকূলতাৰাৰ কিছুমান নিৰ্দিষ্ট প্ৰকাৰৰ ৰাসায়নিক প্ৰক্ৰিয়া ঘটিলেহে জীৱনৰ আৰম্ভণি হয়। ইত্যাদি।

(৪) প্ৰকৃতিৰ নান্দনিক মূল্য। প্ৰকৃতি কেৱল বুদ্ধিমত্তাৰে অধ্যয়ন কৰা বিষয় নহয়। মানুহৰ মনত অমূল্য নান্দনিক সঁহাৰি জগাই তোলাৰ বাবেও প্ৰকৃতিৰ সৃষ্টি হৈছে।

(৫) মানুহৰ নৈতিক জীৱনত পৃথিৱীয়ে কৰা সহায় যেনে মানুহক যদি প্ৰাকৃতিক কাৰ্যসম্পাদনৰ মাজত থকা একেৰূপত বিষয়ে কিবা শিকিবলৈ জোৰ কৰা হয় তেন্তে মানুহে নিজৰ বুদ্ধিমত্তা বিকশিত কৰিবলৈ বাধ্য হ'ব। বুদ্ধিমত্তাৰ বিকাশ হ'ল নৈতিক বিকাশৰ এক পূৰ্বচৰ্ত। ব্যক্তিৰ প্ৰাকৃতিক পৰিৱেশত থকা বিভিন্ন প্ৰতিকূল অৱস্থাৰ মুখামুখি হৈ গৈ থাকোতে ব্যক্তিয়ে নৈতিক গুণবোৰ আহৰণ কৰে।

(৬) ক্ৰমবিৱৰ্তন প্ৰক্ৰিয়াৰ সামগ্ৰিক প্ৰগতিশীলতা।

ওপৰৰ মৌলিক অভিযোজন ছটাৰ উল্লেখ কৰি টেনাণ্টে এই কথা আঙুলিয়াই দিছিল যে ইয়াৰ কোনোটো অভিযোজনেই ঈশ্বৰবাদী অপ্ৰমাণিত যুক্তিসংগত ধাৰণাটোক (Theistic hypothesis) নিশ্চিতভাৱে প্ৰতিষ্ঠা কৰিব নোৱাৰে। কিন্তু এইক্ষেত্ৰত সবাতোকৈ যুক্তিসংগত উপায়টো হ'ল অতি সম্ভাব্য বুলি এই ধাৰণাটো গ্ৰহণ কৰা।

হয়তো ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তিটোৰ সবাতোকৈ প্ৰধান সমস্যাটো হ'ল ইয়াৰ সৈতে জড়িত থকা সম্ভাৱিতাৰ ধাৰণাটোতকৈ পুনৰ গঠিত কেন্দ্ৰবোৰৰ গুৰুত্ব বাঢ়ি যোৱাটো টেনাণ্টৰ মতে তেওঁ আগবঢ়োৱা বিভিন্ন অভিযোজনবোৰৰ ভিত্তিত ঈশ্বৰ নথকাতকৈ ঈশ্বৰ আছে বোলা কথাটোৰহে সম্ভাৱনীয়তা অধিক। এই কথাটোলৈ প্ৰায়েই আঙুলিয়াই থকা হয় যে বিজ্ঞানত ব্যৱহাৰ কৰাৰ দৰে সম্ভাৱিতাৰ পৰিসাংখ্যিক ধাৰণাটো সামগ্ৰিকভাৱে ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। অৰ্থাৎ, এই কথা ডাঠি ক'ব নোৱাৰি যে আমাৰ ব্ৰহ্মাণ্ডখন ঈশ্বৰ সৃষ্ট হোৱাৰ সম্ভাৱনা আছে। যেতিয়া যুক্তিয়ে এনে ৰূপ ধাৰণ কৰে তেতিয়া ই একেটা যথাৰ্থতাৰ বৈজ্ঞানিক ব্যাখ্যাৰ সৈতে প্ৰতিদ্বন্দিতা কৰিব পৰা বৈশিষ্ট্য হেৰুৱাই পেলায়। যদি আমাৰ মৌলিক প্ৰাপ্য তথ্য (datum) টো সামগ্ৰিক ব্ৰহ্মাণ্ডখনৰ নিৰ্দিষ্ট বিন্যাস এটা হয়, তেন্ত বিজ্ঞানে ঘটনাটোৰ প্ৰকৃতি অনুসৰি একো ব্যাখ্যা আগ নবঢ়াবও পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ 'Philosophical Theology' গ্ৰন্থৰ লেখক কোন?

.....

.....

.....

.....

প্ৰশ্ন নং ১৩ ঃ এফ. আৰ. টেনাণ্টৰ মতে অভিযোজনৰ মৌলিক একাৰকেইটা কি কি?

.....

.....

.....

.....

১৩.৪.৫ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিৰ সমালোচনা

ওপৰৰ শিতানবোৰত আলোচনা কৰা প্ৰয়োজনবাদী যুক্তিৰ বিপৰীতে কিছুমান সমালোচনাও আছে। প্ৰথম সমালোচনা মতে ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তিটোৱে ঈশ্বৰ আৰু পৃথিৱীৰ সম্পৰ্কটো মানুহ আৰু যন্ত্ৰৰ মাজত থকা সম্পৰ্কৰ দৰে বুলি ধৰি লৈছে। মানুহ আৰু যন্ত্ৰ উভয়েই বস্তুনিষ্ঠ পৰিঘটনা। দুয়োটাৰে প্ৰাকৃতি অস্থায়ী, সসীম আৰু সীমাৱদ্ধ। আমি যদি এনে ধৰণে ঈশ্বৰকো এগৰাকী ঘড়ী নিৰ্মাতাৰ দৰে বুলি ভাবোঁ, তেন্তে ঈশ্বৰো পৃথিৱীতে সীমাৱদ্ধ। এগৰাকী ঘড়ী নিৰ্মাতাই পূৰ্বৰে পৰা অস্তিত্ব থকা সামগ্ৰী লগ লগাই ঘড়ী তৈয়াৰ কৰে। একেটা কথাই ঈশ্বৰৰ ক্ষেত্ৰত প্ৰযোজ্যনে? কাণ্ট আঙুলিয়াই দেখুৱাইছে যে ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তিটোৱে বিশ্বৰ এগৰাকী উদ্ভাৱক অথবা স্থপতিবিদৰ অস্তিত্ব প্ৰমাণ কৰিছে। কিন্তু যুক্তিটোৱে এয়া প্ৰমাণ কৰা নাই যে বিশ্বৰ স্ৰষ্টা আৰু এই আৰ্হিকাৰ গৰাকী এগৰাকী স্থপতিবিদ হিচাপে এই বিশ্বতে সীমাৱদ্ধ; যুক্তিটোৱে আৰ্হিকাৰকক এগৰাকী সৃজনশীল লেখকৰ দৰে ঐশ্বৰিক স্বাধীনতা প্ৰদান কৰা নাই।

এই সমস্যাবোৰ আঁতৰ কৰিবলৈ প্ৰয়োজনবাদক বোধতীত বুলি নধৰি সৰ্বাত্মক বুলি কোৱা হৈছে. ঈশ্বৰ তেওঁক যোগান ধৰা সামগ্ৰীৰ বাহিৰত নাথাকে। ঈশ্বৰ বহিঃ উদ্ভাৱক নহয়, অন্তঃবিৰাজমান আকাৰ স্ৰষ্টা। তেওঁ কিছুমান নিৰ্দিষ্ট পৰিকল্পনা আৰু আৰ্হি অনুসৰি বস্তুক আকাৰ প্ৰদান কৰে। এনেধৰণৰ পুনৰ গঠনৰো আকৌ কিছুমান সাধাৰণ সমালোচনা আছে।

(১) প্ৰয়োজনবাদী যুক্তিয়ে এটা প্ৰয়োজনীয় সত্বা, এটা আদি কাৰণ, অথবা একো নথকা অৱস্থা এটাৰ পৰা ব্ৰহ্মাণ্ডখন সৃষ্টি কৰোঁতা এগৰাকী স্ৰষ্টাৰ অস্তিত্ব প্ৰমাণ নকৰে; ইয়াৰ পৰিৱৰ্তে যুক্তিটোৱে কেৱল এয়াহে প্ৰতিপন্ন কৰিব পাৰে যে ব্ৰহ্মাণ্ডখন হ'ল এক আৰ্হি অনুসৰি গঢ় লৈ উঠা ফল আৰু ইয়াৰ বাবে এক আৰ্হিকাৰৰ প্ৰয়োজন; যদি এই আৰ্হিকাৰৰ অস্তিত্ব আছে, তেন্তে তেওঁক 'ঈশ্বৰ' বোলা উচিত। পৰম্পৰাগতভাৱে আমি 'ঈশ্বৰ' বুলিলে এগৰাকী স্বতঃস্ফূৰ্ত স্ৰষ্টাৰ কথা বুজো। কৃত্ৰিমভাৱে কোনো সামগ্ৰী প্ৰস্তুতকৰ্তাক 'ঈশ্বৰ' বুলি কোৱা নহয়।

(২) 'শৃংখলা' (order) বোলা শব্দটোৰ অৰ্থ সিমান স্পষ্ট নহয়। ই এক আপেক্ষিক অভিধা। কোনো বস্তু এগৰাকী ব্যক্তিৰ বাবে শৃংখলাৱদ্ধ হ'ব পাৰে, কিন্তু অন্য এগৰাকীয়ে তাত কোনো শৃংখলাৱদ্ধ নেদেখিবও পাৰে। ব্ৰহ্মাণ্ডখন কি অৰ্থত শৃংখলাৱদ্ধ তাৰ কোনো স্পষ্ট ব্যাখ্যা নাই। পৃথিৱীত বহুতো বিশৃংখলতা, সমন্বয়হীনতা আৰু দুৰ্যোগ আছে। প্ৰকৃতিৰ সকলো বস্তুৱেই সম্পূৰ্ণ সঠিকভাৱে সজোৱা নাথাকে অথবা আৰ্হি মতে সৃষ্ট নহয়। শৃংখলা অথবা উদ্দেশ্যটো আৰ্হিৰ ফলাফল নহয়। প্ৰয়োজনবাদী যুক্তিৰ সমৰ্থসকলে প্ৰত্যুত্তৰ দিব পাৰে যে গছ-গছনি আৰু জীৱ-জন্তুৰ আৰ্হি অথবা শৃংখলাটো ঘড়ী অথবা ঘৰৰ শৃংখলাৰ দৰে একে নহ'বও পাৰে। ঐশ্বৰিক আৰ্হিকাৰৰ শৃংখলা আৰু আৰ্হি আপেক্ষিক নহয়, ই হ'ল এক পৰম শৃংখলা আৰু আৰ্হি।

(৩) হিউমৰ মতে আমি সাদৃশ্য নীতি (analogy)ৰ দ্বাৰা যুক্তিযুক্ততাত নিৰ্ভূল প্ৰত্যয় অৰ্পণ কৰিব নোৱাৰো। ব্ৰহ্মাণ্ড আৰু যন্ত্ৰ, ঘৰ আদিৰ দৰে সমীম বস্তুৰ মাজত বৃহৎ ব্যৱধান আছে। পৃথিৱী আৰু ঘড়ী নাইবা গৃহ নিৰ্মাণ কৰা স্থপতিবিদৰ মাজৰ সাদৃশ্য উলিওৱাৰ কামটো এক দুৰ্বল প্ৰয়াস। ব্ৰহ্মাণ্ডখন এটা বৃহৎ যন্ত্ৰৰ দৰে একে বস্তু নহয়।

(৪) ধৰা হ'ল, আমি বিশ্বৰ এগৰাকী ঐশ্বৰিক আৰ্হিকাৰ আছে বুলি প্ৰমাণ কৰিলোঁ, তথাপিও আমাৰ 'জ্ঞানী ঈশ্বৰ' (Wise God) আৰু 'বুদ্ধিমান ঈশ্বৰ ' (intelligent God) ক সত্য বুলি দাবী কৰাৰ অধিকাৰ নাই। ইয়াৰ উপৰি, এখন সসীম বিশ্বৰ দৃষ্টিভংগীৰে আমি কেতিয়াও এগৰাকী অসীম স্ৰষ্টা সম্পৰ্কে কোনো সিদ্ধান্তলৈ নোৱাৰো।



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় জগৎকাৰণবাদী আৰু প্ৰয়োজনবাদী প্ৰমাণবোৰৰ বিষয়ে আলোচনা কৰিলো। আলোচনাৰ পৰা বাহিৰ হোৱা সবাতোকৈ গুৰুত্বপূৰ্ণ কথাকেইটা হ'ল-

- ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰধান যুক্তি কেইটামান হ'ল- জগৎকাৰণ যুক্তি, তাত্ত্বিক যুক্তি,

প্ৰয়োজনবাদী যুক্তি আৰু নৈতিক যুক্তি।

- এৰিষ্টটলৰ মতে সৃষ্টিৰ আদি কাৰণটো হ'ল প্ৰথম সঞ্চালক অথবা 'মুখ্য সঞ্চালক'।
- একুইনাচে ঐশ্বৰিক অস্তিত্ব প্ৰমাণৰ পাঁচটা উপায় আগবঢ়াইছে। উপায়কেইটা হ'ল- ১। পৰিৱৰ্তনৰ যথাৰ্থতাৰ পৰা এক মুখ্য সঞ্চালকলৈ যোৱা ২। কাৰণতা / হেতুতাৰ পৰা এটা আদি কাৰণলৈ যোৱা ৩। আপতিত সত্বাৰ পৰা এটা প্ৰয়োজনীয় সত্বালৈ যোৱা ৪। প্ৰমূল্যৰ মাত্ৰাৰ পৰা পৰম প্ৰমূল্যলৈ যোৱা আৰু ৫। প্ৰকৃতিৰ উদ্দেশ্যপূৰ্ণতাৰ প্ৰমাণৰ পৰা এক ঐশ্বৰিক আৰ্হিকাৰলৈ যোৱা।
- থ'মিষ্টসকলে বিশ্ব আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্কটো এটা ঘড়ীৰ সৈতে তুলনা কৰিছে।
- থ'মিষ্টসকলৰ মতে এনে চৰম আধাৰ এটাই হ'ল 'প্ৰয়োজনীয় সত্বা' যাক ঈশ্বৰ বুলি কোৱা হয়।
- প্ৰতিটো ঘটনাৰে একোটা কাৰণ থাকে, এই পৃথিৱীত কাৰণ অবিহনে কোনো ঘটনাই সংঘটিত হ'ব নোৱাৰে।
- ঘটনা ঘটিয়েই থাকে। বৰ্তমানৰ ঘটনা A ৰ কাৰণ হ'ল অতীতৰ ঘটনা B, আৰু Bৰ কাৰণ হ'লC, C ৰ কাৰণ হ'ল D ইত্যাদি।
- এইটো সুস্পষ্ট যে কাৰ্যকাৰণৰ শৃংখলাটো অন্তহীন। কিন্তু কাৰ্য আৰু কাৰণৰ সমগ্ৰ শৃংখলাটো বুজিবলৈ আমি এটা আদি কাৰণ ধৰি ল'ব লাগিব, আৰু এই কাৰণটো আন কোনো কাৰণৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নোৱাৰিব।
- আদি কাৰণটোৱে কাৰণ আৰু ফলাফলৰ সমগ্ৰ শৃংখলা এটাৰ সৃষ্টি কৰিব। এই কাৰণটো হ'ল সঞ্চালক মাত্ৰ, ইয়াক আন একোৱেই সঞ্চালন কৰিব নোৱাৰে। এই মুখ্য সঞ্চালককে ঈশ্বৰ বুলি কোৱা হয়।
- অৰ্থাৎ, কাৰ্যকাৰণ শৃংখলাৰ জগতখন ব্যাখ্যা কৰাৰ বাবে ঈশ্বৰৰ প্ৰয়োজন হয়। ঈশ্বৰে নিজেই নিজৰ কাৰণ ৰূপে নিজ অস্তিত্ব বৰ্তাই ৰাখে আৰু জগতৰ কাৰণ হয়।
- হিউম আৰু কাণ্টে জগৎকাৰণ যুক্তিটোৰ সমালোচনা কৰিছিল।
- ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিটোক 'বিশ্বৰ আৰ্হিৰ পৰা উদ্ভৱ হোৱা যুক্তি বুলিও কোৱা হয়।
- হয়তো প্লেট'ৰ চিন্তাধাৰাৰ মাজতেই প্ৰয়োজনবাদী যুক্তিটোৰ শিপা বিচাৰি পোৱা যাব। প্লেট'ৰ যুক্তি অনুসৰি মনক বাদ দি ভৌতিক ব্ৰহ্মাণ্ডখনৰ কথা বুজি পোৱা নাযায়।
- এফ. আৰ. টেনাণ্টৰ মতে অভিযোজনৰ কেইটামান মৌলিক প্ৰকাৰ আছে।



১২.৬ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন

২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।

১২.৭ অগ্ৰগতিৰ খতিয়ান

উত্তৰ সমূহঃ

১ **নং প্ৰশ্নৰ উত্তৰ ঃ** ঈশ্বৰৰ অস্তিত্বৰ পৰম্পৰাগত প্ৰমাণবোৰ হ'ল- (ক) জগৎকাৰণ যুক্তি/ কাৰ্যকাৰণ যুক্তি /আদি কাৰণ যুক্তি, (খ) তাত্ত্বিক যুক্তি,
(গ) প্ৰয়োজনবাদী যুক্তি ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তি আৰু (ঘ) নৈতিক যুক্তি।

২ **নং প্ৰশ্নৰ উত্তৰ ঃ** একুইনাচৰ মতে ঈশ্বৰেই হ'ল আদিকাৰণ।

৩ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) ঈশ্বৰ, (খ) আদি কাৰণ

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** এৰিষ্টটলৰ মতে সৃষ্টিৰ আদি কাৰণটো হ'ল 'প্ৰথম সঞ্চালক' অথবা 'মুখ্য সঞ্চালক'।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) সচাঁ (খ) সঁচা

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** ঐশ্বৰিক অস্তিত্ব প্ৰমাণ কৰিবলৈ একুইনাচে আগবঢ়োৱা উপায় পাঁচটা হ'ল-
(ক) পৰিৱৰ্তনৰ যথাৰ্থতাৰ পৰা এক মুখ্য সঞ্চালকলৈ যোৱা।
(খ) কাৰণতা হেতুতাৰ পৰা এটা আদি কাৰণলৈ যোৱা,
(গ) আপতিত সত্ত্বাৰ পৰা এটা প্ৰয়োজনীয় সত্ত্বালৈ যোৱা,
(ঘ) প্ৰমূল্যৰ মাত্ৰাৰ পৰা পৰম প্ৰমূল্যলৈ যোৱা আৰু
(ঙ) প্ৰকৃতিৰ উদ্দেশ্যপূৰ্ণতাৰ পৰা এক ঐশ্বৰিক আৰ্হিকাৰলৈ যোৱা।

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) ঘড়ী (খ) প্ৰয়োজনীয় সত্ত্বা

৮ **নং প্ৰশ্নৰ উত্তৰ ঃ** (খ) ঘটনা, কাৰণ(খ) ঘটিয়েই

৯ **নং প্ৰশ্নৰ উত্তৰ ঃ** হিউম আৰু কাণ্টে জগৎকাৰণ যুক্তিক সমালোচনা কৰিছিল।

১০ **নং প্ৰশ্নৰ উত্তৰ ঃ** ঈশ্বৰৰ অস্তিত্ব সিদ্ধি যুক্তি।

১১ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) সঁচা (খ)সঁচা

১২ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) উদ্দেশ্য (খ) ঈশ্বৰ

১৩ **নং প্ৰশ্নৰ উত্তৰ ঃ** এ ফ. আৰ. টেনাণ্ট

১৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** টেনাণ্টৰ মতে অভিযোজনৰ মৌলিক প্ৰকাৰবোৰ হ'ল-

(ক) পৃথিৱীৰ বোধগম্যতা। পৃথিৱী আৰু মানৱ মনৰ ইমান গভীৰ সম্পৰ্ক আছে যে আমি সীমাহীনভাৱে নতুন কথা শিকি গৈ থাকিব পাৰোঁ।

(খ) পৰিৱেশ অনুকূলে জীৱই অভিযোজনবোৰ সংগঠিত কৰি লয়।

(গ) জীৱনৰ উত্থান আৰু বৰ্তাই ৰখাত অজৈৱিক পৃথিৱীখনৰ সংঘটন অনুকূলতাবোৰ। কিছুমান নিৰ্দিষ্ট প্ৰকাৰৰ ৰাসায়নিক প্ৰক্ৰিয়া ঘটিলেহে জীৱনৰ আৰম্ভণি হয়, ইত্যাদি।

(ঘ) প্ৰকৃতিৰ নান্দনিক মূল্য। প্ৰকৃতি কেৱল বুদ্ধিমত্তাৰে অধ্যয়ন কৰা বিষয় নহয়। মানুহৰ মনত অমূল্য নান্দনিক সঁহাৰি জগাই তোলাৰ বাবেও প্ৰকৃতিৰ সৃষ্টি হৈছে।

(ঙ) মানুহৰ নৈতিক জীৱনত পৃথিৱীয়ে কৰা সহায়। যেনে, মানুহক যদি প্ৰাকৃতিক কাৰ্যসম্পাদনৰ মাজত থকা একেৰূপতাৰ বিষয়ে কিবা শিকিবলৈ জোৰ কৰা হয়, তেন্তে মানুহে নিজৰ বুদ্ধিমত্তা বিকশিত কৰিবলৈ বাধ্য হ'ব। বুদ্ধিমত্তাৰ বিকাশ হ'ল নৈতিক বিকাশৰ এক পূৰ্বচৰ্ত। ব্যক্তিৰ প্ৰাকৃতিক পৰিৱেশত থকা বিভিন্ন প্ৰতিকূল অৱস্থাৰ মুখামুকি হৈ গৈ থাকোতে ব্যক্তিয়ে নৈতিক গুণবোৰ আহৰণ কৰে।

(চ) ক্ৰমৱিবৰ্তন প্ৰক্ৰিয়াৰ সামগ্ৰিক প্ৰগতিশীলতা।



১২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

প্ৰশ্ন ১ ঃ জগৎকাৰণ যুক্তিৰ প্ৰতিষ্ঠাপক কোন?

প্ৰশ্ন ২ ঃ একুইনাচৰ মতে আদিকাৰণ কি?

প্ৰশ্ন ৩ ঃ ঈশ্বৰৰ অস্তিত সম্পৰ্কীয় জগৎকাৰণ যুক্তিটোক কোনে কোনে সমৰ্থন কৰিছিল?

প্ৰশ্ন ৪ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিটোক কোনে কোনে সমৰ্থন কৰিছিল।

প্ৰশ্ন ৫ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় জগৎকাৰণ যুক্তিটোৰ সমালোচক সকলৰ নাম লিখক।

প্ৰশ্ন ৬ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিটোৰ সমালোচকসকলৰ নাম লিখক।

প্ৰশ্ন নং ৭ ঃ প্ৰাচীন গ্ৰীচত কোনে প্ৰয়োজনবাদী যুক্তিটো প্ৰথমে আলোচনা **কৰিছিল?**

(খ) চমু প্ৰশ্ন ঃ (১০০ৰ পৰা ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'মুখ্য সঞ্চালক' বুলি একুইনাচে কি বুজাব খুজিছিল?

প্ৰশ্ন ২ ঃ আদি কাৰণ যুক্তি সম্পৰ্কে একুইনাচৰ দৃষ্টিভংগী কি আছিল?

প্ৰশ্ন ৩ ঃ একুইনাচে কিয় 'ঈশ্বৰ প্ৰয়োজনীয় আৰু অবিচল সত্বা' বুলি কৈছিল?

প্ৰশ্ন নং ৪ ঃ প্ৰয়োজনবাদী যুক্তিৰ প্ৰধান বিষয়বস্তু কি?

প্ৰশ্ন ৫ ঃ প্ৰয়োজনবাদী যুক্তি সম্পৰ্কে মাৰ্টিনিউৰ দৃষ্টিভংগীটো কি আছিল?

প্ৰশ্ন ৬ ঃ হিউমে কেনেদৰে প্ৰয়োজনবাদী যুক্তিৰ বিপক্ষে নিজৰ যুক্তি দৰ্শাইছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় পৰম্পৰাগত যুক্তিবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় জগৎকাৰণ যুক্তিটো ব্যাখ্যা আৰু পৰীক্ষা কৰক।

প্ৰশ্ন ৩ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় কাৰ্যকাৰণ যুক্তিটো আলোচনা কৰক। যুক্তিটো সন্তোষজনকনে?

প্ৰশ্ন ৪ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰয়োজনবাদী যুক্তিটোৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ এফ. আৰ. টিনণ্টে কেনেদৰে প্ৰয়োজনবাদী যুক্তিটোৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল?

*** ***** ***

অধ্যায় ১৩ ঃ ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ ঃ তাত্ত্বিক আৰু নৈতিক যুক্তি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ তাত্ত্বিক যুক্তি (Ontological Argument)

১৩.৩.১ চেইণ্ট আনচেল্মৰ দৃষ্টিভংগী

১৩.৩.২ ডেচকার্টিজৰ দৃষ্টিভংগী

১৩.৩.৩ তাত্ত্বিক যুক্তিৰ সমালোচনা

১৩.৪ ঈশ্বৰৰ অস্তিত্ব বিষয়ক নৈতিক যুক্তি (Moral Argument)

১৩.৪.১ কান্টৰ দৃষ্টিভংগী

১৩.৪.২ ঈশ্বৰ বিষয়ক ভাৰতীয় ধাৰণা (নৈতিক যুক্তি)

১৩.৪.৩ নৈতিক যুক্তিৰ তিনিটা সাধাৰণ বিচাৰ

১৩.৪.৪ নৈতিক যুক্তিৰ সমালোচনা

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ অধিক জানিবলৈ

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ঈশ্বৰৰ অস্তিত্বৰ তাত্ত্বিক প্ৰমাণসমূহ ব্যাখ্যা কৰিব পাৰিব
- চেইণ্ট আনচেল্মৰ দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব
- ডেকার্টিজৰ দৃষ্টিভংগীটো ব্যাখ্যা কৰিব পাৰিব
- তাত্ত্বিক যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব
- ঈশ্বৰৰ অস্তিত্বৰ নৈতিক যুক্তিটো ব্যাখ্যা কৰিব পাৰিব
- কাণ্টৰ দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব
- ঈশ্বৰ বিষয়ক ভাৰতীয় ধাৰণা (নৈতিক যুক্তি) টো আলোচনা কৰিব পাৰিব
- নৈতিক যুক্তিটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব

১৩.২ পৰিচয়

শশ বছৰ ধৰি দাৰ্শনিক, বিজ্ঞানী আৰু ধৰ্মতত্ত্ববিদসকলে ঈশ্বৰ নামৰ সত্ত্বা এটাৰ অস্তিত্ব অথবা অস্তিত্বহীনতা প্ৰমাণ কৰিবলৈ অসংখ্য যুক্তি প্ৰদৰ্শন কৰি আহিছে। ধৰ্মৰ দৰ্শনত নিহিত হৈ

থকা ই এক প্রধান সমস্যা। কাৰণ, ধর্মীয় বিশ্বাস আৰু অনুশীলনৰ কেন্দ্রবিন্দু হ'ল ঈশ্বৰত থকা বিশ্বাস। সেয়েহে আমি ঈশ্বৰৰ ধাৰণাবোৰ, ঈশ্বৰৰ প্রকৃতি আৰু ঈশ্বৰৰ অস্তিত্ব বিষয়ক যুক্তিবোৰৰ মাজত থকা নিকট সম্পর্ক স্পষ্টকৈ বুজি পাব লাগিব। ঈশ্বৰ আৰু পৃথিৱীৰ সম্পর্ক পৃথিৱীৰ বিভিন্ন ধর্ম আৰু ঈশ্বৰৰ অস্তিত্ব বিষয়ক যুক্তিবোৰৰ গভীৰ নিৰীক্ষণৰ জৰিয়তেহে ঈশ্বৰৰ ধাৰণা আৰু প্রকৃতি সম্পর্কে বুজিব পৰা যাব।

এই অধ্যায়টোত আমি ঈশ্বৰ বিশ্বাস আৰু ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় কেইটামান পৰম্পৰাগত ঈশ্বৰবাদী যুক্তি আলোচনা কৰিম।

১৩.৩ তাত্ত্বিক যুক্তি (Ontological Argument)

তাত্ত্বিক যুক্তিয়ে ধাৰণা অথবা মানৱীয় অভিজ্ঞতাৰ আধাৰত ঈশ্বৰৰ অস্তিত্ব প্রমাণ কৰাৰ চেষ্টা চলায়। চেইণ্ট আনচেল্ম্ নামৰ মধ্যযুগীয় দার্শনিক এগৰাকীক এই যুক্তিৰ প্রৱর্তক বুলি কোৱা হয়। চেইণ্ট আনচেল্ম্ৰ উপৰি এই যুক্তিৰ আন কেইগৰাকীমান সমর্থক হ'ল- ৰেনে ডেকার্টু, স্পিন'জা, লেইব্নিটঝ্, হেগেল আদি।

১৩.৩.১ চেইণ্ট আনচেল্মৰ দৃষ্টিভংগী

চেইণ্ট আনচেল্ম্-এ কৈছিল যে আমাৰ 'আদর্শ সত্বা' (Perfect being) সম্পর্কীয় এক ধাৰণা আছে। ঈশ্বৰ বুলিলে আমি এই সত্বাটোৰ কথাই বুজাও। তলত দিয়া ধৰণে এই যুক্তিটো আগবঢ়াই নিয়া হয় ঃ

"ঈশ্বৰ এনে এক সত্বা যাৰ উর্দ্ধত আন কোনো মহত্ত্বৰ সত্বাৰ ধাৰণা কৰিব নোৱাৰি।"

এতিয়া, এনে এক সত্বা সম্পর্কে আমাৰ এটা ধাৰণা আছে। কিন্তু এনে এক সত্বাৰ ধাৰণাটোৰ অস্তিত্ব থকাটো প্রয়োজনীয়। যদি ঈশ্বৰ অস্তিত্বহীন, তেন্তে তেওঁ অস্তিত্ব থকাৰ সমান মহান হ'ব নোৱাৰে। আৰু ঈশ্বৰৰ সংজ্ঞা অনুসৰি তেওঁ হ'ল ধাৰণা কৰিব পৰা মহত্তম সত্বা। সেয়েহে এনে এক সত্বাৰ অস্তিত্ব আছে। এইটো স্পষ্টকৈ বুজিব পাৰি যে 'মহত্ত্বৰ' (greater) অভিধাটোৰ দ্বাৰা আনচেল্ম্-এ অধিক নিখুঁত, সর্বোচ্চ আৰু পৰম সত্বা এটাৰ কথা বুজাইছিল। ঈশ্বৰক অস্তিত্ব থকা সকলো সত্বাৰ ভিতৰত সবাতোকৈ নিখুঁত বুলি বর্ণনা কৰাৰ সলনি আনচেল্ম,-এ তেওঁক এনে এক নিখুঁত /পূর্ণাংগ সত্বা বুলি কৈছিল যাৰ উর্দ্ধত আন কোনো নিখুঁততাৰ ধাৰণা কৰিব নোৱাৰি। এই তাত্ত্বিক যুক্তিটোত আনচেল্ম্-এ আঙুলিয়াই দেখুৱাইছিল যে সবাতোকৈ নিখুঁত/ পূর্ণাংগ ধাৰণাই ঢুকি পোৱা সত্বাটোৰ অস্তিত্ব বাস্তৱৰ লগতে আমাৰ মনতো থাকিব লাগিব। তেওঁ কৈছিল যে ঈশ্বৰ হ'ল এক প্রয়োজনীয় অস্তিত্ব। সেয়েহে তেওঁৰ অস্তিত্ব নাই বুলি ধাৰণা কৰাটো অসম্ভৱ। কাৰণ, কিবা এটাৰ অস্তিত্ব আছে বুলি যদি ভাবিব পৰা যায় তেন্তে তেনে কিবা এটাৰ অস্তিত্ব থাকিব নোৱাৰে বুলি ভাবিব পৰা নাযায়।

তলৰ উদাহৰণটো চেইণ্ট আনচেল্ম্-এ আগবঢ়োৱা যুক্তিটোৰ সদৃশ। ঈশ্বৰৰ ধাৰণাটো হ'ল এনে এক সত্বাৰ ধাৰণা যিটো মানৱ মনে কৰিব পৰা ধাৰণাতকৈ মহত্ত্বৰ হ'ব নোৱাৰে; কিন্তু এটা অস্তিত্বশীল সত্বা কেৱল মাত্ৰ ধাৰণাহে কৰিব পৰা সত্বাতকৈ মহত্ত্বৰ;

যদি ঈশ্বৰৰ অস্তিত্ব নাই, তেন্তে ঈশ্বৰ ধাৰণাই ঢুকি পোৱা সত্বা এটাতকৈ মহত্ত্বৰ সত্বা হ'ব নোৱাৰিব;

অৰ্থাৎ, ঈশ্বৰৰ অস্তিত্ব আছে।

চেইণ্ট আনচেল্মৰ তাত্ত্বিক যুক্তিটো তলৰ কথাবোৰৰ আধাৰত সামৰিব পৰা যায়-

প্ৰথম কথা, ঈশ্বৰ যিহেতু এক উপাসনাৰ বস্তু সেয়েহে তেওঁ নিশ্চয় একো ধাৰণা কৰিব নোৱাৰা সত্বা এটাতকৈ উচ্চতৰ অথবা মহত্ত্বৰ হ'ব।

দ্বিতীয় কথা, অস্তিত্ব হ'ল নিখুঁততা/ পুৰ্ণাংগতাৰ সৰ্বোচ্চ দশা। ইয়াক এক বিধেয় (predicate) অথবা সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ আদিৰ দৰে গুণ এটাৰ আধাৰত ধাৰণা কৰি ল'ব পাৰি।

তৃতীয়তে, ঈশ্বৰ হ'ল এক প্ৰয়োজনীয় অস্তিত্ব (necessary existence)। একোৱেই ধাৰণা কৰিব নোৱাৰা সত্বা এটাতকৈ এক মহত্ত্বৰ সত্বা হিচাপে ঈশ্বৰৰ ধাৰণা কৰিব পাৰি।



জানি থোৱা ভাল

চেইণ্ট আনচেল্ম্ ঃ (১০৩৩ /৩৪- ১১০৯ খৃষ্টাব্দ) মধ্যযুগীয়া দাৰ্শনিক আৰু ধৰ্মশাস্ত্ৰবিদ। 'ম'ন'ল'জিঅ'ন (Monologion) আৰু 'প্ৰচল'জিঅ'ন' (Proslogion) হ'ল তেওঁৰ দুখন প্ৰধান ধৰ্মশাস্ত্ৰমূলক পুস্তক। প্ৰথমখন পুস্তকৰ বিষয়বস্তু হ'ল জগৎকাৰণ যুক্তি সম্পৰ্কীয় সংস্কৰণ, শুভবাদ (goodness) ৰ অস্তিত্ব সম্পৰ্কীয় যুক্তি আৰু এক পৰম শুভ (supreme good) ৰ অস্তিত্ব সম্পৰ্কীয় যুক্তি। দ্বিতীয়খন পুস্তকৰ বিষয়বস্তু হ'ল ঈশ্বৰৰ অস্তিত্ব বিষয়ক তেওঁ আগবঢ়োৱা প্ৰসিদ্ধ তাত্ত্বিক যুক্তিটো। আনচেল্ম্ -এ তৰ্কশাস্ত্ৰ আৰু ধৰ্মতত্ত্বৰ সৈতে জড়িত বিভিন্ন সমস্যাক লৈ কথোপকথনৰ আৰ্হিত আন বহুতো লেখনী লিখি থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে প্ৰথমে ঈশ্বৰৰ অস্তিত্ব বিষয়ক তাত্ত্বিক যুক্তিটো আগবঢ়াইছিল?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ তাত্ত্বিক যুক্তিটোৰ সমৰ্থকসকলৰ নাম লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ 'প্ৰচল'জিঅ'ন' নামৰ পুস্তকখনৰ লেখক কোন?

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ "ঈশ্বৰ এনে এক সত্বা যাৰ উৰ্দ্ধত আন কোনো মহত্ত্বৰ সত্বাৰ ধাৰণা কৰিব নোৱাৰি"- কোনে এই দৃষ্টিভংগীটোৰ প্ৰৱৰ্তন কৰিছিল?

.....

.....

.....

.....

১৩.৩.২ ডেকার্টৰ দৃষ্টিভংগী

ডেকার্টে তাত্ত্বিক যুক্তিটো কিছু সাল-সলনি কৰিছিল। তেওঁ কৈছিল যে ঈশ্বৰ নিশ্চয় এক সৰ্বদিশেৰে নিখুঁত সত্বাৰ ধাৰণাটোৰ আঁৰত লুকাই থকা কাৰণ ডেকার্টৰ মতে 'নিখুঁততা' (Perfection) মানে হ'ল বৈশিষ্ট্য, ক্ষমতা, শুভবাদ, জ্ঞান আৰু অস্তিত্বৰ সমাহাৰ। সেয়েহে ঈশ্বৰতকৈ কম অন্য কোনো বস্তুৱেই এনে এক ধাৰণাৰ কাৰণ হ'ব নোৱাৰে। ডেকার্টৰ মতে ঈশ্বৰৰ ধাৰণাটো হ'ল এটা 'অন্তৰত উৎপন্ন হোৱা ধাৰণা' (innate idea)।

ডেকার্টে বুজাবলৈ চেষ্টা কৰিছিল যে ঈশ্বৰৰ ধাৰণাটোৰ পৰাই মানুহে ঈশ্বৰৰ অস্তিত্ব সাব্যস্ত কৰিব পাৰে। তেওঁ নিজে ঈশ্বৰৰ নিখুঁততাৰ /পুৰ্ণাংগতাৰ ধাৰণাটোৰ পৰা ঈশ্বৰৰ অস্তিত্ব সাব্যস্ত কৰিছিল। তেওঁৰ মতে এটা সম্পূৰ্ণ নিখুঁত সত্বা হিচাপে থকা ঈশ্বৰৰ ধাৰণাটো হ'ল অন্তৰত উৎপন্ন হোৱা এক সহজাত ধাৰণা। ই সুস্পষ্ট আৰু

সুনির্ধাৰিত। এই ধাৰণাক লৈ কোনো সন্দেহৰ সৃষ্টি হ'ব নোৱাৰে। অর্থাৎ, ঈশ্বৰৰ ধাৰণাটো 'মোৰ অন্তৰত উৎপন্ন হোৱা' এক সুস্পষ্ট আৰু সুনির্ধাৰিত ধাৰণা।

ডেচকার্টিজৰ মতে আমি যেনেদৰে সংখ্যা অথবা আকৃতি সম্পর্কে সুস্পষ্ট আৰু সুনির্ধাৰিত ধাৰণা কৰিব পাৰোঁ ঠিক একেদৰে আমি ঈশ্বৰ সম্পর্কেও ধাৰণা কৰিব পাৰোঁ। তেওঁৰ মতে ঈশ্বৰৰ ধাৰণাটো হ'ল এক পৰম নিখুঁত সত্বাৰ ধাৰণা। এই ধাৰণাটোৰ এটা প্ৰকৃত (actual) আৰু অবিনশ্বৰ (eternal) সত্বা আছে বুলিও বিচাৰ কৰি চাব পাৰি। অর্থাৎ, ঈশ্বৰৰ অস্তিত্ব আছে।

ডেকার্টৰ দৃষ্টিভংগী অনুসৰি যেনেদৰে আমি এটা ত্ৰিভূজৰ সূত্ৰৰ পৰা গম পাওঁ যে 'এটা ত্ৰিভূজৰ কোণবোৰৰ মান দুটা সমকোণৰ সমান' ঠিক একেদৰে ঈশ্বৰৰ অস্তিত্ব সম্পর্কে আমি ঈশ্বৰৰ ধাৰণাটোৰ পৰাই গম পাব পাৰোঁ। অস্তিত্ব অবিহনে আমি ঈশ্বৰৰ ধাৰণা কৰিব নোৱাৰো। অর্থাৎ, আমি গম পালোঁ যে অস্তিত্ব আৰু ঈশ্বৰ অবিচ্ছেদ্য। সেয়েহে ক'ব পাৰি যে ঈশ্বৰৰ অস্তিত্ব আছে। ডেকার্টে এয়া স্পষ্ট কৰি দিছে যে মানুহে কোনো ইচ্ছা হাবিয়াস (will)ৰ অস্তিত্ব নাই বুলি ভাবিব পাৰে, কিন্তু ঈশ্বৰক অ-অস্তিত্বহীন (non-existent) বুলি কেতিয়াও ভাবিব নোৱাৰে। তেওঁৰ মতে ঈশ্বৰৰ ধাৰণাটোৰ পৰাই ঈশ্বৰৰ অস্তিত্ব, ঈশ্বৰৰ যথার্থতা, ঈশ্বৰৰ অপৰিৱর্তনশীলতা আদিৰ উৎপত্তি। সেয়েহে নিঃসন্দেহে ঈশ্বৰৰ অস্তিত্ব আছে।

আমি তলত উল্লেখ কৰা পর্যায়বোৰত ডেকার্টৰ তাত্ত্বিক যুক্তিটো সামৰিব পাৰোঁ-

(ক) ঈশ্বৰৰ ধাৰণাটো হ'ল এক নিখুঁত সত্বাৰ ধাৰণা

(খ) ধাৰণাটোত প্ৰত্যক্ষবাদী বৈশিষ্ট্যৰ কোনো নাটনি নহয়

(গ) অস্তিত্ব এটা প্ৰত্যক্ষবাদী বৈশিষ্ট্য

(ঘ) সেয়েহে, ঈশ্বৰ অস্তিত্বৰ অভাৱত নোভোগে। ঈশ্বৰৰ অস্তিত্ব আছে।



জানি থোৱা ভাল

ডেকার্ট, ৰেনে (১৫৯৬-১৬৫০ খৃষ্টাব্দ) ঃ ফৰাছী দার্শনিক সংশয়বাদৰ বিপৰীতে নিশ্চয়তাত উপনীত হ'বলৈ ডেচকার্টিজে কৰা প্ৰয়াসক আধুনিক জ্ঞানমীমাংসাবাদৰ উৎস বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ 'ডেকার্টে ঈশ্বৰৰ অস্তিত্ব বিষয়ক তাত্ত্বিক যুক্তিটোক সমর্থন কৰিছিল'- সঁচানে?

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ 'ডেকার্টৰ তাত্ত্বিক যুক্তিটো কি?

.....

.....

.....

.....

১৩.৩.৩ তাত্ত্বিক যুক্তিৰ সমালোচনা

বহুতো দার্শনিকে ঈশ্বৰৰ অস্তিত্ব বিষয়ক তাত্ত্বিক যুক্তিটোক অথবা ঈশ্বৰৰ ধাৰণাটোৰ পৰাই ঈশ্বৰৰ অস্তিত্ব সাব্যস্ত কৰিব পাৰি বোলা কথাটোৰ সমালোচনা কৰিছে। এনে দার্শনিকসকলৰ ভিতৰত চেইণ্ট ট'মাছ একুইনাচ, কাণ্ট, আয়াৰ আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। এওঁলোকৰ ভিতৰৰো আকৌ কাণ্টৰ কথা বিশেষভাৱে উনুকিয়াব পাৰি। অৱশ্যে হেগেল আৰু আন কেইগৰাকীমান দার্শনিকে কাণ্টে আনচেল্ম্ তথা ডেকার্টক কৰা সমালোচনা মুঠেও যুক্তিসংগত নহয় বুলি মত প্ৰকাশ কৰিছে। যুক্তিটোৰ সমালোচনাবোৰ তলত দিয়া ধৰণৰঃ

১) কাণ্টে তাত্ত্বিক যুক্তিক সাতটা দিশেৰে সমালোচনা কৰিছিল। তেওঁৰ মতে আমি কেৱল মাত্ৰ এটা ধাৰণাৰ পৰা কোনো ধৰণৰ যথার্থতাত উপনীত হ'ব নোৱাৰো। কোনো বস্তুৰ অস্তিত্ব থাকিবলৈ হ'লে আমি বস্তুটোৰ অভিজ্ঞতা লাভ কৰিব লাগিব। তাত্ত্বিক যুক্তিয়ে চিন্তা (thought) আৰু অস্তিত্ব (existence) ৰ মাজৰ সঠিক পার্থক্যক আওকাণ কৰে। কাণ্টে আঙুলিয়াই দেখুৱাইছিল যে মই মোৰ মনত সৃষ্টি কৰি লোৱা এশ ডলাৰৰ ধাৰণাটোৰ পৰা এই কথা প্ৰমাণ কৰিব নোৱাৰো যে মোৰ জেপত এশ ডলাৰৰ অস্তিত্ব আছে। একে ধৰণে, আমাৰ মনত ঈশ্বৰৰ ধাৰণা এটা আছে যদিও ই ঈশ্বৰৰ প্ৰকৃত অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰে।

২) গউনিলোঁ নামৰ ফৰাছী ভিক্ষু এগৰাকীয়ে দাবী কৰিছিল যে যদি আনচেল্ম্ৰ যুক্তিটোক অন্য ক্ষেত্ৰত প্ৰয়োগ কৰা হয় তেন্তে ইয়াৰ পৰা অযৌক্তিক সমাধান বাহিৰ হ'ব। আনচেল্ম-এ সবাতোকৈ নিখুঁত দ্বীপ এটাৰ উদাহৰণেৰে আন এক সমান্তৰাল তাত্ত্বিক যুক্তি আগবঢ়াইছিল। তেওঁ মানুহে ধাৰণা কৰিব পৰা সবাতোকৈ সুন্দৰ, আদর্শ দ্বীপ এটাৰ কথা কৈছিল। কিন্তু তেওঁৰ যুক্তিক পশ্চাৎকালৰ ধাৰণা

(latter idea) বুলি অভিহিত কৰিব পাৰি। এনে এক দ্বীপৰ ধাৰণাটোত আনচেল্মনৰ নীতি প্ৰয়োগ কৰি আমি যুক্তি দৰ্শাব পাৰোঁ যে যেতিয়ালৈকে দ্বীপটোৰ বাস্তৱ অস্তিত্ব নাথাকে তেতিয়ালৈকে ই মানুহে ধাৰণা কৰিব পৰা নিখুঁত আদৰ্শ দ্বীপত পৰিণত হ'ব নোৱাৰে। একেদৰে, যদি বাস্তৱত ঈশ্বৰৰ অস্তিত্ব নাথাকে তেন্তে আদৰ্শ সত্বা হিচাপে ঈশ্বৰৰ ধাৰণা গঢ়ি তুলিব পৰা নাযাব।

৩) যদি অস্তিত্ব 'নিখুঁততা' আৰু ঈশ্বৰ 'সবাতোকৈ নিখুঁত', তেন্তে ঈশ্বৰৰ অস্তিত্বক আমি মঞ্জুৰি দিব লাগিব। কিন্তু অস্তিত্ব কোনো বৈশিষ্ট্য অথবা গুণ নহয়। বৈশিষ্ট্য সম্পন্ন হ'ব লাগিলে বস্তু এটাৰ প্ৰথমে অস্তিত্ব থাকিব লাগিব। কিন্তু আমি ঈশ্বৰৰ অস্তিত্ব তেওঁৰ নিখুঁততাৰ সহায়ত।

৪) ডেকার্টৰ তাত্ত্বিক যুক্তিয়ে দাবী কৰে যে ঈশ্বৰ সূচোৱা বিধেয়বোৰৰ মাজত অস্তিত্বকো সামৰি ল'ব লাগিব। কথাটো ত্ৰিভূজৰ আভ্যন্তৰীণ কোণবোৰৰ মান দুটা সমকোণৰ সমান বোলা যথার্থতাৰ দৰে একে। কাৰণ, ই ত্ৰিভূজ এটাৰ আৱশ্যকীয় বৈশিষ্ট্য। কাণ্টে উত্তৰ দিছে যে যিকোনো উদ্দেশ্যই ইয়াৰ বিধেয়বোৰৰ সৈতে বাস্তৱিকতে নিজ অস্তিত্ব প্ৰকট কৰে। বিশ্লেষণাত্মক ভাৱে বাহিৰ কৰিব পৰা সত্যটো হ'ল- যদি আমি এটা ত্ৰিভূজ লও, তেন্তে ইয়াৰ তিনিটা কোণ থাকিবই। যদি জগতত এক অসীমভাৱে নিখুঁত সত্বা আছে তেন্তে ইয়াৰ এক অস্তিত্বও থাকিব লাগিব। কাণ্টে পুনৰ কৈছে, " আমি যদি এটা ত্ৰিভূজ থকা বুলি ধৰি লওঁ, কিন্তু ইয়াৰ তিনিওটা কোণক অগ্ৰাহ্য কৰোঁ, তেন্তে কথাটোত স্ব-বিৰোধ ফুটি উঠিব। কিন্তু এটা ত্ৰিভূজক ইয়াৰ তিনিওটা কোণেৰে সৈতে নস্যাৎ কৰিলে কোনো স্ব-বিৰোধৰ সৃষ্টি নহয়। একেটা কথাই এক সম্পূৰ্ণৰূপে আৱশ্যকীয় সত্বাৰ ধাৰণাটোৰ ক্ষেত্ৰতো প্ৰযোজ্য।' (Kant, J., Critique of Pure Reason, tr. K.N. Smith, Chap.3, Sec.4)

৫) ঈশ্বৰৰ সংজ্ঞাই ব্যক্তিৰ নিজস্ব ঈশ্বৰৰ ধাৰণাক প্ৰতিফলিত কৰে। আমি তেনে কোনো সত্বাৰ প্ৰকৃত অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰো। আমি মেজ, ৰাজীৱ, গৰু, ঘৰ আদিৰ দৰে অভিধাবোৰ উচ্চাৰণ কৰিব পাৰোঁ। এই আটাইবোৰ অভিধাই পৃথিৱীত প্ৰকৃত অস্তিত্ব থকা বস্তু কিছুমানক বুজায়। একেদৰে, আমি যদি 'ইউনিকৰ্ণ' বুলি উচ্চাৰণ কৰোঁ অথবা 'ইউনিকৰ্ণ'ৰ অস্তিত্ব আছে, নাইবা সোণেৰে সজা পৰ্বতৰ অস্তিত্ব আছে বুলি কওঁ, ই এনে বস্তুৰ অস্তিত্ব সুনিশ্চিত কৰিব নোৱাৰে। কাৰণ, ইউনিকৰ্ণ আৰু সোণৰ পৰ্বত হ'ল নেতিবাচক অস্তিত্ববাদী উক্তি। অৰ্থাৎ, তেনে বস্তুৰ অস্তিত্ব নাই। একেদৰে, ঈশ্বৰো এক নেতিবাচক অস্তিত্ববাদী উক্তি। ইয়াৰো কোনো অস্তিত্ব নাই।

জানি থোৱা ভাল



● কাণ্ট (১৭২৪-১৮০৪) ঃ জাৰ্মান দাৰ্শনিক। কাণ্টে হিউমৰ সংশয়বাদী যুক্তিৰ বিৰোধিতা কৰি আধুনিক দৰ্শনলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। তেওঁ মানৱ জ্ঞান আৰু নৈতিকতাৰ এক দৃঢ় ভেটিৰ সপক্ষে যুক্তি দাঙি ধৰিছিল। কাণ্টে অতীন্দ্ৰিয়বাদী যুক্তি প্ৰয়োগ কৰি দেখুৱাই দিছিল যে মানুহে যিকোনো সম্ভাব্য অভিজ্ঞতাৰ পূৰ্বচর্ত হিচাপে একোটা সংশ্লেষণাত্মক অগ্ৰাধিকাৰ সিদ্ধান্ত (Synthetic a priori judgements) ব্যৱহাৰ কৰে।

● হেগেল,জৰ্জ ডব্লিউ (১৭৭০-১৮৩১) ঃ জাৰ্মান দাৰ্শনিক। তেওঁ এক আদৰ্শবাদৰ সমৰ্থনত দ্বন্দ্বাত্মক যুক্তি প্ৰমেয় (thesis) ৰ পৰা বিৰোধাভাস (antithesis)ৰ পৰা সংশ্লেষণ (Synthesis) লৈ প্ৰয়োগ কৰিছিল। এই আদৰ্শ বাদত মানৱ সংস্কৃতিক পৰম সত্বা (the Absolute)ৰ আত্মচেতনতাৰ প্ৰদৰ্শন বুলি ভালদৰে চালিজাৰি চোৱা হৈছিল।

● টমাচ একুইনাচ ঃ ইটালিয়ান ডমিনিকান দাৰ্শনিক আৰু ধৰ্মতত্ত্ববিদ।

● আয়াৰ (১৯১০-১৯৮৯) ঃ ইংৰাজ দাৰ্শনিক। ভিয়েনা দাৰ্শনিক মণ্ডলী (Vienna)ৰ সদস্যসকলৰ সৈতে অধ্যয়ন কৰাৰ পাচত তেওঁ ১৯৩৬ চনত 'Language, Truth and Logic' নামৰ গ্ৰন্থখন প্ৰকাশ কৰিছিল। গ্ৰন্থখনক যৌক্তিক প্ৰত্যক্ষবাদৰ কেন্দ্ৰীয় দৃষ্টিভংগীবোৰ সন্নিৱিষ্ট কৰা এক উৎকৃষ্ট ৰচনা বুলি গণ্য কৰা হয়। অৰ্থৰ এটা নিৰ্ণায়ক হিচাপে প্ৰতিপাদনসাধ্যতাৰ ব্যৱহাৰ, অৰ্থহীন আৰু আবেগ প্ৰবণতাবাদী ন্যায়নিষ্ঠ তত্ত্ব বুলি পৰাবিজ্ঞান তথা ধৰ্মতত্ত্বৰ নাকচকৰণ হ'ল গ্ৰন্থখনৰ অন্য আলোচ্য বিষয়। আয়াৰৰ আন দুখনমান প্ৰসিদ্ধ গ্ৰন্থ হ'ল ' Foundations of Empirical Knowledge ' (১৯৪০), 'The Problem of Knowledge' (১৯৫৬) , 'Logical Positivism' (১৯৬৬)আৰু 'The Central Questions of Philosophy' (১৯৭২)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ তাত্ত্বিক যুক্তিটোৰ সমালোচক কেইগৰাকীৰ নাম কি কি?)

.....

.....

.....

.....

১৩.৪ ঈশ্বৰৰ অস্তিত্ব বিষয়ক নৈতিক যুক্তি

ঈশ্বৰত বিশ্বাস কৰা নৈতিক যুক্তিৰ আধাৰ হ'ল মানুহৰ নৈতিক প্ৰকৃতি আৰু ধৰ্মীয় অভিজ্ঞতা। কাণ্টক নৈতিক যুক্তিৰ প্ৰৱৰ্তক বুলি কোৱা হয়. তেওঁ ' Critique of Practical Reason ' নামৰ গ্ৰন্থখনত যুক্তি দাঙি ধৰিছিল যে ঈশ্বৰৰ অস্তিত্ব হ'ল ব্যৱহাৰিক নাইবা নৈতিক কাৰণৰ ভিত্তিত স্বীকাৰ্য স্বত:সিদ্ধ কথা। কাণ্টৰ সমালোচনাত্মক দৰ্শনত নৈতিক যুক্তিয়ে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। তেওঁ নৈতিক যুক্তিৰ বাহিৰে আন সকলোবোৰ যুক্তিকে কঠোৰভাৱে সমালোচনা কৰিছে। তেওঁৰ মতে নৈতিক শৃংখলাবদ্ধতা বোধগম্য হ'ব লাগিলে ঈশ্বৰৰ অস্তিত্ব থাকিবই লাগিব। কাণ্টৰ দৰ্শনত নৈতিক যুক্তিৰ এক বিশেষ স্থিতি আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ 'Critique of Practical Reason' নামৰ গ্ৰন্থখন কোনে লিখিছিল?

.....

.....

.....

.....

১৩.৪.১ কাণ্টৰ দৃষ্টিভংগী

কাণ্টৰ মতে ঈশ্বৰৰ অস্তিত্ব হ'ল এটা স্বত:সিদ্ধ কথা নাইবা নৈতিক জীৱনৰ পূৰ্ব-কাৰ্যনিৰ্ণায়ক। কাণ্টে তেওঁৰ 'সম্পূৰ্ণ শ্ৰেয়' (Complate good) তত্ত্বত কৈছে যে 'সদিচ্ছা'(good will)ৰ বাহিৰে অৰ্হতা অবিহনে পৃথিৱী অথবা পৃথিৱীৰ বাহিৰৰ কোনো বস্তুকেই শ্ৰেয় /শুভ (good) বুলি গ্ৰহণ কৰাটো অসম্ভৱ। চমুকৈ, 'পৰম মংগল অথবা 'summum bonum' ৰ পোষকতা কৰাটো মানুহৰ কৰ্তব্য। তেওঁৰ বাবে ঈশ্বৰৰ অস্তিত্ব হ'ল নৈতিকতাৰ এক অগ্ৰাধিকাৰ। আমাৰ নৈতিক সচেতনতাৰ দাবী হ'ল সুগুণসম্পন্ন লোকসকলে সুখ-আনন্দৰ পুৰস্কাৰ লাভ কৰা উচিত। কিন্তু বাস্তৱত সুগুণসম্পন্ন লোকসকলক কেতিয়াবাহে সুখী দেখা যায়। এইটো কাৰণতে কাণ্টে যুক্তি দৰ্শায় যে এনে এক পৰম সত্বা অথবা ঈশ্বৰ থাকিবই লাগিব যিজনাই সুগুণসম্পন্ন লোকক পৰৱৰ্তী জগতখনত সুখ-আনন্দ প্ৰদান কৰিব। আমি নিজকে সুগুণসম্পন্ন কৰি তুলিব পাৰো, কিন্তু আমি নিজকে সুখী কৰিব নোৱাৰো। কাৰণ, সুখ-আনন্দ কিছুমান বাহ্যিক অনুকূল পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। এই পৰিস্থিতিবোৰ আমাৰ নিয়ন্ত্ৰণত নাথাকে। কিন্তু ঈশ্বৰে সুগুণসম্পন্ন ব্যক্তিক পৰৱৰ্তী জীৱনত সুখী কৰিব পাৰে। কিয়নো ঈশ্বৰ হ'ল অশৰীৰী আত্মা আৰু প্ৰকৃতি ৰাজ্যৰ নিয়ন্ত্ৰণ।



জানি থোৱা ভাল

চমাম বোনাম (Summum Bonum) ঃ লেটিন খণ্ডবাক্য, অর্থ- 'পৰম মংগল'। অর্থাৎ, মৌলিকভাৱে অমূল্য। সাধাৰণ অর্থত মানৱ জীৱনৰ পৰম লক্ষ্য অথবা পৰিণতি।



অগ্রগতি নিৰীক্ষণ


প্রশ্ন নং ৯ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) কাণ্টৰ মতে ঈশ্বৰৰ অস্তিত্ব হ'ল এটা..... নাইবা নৈতিক জীৱনৰ.....।

(খ) 'পৰম মংগল' অথবা.....ৰ পোষকতা কৰাটো মানুহৰ কর্তব্য।

১৩.৪.২ ঈশ্বৰ বিষয়ক ভাৰতীয় ধাৰণা (নৈতিক যুক্তি)

ন্যায় দর্শন অনুসৰি ধর্মীয় কাম- কাজে দক্ষতা (merit)ৰ আৰু ভুল কার্যই অদক্ষতা (demerits)ৰ সৃষ্টি কৰে। দক্ষতা আৰু অদক্ষতা আমাৰ আত্মাত থাকে। এই দক্ষতা আৰু অদক্ষতাক 'অদৃষ্ট' বুলি কোৱা হয়, ই এক অচেতন অৱস্থা। সেয়েহে ইয়াক নিয়ন্ত্রণ কৰিবলৈ আমাক কিছুমান সচেতন অভিকৰণৰ (conscious agency) প্রয়োজন হয়। ব্যক্তিগতভাৱে আত্মাই এই অভিকৰণৰ দায়িত্ব পালন কৰিব নোৱাৰে। কাৰণ, ব্যক্তিগত আত্মাই হ'ল দক্ষতা আৰু অদক্ষতাৰ অচেতন ৰূপ। সর্বজ্ঞ ঈশ্বৰ হ'ল আমাৰ নৈতিক নিয়ন্ত্রক, অদৃষ্ট নিয়ন্ত্রণকাৰী। তেওঁ সুগুণসম্পন্ন লোকক সুখ-আনন্দেৰে পুৰস্কৃত কৰে আৰু দুষ্ট লোকক দুখ-যন্ত্রণাৰে শাস্তি দিয়ে। সেয়েহে এই কথা প্রমাণ কৰিব পাৰি যে ঈশ্বৰৰ অস্তিত্ব আছে।



জানি থোৱা ভাল

ন্যায় ঃ ছটা নৈষ্ঠিক হিন্দু দর্শন পন্থাৰ এটা। ন্যায় দর্শনে আমাৰ বাস্তৱিকতা সম্পর্কীয় জ্ঞানৰ অধ্যয়ন তথা ব্যাখ্যাত মনোনিৱেশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ "ন্যায় দর্শন অনুসৰি ধর্মীয় কাম- কাজে দক্ষতাৰ আৰু ভূল কার্যই অদক্ষতাৰ সৃষ্টি কৰে"- উক্তিটো সঁচানে?

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ "দক্ষতা আৰু অদক্ষতাক 'অদৃষ্ট' বোলা হয়, ইয়েই অচেতন অৱস্থা"- উক্তিটো সঁচানে?

.....

.....

.....

.....

১৩.৪.৩ নৈতিক যুক্তিৰ তিনিটা সাধাৰণ বিচাৰ

ঈশ্বৰৰ অস্তিত্বত বিশ্বাসী নৈতিক যুক্তিটোৰ আধাৰ হ'ল মানুহৰ নৈতিক প্ৰকৃতি আৰু প্ৰমূল্যবোধ। এই যুক্তিটো বিভিন্ন দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা হৈছে। দাৰ্শনিক সাহিত্যত বিকাশ ঘটা এনে তিনিটা সাধাৰণ বিচাৰ তলত চমুকৈ আলোচনা কৰা হ'ল।

১) এই যুক্তিৰ এটা ৰূপৰ আধাৰ হ'ল মানুহৰ নৈতিক প্ৰকৃতি আৰু তেওঁৰ দায়ৱদ্ধতাবোধ অথবা কৰ্তব্যবোধ। যদি মানুহ কেৱল মাত্ৰ প্ৰকৃতিৰ এটা দিশ হয়, তেন্তে মানুহক প্ৰকৃতিৰ পন্থাবোৰ মানি চলাৰ অথবা তাৰপৰা আঁতৰি থকাৰ নিৰ্দেশ দিয়াটো অৰ্থহীন কথা হ'ব। এটা সময়ত মানুহৰ দায়িত্ববোধে মানুহক জীয়াই থকাৰ আগ্ৰহক অস্বীকাৰ কৰিবলৈ শিকাব। মানুহৰ দায়িত্ববোধে ইয়াৰ উৎস হিচাপে আৰু নৈতিক জীৱনৰ বৈশিষ্ট্যবোৰৰ নিশ্চয়তা প্ৰদানকাৰী ৰূপে এজনা ঈশ্বৰ থকাৰ কথা সূচায়।

২) এই বাৰ নৈতিক যুক্তিৰ আন এক দিশেৰে কৰা বিচাৰ সম্পৰ্কে আলোচনা কৰোঁ আহক ! এখন যুক্তিসংগত আৰু ন্যায়পূৰ্ণ পৃথিৱীত 'নৈতিক শুভবাদ' তথা সুখ-আনন্দই একেলগে বিৰাজ কৰা উচিত। নৈতিকভাৱে সুগুণসম্পন্ন ব্যক্তি এগৰাকী সুখী আৰু নৈতিকভাৱে বেয়া ব্যক্তি এগৰাকী অসুখী হোৱা উচিত। কিন্তু দৰাচলতে দুয়োটা কথাৰ মাজত এনে কোনো সহ:সম্বন্ধ দেখা পোৱা নাযায়। সেয়েহে, এনেকুৱা এজনা ঈশ্বৰ নিশ্চয় আছে যিয়ে অৱশেষত আটাইবোৰ নৈতিক প্ৰমূল্যৰ পোষকতা কৰে আৰু অৱশেষত ভাল ব্যক্তি এগৰাকীক সুখী কৰে।

৩) নৈতিক যুক্তিৰ তৃতীয় বিচাৰটো সৰ্বাধিক জনপ্ৰিয় বিচাৰবোৰৰ এটা। ইয়াৰ আধাৰ হ'ল প্ৰমূল্যৰ বস্তুনিষ্ঠাতাৰ ধাৰণা। মানুহ আৰু তেওঁৰ প্ৰমূল্যবোৰ হ'ল প্ৰকৃতিৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ অংশ। প্ৰমূল্যবোৰ বিষয়নিষ্ঠ প্ৰকৃতিৰ হ'ব নোৱাৰে। প্ৰতিটো প্ৰমূল্যৰে নিজা উদ্দেশ্যধৰ্মী অস্তিত্ব থাকে। ক্ৰমবিৱৰ্তন প্ৰক্ৰিয়াৰ মাজতেই মানুহৰ নৈতিক স্থিতিমাপ-বোৰৰ বিকাশ ঘটে। এই স্থিতিমাপবোৰ দৰাচলতে ক্ৰমবিৱৰ্তন

প্ৰক্ৰিয়াৰ অভিব্যক্তি। এইবোৰে জীৱন বৰ্তাই ৰখাৰ আৰু সমৃদ্ধ কৰি তোলাত সহায় কৰে। প্ৰশংসা কৰা মানে হ'ল অন্তর্নিহিত অৰ্থ আৰু প্ৰমূল্যৰ প্ৰতি সঁহাৰি জনোৱা ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে এই শৃংখলাৱদ্ধতা ভৌতিক শৃংখলাৱদ্ধতাৰ সমানেই বাস্তৱ।

নৈতিক যুক্তিক ঈশ্বৰৰ অস্তিত্ব প্ৰমাণকাৰী সবাতোকৈ সবল যুক্তি বুলি গণ্য কৰা হয়। কাণ্টে কৈছে যে নৈতিক শৃংখলাৱদ্ধতা বোধগম্য হ'বলৈ হ'লে ঈশ্বৰৰ অস্তিত্ব থাকিবই লাগিব।

১৩.৪.৪ নৈতিক যুক্তিৰ সমালোচনা

১) কাণ্টে যুক্তি দৰ্শোৱাৰ দৰে ব্যক্তিৰ নৈতিক জীৱন ঈশ্বৰৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল নহ'বও পাৰে। ভাল কাৰ্যৰ পুৰস্কাৰ ভাল ফলাফল বুলি কাণ্টে আগবঢ়োৱা পূৰ্ব-নিৰ্ণায়কে সকলো সময়তে ভালক পুৰস্কৃত নকৰে। 'পৰম কল্যাণ' আৰু 'ঈশ্বৰ'ৰ মাজত প্ৰয়োজনীয় সংযোগ নাথাকিবও পাৰে।

২) কাণ্টৰ 'চমাম বোনাম' বাস্তৱ হোৱাটো সম্ভৱ। ইয়াৰ সম্ভাৱনীয়তাৰ বাবে এক নৈতিক আৰু সৰ্বশক্তিমান সত্বা হিচাপে ঈশ্বৰৰ অস্তিত্ব থাকিব লাগিব। কিন্তু এই পটভূমিত 'সম্ভৱ' শব্দৰ অৰ্থ কি? ইয়াৰ সাধাৰণ অৰ্থ হ'ল 'যুক্তিসংগতভাৱে সম্ভৱ'। কিন্তু কাণ্টৰ যুক্তিয়ে এয়া দাবী কৰিছে যে আমি যেতিয়া 'চমাম বোনাম' সম্ভৱ বুলি কওঁ তেতিয়া প্ৰকৃততে (factually) সম্ভৱ হ'ব বুলিহে জোৰ দিও, যুক্তিসংগতভাৱে সম্ভৱ হ'ব বুলি নকওঁ।

৩) নৈতিক যুক্তি অনুসৰি নৈতিক আইনে এগৰাকী আইনদাতাৰ বিষয়ে পূৰ্ব-নিৰ্ণয় কৰে। কিন্তু ই ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰে। কাৰণ, আমি জানো যে প্ৰাকৃতিক আইনত কোনো আইনদাতাৰ বিষয়ে পূৰ্ব-নিৰ্ণয় কৰা নহয়। যদি আমাৰ বাবে কোনো এখন আইন নিতান্তই প্ৰয়োজনীয়, তেন্তে এই আইনস্বৰূপ ঈশ্বৰগৰাকী আমাৰ দৰেই এক সমীম সত্বা হ'ব। তেওঁ অসমীম অনন্তৰূপী ঈশ্বৰ নহ'বও পাৰে। বিজ্ঞানী তথা চিন্তাবিদসকলে প্ৰাকৃতিক আইনদাতা অথবা নৈতিক আইনদতো ৰূপে ঈশ্বৰৰ সকলো ধাৰণা অগ্ৰাহ্য কৰিছে।

৪) কেৱল নৈতিক শৃংখলাৱদ্ধতা থকা পৃথিৱী এখনতহে নৈতিক আইন আৰু প্ৰমূল্য বৰ্তি থাকিব পাৰে। বিশ্ব শৃংখলাত আমি নৈতিক অথবা অনৈতিক কাৰ্য-কলাপৰ প্ৰত্যাশা কৰিব নোৱাৰো। কিন্তু আমি দেখিছোঁ যে মানুহে লাহে লাহে নৈতিক প্ৰমূল্য আৰু আইন নমনা হৈছে। যদি ঈশ্বৰেই নৈতিক শৃংখলাৱদ্ধতাৰ সৃষ্টি কৰিছিল তেনেহ'লে সমাজত অশুভ শক্তি আৰু বিশৃংখলাৰ উত্থান ঘটিল কেনেকৈ?

৫) ধৰ্মীয় অভিজ্ঞাতা, আশ্চৰ্যকৰ অভিজ্ঞতা, প্ৰাৰ্থনা, উপাসনা, ঈশ্বৰৰ দয়া-কৰুণা প্ৰাপ্তি আদি হ'ল সম্পূৰ্ণ মনোবৈজ্ঞানিক আৰু মানৱ সৃষ্ট। এইবোৰ কথাই বাস্তৱ

পৃথিৱীৰ সত্যতা নিশ্চিত নকৰে। এইবোৰক বিমোহন অথবা যাদুৰ একোটা ৰূপ বুলি ক'ব পাৰি। এইবোৰে ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ নকৰে।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তাত্ত্বিক যুক্তিৰ সমৰ্থক কেইগৰাকীমান হ'ল চেইণ্ট আনচেল্ম্, ৰেনে ডেচকার্টিজ, স্পিন'জা, লেইব্নিটৎ, হেগেল আদি।
- চেইণ্ট আনচেল্ম্-এ কৈছিল যে আমাৰ 'আদৰ্শ সত্বা' সম্পৰ্কীয় এই ধাৰণা আছে। ঈশ্বৰ বুলিলে আমি এই সত্বাটোৰ কথাই বুজাও।
- ডেচকার্টিজৰ মতে ঈশ্বৰৰ ধাৰণাটোৰ পৰাই ঈশ্বৰৰ অস্তিতব, ঈশ্বৰৰ যথার্থতা আৰু ঈশ্বৰৰ অপৰিৱৰ্তনশীলতা আদিৰ উৎপত্তি। সেয়েহে নিঃসন্দেহে ঈশ্বৰৰ অস্তিত্ব আছে।
- তাত্ত্বিক যুক্তিটোক চেইণ্ট ট'মাছ একুইনাচ, কাণ্ট, আয়াৰ আদি দাৰ্শনিকে সমালোচনা কৰিছিল।
- ঈশ্বৰত বিশ্বাস কৰা নৈতিক যুক্তিৰ আধাৰ হ'ল মানুহৰ নৈতিক প্ৰকৃতি আৰু ধৰ্মীয় অভিজ্ঞতা।
- কাণ্টৰ মতে ঈশ্বৰৰ অস্তিত্ব হ'ল এটা স্বতঃ সিদ্ধ কথা নাইবা নৈতিক জীৱনৰ পূৰ্ব-কাৰ্যনিৰ্ণায়ক।
- ন্যায় দৰ্শন অনুসৰি ধৰ্মীয় কাম-কাজে দক্ষতাৰ আৰু ভুল কাৰ্যই অদক্ষতাৰ সৃষ্টি কৰে।
- দক্ষতা আৰু অদক্ষতাক 'অদৃষ্ট' বোলা হয়, ই এক অচেতন অৱস্থা।



১৩.৬ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন
২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়
৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ চেইণ্ট আনচেল্ম্-এ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তাত্ত্বিক যুক্তিটোৰ সমৰ্থকসকল হ'ল চেইণ্ট আনচেল্ম্, ৰেনে ডেকোৰ্টিজ, স্পিন'জা, লেইৱনিটৎ, হেগেল আদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চেইণ্ট আনচেল্ম্।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ চেইণ্ট আনচেল্ম্- এ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ডেচকার্টিজৰ তাত্ত্বিক যুক্তিটোক তলৰ পৰ্যায়বোৰত সামৰিব পৰা যায়-

(ক) ঈশ্বৰৰ ধাৰণাটো হ'ল এটা নিখুঁত সত্বাৰ ধাৰণা

(খ) ধাৰণাটোত প্ৰত্যক্ষবাদী বৈশিষ্ট্যৰ কোনো নাটনি নহয়

(গ) অস্তিত্ব এটা প্ৰত্যক্ষবাদী বৈশিষ্ট্য

(ঘ) সেয়েহে, ঈশ্বৰ অস্তিত্বৰ অভাৱত নোভোগে। ঈশ্বৰৰ অস্তিত্ব আছে।

(ঙ) প্ৰকৃতিৰ উদ্দেশ্যপূৰ্ণতাৰ পৰা এক ঐশ্বৰিক আৰ্হিকাৰলৈ যোৱা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ তাত্ত্বিক যুক্তিটোৰ সমালোচকসকল হ'ল- চেইণ্ট ট'মাচ একুইনাচ, কাণ্ট, আয়াৰ আদি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কাণ্টে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) স্বতঃসিদ্ধ কথা, পূৰ্ব-কাৰ্যনিৰ্ণায়ক।

(খ) চমাম বোনাম

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা

১১ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ "ঈশ্বৰ এনে এক সত্বা যাৰ উৰ্দ্ধত আন কোনো মহত্ত্বৰ সত্বাৰ ধাৰণা কৰিব নোৱাৰি।" ওপৰৰ উক্তিটো প্ৰয়োজনবাদী যুক্তি/ তাত্ত্বি যুক্তি/ জগৎকাৰণ যুক্তি।

প্ৰশ্ন ২ ঃ তাত্ত্বিক যুক্তিৰ দুগৰাকী সমৰ্থকৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ তাত্ত্বিক যুক্তিৰ দুগৰাকী সমালোচকৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ কোনগৰাকী দাৰ্শনিকক ঈশ্বৰৰ অস্তিত্ব বিষয়ক তাত্ত্বিক যুক্তিৰ প্ৰৱৰ্তক বুলি গণ্য কৰা হয়?

প্ৰশ্ন ৫ ঃ নৈতিক যুক্তিৰ দুগৰাকী সমালোচকৰ নাম লিখক।

(খ) চমু প্ৰশ্ন (১০০-১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তাত্ত্বিক যুক্তিৰ দুটা আসোঁৱাহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখকঃ

(ক) তাত্ত্বিক যুক্তি (খ) নৈতিক যুক্তি (গ) অদৃষ্ট

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ * ঈশ্বৰৰ অস্তিত্ব বিষয়ক পৰম্পৰাগত যুক্তিবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ *....

প্ৰশ্ন ৩ ঃ ঈশ্বৰৰ অস্তিত্ব বিষয়ক তাত্ত্বিক যুক্তিটো কি? পৰীক্ষা কৰক।

প্ৰশ্ন ৪ ঃ কাণ্টৰ নৈতিক যুক্তিটো কি? ঈশ্বৰ অস্তিত্ব প্ৰমাণ কৰিব পৰাকৈ যুক্তিটো সন্তোষজনকনে?

প্ৰশ্ন ৫ ঃ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে কাণ্টৰ দৃষ্টিভংগী কি আছিল? আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ঈশ্বৰৰ অস্তিত্ব বিষয়ক সন্তোষজনক প্ৰমাণ কোনটো? ব্যাখ্যা আৰু পৰীক্ষা কৰক।

*** ***** ***

অধ্যায়-১৪ ঃ ধর্মীয় ভাষাৰ প্ৰতীকাত্মক স্বৰূপ

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ধর্মীয় ভাষাৰ সমস্যা

১৪.৪ ধর্মীয় ভাষাৰ সমস্যাবোৰৰ বিভিন্ন অভিগমন বা পদক্ষেপসমূহ

১৪.৫ ধর্মীয় ভাষাৰ প্ৰতীকাত্মক স্বৰূপ

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতিৰ খতিয়ান

১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপোনালোক সক্ষম হ'ব—

- ধর্মীয় ভাষাৰ অর্থ কি তাক বুজিবলৈ
- ধর্মীয় ভাষাৰ সমস্যা কি তাক জানিবলৈ
- এই সমস্যাৰ বিভিন্ন অভিগমনক ব্যাখ্যা কৰিবলৈ
- ধর্মীয় ভাষাৰ প্ৰতীকাত্মক স্বৰূপৰ মতামতসমূহ ব্যাখ্যা কৰিবলৈ

১৪.২ পৰিচয়

মানুহৰ জীৱনত ভাষাই এক অতি গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। ভাষাৰ সংজ্ঞা কিবা এটা হিচাপে দিয়া হয়, যি মানৱ জাতিক অন্যান্য জীৱ-জন্তুৰ পৰা পৃথক কৰে, যিহেতু মানুহৰ ভাষাৰ জৰিয়তে সংযোগ কৰাৰ সামর্থতা আছে আৰু অন্যান্য জীৱ-জন্তু সেই সক্ষমতা নাথাকে। সামাজিক, ৰাজনৈতিক, অর্থনৈতিক, নৈতিক, সাংস্কৃতিক নাইবা ধর্মীয় আদি সকলো ক্ষেত্ৰতে উদ্বেগ, অনুভূতি আদিৰ মানৱীয় আদান-প্ৰদান সম্ভৱ হয় ভাষাৰ জৰিয়তে। ধর্ম হৈছে মানুহৰ বৰ লাগতিয়াল এক অংশ।

ভূ-মণ্ডলত অস্তিত্বশীল প্ৰায় সকলো মানুহেই বিশেষ প্ৰকাৰৰ ধর্মীয় বিশ্বাস আৰু ৰীতি-নীতি বা প্ৰথা মানি চলে। ধর্মীয় বিষয়ত মানুহৰ আদান-প্ৰদানসমূহৰ বাবে ভাষা এক অপৰিহার্য মাধ্যম। যিমান দূৰলৈ ধর্মীয় ভাষাক ধৰা যায়, ই নির্দ্দেশ কৰে ঈশ্বৰ নাইবা দেৱ-দেৱীৰ সম্পর্কে কৰা উক্তি নাইবা দাবীবোৰক। সাধাৰণতে, ইয়াক প্ৰার্থনা, পূজা-পার্বণ, কৃতজ্ঞতা সূচক-উপাসনা, দোষ স্বীকাৰ, ধর্মীয় ৰীতি-নীতি, ধর্ম প্ৰচাৰ, দিহা, উপদেশৰ দৰে ধর্মীয় নিয়মবোৰৰ সৈতে ব্যৱহাৰ কৰা হয়। তথাপি, ইয়াত এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰিব

লাগিব যে ধর্মীয় উদ্দেশ্যৰ বাবে কোনো নির্দিষ্ট ভাষা সংৰক্ষিত হৈ নাথাকে। অন্য কথা, ধর্মীয় ভাষাৰ আন আন ভাষাবোৰৰ পৰা কিছু বেলেগ আৰু বিশেষ নহয়। প্রত্যেক মানুহৰে ঈশ্বৰ সম্বন্ধে এক ধাৰণা থাকে আৰু সকলোৱে এই ধাৰণা তেওঁ বুজিব পৰাকৈ ভাষাৰ জৰিয়তে প্রকাশ কৰে। চমুকৈ, আমি 'ধর্মীয় ভাষা' হিচাপে যাক বুজাইছে, সি আমাৰ 'দৈৱিক' বা স্বর্গীয়' (Divine)ক প্রকাশ কৰাৰ এটা উপায়ৰ বাহিৰে আন একো নহয়।

১৪.৩ ধর্মীয় ভাষাৰ সমস্যা

এই কথা ইতিমধ্যেই উল্লেখ কৰা হৈছে যে, আমি যেতিয়া ঈশ্বৰ সম্পর্কে যিকোনো দাবী নাইবা উক্তি নাইবা ঈশ্বৰক বর্ণনা কৰোঁ, আমি কোনো নির্দিষ্ট ভাষা ব্যৱহাৰ নকৰোঁ, যি ইয়াৰ বাবে প্রাথমিকভাৱে সংৰক্ষিত হৈ থাকে, আমি এই কাম আমাৰ সাধাৰণ দৈনন্দিন ভাষাৰ ব্যৱহাৰৰ জৰিয়তেই কৰোঁ। জগতৰ সীমিত, বিষয়বস্তুক, ক্ষণস্থায়ী জীৱবোৰক নির্দেশ কৰিবলৈ আমি যি ভাষা ব্যৱহাৰ কৰোঁ, সেই একে ভাষা ঈশ্বৰক বর্ণনা কৰিবলৈ বা ঈশ্বৰ বিষয়ে ক'বলৈও ব্যৱহাৰ কৰোঁ। ঈশ্বৰক সাধাৰণতে অসীম, নিৰাকাৰ আৰু কালবিহীন এক সত্তাৰূপে গ্রহণ কৰোঁ। এনে এক পৰিস্থিতিত, সীমিত জীৱবোৰক বর্ণনা কৰিবলৈ আমি ব্যৱহাৰ কৰা সাধাৰণ ধর্মশিক্ষা ৰহিত ভাষাই পর্যাপ্তভাৱে ঈশ্বৰক বর্ণনা কৰাৰ ক্ষেত্রত সৃষ্টি হোৱা অসুবিধাসমূহৰ পৰাই ধর্মীয় ভাষাৰ সমস্যাৰ উদ্ভৱ হয়। ঈশ্বৰৰ বিষয়ে কেনেকৈ ক'ব লাগে বা ক'ব লাগে নে নালাগে সিয়েই হৈছে সমস্যা। যেতিয়া আমি কওঁ যে 'ঈশ্বৰ শ্রেয় বা ভাল' আৰু 'ভাৰতৰ প্রধান মন্ত্রী নৰেন্দ্র মোদী ভাল', তেতিয়া এক সমস্যাই দেখা দিয়ে যে 'শ্রেয়ত্ব' বা 'ভাল' গুণটো, যাক সাধাৰণতে সীমিত জীৱবোৰৰ ক্ষেত্রত অর্পণ কৰা হয়, তাৰ অর্থ একেই হ'ব নে নহয়, যেতিয়া তাক ঈশ্বৰৰ প্রতি ব্যৱহাৰ কৰা হয়। আন কথাত, সেই একে অর্থত 'ঈশ্বৰ ভাল' হ'বনে, যি অর্থত 'নৰেন্দ্র মোদী ভাল' হয়। এই সমস্যাই আমাক মান নির্দ্ধাৰণলৈ লৈ যায় যে সীমিত সত্তাৰ বাবে ব্যৱহৃত গুণবোৰ ঈশ্বৰৰ বাবেও ব্যৱহাৰ কৰিব পৰা যায় আৰু এইবোৰ গুণৰ অর্থ কি হ'ব, যেতিয়া সিহঁতে ঈশ্বৰক বর্ণনা কৰে। ঈশ্বৰৰ বিধেয়নৰ ক্ষেত্রত ব্যৱহৃত শব্দবোৰৰ সন্দর্ভত অর্থৰ মাজত থকা বেমেজালিবোৰেই হৈছে ঈশ্বৰৰ বিষয়ে কোৱা বা বর্ণনা কৰাৰ সমস্যা।

১৪.৪ ধর্মীয় ভাষাৰ সমস্যাৰ প্রতি বিভিন্ন অভিগমন

ভাষা দার্শনিকসকলৰ সদায় এক সংসর্গ। অর্থ আৰু নিদর্শনৰ সমস্যাৰ সন্দর্ভত দার্শনিক ভাষাৰ ওপৰত অধিক বিশেষৰূপে সদায় এক অত্যন্ত মনোযোগ দেখুৱায়। যিমানলৈকে ধর্মীয় ভাষা জড়িত, ইও দার্শনিকসকলৰ বাবে এক প্রধান বিষয়। ধর্মীয় ভাষাৰ সন্দর্ভত তেওঁলোকৰ মুখ্য বিষয়বোৰ হৈছে— আমি কেনেকৈ অর্থপূর্ণভাৱে ঈশ্বৰ বিষয়ে ক'ব পাৰো? ঈশ্বৰ শব্দটোৱে কাক বা কি নির্দেশ কৰে? আৰু অর্থপূর্ণ কৰিবলৈ নির্দেশ দিয়াটো প্রয়োজনীয়

নে? কিবা এটা বৰ্ণনা কৰিবলৈ কিহে ধৰ্মীয় ভাষাৰ সমস্যা সৃষ্টি কৰাই হৈছে আমাৰ প্ৰয়াস; সি প্ৰকৃততে আমি যাৰ বিষয়ে সাধাৰণতে ভাষা ব্যৱহাৰ কৰোঁ, তাৰ পৰা বেলেগ।

ধৰ্মীয় ভাষাৰ সমস্যাটোৰ বিভিন্ন ধৰণৰ সমাধান আছে, যাক দুটা সমষ্টিত বিভক্ত কৰিব পৰা যায়। এটাৰ মতে, ঈশ্বৰ সম্পৰ্কে ধৰ্মীয় উক্তিবোৰৰ কোনো অৰ্থ নাথাকে, সিহঁতে একো সাব্যস্ত নকৰে। আনহাতে, আনটোৰ মতে, ধৰ্মীয় উক্তিবোৰৰ অৰ্থ আছে আৰু সেয়ে আমি ঈশ্বৰ সম্বন্ধে অৰ্থপূৰ্ণভাৱে ক'ব পাৰোঁ। প্ৰথম সমষ্টিৰ অন্তৰ্গত আমি অভিজ্ঞতাবাদী দাৰ্শনিক ডেভিদ হিউমৰ নাম ল'ব পাৰো। তেওঁ ধৰ্মীয় ভাষাৰ স্পষ্ট বিৰোধীতাবোৰৰ মাজৰ এটা গুৰুত্বপূৰ্ণ বিৰোধীতা আগবঢ়াইছে। তেওঁ ঈশ্বৰৰ কথাৰ প্ৰতি কোনো ধৰণৰ অৰ্থ অৰ্পণ কৰাটোৰ কথা নুই কৰিছে। হিউমৰ অভিজ্ঞতামূলক প্ৰতিলিপিত ঈশ্বৰৰ ওপৰত বিশ্বাসক মিছা যুক্তি আৰু ভ্ৰমতকৈ বেছি আন একো নহয় বুলি ধাৰণা কৰিছে। এজন সম্পূৰ্ণ অভিজ্ঞতাবাদী দাৰ্শনিক হোৱা বাবে হিউমে অভিজ্ঞতাৰ প্ৰতি মানুহৰ জ্ঞানক সীমাবদ্ধ কৰিছে আৰু ফলস্বৰূপে, এটা প্ৰয়োজনীয়তা আহি পৰে যিয়ে প্ৰমাণ আৰু অভিজ্ঞতাৰ দ্বাৰা সত্যতা প্ৰমাণিত কৰিবই লাগিব বুলি দাবী কৰে। যিহেতু ঈশ্বৰ বিষয়ে এনেদৰে প্ৰমাণ কৰিব নোৱাৰি সেয়ে, এইবোৰ অৰ্থহীন। হিউমৰ পাছত আহে এ.জে. আয়াৰৰ লগতে তেওঁৰ প্ৰত্যক্ষবাদী যাত্ৰা। আয়াৰে পোষণ কৰে যে এটা উক্তিৰ কোনো অৰ্থ থাকিবলৈ হ'লে অভিজ্ঞতামূলক প্ৰমাণেৰে ইয়াৰ সত্যতা ও অসত্যতা প্ৰমাণ কৰাটো সম্ভৱ হ'বই লাগিব। তৰ্কীয় প্ৰত্যক্ষবাদী প্ৰতিলিপিত, অভিজ্ঞতামূলক প্ৰমাণিকৰণেই হৈছে যিকোনো উক্তিৰ সত্যতা আৰু অসত্যতা নিৰ্ণয়ৰ একমাত্ৰ বৈশিষ্ট্য। ধৰ্মীয় উক্তিবোৰৰ ক্ষেত্ৰত, আয়াৰে আঙুলিয়াই দেখুওৱাইছে যে এইবোৰক সত্য বা অসত্য ৰূপে প্ৰমাণ কৰিব নোৱাৰি আৰু সেয়ে অৰ্থহীন। কেৱল সেইবোৰ উক্তিৰহে অৰ্থ আছে, যাক সত্য বা অসত্য ৰূপ প্ৰমাণ হোৱাৰ সামৰ্থতা আছে। সেয়ে প্ৰথম সমষ্টিটোৱে ধৰ্মীয় ভাষাৰ সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিছে এই সিদ্ধান্তৰ দ্বাৰা যে ঈশ্বৰৰ সম্বন্ধে থকা উক্তিবোৰৰ কোনো অৰ্থ নাথাকে।

২য় সমষ্টিটোৰ বিষয়ত ইয়াৰ অন্তৰ্গত দাৰ্শনিক আৰু ঈশ্বৰ তত্ববিদসকলে সাব্যস্ত কৰে যে ধৰ্মীয় উক্তিবোৰৰ অৰ্থ আছে আৰু সেইমতেই সিহঁতে মানুহৰ ভাষাত ঈশ্বৰক বৰ্ণনা কৰাৰ পথ প্ৰদৰ্শন কৰে। এই গোটটোৰ ভিতৰত প্ৰথমে আহে এইটো মতামত যে যেতিয়াই আমি ঈশ্বৰক ব্যাখ্যা কৰোঁ, ই দ্বি অৰ্থকভাৱে ব্যাখ্যা কৰিব লাগিব। আন কথাত, যেতিয়া ঈশ্বৰক বৰ্ণনা কৰিবলৈ শব্দবোৰ ব্যৱহৃত হয়, সেইবোৰ শব্দ দ্বি-অৰ্থক। অৰ্থাৎ, ই ঈশ্বৰক বৰ্ণনা কৰাৰ ক্ষেত্ৰত আৰু সীমিত মানুহক বৰ্ণনা কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে বেলেগ। উদাহৰণস্বৰূপে ঃ যেতিয়া আমি কওঁ যে 'ঈশ্বৰ শ্ৰেয়' আৰু 'হৰি শ্ৰেয় বা ভাল', তেতিয়া এইটো মতামত অনুযায়ী ঈশ্বৰ ভাল নহয়, যি অৰ্থত হৰি ভাল হয়। ঈশ্বৰৰ শ্ৰেয়ত্ব হৰিৰ দৰে সাধাৰণ মানুহৰ শ্ৰেয়ত্বৰ পৰা সম্পূৰ্ণ পৃথক। তথাপি, এনেধৰণৰ পাৰ্থক্য থকাৰ স্বত্বেও মানুহে ঈশ্বৰৰ বিষয়ে নেতিবাচকৰ জৰিয়তে কথা ক'ব পাৰে। আন কথাত, ঈশ্বৰ যি নহয়,

তাৰ জৰিয়তে মানুহে ঈশ্বৰক নিৰ্দেশ কৰিব পাৰে। ইহুদী দাৰ্শনিক মইম'নিড্চ হৈছে এই মতামতৰ আটাইতকৈ বিখ্যাত প্ৰবৰ্ত্তক। তেওঁ সাব্যস্ত কৰে যে ঈশ্বৰৰ ইতিবাচক বৰ্ণনাই বিপথে লৈ যায় আৰু সেয়ে তাক বৰ্জন কৰাটো উচিত। উদাহৰণ স্বৰূপেঃ 'ঈশ্বৰেই প্ৰেম' কথাষাৰে মানুহক মানৱ প্ৰেমৰ কথা চিন্তা কৰাব আৰু যাৰ হিংসা আৰু অসংলগ্নতাৰ দৰে দোষবোৰ থাকে। সেইবাবে, ইতিবাচক শব্দত কৰা ঈশ্বৰৰ বৰ্ণনাই ঈশ্বৰৰ সঠিক বৰ্ণনা দিব নোৱাৰে। সেয়েহে, মইম'নিড্চয়ে সূচনা কৰে যে ঈশ্বৰৰ বিষয়ে উক্তিবোৰ নেতিবাচক হিচাপে গ্ৰহণ কৰিব লাগে। উদাহৰণস্বৰূপে ঃ "ঈশ্বৰ জীৱিত"ক 'ঈশ্বৰৰ জীৱনিশক্তিৰ অভাৱ নাই" হিচাপেহে ল'ব লাগে। ২য়টো মতামতে সূচনা কৰে যে ঈশ্বৰ কথাবোৰ দ্বি-অৰ্থক ৰূপে ব্যাখ্যা কৰিব লাগে। অন্য কথাত, যেতিয়া ঈশ্বৰ আৰু তেওঁৰ গুণবোৰৰ ব্যাখ্যা কৰিবলৈ শব্দবোৰ ব্যৱহাৰ কৰা হয়, সেইবোৰ শব্দ দ্বি-অৰ্থবোধক, অৰ্থাৎ ঈশ্বৰক বৰ্ণনা কৰাৰ ক্ষেত্ৰত আৰু সসীম জীৱৰ বৰ্ণনাৰ ক্ষেত্ৰত কি অৰ্থ বহন কৰে, ঠিক একে অৰ্থত। সেইকাৰণে এই মতৰ বাবে 'ঈশ্বৰৰ শ্ৰেয়তা' আৰু 'হৰিৰ শ্ৰেয়ত্ব' একে। একে অৰ্থত ঈশ্বৰ শ্ৰেয়, যি অৰ্থত হৰি শ্ৰেয়। ইয়াৰ পাছত আহে সেইটো মতামত, যিয়ে পোষণ কৰে যে ঈশ্বৰ কথা দ্বি-অৰ্থবোধক অৰ্থতো ব্যাখ্যা কৰিব নালাগে আৰু একে অৰ্থবোধক অৰ্থতো ব্যাখ্যা কৰিব নালাগে; বৰঞ্চ কৰিব লাগে সাদৃশ্যমূলকভাৱে। এই মতামতৰ প্ৰৱৰ্তক চেইণ্ট্ থ'মাচ একুইনাচ্। তেওৰ মতে, যেতিয়া 'শ্ৰেয়' বা 'ভাল' শব্দটো ঈশ্বৰ আৰু 'হৰি'ৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেতিয়া ঈশ্বৰৰ শ্ৰেয়ত্বক হৰিৰ শ্ৰেয়ত্বৰ পৰা সম্পূৰ্ণ বেলেগ অৰ্থত ব্যাখ্যা কৰিব নালাগে, নাইবা সম্পূৰ্ণ একে অৰ্থতো ব্যাখ্যা কৰিব নালাগে। হৰিৰ শ্ৰেয়ত্বৰ এক সাদৃশ্যৰ অৰ্থত ঈশ্বৰ শ্ৰেয় হয়। অন্য কথাত, ঈশ্বৰ আৰু হৰি দুয়োৰে ক্ষেত্ৰত প্ৰয়োগ হোৱা 'ভাল' বা 'শ্ৰেয়'ই একে বস্তু বা বিষয়কে সূচায়, কিন্তু বিভিন্ন পৰ্যায়ত, অৰ্থাৎ যেতিয়া 'শ্ৰেয়'ক হৰিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেতিয়া ই হৰিৰ এটা গুণক বুজায়; কিন্তু ঈশ্বৰৰ ক্ষেত্ৰত ব্যৱহৃত হ'লে ই সেই ঐক্যতাক নিৰ্দেশ কৰে, যি হৈছে ঈশ্বৰৰ সাৰঅংশ, এক ব্যক্তিগত গুণ নহয়। আমি 'হৰি হয় শ্ৰেয় বা ভাল' আৰু 'ঈশ্বৰ হয় শ্ৰেয় বা ভাল' দুয়োটায়ে ক'ব পাৰো। ইয়াত 'শ্ৰেয়' ঈশ্বৰৰ সাৰভাগত এক উচ্চ পৰ্যায় আৰু এক সৰ্বোচ্চ মাত্ৰাত নিহিত থাকে, যিটো 'হৰি'ৰ অন্তৰ্ভুক্ত গুণ 'শ্ৰেয়ত্ব'ৰ মাজত নাথাকে। গতিকে, সাদৃশ্যমূলকভাৱে ব্যৱহৃত শব্দবোৰ সম্পূৰ্ণৰূপে পৃথক নাইবা সম্পূৰ্ণৰূপে একে নহয়; তাতকৈ সিহঁতে বিভিন্ন পৰ্যায়ত একেটা বস্তু বা বিষয়কে সূচায়। ইয়াৰ পাছত আহে সেই মতামত, য'ত এতিয়াৰ অধ্যায়টিৰ প্ৰধান বিষয়টো নিহিত আছে। এইটো মতামতে পোষণ কৰে যে প্ৰকৃতিগতভাৱে ধৰ্মীয় ভাষা প্ৰতীকাত্মক। অৰ্থাৎ, ধৰ্মীয় ভাষাক ব্যাখ্যা কৰিব পৰা যায় প্ৰতীকিয়ভাৱেহে, আক্ষৰিকভাৱে নহয়। এই অধ্যায়টিয়ে পিছৰ অংশত এই মতামতৰ বিষয়ে বহলাই আলোচনা কৰিব।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্মীয় ভাষা কি?

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ ধর্মীয় ভাষাৰ সমস্যা কি?

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ আয়াৰে কিয় ধর্মীয় ভাষাৰ অর্থক অস্বীকাৰ কৰিছে?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ ধর্মীয় ভাষাৰ প্রতি থ'মাচ্ একুইনাচ্ৰ পদক্ষেপটো কি?

.....

.....

.....

.....

১৪.৫ ধর্মীয় ভাষাৰ প্রতীকাত্মক স্বৰূপ

প্রতীকাত্মক হিচাপে ধর্মীয় ভাষাৰ মতবাদটো জার্মান লুথেৰীয় ধর্মতত্ত্ববিদ প'ল জোহাঞ্চ টিল্লিক (১৮৮৫-১৯৬৬)ৰ সৈতে সংযুক্ত। বিংশ শতিকাৰ আটাইতকৈ প্রভাৱশালী ধর্মতত্ত্ববিদসকলৰ মাজত তেওঁ এজন ৰূপে বহুজনবিদিত। ধর্মীয় ভাষাৰ সমস্যাটো, অর্থাৎ ঈশ্বৰ সম্বন্ধে অর্থপূর্ণভাৱে কেনেকৈ আমি ক'ব পাৰোৰ লগত যেতিয়া জড়িত হয়, তেতিয়া টিল্লিকে পোষণ কৰে যে ঈশ্বৰৰ বিষয়ে আমি প্রতীকাত্মকভাৱে ক'ব পাৰোঁ। আন কথাত, তেওঁৰ মতে ধর্মীয় উক্তিসমূহৰ প্রতীকীয় অর্থ আছে, সিহঁতক আক্ষৰিকভাৱে ব্যাখ্যা কৰিব পৰা নাযায়। যেতিয়াই আমি ঈশ্বৰ সম্বন্ধে "ঈশ্বৰ শ্রেয়"ৰ দৰে কোনো উক্তি আগবঢ়াও, ইয়াত আমি 'শ্রেয়'ক ইয়াৰ আক্ষৰিক অর্থত ব্যৱহাৰ নকৰোঁ; অর্থাৎ ইয়াৰ যথাযথ নাইবা

আচল অৰ্থত নহয়; বৰঞ্চ প্ৰতীকীয় অৰ্থতহে ব্যৱহাৰ কৰোঁ। যেতিয়া ঈশ্বৰ সম্পৰ্কে কওঁ, আমি ভাষাক প্ৰতীকাত্মক ৰূপত ব্যৱহাৰ কৰিব পাৰোঁ।

ধৰ্মীয় ভাষাৰ স্বৰূপ আলোচনা কৰিবলৈ যাওঁতে, টিল্লিকে পোন প্ৰথমে প্ৰতীকৰ অৰ্থৰ সৈতে জড়িত হৈছে আৰু তেওঁ চিহ্নৰ পৰা প্ৰতীকৰ পাৰ্থক্য প্ৰদৰ্শন কৰিছে। নিজতকৈ বেলেগ কিবা এটা নিৰ্দেশ কৰাৰ দিশৰ পৰা চিহ্ন (sign) আৰু প্ৰতীক (symbol) দুয়ো একে, অৰ্থাৎ দুয়োটায়ে কিবা এটা বস্তু বা বিষয়ক বুজায়। তথাপিও উভয়ৰে মাজত নিৰ্ণায়ক পাৰ্থক্যও আছে। তেওঁৰ মতে চিহ্নবোৰে যি প্ৰতীকীকৰণ কৰে, তাত সিহঁতে অংশ নলয়। উদাহৰণ হিচাপে ঃ যানবাহনৰ 'ৰঙা' পোহৰে 'ৰৈ যোৱা'ক বুজায়, আনহাতে 'সেউজীয়া' পোহৰে 'গতি কৰা'ক বুজায়। ইয়াৰ বাদে সিহঁতৰ আন কোনো ধাৰণা নাথাকে। এটা চিহ্নই তাক সূচায়, যাৰ প্ৰতি ই যাদৃচ্ছিক চুক্তি বা সন্ধিৰ দ্বাৰা নিৰ্দেশ কৰে।

টিল্লিকে দেখুৱায় যে চিহ্ন বা সংকেতৰ পৰিবৰ্তে, প্ৰতীকে বুজোৱা বস্তুটো বা বিষয়টোৰ অৰ্থ আৰু শক্তিত অংশ লয়। প্ৰতীকসমূহ শক্তিশালী আৰু প্ৰকৃততে সিহঁতে যি প্ৰতীকীকৰণ কৰে, তাৰ শক্তি আৰু অৰ্থত সিহঁতে ভাগ লয়। উদাহৰণস্বৰূপে ঃ এখন পতাকাই কেৱল এখন দেশৰেই প্ৰতিনিধিত্ব নকৰে, বৰঞ্চ ই প্ৰতিনিধিত্ব কৰা দেশখনৰ শক্তি আৰু মৰ্যদাকো বুজায়। ঠিক সেইদৰে, '+'-খ্ৰীষ্টান ধৰ্মৰ প্ৰতীক, ই কেৱল খ্ৰীষ্টান ধৰ্মক প্ৰতিনিধিত্ব নকৰে, বৰঞ্চ ই খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলক যীশুখ্ৰীষ্টৰ তেওঁলোকৰ প্ৰতি কৰা ত্যাগৰ কতাও তৎক্ষণাত মনত পেলাই দিয়ে। তাৰোপৰি ই তেওঁলোকক মনত পেলাই দিয়ে ঈশ্বৰ সম্পৰ্কে তেওঁলোকৰ বিশ্বাস আৰু মানৱ জাতিৰ মুক্তিৰ বাবে ঈশ্বৰৰ আঁচনিসমূহৰ কথা। সেইবাবে, টিল্লিকৰ মতে, প্ৰতীকসমূহে যাক প্ৰতীকীকৰণ কৰে, তাৰ লগত অতি বেছি শক্তিশালী হৈ যোগাযোগ কৰে প্ৰতীকিকৃত বাস্তৱ বস্তুটোৰ সৈতে থকা এই আন্তৰিক সম্বন্ধৰ বাবে প্ৰতীকসমূহ পৰম্পৰাগত সংকেত বা চিহ্নবোৰৰ দৰে যাদৃচ্ছিদভাৱে প্ৰতিষ্ঠিত নহয়। টিল্লিকে তেওঁৰ গ্ৰন্থ 'Dynamics of Faith'অত লিখিছিল যে প্ৰতীকসমূহ ব্যক্তিগত নাইবা সমূহীয়া অসচেতনতাৰ পৰা বিকশিত হয় আৰু ফলস্বৰূপে সিহঁতৰ নিজা জীৱনৰ কাল আৰু ধ্বংস আৰু মৃত্যু আছে। টিল্লিকৰ মতে, এটা প্ৰতীকে চাৰি প্ৰকাৰৰ কাম কৰে।

(i) প্ৰতীকে নিজতকৈ পৃথক কিবা এটাক নিৰ্দ্দেশ কৰে।

(ii) প্ৰতীকে বাস্তৱতা বা সত্যতাৰ স্তৰসমূহ মুকলি কৰি দিয়ে, ইয়াৰ অন্যথাই যি আমাৰ বাবে বন্ধ হৈ থাকে।

(iii) প্ৰতীকসমূহে তাত অংশগ্ৰহণ কৰে, যাক সিহঁতে নিৰ্দ্দেশ কৰে।

(iv) জগতৰ নতুন দিশবোৰৰ লগত সঙ্গতি থকা আমাৰ আত্মাৰ মাত্ৰা আৰু স্তৰসমূহক প্ৰতীকে খুলি দিয়ে, যাক ই প্ৰকাশ কৰে।

প্ৰতীকৰ এইবোৰ কাৰ্যৰ চমু বিৱৰণ দি টিল্লিকে মত আগবঢ়ায় যে, ধৰ্মীয় ভাষাই এক প্ৰতীকৰ দৰেই কাম কৰে। ধৰ্মীয় ভাষা হৈছে চৰম সত্ত্বা বা ঈশ্বৰৰ প্ৰতি নিৰ্দ্দেশ কৰাৰ এক প্ৰতীকাত্মক উপায়। তেওঁ ঈশ্বৰক 'Being-in-itself' আখ্যা দিছে, অৰ্থাৎ, প্ৰত্যেক বস্তুৱেই নিজস্ব সত্তাৰ বাবে ইয়াৰ ওপৰত নিৰ্ভৰশীল। টিল্লিকে বিশ্বাস কৰে যে, প্ৰতীকৰ জৰিয়তে আমি এই সত্ত্বা (Being)ৰ জ্ঞান লাভ কৰিব পাৰে। তেওঁ যুক্তি প্ৰদৰ্শন কৰে যে যিহেতু এটা

প্ৰতীকে নিজতকৈ অধিক এক অৰ্থক দেখুৱায়, সেয়ে, অতীন্দ্ৰিয় ধৰ্মীয় বিশ্বাসক প্ৰকাশ কৰিবলৈ প্ৰতীকবাদ হৈছে আটাইতকৈ ভাল সম্ভাৱনীয় উপায়। টিল্লিকে জো�ৰ দিয়ে যে যেতিয়া চৰম সত্ত্বাৰ বিষয়ে কোৱা হয়, তেতিয়া মানুহৰ জ্ঞানক একাৰ্থকভাৱে নাইবা আক্ষৰিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰি। তেওঁ যুক্তি দেখুৱায় যে যিহেতু আমাৰ শব্দবোৰ কেৱল সসীম মানৱীয় অভিজ্ঞতাৰ পৰা নিঃসৃত হয়, সেয়ে ঈশ্বৰৰ সন্দৰ্ভত সিহঁত পৰ্যাপ্ত হ'ব নোৱাৰে; যেতিয়া সিহঁতক ধৰ্মতত্ত্বৰ ফালৰ পৰা ব্যৱহাৰ কৰা হয়, তেতিয়া সিহঁতৰ অৰ্থ সিহঁতৰ দ্বাৰা নিৰ্দেশিত বস্তু বা বিষয়টো সদায় আংশিকভাৱে অস্বীকৃত হয়। সেইকাৰণে, 'চৰম' (ultimate)ক প্ৰকাশ কৰাৰ একমাত্ৰ উপায় হৈছে প্ৰতীকৰ ব্যৱহাৰ। ধৰ্মীয় বিষয়বোৰ আলোচনা কৰোঁতে মানুহে সদায় প্ৰতীকৰ ভাষা ব্যৱহাৰ কৰে। টিল্লিক ভাষাত, "Whatever we say about that which concern us ultimately, whether or not we call it god, has a symbolic meaning. It points beyond itself while participatting in that to which it points. In no other way can faith express itself adequately. The language of faith is the language of symbols." (Dynamic of Faith, P-42)।

প'ল টিল্লিকৰ নথিৰ প্ৰতিলিপিত এইদৰে আমি ঈশ্বৰ নাইবা চৰম সত্যৰ বিষয়ে যিয়েই কওঁ, সি স্বৰূপতঃ অ- আক্ষৰিক বা প্ৰতীকাত্মক। তথাপিও, তেওঁ এইটোও স্বীকাৰ কৰিছে যে ঈশ্বৰ সম্বন্ধে এটা বা কেৱল এটা অ-আক্ষৰিক উক্তি হ'ব পাৰে আৰু সেয়া হ'ল "God is Being-itself", ইয়াৰ অধিক ঈশ্বৰ সম্বন্ধে আমি কৰা যিমানবোৰ ধৰ্মীয় দাবী আছে যেনে ঃ 'ঈশ্বৰ শক্তিশালী', 'ঈশ্বৰ শ্ৰেয়', 'ঈশ্বৰ অনন্ত', 'ঈশ্বৰ সৃষ্টিকৰ্তা', 'ঈশ্বৰে তেওঁৰ জীৱবোৰক ভাল পায়' ইত্যাদি সকলো প্ৰতীকাত্মক।

যদিও ঈশ্বৰৰ কথাৰ মূল মানৱ অভিজ্ঞতাত নিহিত থাকে, তথাপি সিহঁতৰ ধৰ্ম নিৰপেক্ষ ব্যৱহাৰৰ পৰা এক পৃথক ধৰণেৰে ব্যৱহৃত হয়। সেইবোৰ সকলো একে, তথাপিও বেলেগ। টিল্লিকে ইয়াক প্ৰতীকবাদ আখ্যা দিছে। তেওঁ বিশ্বস কৰে যে ধৰ্মীয় ভাষা অ-বোধগম্য আৰু প্ৰতীকাত্মক আৰু ঈশ্বৰ সম্বন্ধে অৰ্থ প্ৰদান কৰিবলৈ উত্তম উপায়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ প'ল টিল্লিকৰ মতে ধৰ্মীয় ভাষাৰ স্বৰূপ কি?

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ প্রতীক আৰু চিহ্ন বা সংকেতৰ মাজত সাদৃশ্যতা কি?

.....

.....

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধর্মীয় ভাষাই ঈশ্বৰ সম্বন্ধে কৰা উক্তি বা দাবীসমূহক নির্দ্দেশ কৰে। ইয়াক ঈশ্বৰৰ কথা নাইবা ঈশ্বৰক বর্ণনা কৰাৰ উপায় হিচাপে গ্রহণ কৰিব পাৰি।
- ঈশ্বৰ সম্পর্কে আমি যিয়েই কওঁ বা বর্ণনা কৰোঁ, আমি এই উদ্দেশ্যৰ বাবে পূর্বৰে পৰা সংৰক্ষিত কোনো বিশেষ ভাষা ব্যৱহাৰ নকৰোঁ।
- ধর্মীয় ভাষাৰ সমস্যাটো হৈছে আমি কিমান সঠিককৈ ঈশ্বৰৰ বিষয়ে ক'ব পাৰো বা ঈশ্বৰক বর্ণনা কৰিব পাৰোঁ। ই হৈছে ঈশ্বৰক কেনেকৈ অর্থপূর্ণভাৱে বর্ণনা কৰিব পাৰি আৰু পাৰি নে নোৱাৰি, তাৰ সমস্যা।
- ধর্মীয় ভাষাৰ সমস্যাটোৰ বিভিন্ন পদক্ষেপ আছে, যাক এই সমস্যাৰ সমাধানৰ বিভিন্ন প্রচেষ্টাও বুলিব পাৰি। এটা গোটে এই সমস্যাটো ধর্মীয় উক্তিবোৰৰ যিকোনো অর্থক অস্বীকাৰ কৰাৰ দ্বাৰা সমাধান কৰিবলৈ প্রয়াস কৰিছে। তেওঁলোকৰ বাবে ধর্মীয় উক্তিবোৰৰ সত্যতা বা অসত্যতা অভিজ্ঞতাৰ দ্বাৰা প্রমাণিত কৰিব নোৱাৰি। এই গোটটোৱে প্রাথমিকভাৱে অভিজ্ঞতাবাদী দার্শনিক ডেভিদ হিউম আৰু তর্কীয় প্রত্যক্ষবাদী এ.জে. আয়াৰক অন্তর্ভুক্ত কৰিছে।
- আনহাতে, কেতবোৰ দার্শনিক আৰু ধর্মতত্ত্ববিদ আছে, যিসকলে ধর্মীয় ভাষাৰ ওপৰত অর্থ প্রদান কৰাৰ দ্বাৰা এই সমস্যাৰ সমাধান কৰিবলৈ প্রয়াস কৰিছে আৰু সেইমতে ঈশ্বৰক বর্ণনা কৰাৰো কিছুমান উপায় আগবঢ়াইছে। তেওঁলোকৰ মাজৰ কোনো কোনোৱে সাব্যস্ত কৰে যে ধর্মীয় ভাষাৰ অর্থ আছে আৰু সি সম্পূর্ণৰূপে পৃথক (দ্বি-অর্থবোধক)। অর্থাৎ, 'ঈশ্বৰ শ্রেয়'ৰ দৰে মানুহৰ শব্দত আমি যেতিয়া ঈশ্বৰৰ বিষয়ে কিবা কওঁ, ইয়াত 'ঈশ্বৰৰ শ্রেয়ত্ব' 'মানুহৰ শ্রেয়ত্ব'তকৈ সম্পূর্ণ বেলেগ।
- আকৌ, কিছুমানে সাব্যস্ত কৰে যে, ধর্ম-নিৰপেক্ষ ব্যৱহাৰত ঈশ্বৰ-কথাৰ ঠিক একে অর্থ থাকে। অর্থাৎ, যেতিয়া আমি মানুহৰ কথা 'ঈশ্বৰ শ্রেয়'ৰ দৰে ঈশ্বৰৰ বিষয়ে কিবা কওঁ, ইয়াত 'ঈশ্বৰৰ শ্রেয়ত্ব' সম্পূর্ণৰূপে 'মানুহৰ শ্রেয়ত্ব'ৰ সৈতে একে।
- আকৌ, থ'মাচ্ একুইনাচৰ দ্বাৰা গৃহীত আন এটা পদক্ষেপৰ মতে ধর্মীয় ভাষা নাইবা ঈশ্বৰ কথাবোৰ দ্বি-অর্থকো নহয় একার্থকও নহয়; বৰঞ্চ সাদৃশ্যমূলকহে। অর্থাৎ,

যেতিয়াই আমি ঈশ্বৰ আৰু মানুহৰ ক্ষেত্ৰত 'শ্ৰেয়ত্ব' গুণ আৰোপ কৰোঁ, তেতিয়া সিহঁত সম্পূৰ্ণৰূপে বেলেগও নহয় নাইবা সম্পূৰ্ণৰূপে অনুৰূপও নহয়। উভয়েই ভিন্ন পৰ্যায়ত অনুৰূপ বস্তুকে সূচিত কৰে।

- ধৰ্মীয় ভাষাৰ সমস্যাটোৰ লগত জড়িত হওঁতে, প'ল টিল্লিকে সাব্যস্ত কৰে যে ধৰ্মীয় ভাষাৰ প্ৰতীকাত্মক ৰূপ থাকে, সিহঁতক আক্ষৰিকভাৱে ব্যাখ্যা কৰিব নোৱাৰি, অৰ্থাৎ, ইয়াৰ মূল বা প্ৰকৃত অৰ্থত নহয়, বৰঞ্চ প্ৰতীকাত্মক অৰ্থতহে।



১৪.৭ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন

২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



১৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্মীয় ভাষা হৈছে ঈশ্বৰৰ কথা নাইবা ঈশ্বৰ সম্বন্ধে কৰা উক্তি বা দাবী। ই হৈছে ঈশ্বৰক বৰ্ণনা কৰাৰ এক উপায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্মীয় ভাষাৰ সমস্যাটো হৈছে আমি কেনেকৈ ঈশ্বৰ সম্বন্ধে কিবা ক'ব পাৰো, নাইবা ক'ব পাৰো নে নোৱাৰো তাৰ সমস্যা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আয়াৰৰ মতে, কেৱল সেই উক্তি অৰ্থপূৰ্ণ, যাক অভিজ্ঞতাৰ জৰিয়তে সত্য বা অসত্য ৰূপে প্ৰমাণ কৰিব পৰা যায়। যিহেতু ধৰ্মীয় ভাষাক এনেদৰে প্ৰমাণ কৰিব নোৱাৰি, সেয়ে, সিহঁথৰ কোনো অৰ্থ নাথাকে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ থ'মাছ একুইনাচ্‌ৰ মতে, ধৰ্মীয় ভাষাবোৰক সাদৃশ্যৰ ভিত্তিত ব্যাখ্যা কৰিব লাগে। অৰ্থাৎ, সিহঁতে ভিন্ন পৰ্যায়ত একেটা বস্তু বা বিষয়ক নিৰ্দেশ কৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প'ল টিল্লিকৰ মতে, ধৰ্মীয় ভাষা প্ৰকৃতিগতভাৱে প্ৰতীকাত্মক। অৰ্থাৎ, সিহঁতক আক্ষৰিকভাৱে ব্যাখ্যা কৰিব নোৱাৰি।

৬নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতীক আৰু চিহ্ন বা সংকেতৰ মাজত সাদৃশ্য এয়ে যে দুয়োৱে নিজতকৈ পৃথক কিবা এক বস্তু বা বিষয়ক নিৰ্দেশ কৰে।



১৪.৯ আৰ্হি প্ৰশ্ন

(ক) **বস্তুধৰ্মী প্ৰশ্ন**

প্ৰশ্ন ১ ঃ ধৰ্মীয় ভাষা কি?
প্ৰশ্ন ২ ঃধৰ্মীয় ভাষাৰ সমস্যাটো কি?
প্ৰশ্ন ৩ ঃধৰ্মীয় ভাষাৰ বাবে আমি কোনো বিশেষ ভাষা ব্যৱহাৰ কৰোঁ নেকি?
প্ৰশ্ন ৪ ঃধৰ্মীয় ভাষাৰ সমস্যাৰ কিয় উদ্ভৱ হয়?
প্ৰশ্ন ৫ ঃধৰ্মীয় ভাষাৰ প্ৰতি হিউমৰ
প্ৰশ্ন ৬ ঃধৰ্মীয় ভাষাৰ প্ৰতি আয়াৰৰ পদক্ষেপ কি?
প্ৰশ্ন ৭ ঃআমি যেতিয়া কওঁ যে ধৰ্মীয় ভাষা দ্বি-অৰ্থবোধক— তাৰ অৰ্থ কি?
প্ৰশ্ন ৮ ঃধৰ্মীয় ভাষা একাৰ্থক বুলি ক'লে তাৰ অৰ্থ কি?
প্ৰশ্ন ৯ ঃধৰ্মীয় ভাষাৰ সমস্যাৰ প্ৰতি একুইনাচৰ সমাধান কি?
প্ৰশ্ন ১০ঃ সংকেত আৰু প্ৰতীকৰ মাজৰ পাৰ্থক্য কি?
প্ৰশ্ন ১১ঃ প'ল টিল্লিকৰ মতে ঈশ্বৰ সম্বন্ধে একমাত্ৰ উক্তিটো কি?

(খ) **চমু প্ৰশ্ন** (১০০ - ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃধৰ্মীয় ভাষাৰ সমস্যাটো কিয় উদয় হয়? চমুকৈ ব্যাখ্যা কৰক।
প্ৰশ্ন ২ ঃউদাহৰণসহ সংকেত আৰু প্ৰতীকৰ ওপৰত এক চমুটোকা লিখক।
প্ৰশ্ন ৩ ঃসংকেত আৰু প্ৰতীকৰ মাজত প'ল টিল্লিকে কিদৰে পাৰ্থক্য নিৰ্ণয় কৰিছে?
প্ৰশ্ন ৪ ঃটিল্লিকে আগবঢ়োৱা প্ৰতীকৰ কামবোৰ কি কি?

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০ - ৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃধৰ্মীয় ভাষাৰ সমস্যাটো বৰ্ণনা কৰক।
প্ৰশ্ন ২ ঃধৰ্মীয় ভাষাৰ সমস্যাটোৰ লগত দাৰ্শনিকসকলে কেনেকৈ জড়িত হৈছে?
প্ৰশ্ন ৩ ঃ"প্ৰকৃতিগতভাৱে ধৰ্মীয় ভাষা প্ৰতীকাত্মক"— প'ল টিল্লিকৰ সন্দৰ্ভত ব্যাখ্যা কৰক।

অধ্যায় ১৫ ঃ ধর্মীয় সহনশীলতা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ পাশ্চাত্যৰ দেশসমূহত ধর্মীয় সহনশীলতাৰ উত্থান আৰু বিকাশ
১৫.৪ বিশ্বৰ কিছুমান প্রধান ধর্মত সহনশীলতাৰ ধাৰণা
১৫.৪.১ সহনশীলতা আৰু খ্রীষ্টান ধর্ম
১৫.৪.২ সসহনশীলতা আৰু ইছলাম ধর্ম
১৫.৪.৩ ভাৰতীয় সংস্কৃতি আৰু হিন্দু ধর্মত সহনশীলতাৰ স্থান
১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৬ অধিক জানিবলৈ
১৫.৭ অগ্রগতিৰ খতিয়ান
১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- ধর্মীয় সহনশীলতা আৰু ইয়াৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব।
- পশ্চিমীয়া দেশসমূহত ধর্মীয় সহনশীলতাৰ আৰম্ভণি আৰু বিকাশ সম্বন্ধে আলোচনা কৰিব পাৰিব।
- বিশ্বৰ কেতবোৰ প্রধান ধর্মমত অনুসৰি সহনশীলতাৰ সংজ্ঞা আগবঢ়াব পাৰিব।
- খ্রীষ্টান ধর্মত সহনশীলতাৰ স্থান সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব।
- ইছলাম ধর্মত সহনশীলতাৰ স্থান সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব।
- হিন্দু ধর্ম আৰু ভাৰতীয় সংস্কৃতিত প্রাধান্য লাভ কৰা সহনশীলতাৰ ধাৰণা সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব।

১৫.২ পৰিচয় ঃ

নিজৰ ধর্মীয় বিশ্বাস আৰু আচাৰ সমূহৰ সৈতে পার্থক্য থকা স্বত্বেও আন আন ধর্মীয় বিশ্বাস আৰু আচাৰসমূহ গ্রহণ কৰাৰ মানসিকতাকে ধর্মীয় সহনশীলতা বা উদাৰতা বুলি কোৱা হয়। ধর্মীয় অসহিষ্ণুতাৰ ওপৰত গুৰুত্ব প্রদান কৰিলেহে আমি ধর্মীয় সহনশীলতাৰ ধাৰনাটো ভালদৰে বুজিব পাৰিম। যেতিয়া কোনো এক ধর্মই দাবী কৰে যে সেই ধর্মই চূড়ান্তভাৱে

সত্য আৰু পৰমশক্তিমানক অনুধাৱন কৰাৰ লগতে উপাসনা কৰাৰ ক্ষেত্ৰত কেৱল সেই ধৰ্মইহে যথার্থ পদ্ধতি অৱলম্বন কৰে তেতিয়া স্বাভাৱিকতেই আন ধৰ্মমত আৰু নীতি সমূহৰ প্ৰতি সেই ধৰ্ম অসহনশীল ৰূপে পৰিগণিত হয়। সেই ধৰ্মসমূহে তেওঁলোকৰ অভিমতসমূহ আন লোকক ইচ্ছাকৃতভাৱে গ্ৰহণ কৰিবলৈ বুজাই দিয়ে, কেতিয়াবা আনকি বলপূৰ্বকভাৱেও আনৰ ওপৰত জাপি দিবলৈ প্ৰয়াস কৰে। মছজিদ অথবা মন্দিৰত ৰাজহুৱাভাৱে সমৱেত হৈ উপাসনা কৰিবলৈ সকলোকে বাধ্য কৰিলে ই নিশ্চয় অসহনশীল মনোভাৱ দূৰীকৰণত উদগণি যোগাব। এই অসহনশীল মনোভাৱ কেৱল ইহুদী আৰু খ্ৰীষ্টান, খ্ৰীষ্টান আৰু ইছলাম, ইছলাম আৰু হিন্দু অথবা একেশ্বৰবাদ আৰু বহুঈশ্বৰবাদৰ মাজতেই নহয় বহুঈশ্বৰবাদী হিন্দু ধৰ্মৰ বিভিন্ন শাখাৰ মাজতও অথবা একেটা একেশ্বৰবাদী ধৰ্মৰ ভিন্ন প্ৰণালীৰ মাজতো দেখিবলৈ পোৱা যায়। সহনশীলতাই স্বাধীনতা আৰু জ্ঞান লাভৰ এক উদ্যমৰ প্ৰতি প্ৰয়োজন হোৱা সহযোগিতাক বুজায়, আনহাতে, অসহনশীল মনোভাৱে ভয়, সংশয় আৰু ঈৰ্ষাৰে পৰিপূৰ্ণ এক পৰিবেশৰ মাজত বিৰাজমান হোৱা বিবাদৰ সৃষ্টি কৰে।

১৫.৩ পাশ্চাত্যৰ দেশসমূহত ধৰ্মীয় সহনশীলতাৰ উত্থান আৰু বিকাশ ঃ

সহনশীলতা বুলিলে পাশ্চাত্যৰ দেশসমূহত কেইবাশ বছৰ ধৰি চলি অহা ধৰ্মীয় সহনশীলতা বা উদাৰতাকে বুজোৱা হৈছিল। যদিও ইউৰোপত বিকাশ লাভ কৰা ধৰ্মীয় সহনশীলতাৰ আৰম্ভণি ১৫ শতিকাৰ নৱজাগৰণ বুলি বিবেচনা কৰা হয়, তথাপি দেখা যায় যে ইয়াৰ আগৰ সময়তো বহুতো খ্ৰীষ্ট্ৰিয়ান পূৰ্বপুৰুষযে এই সহনশীলতাৰ পোষকতা কৰিছিল। কিন্তু ই প্ৰায় প্ৰয়োগশূন্য হৈ আছিল। চতুর্থ শতিকাৰ পূৰ্বপুৰুষসকলোৰ মাজত দেখিবলৈ পোৱা ধৰ্মীয় গোড়ামিৰ বহুতো লোকে বিৰোধিতা কৰিছিল। ধৰ্মমতৰ বিৰোধিতা কৰা বহুতো লোক অত্যাচাৰৰ বলি হৈছিল। আনকি ইয়াক এক চূড়ান্ত অপৰাধ বুলি গণ্য কৰি তেওঁলোকক দোষাৰোপ কৰিছিল আৰু কোনো কোনো ক্ষেত্ৰত মৃত্যুদণ্ডও দিয়া হৈছিল।

নৱজাগৰণ আৰু সংস্কাৰসাধনৰ সময়ছোৱাত সংশয় আৰু উদাৰতাৰ ধাৰণাই ধৰ্মীয় সহনশীলতাৰ লগত জড়িত সংস্কৃতিৰ ধাৰাটো আগুৱাই নিয়াত সহায় কৰে। কষ্টেলিঅ' (Castelloi) নামৰ এজন ফৰাচী লোকে যুক্তি দৰ্শাই কৈছিল যে দয়াময় মনোভাৱৰ বিস্তাৰ লাভেই যদি খ্ৰীষ্টান ধৰ্মৰ লক্ষ্য হয় তেন্তে অত্যাচাৰ, উৎপীড়ন নিশ্চয় ইয়াৰ চৰম বিৰোধী হৈ পৰিব। আকৌ, অত্যাচাৰ উৎপীড়নেই যদি কোনো এক ধৰ্মৰ বাবে অত্যাৱশ্যকীয় হৈ পৰে তেন্তে সেই ধৰ্ম নিশ্চয় মানৱজাতিৰ বাবে এক অভিশাপ স্বৰূপ হৈ পৰিব।

খ্ৰীষ্টানসকলৰ সংস্কাৰৰ ধাৰণাই খ্ৰীষ্টান ধৰ্মক ভিন্ন সুৰীয়া কৰি তুলিছিল আৰু ইয়াৰ ফলস্বৰূপেই সহনশীলতা বা উদাৰতাৰ প্ৰয়োজনীয়তাই গুৰুত্ব লাভ কৰিছিল। কিন্তু লুথাৰ আৰু কেলভিনৰ দৰে প্ৰটে ষ্টান্ট লোকসকলোৰ সমান্তৰালভাৱে প্ৰভুত্ব বিস্তাৰ কৰা দৃষ্টিভংগীসমূহে

পৰোক্ষভাৱে অসহনশীল মনোভাব জগাই তুলিছিল। আকৌ, আমি দেখিবলৈ পাওঁ যে সংস্কাৰৰ বিপৰীত ধাৰণাই অসহনশীল মনোভাৱেৰে পৰিপূৰ্ণ এক ক'লা অধ্যায়ৰ সূচনা কৰিছিল। এইক্ষেত্ৰত আমি পাশ্চাত্যৰ ত্ৰিশ বছৰীয়া যুদ্ধৰ (১৬১৮-১৬৪৮) আতংকৰ কথা উনুকিয়াব পাৰো। ইয়েই ইতিহাস ৰচনা কৰিছিল আৰু ইয়াত ধর্মীয় উৎপীড়নৰ লগতে সমগ্ৰ জাতিটোৰ ধ্বংসলীলাৰে পৰিপূৰ্ণ ঘটনাৰ সম্ভেদ পোৱা গৈছিল।

উদাৰ লোকসকলে সদায় ধর্মীয় অসহনশীলতাৰ বিৰুদ্ধাচৰণ কৰিছিল। উদাহৰণ স্বৰূপে, আমি জন্ ৰবিনচন (John Robinson)ৰ কথা উল্লেখ কৰিব পাৰো। এইজন ব্যক্তিয়ে নিউজিলেণ্ড প্ৰতিষ্ঠা কৰা ধর্মাধিকাৰ সকলোৰ বাবে এখ চুক্তি ৰূপায়ন কৰিছিল। প্ৰজাতন্ত্ৰৰ প্ৰতিজন লোককে সমান ধর্মীয় অধিকাৰ প্ৰদান কৰাটো এই চুক্তিৰ প্ৰথম কাম আছিল। ইয়াৰ পিছত চার্লচ- ১ৰ সময়ৰ পৰা গৃহীত, খন চনদ অনুসৰি ৰোমান কেথ'লিক আৰু প্ৰটেষ্টানসকলোৰ প্ৰতি সহনশীল মনোভাৱৰ পোষকতা কৰা হৈছিল। এই চনদখনৰ প্ৰথম নীতিটো হ'ল এনেধৰণৰঃ

"যীশুখ্ৰীষ্টৰ প্ৰতি বিশ্বাস ৰখা কোনো লোকেই তেওঁৰ ধর্মৰ প্ৰতি অথবা তাক স্বাধীনভাৱে পালন কৰাৰ ক্ষেত্ৰত কোনো প্ৰকাৰে বিৰক্ত নহ'ব বা নিৰুৎসাহী হৈ নপৰিব।"

আকৌ, আমি দেখিবলৈ পাওঁ যে ধর্মযাজতসকলোৰ উৎপীড়নৰ বিৰোধিতা কৰি ভূক্তভোগী সকলোক ক্ৰম্বেলে (Cromwell) আদেশ দিছিল যে ধর্মৰ বাণী প্ৰচাৰক সকলোৰ এককেচিচটিকেল নীতি (Ecclasistical Principle) যিয়েই নহওঁক তেওঁলোকক উপদ্ৰৱ নকৰিবা। তেৱেই ইহুদীসকলোক ইংলেণ্ডত পদাপর্ণ কৰাৰ নৈতিক অধিকাৰ প্ৰদান কৰিছিল। ক্ৰম্ৱেলৰ সময় ছোৱাত জেৰেমি টায়লৰে (Jeremy Taylor) সহনশীলতা সম্বন্ধীয় এক মতবাদ আগবঢ়াইছিল। তেওঁ কৈছিল যে বিশ্বাসৰ ভিন্নতা অনিবার্য।

একেশ্বৰবাদী স্পিনোজাই উপলব্ধি কৰিছিল যে যেতিয়া এজন লোকৰ ওপৰত কোনো এক ধাৰণা বা বিশ্বাস জোৰ কৰি জাপি দিয়া হয় তেতিয়া দ্বন্দ্বৰ সৃষ্টি হয়। সেয়ে তেওঁ ৰাজনৈতিক আৰু ধর্মীয় সকলো প্ৰকাৰ বিশ্বাসৰ ক্ষেত্ৰত গ্ৰহণ কৰিব পৰা সহনশীলতাৰ সপক্ষে যুক্তি আগবঢ়াইছিল। তেওঁ কৈছিল যে এখন দেশে ইয়াৰ নাগৰিকসমূহক যিকোনো অভিমত অথবা বিশ্বাস গ্ৰহণ কৰাৰ ক্ষমতা প্ৰদান কৰিব পাৰে।

ধর্মযুদ্ধৰ আতংক আৰু বিষাদগ্ৰস্ততাৰ ফলস্বৰূপে ১৬৮৯ চনত 'সহনশীলতাৰ নীতি' (Act of Toleration) গ্ৰহণ কৰা হৈছিল। অৱশ্যে ই সম্পূৰ্ণ ধর্মীয় স্বাধীনতা প্ৰদান কৰিব পৰা নাছিল। এনেধৰণৰ কাৰণতেই ইউৰোপৰ লোকসকল জন্ লকৰদ্বাৰা প্ৰচাৰিত সহনশীলতাৰ দর্শন সম্বন্ধে বুজ ল'বলৈ অধিক আগ্ৰহী হৈ পৰিছিল। অভিজ্ঞতাবাদী জন্ লক ইংৰাজ গণতন্ত্ৰৰ লগতে অধিকাৰ আৰু মর্য্যদা সম্বন্ধীয় মানৱতাবাদী ধাৰণাৰ জনক আছিল। তেওঁৰ সহনশীলতা সম্বন্ধীয় পত্ৰখন ১৬৮৯ চনত লেটিন ভাষাত প্ৰকাশিত হৈছিল। এই পত্ৰসমূহত লকে স্পষ্টভাৱে তেওঁৰ অভিমত প্ৰকাশ কৰিছিল যে অসহনশীল বা অত্যাচাৰী ক্ৰিয়াসমূহ যেনে — মানুহক তেওঁলোকৰ নিজৰ অধিকাৰৰ পৰা বঞ্চিত কৰা, শাৰিৰীক শাস্তি দি অংগক্ষত কৰা, কাৰাগাৰত

ৰাখি উৎপীড়ন চলোৱা আদি বাৰুকৈয়ে ঈশ্বৰ আৰু ধর্ম মন্দিৰৰ মাহাত্ম্য বিৰোধী কথা। লকে কৈছিল যে জ্ঞানীলোকে নিজ বিবেকেৰে ধর্মযাজকসকলোৰ মত অগ্রাহ্য কৰা অথবা সমাজ সেৱাৰ পৰা আতঁৰি থকাতকৈ সেই অত্যাচাৰী কার্যসমূহ আত্মাৰ মুক্তি লাভৰ ক্ষেত্রত প্রবল হেঙাৰৰূপে থিয় দিয়ে। লকৰ মতে এনেধৰণৰ নিষ্ঠুৰ আৰু অসহিষ্ণু কু-কর্মসমূহ খ্রীষ্টান ধর্ম গ্রহণ কৰাৰ ক্ষেত্রত সম্পূর্ণৰূপে বিৰোধী বুলি সকলোৱে বুজি উঠিছিল। ধর্ম সম্বন্ধীয় বিভেদ সৃষ্টিকাৰী কার্যসমূহৰ প্রতি থাকিব লগা সহনশীলতা খ্রীষ্টান ধর্মৰ মূলকথা।

ভলটায়াৰ (Voltair) আৰু ৰুচোই (Rousseau) সহনশীল মনোভাৰ গঢ়ি তোলাৰ বাবে অভিমত প্রকাশ কৰিছিল আৰু অসহনশীলতা বা অসহিষ্ণুতা বর্জনৰ বাবে চেষ্টা চলাইছিল।

ফ্রান্সিস গুইজটে (Francis Guizot) তেওঁৰ গ্রন্থ 'ইউৰোপৰ সভ্যতাৰ ইতিহাস' (১৮২৮)ত উল্লেখ কৰিছিল যে সহনশীলতা বা সহিষ্ণুতা হৈছে খ্রীষ্টান ধর্মৰ এক অত্যাৱশ্যকীয় উপাদানস্বৰূপ আৰু সেয়ে অসহনশীল মনোভাৱ হৈছে এক অন্যায় আচৰণ।

কিন্তু মহৎ লোকসকলে এনেধৰণৰ শিক্ষাৰ প্রচাৰ কৰা স্বত্বেও সহনশীলতাৰ ধাৰণাই প্রসাৰ লাভ কৰাত ব্যর্থ হৈছিল। উদাহৰণ স্বৰূপে, ড'নস্কো ক'র্টে তেওঁৰ 'কেথ'লিকবাদ, উদাৰতাবাদ আৰু সমাজবাদ সম্বন্ধীয় প্রবন্ধ'ত সহনশীলতাৰ পোষকতা কৰা কিছুমান লোকৰ বিৰুদ্ধে থিয় দিছিল। তেওঁৰ মতে, সহনশীলতা মাথোন এক মিছা আদর্শ। তেওঁ কৈছে, "মানুহৰ অৱশ্যেই পতন ঘটে, কিন্তু ধর্ম মন্দিৰৰ বিনাশ নাই, ইয়াৰ অভিমতেই হ'ল সত্য। যিয়ে ইয়াক অগ্রাহ্য কৰে তেওঁলোক ভুলৰ বশৱর্তী হয় আৰু ভুলক কেতিয়াও সহ্য কৰিব নোৱাৰি।"

আন কেতবোৰ কাৰণতও সহনশীলতাই প্রসাৰ লাভ কৰাত ব্যর্থ হৈছে। সকলো ক্ষেত্রতে নিয়ম পালন কৰি চলা কোনো এজন লোকে ধর্মমত অথবা বিশ্বাস বিৰোধী কোনো কথা সহ্য কৰিব নোৱাৰে। কাৰণ, সততাই কু-কর্ম সহ্য কৰিব নোৱাৰে। কিন্তু আমি ক'ব পাৰো যে ধর্ম গ্রন্থসমূহৰ আংশিক জ্ঞানৰ বাবেই অসহনশীল মনোভাৱ উৎপত্তি হয়। যেনে— ইহুদিসকলোৰ বাইবেল গ্রন্থই কৈছে, "মোৰ বাহিৰে তোমাৰ আন কোনো ঈশ্বৰ নাই।" ইয়াত আকৌ কোৱা হৈছে যে ঈশ্বৰ হ'ল প্রধান, সর্বশ্রেষ্ঠ আৰু নিত্য। সেয়েহে যিসকল লোকে সর্বশ্রেষ্ঠ ঈশ্বৰক অনিত্য উপাদানেৰে গঠিত ৰূপ প্রদান কৰিবলৈ প্রয়াস কৰিছে, তেনে লোকসকলোক ইহুদীসকলে অধার্মিক বুলি দোষাৰোপ কৰিছে। ধর্মমন্দিৰত কোনো প্রতিচ্ছবি স্থাপন কৰিব নোৱাৰি। সেইবাবে তেওঁলোক মূর্ত্তিপূজাৰ বিৰোধী হৈ পৰিছিল। এনেধৰণৰ অসহিষ্ণু মনোভাৱ ধর্মশাস্ত্রৰ আংশিক জ্ঞানৰ বাবেই সৃষ্টি হৈছিল। কাৰণ, তেওঁলোকে নিজৰ ধর্মশাস্ত্রৰ শিক্ষা পাহৰি গৈছে যে কোনো লোকে অন্য কোনো এজন লোকৰ ভাতৃ অথবা ওচৰ চুবুৰীয়াৰ বাবে তেওঁক ঘিণ কৰা উচিত নহয়। সেই একেখন ধর্মশাস্ত্রতে পোৱা যায়— "যদি এজন মানুহে কয়, মই ঈশ্বৰক ভাল পাওঁ আৰু তেওঁৰ ভাতৃক ঘিণ কৰো তেন্তে তেওঁ নিশ্চয় এজন মিছলীয়া।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্মীয় সহনশীলতা কি?

.....

.....

প্রশ্ন নং ২ ঃ অসহনশীল মনোভাৱ পোষণ কৰা দুজন প্রটেষ্টান ব্যক্তিৰ নাম উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ 'কেথ'লিকবাদ, উদাৰতাবাদ আৰু সমাজবাদ সম্বন্ধীয় প্রবন্ধ' (Essay on Catholiccis, Liberalism and Socialism) ৰ লিখক কোন?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ সচাঁ নে মিছা লিখক ঃ-

ক) ভলটায়াৰ আৰু ৰুচোই 'অসহনশীলতা বর্জন' ৰ বাবে চেষ্টা কৰিছিল।

খ) ফ্রান্সিচ গুইজ'টে মন্তব্য কৰিছে যে সহনশীলতা হ'ল খ্রীষ্টান ধর্মৰ এক অত্যাৱশ্যকীয় উপাদানস্বৰূপ।

গ) ইহুদীসকলোৰ বাইবেলে কৈছে, "মোৰ বাহিৰে তোমাৰ আন কোনো ঈশ্বৰ নাই।"

১৫.৪ বিশ্বৰ কিছুমান প্ৰধান ধৰ্মত সহনশীলতাৰ স্থান ঃ

খ্ৰীষ্টান, ইছলাম, হিন্দু আদি বিশ্বৰ প্ৰধান ধৰ্মসমূহে সহনশীলতাৰ ধাৰণা সম্বন্ধে তেওঁলোকৰ অভিমত আগবঢ়াইছে। এই অভিমতসমূহ তলত আলোচনা কৰা হ'ল —

১৫.৪.১ সহনশীলতা আৰু খ্ৰীষ্টান ধৰ্ম ঃ

ৰোমানসকলে খ্ৰীষ্টান গীৰ্জাৰ আদি গুৰুসকলোক অতি নিষ্ঠুৰভাৱে অত্যাচাৰ কৰিছিল। স্বাভাৱিকতেই তেওঁলোক ধৰ্মীয় সহনশীলতাৰপক্ষপাতী নাছিল। কিন্তু খ্ৰীষ্টান ধৰ্ম যেতিয়া সাম্প্ৰদায়িক ধৰ্মত পৰিণত হৈছিল তেতিয়া পূৰ্বৰ অত্যাচাৰীসকল নিজেই অত্যাচাৰৰ বলি হৈছিল। তথাপিতো, বহুতো খ্ৰীষ্টানলোকে ধৰ্মীয় সহনশীলতাৰ প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছিল। চেণ্ট আগাষ্টাইনে (St. Augustine) কৈছিল যে প্ৰাচীন ধৰ্মমত বিৰোধী অভিমত আগবঢ়োৱা লোকসকলক মৃত্যুদণ্ড দিয়াটো ভুল আছিল। কিন্তু বহুতো খ্ৰীষ্টানলোকে সহনশীলতাৰ বিৰুদ্ধাচৰণ কৰিছিল। তেওঁলোকে যুক্তি প্ৰদৰ্শন কৰিছিল যে পৰম্পৰা বিৰোধী ক্ৰিয়া-কলাপৰ দ্বাৰা ঈশ্বৰ ক্ৰোধান্বিত হয় আৰু তেতিয়াই তেওঁ শাস্তিস্বৰূপে সমগ্ৰ জাতিটোৰ ওপৰত দুৰ্যোগ জাপি দিয়ে। পৰম্পৰা বিৰোধিতা এক অপৰাধ আৰু অপৰাধ কেতিয়াও সহ্য কৰিব নোৱাৰি। অপৰাধী লোক এজনৰ প্ৰতি সহনশীলতা প্ৰদৰ্শন কৰিলে তেওঁক নৰকলৈহে ঠেলি দিয়া হ'ব আৰু তেওঁ অনাগত জীৱনত অন্তহীন যাতনা ভুগিব লাগিব। গতিকে অপৰাধী আত্মাক শুদ্ধপথলৈ আনিবলৈ হ'লে শাস্তি অনিবাৰ্য। খ্ৰীষ্টান ধৰ্মত সহনশীলতাৰ স্বৰূপ আমি দুটা দিশৰ পৰা বুজিব পাৰো। এটা হ'ল কেথ'লিকসকলৰ পটভূমিত আৰু আনটো হ'ল —

প্ৰটেষ্টানসকলৰ পটভূমিত। কেথ'লিকসকলৰ মতে গীৰ্জা আৰু পোপজন অৰ্থাৎ তাৰ মূৰব্বীজন হ'ল দৈৱিক নিয়ন্তা কিন্তু প্ৰটেষ্টাণ্ট সকলৰ মতে কোনো এজন লোকৰ মুক্তিৰ বাবে গীৰ্জাৰ সহায়ৰ কোনো প্ৰয়োজন নাই আৰু গীৰ্জাৰ ভিতৰত সকলো লোক সমানেই ভক্ত বুলি স্বীকাৰ কৰা হয়। স্বাভাৱিকতেই এজন ব্যক্তি বা এটা জাতিৰ বাবে আন ব্যক্তি বা জাতিৰ ক্ৰিয়া কলাপসমূহ সহ্য কৰিব পৰা বিধৰ নহয়। আকৌ কেথ'লিকসকলোৰ ভিন্ন গোষ্ঠীৰ মাজতো আনকি বিশ্বাস আৰু আচাৰ অনুষ্ঠানৰ ক্ষেত্ৰতো প্ৰভেদ দেখা যায়। এই প্ৰভেদসমূহেই স্বতন্ত্ৰ মতাদৰ্শক সূচায় আৰু তেওঁলোকৰ মাজত পাৰস্পৰিক সহনশীলতাৰ অভাৱৰ বাবেই ইয়াৰ উৎপত্তি হৈছে।

একেদৰে প্ৰটেষ্টাণ্ট সকলোৰ মাজতো বহুতো উপশাখা দেখিবলৈ পোৱা যায়। যেনে লুথাৰপন্থীসকল, কেলভিন পন্থীসকল, ধৰ্মযাজকসকল, ইংৰাজ ধৰ্মীয় সম্প্ৰদায়ৰ লোকসকল, স্বাধীন চিন্তাৰে পৰিচালিত লোকসকল (স্বতন্ত্ৰগোষ্ঠী) আদি।

এনেদৰে খ্ৰীষ্টান ধৰ্মৰ ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে ধৰ্মীয় ক্ষেত্ৰত বিৰুদ্ধাচৰণ কৰাৰ দৃষ্টান্ত নিচেই তাকৰ নহয়। এই বিৰুদ্ধাচৰণ অৰ্থাৎ অসহনশীল মনোভাৱ কেৱল পূৰ্বৰ ইহুদী ধৰ্মৰ প্ৰতিয়েই নহয়, আনকি নিজ ধৰ্মৰ মাজতো দেখা যায়। ইয়াৰ উপ-শাখাসমূহেও ধৰ্মযুদ্ধৰ অত্যাচাৰ ও উৎপীড়নৰ পৰা উদ্ভৱ হোৱা অসহনশীল ক্ৰিয়া কলাপৰ সাক্ষ্য বহন কৰে।

তথাপি এইটো সত্য যে ইয়াৰ অন্তৰস্থ সহনশীল মনোভাৱৰ বাবেই খ্ৰীষ্টান ধৰ্মই শান্তি আৰু ভক্তিভাৱ প্ৰচাৰ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ বিৱৰ্ত্তনৰ ভিন্ন সময়ছোৱাত আমি সহনশীলতাৰ পোষকতা কৰা লোক দেখিবলৈ পাওঁ। আদি যুগ, মধ্যযুগৰ লগতে নৱজাগৰণ আৰু সংস্কাৰ সাধনৰ সময়ছোৱাত এই সহনশীল মনোভাৱ দেখা গৈছিল।

১৫.৪.২ সহনশীলতা আৰু ইছলাম ধৰ্ম ঃ

ইছলাম ধৰ্মত সহনশীলতা বা সহিষ্ণুতাৰ ধাৰণাটো দুটা দিশৰ পৰা আলোচনা কৰিব পাৰি। সেয়া হ'ল — ইছলাম ধৰ্মৰ বৰ্হিভুক্ত লোকৰ প্ৰতি সহনশীলতা আৰু ইছলাম ধৰ্মীয় লোকসকলোৰ মাজত থকা সহনশীলতা। হজৰত মহম্মদে উল্লেখ কৰা কেতবোৰ বাণী আছে যিবোৰ তেওঁৰ ধৰ্মটোক আটাইতকৈ সহনশীল বুলি পৰিগণিত কৰিব বিচাৰে। মহম্মদে কৈছিল, "মোৰ ধৰ্মত মতানৈক্য হ'ল দৈৱিক ক্ষমাৰেই এক প্ৰকাশ মাথোন।' আকৌ তাত আদেশ দিয়া হৈছে, "ধৰ্মত কোনো বাধ্যবাধকতা থাকিবলৈ নিদিবা।"

দৈৱিক ক্ষমাৰ বহিঃপ্ৰকাশ ঘটোৱাৰ বাবে প্ৰতিদ্বন্দ্বী ধৰ্মসমূহক স্বীকৃতি দিয়া হয় আৰু ই আৱশ্যকীয়ে পৰাই ইছলাম বৰ্হিভূক্ত লোকৰ প্ৰতি সহনশীলতা প্ৰদৰ্শন কৰাৰ এক পাৰমাৰ্থিক ভিত্তি প্ৰদান কৰে। ইহুদী ধৰ্ম আৰু খ্ৰীষ্টান ধৰ্মক কিছুমান সিদ্ধপুৰুষৰ (Prophets) জৰিয়তে বিস্তাৰ লাভ কৰা আদি বিশ্বাস (Primitive faiths) ৰূপে গণ্য কৰা হৈছিল। মহম্মদে মেদিনাত ইহুদীসকলোক তেওঁলোকৰ নিজা ধৰ্ম পালন কৰিবলৈ অনুমতি দিছিল। যেতিয়া আৰবসকলে পাৰ্চিয়াত শাসনকাৰ্য চলাইছিল,এইটো নিশ্চিত যে জোৰাষ্টাৰ অনুগামীসকলোক যথোচিত ব্যৱহাৰ কৰিবলৈ মহম্মদে নিৰ্দেশ দিছিল।

কোৰাণত মূৰ্ত্তি পূজাক অতি কঠোৰভাৱে নিন্দা কৰা হৈছে। গতিকে, বুজা যায় যে ইছলাম ধৰ্মীলোক মূৰ্ত্তি পূজা কৰা লোক সকলোৰ প্ৰতি উদাৰ হ'ব নোৱাৰে। কিন্তু মূৰ্ত্তিপূজকসকলে 'জিজিয়া' কৰ আদায় দি তেওঁলোকৰ নিজা ধৰ্ম পালন কৰিব পাৰিছিল। হাৰুণ (Harun)ৰ ৰাজত্বকালত মুছলিম নীতি অনুসৰি মূৰ্ত্তিপূজকসকলোক 'জিজিয়া' কৰ আদায় দিয়াৰ অধিকাৰ প্ৰদান কৰা হৈছিল। এনেদৰে দেখা যায় যে এই ইছলামপন্থী লোকসকলে সহনশীল শ্ৰেণীৰ মাজত এক স্থান দখল কৰিছিল।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে মুছলমানসকলোৰ ভাৰত বিজয় অভিয়ানৰ পিছৰ সময়ছোৱাত বহুতো হিন্দু মন্দিৰ ধ্বংস কৰা হৈছিল। কিন্তু এইটোও দেখা গৈছিল যে পূৰ্বৰ হিন্দু শাসকসকলে ধৰ্মীয় ভেটি সুদৃঢ় কৰাৰ বাবে গ্ৰহণ কৰি লোৱা বিশ্বাসসমূহৰ প্ৰতি বহুতো মুছলমান শাসকে সন্মান প্ৰদৰ্শন কৰিছিল। চিন্দ প্ৰদেশৰ ব্ৰাহ্মণবাদ মন্দিৰৰ ক্ষেত্ৰত এনে দৃষ্টান্ত পৰিলক্ষিত হৈছিল আৰু তাতেই ভাৰতবৰ্ষৰ প্ৰথম মুছলমান শাসন প্ৰতিষ্ঠিত হৈছিল। আকৌ, আমি দেখিবলৈ পাওঁ যে ১৬ শতিকাত বেংগলৰ মুছলাম ৰজাই উৰিষ্যাৰ জগন্নাথ পূজাৰ অনুমতি প্ৰদান কৰিছিল আৰু তাৰ নিমিত্তে এটা বছৰত ধনৰ পৰিমাণ ১,০০,০০০ লৈ বৃদ্ধি কৰিছিল। হাইদৰ আলি আৰু টিপু চুলতান যদিও হিন্দু প্ৰজাসকলোৰ প্ৰতি কৰা অত্যাচাৰৰ বাবে কুখ্যাত আছিল তথাপি কিন্তু তেওঁলোকে শৃংগেৰীৰ সন্যাসীসকলোৰ আশ্ৰমৰ বাবে ধনৰ অনুদান আগবঢ়াইছিল।

মুছলমান শাসনাধিষ্ঠ এলেকাত বাস কৰা অ-মুছলিম লোক সকলোক 'ধিম্মী' (Dhimmi) বুলি কোৱা হৈছিল। 'ধিম্মী' বুলিলে এনে এজন লোকক বুজায় যি এক চুক্তিৰ অধিনত থাকে। ইয়াৰদ্বাৰা বুজোৱা হৈছিল যে 'ধিম্মী'সকলে কৰ আদায় দিব লাগিছিল আৰু ইয়াৰ প্ৰতিদানস্বৰূপে তেওঁলোকে মুছলিম শাসক সকলোৰ পৰা জীৱন, সম্পত্তি আৰু ধৰ্মৰ অধিকাৰ লাভ কৰিছিল। কিন্তু এইটোও পৰিলক্ষিত হৈছিল যে শাসকীয় গোষ্ঠীৰ দ্বাৰা নিৰ্ধাৰিত বিধি ব্যৱস্থাতকৈ আইনজ্ঞ আৰু ঈশ্বৰতত্ত্ববিদসকলোৰ নীতি-নিৰ্দেশনা বাৰুকৈয়ে অসহনশীল আছিল।কেতিয়াবা কেতিয়াবা তেওঁলোকে আদেশ দিছিল। "হয় মৃত্যুক আকোৱালি লোৱা নহয় ইছলাম ধৰ্ম গ্ৰহণ কৰা।" এইদৰে মুছলিম শাসকসকলে এক 'জেহাদ'ৰ অনুমোদন আগবঢ়াইছিল। গতিকে সেইসময়ৰ শাসকসকলে হিন্দুসকলোৰ ওপৰত আৰোপ কৰা 'জিজিয়া' কৰ এক নতুন ব্যৱস্থা নাছিল। ই মাথোন এক বিকল্প পন্থাহে আছিল যে তেওঁলোকে ইছলাম গ্ৰহণ কৰিব নে যুদ্ধ ঘোষণা কৰিব। অতিৰিক্তকৰ দিয়াৰ পৰা বিৰত থাকিবলৈ হিন্দুসকলে এই বিকল্প পন্থা অৱলম্বন কৰিব লাগিছিল। ইয়াৰ পৰা বুজা যায় যে মৃত্যুদণ্ডৰ শাস্তি লঘু কৰা হৈছিল আৰু জৰিমনা স্বৰূপে ধন আদায় দিব লগা হৈছিল। দাৰ্শনিক বেকনে কৈছিল, "যুদ্ধৰে অথবা ৰক্তাক্ত সংগ্ৰামেৰে ধৰ্মৰ বিস্তাৰ কৰিলে আমাৰ বিবেকক বাধ্য কৰাটোকে বুজায়।"

১৫.৪.৩ ভাৰতীয় সংস্কৃতি আৰু হিন্দু ধৰ্মত সহনশীলতাৰ স্থান ঃ

অতীজৰে পৰা ভাৰতবৰ্ষক এখন সহনশীল আৰু উদাৰ দেশ বুলি গণ্য কৰা হয়। ইয়াত ধৰ্মীয় সহনশীলতাৰ এক পৰম্পৰা চলি আহিছে আৰু ইয়াক লৈ আমি গৌৰৱবোধ কৰিব পাৰো। আমাৰ ভাৰতবৰ্ষত বিদেশীসকলোৰ প্ৰতি সদায় এক উদাৰ

মনোভাৱ গ্ৰহণ কৰা হয়। ইহুদী আৰু খ্ৰীষ্টানসকল, পাৰ্চিসকল, অস্ত্ৰধাৰী বাহিনীৰ লোকসকল আজি শ-শ বছৰ ধৰি ভাৰতবৰ্ষত তিষ্ঠি আছে আৰু চাৰিওফালে বিয়পি আছে।

হিন্দুধৰ্ম হ'ল ভাৰতবৰ্ষৰ প্ৰধান ধৰ্ম আৰু ইয়াৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে ই বিভিন্ন আঞ্চলিক আৰু গোষ্ঠীগত ধৰ্মীয় পৰম্পৰাক আকোৱালি লৈছে। মহাত্মা গান্ধীয়ে কৈছে, "হিন্দুধৰ্ম এটা একচেতীয়া স্বতন্ত্ৰ ধৰ্ম নহয়। ইয়াত বিশ্বৰ সকলো সিদ্ধপুৰুষকে উপাসনা কৰাৰ অধিকাৰ আছে - - - - হিন্দুধৰ্মৰ মতে ইয়াৰ প্ৰতিজনলোকেই নিজৰ বিশ্বাস অথবা ধৰ্ম অনুসৰি ঈশ্বৰক উপাসনা কৰিব পাৰে আৰু সেয়ে সকলো ধৰ্ম থকা স্বত্বেও ইয়াত শান্তি বিৰাজ কৰিছে।" (মহাত্মা গান্ধী, ইয়ং ইণ্ডিয়া, অক্টোবৰ ২৬,১৯২১)

হিন্দুধৰ্মত বহুতো শাখা দেখিবলৈ পোৱা যায়। ইয়াৰ কিছুমান লোকে কেৱল এক ঈশ্বৰক বিশ্বাস কৰে, কিছুমানে এহাল দেৱ-দেৱীক বিশ্বাস কৰে, কিছুমানে বহু দেৱতাক বিশ্বাস কৰে, আকৌ কিছুমানে কোনো দেৱতাকে বিশ্বাস নকৰে। ইয়াৰ কাৰণ স্বৰূপে বেদত উল্লেখ কৰা হৈছিল, "একে সত্তাকে বিভিন্ন নামেৰে ভিন্ন ধৰণে বৰ্ণনা কৰা হৈছে।" আকৌ, "সকলো বহুত্বই হৈছে একে পৰম সত্তাৰে ভিন্ন প্ৰকাশ।"

পুৰণি কালত আমি দেখিবলৈ পাওঁ যে আৰ্য-সংস্কৃতিৰ বিকাশৰ সময়ছোৱাত ই বহুতো নতুন উপাদান সাঙুৰি লৈছিল আৰু ইয়াৰ পৰিৱৰ্ত্তন ঘটিছিল। প্ৰাচীন হিন্দু সংস্কৃতি বুলিলে অতীজৰ আৰ্য-সংস্কৃতিকে বুজায়। 'আৰ্য' শব্দটোৱে লাহে লাহে এক জাতিগত বৈশিষ্ট্যতকৈ এক সাংস্কৃতিক আৰু ধৰ্মীয় বৈশিষ্ট্যহে বহন কৰিবলৈ লৈছিল। যদিও হিন্দুধৰ্মত সাংস্কৃতিক ঐক্য সদায় পৰিলক্ষিত হৈছিল তথাপি কিন্তু সমগ্ৰ দেশজুৰি ই একে ধৰণৰ নাছিল। আৰ্য আৰু অনাৰ্যসকলোৰ উপাদানসমূহ ভিন্ন ধৰণে একত্ৰিত কৰা হৈছিল আৰু বৰ্তমানৰ হিন্দু ধৰ্ম গঢ়ি উঠিছিল। ই হিন্দুধৰ্মৰ সহনশীল মনোভাৱৰ কথা স্পষ্ট কৰি দিয়ে।

হিন্দুধৰ্ম অনুসৰি, 'ধৰ্ম' বুলিলে সামাজিক বন্ধনৰ ভিতৰত থাকি যথোচিত আচৰণ কৰাকে বুজায়। ধৰ্মৰ লক্ষ্যও ভিন্ন ধৰণে বুজা যায়। কিছুমান লোকে নিজকে পৰম ব্ৰহ্মত বিলীন কৰি দিয়ে বা কিছুমানে আত্মা আৰু ঈশ্বৰৰ মাজত একাত্মবোধ গঢ়ি তুলিব বিচাৰে। কিছুমানে এক অব্যক্ত অৱস্থাত ব্যক্তিত্বৰ বিনাশ কামনা কৰে, আকৌ কিছুমানে আত্মা আৰু জড়ৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব বিচাৰে।

বৰ্ণাশ্ৰম ধৰ্মই ভিন্ন পন্থা অৱলম্বন কৰি ভিন্ন শ্ৰেণীৰ লোকৰ মাজত একেটা হিন্দু ধৰ্মৰ বিকাশ আৰু বিস্তাৰৰ ক্ষেত্ৰত ব্যাপক অৰিহণা যোগাইছে। গতিকে ভাৰতবৰ্ষত ধৰ্মীয় সহনশীলতা দেখা গৈছিল, কিন্তু ই ধৰ্মীয় সমতাক বুজোৱা নাছিল।

সমাজৰ কিছুমান লোকে অতি লেতেৰা আৰু নীচ কাম কৰিব লগা হয় আৰু তেওঁলোকক স্বাভাৱিকতেই অস্পৃশ্য বুলি গণ্য কৰা হয়। কিন্তু মহাত্মা গান্ধীয়ে ধর্মীয় সহনশীলতাৰ ধাৰণাৰ ব্যাপকভাৱে প্ৰচাৰ চলাইছিল আৰু সেইলোকসকলোক তেওঁ 'হৰিজন' অর্থাৎ ভগৱানৰেই প্ৰতিনিধি বুলি কৈছিল।

পাশ্চাত্যৰ একেশ্বৰবাদী ধর্মসমূহত আমি দেখিবলৈ পাওঁ যে এজন ভক্তক ৰক্ষা কৰা হৈছে অথবা তেওঁক অভিশাপ দিয়া হৈছে, হয় তেওঁ এজন ধর্মবিশ্বাসী লোক নহয় এজন হীডেন। জি-হ'-ভে কৈছিল, "মোৰ বাহিৰে তোমাৰ আন কোনো ঈশ্বৰ নাই।" খ্ৰীষ্টান আৰু ইছলাম ধর্মতও সেই একেটা ধাৰণাৰেই প্ৰবল আধিপত্য দেখিবলৈ পোৱা যায়। হিন্দু ধর্মৰ প্ৰভূ শ্ৰীকৃষ্ণই গীতাত কৈছে, "তুমি যিকোনো ঈশ্বৰকেই পূজা কৰিব পাৰা, মই ভক্তজনক প্ৰতিফল দিম।" এনেধৰণৰ কেতবোৰ মৌলিক ধাৰণাই হিন্দুধর্মত সহনশীল মনোভাৱৰ প্ৰৱল আধিপত্য প্ৰকাশ কৰে। ইয়েই শ্ৰীমন্ত শংকৰদেৱ আৰু চৈতন্যদেৱৰ ভক্তি আন্দোলনৰ উত্থান ঘটিছিল। ইয়াত সকলো ধর্মৰ প্ৰতি প্ৰেম আৰু শ্ৰদ্ধা নিবেদন কৰা আমি দেখিবলৈ পাওঁ। ৰামকৃষ্ণই কৈছে, "সকলো ধর্মই হ'ল এক।" এই উক্তিটোৰ জৰিয়তে আমি হিন্দু ধর্মৰ এক উদাৰ প্ৰৱণতা দেখিবলৈ পাওঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সহনশীল ধাৰণাৰ লগত জড়িত খ্ৰীষ্টানধর্মৰ সম্প্ৰদায় দুটা কি কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ কেথ'লিক আৰু প্ৰটেষ্টানসকলোৰ মাজত পার্থক্য উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ প্ৰটেষ্টাণ্টসকলোৰ মাজত দেখিবলৈ পোৱা উপ-শাখাবোৰ কি কি?

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ সচাঁ নে মিছা লিখক ঃ

ক) ইহুদী আৰু খ্ৰীষ্টান ধর্মক সিদ্ধপুৰুষ সকলোৰ দ্বাৰা প্রচাৰিত আদি- বিশ্বাস বুলি গণ্য কৰা হৈছিল।

খ) হিন্দুধর্মই প্রতিজন লোককে তেওঁৰ নিজৰ বিশ্বাস অথবা ধর্ম অনুসৰি ঈশ্বৰক উপাসনা কৰিবলৈ কয়।

গ) ৰামকৃষ্ণই কৈছে যে সকলো ধর্মই হ'ল এক।



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- এই অধ্যায়টিৰ পৰা বুজা যায় যে ধর্মীয় সহনশীলতা হ'ল এক অতি গুৰুত্বপূর্ণ ধাৰণা আৰু ইয়াক ধর্মীয় আলোচনাৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰা উচিত।
- সম্পূর্ণভাৱে দেখা যায় যে ধর্মীয় অসহনশীলতা বা অসহিষ্ণুতাই গোড়ামি অথবা নিজস্বতাৰ দৰে সমস্যাৰ সৃষ্টি কৰে। এই সমস্যাসমূহে মানুহৰ মাজত ভয় অথবা আতংকৰ সৃষ্টি কৰাৰ লগতে ভিন্ন ধর্মৰ লোকসকলৰ মাজত পাৰস্পৰিক বুজাবুজি বিকৃত কৰে।
- ধর্মীয় সহনশীলতাৰ ধাৰণাই আমাক সোঁৱৰাই দিয়ে যে সকলো ধর্মৰে মূল লক্ষ্য হ'ল মুক্তি বা মোক্ষ লাভ। সেয়েহে, এই ধাৰণাটোৱে তুলনামূলক ধর্মীয় দৃষ্টিভংগীৰ ফালৰ পৰা ধর্মৰ আলোচনা কৰাৰ পথ সুগম কৰি তোলে।
- সহনশীলতাৰ ধাৰণাই আমাক ইংগিত দিয়ে যে যদিও সকলো ধর্মই মূল লক্ষ্যত উপনীত হ'বলৈ ভিন্ন পন্থা অৱলম্বন কৰে তথাপি কিন্তু সকলো ধর্মৰে সাৰমর্ম আৰু লক্ষ্য একেটাই।
- নিজৰ ধর্মীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠানসমূহৰ সৈতে পার্থক্য থকা স্বত্বেও আন আন ধর্মীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠানসমূহ গ্রহণ কৰা অথবা অনুমতি দিয়াৰ মানসিকতাকে ধর্মীয় সহনশীলতা বোলে।
- সহনশীলতাই স্বাধীনত আৰু জ্ঞানলাভৰ এক উদ্যমৰ প্রতি প্রয়োজন হোৱা সহযোগিতাক বুজায়। আনহাতে, অসহনশীলতাই ভয়, সংশয় আৰু ঈর্ষাৰে পৰিপূর্ণ এক পৰিবেশৰ মাজত দেখিবলৈ পোৱা বিবাদৰ সৃষ্টি কৰে।

- ভলটায়াৰ আৰু ৰুছোয়ে সহনশীল মনোভাব গঢ়ি তোলাৰ বাবে অভিমত প্ৰকাশ কৰিছিল আৰু তেওঁলোকে 'অসহনশীলতা বৰ্জন'ৰ বাবে চেষ্টা চলাইছিল।
- ফ্ৰান্সিচ গুইজ'টে তেওঁৰ গ্ৰন্থ 'ইউৰোপৰ সভ্যতাৰ ইতিহাস' (১৮২৮)ত উল্লেখ কৰিছিল যে সহনশীলতা হৈছে খ্ৰীষ্টানধৰ্মৰ এক অত্যাৱশ্যকীয় উপাদান।
- খ্ৰীষ্টান ধৰ্মত সহনশীলতাৰ স্বৰূপ আমি দুটা দিশৰ পৰা বুজিব পাৰো — এটা হ'ল কেথ'লিকসকলৰ পটভূমিত আৰু আনটো হ'ল প্ৰটেষ্টাসকলৰ পটভূমিত।
- প্ৰটেষ্টাণ্টসকলৰ মাজতো বহুতো উপ-শাখা দেখিবলৈ পোৱা যায়, যেনে — লুথাৰপন্থীসকল, কেলভিনপন্থীসকল, ধৰ্মযাজক সকল, ইংৰাজ ধৰ্মীয় সম্প্ৰদায় লোকসকল, স্বাধীন চিন্তাৰে পৰিচালিত লোকসকল (স্বতন্ত্ৰ গোষ্ঠী) আদি।
- হিন্দু ধৰ্মমতে, 'ধৰ্ম' বুলিলে সামাজিক বন্ধনৰ ভিতৰত থাকি যথোচিত আচৰণ কৰাকে বুজায়।



১৫.৬ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৰতী প্ৰকাশন
২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়
৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



১৫.৭ অগ্ৰগতিৰ খতিয়ান ঃ

১ নং প্ৰশ্ন উত্তৰ ঃ- নিজৰ ধৰ্মীয় বিশ্বাস আৰু আচাৰ-অনুষ্ঠানসমূহৰ সৈতে প্ৰভেদ থাকিলেও আনৰ বিশ্বাস আৰু আচাৰ অনুষ্ঠানসমূহ গ্ৰহণ কৰাৰ যি মানসিকতা তাকে ধৰ্মীয় সহনশীলতা বা সহিষ্ণুতা বোলে।

২ নং প্ৰশ্ন উত্তৰ ঃ- মাটিন লুথাৰ আৰু কেলভিন্

৩ নং প্ৰশ্ন উত্তৰ ঃ- ড'নস্কো কৰ্ট

৪ নং প্ৰশ্ন উত্তৰ ঃ-

ক) উত্তৰ ঃ- সঁচা
খ) উত্তৰ ঃ- সঁচা
গ) উত্তৰ ঃ- সঁচা

৫ নং প্ৰশ্ন উত্তৰ ঃ-কেথ'লিকসকল অথবা প্ৰাচীন লোকসকল আৰু প্ৰটেষ্টাণ্টসকল অথবা সংস্কাৰ সাধকসকল।

৬ নং প্ৰশ্ন উত্তৰ ঃ-কেথ'লিকসকলৰ মতে, ধৰ্মমন্দিৰ আৰু পোপজন হ'ল দৈৱিক নিয়ন্তা।

কিন্তু প্রটেষ্টাণ্টসকলৰ মতে, কোনো এজন লোকৰ মুক্তিৰ বাবে ধর্মমন্দিৰৰ কোনো প্রয়োজন নাই। সেয়েহে তেওঁলোকক সংস্কাৰসাধক বুলি কোৱা হয়।

৭ প্রশ্ন নং উত্তৰ ঃ-লুথাৰপন্থীসকল, কেলভিন পন্থীসকল, ধর্মযাজকসকল, ইংৰাজ ধর্মীয় সম্প্রদায়ৰ লোকসকল আৰু স্বাধীন চিন্তাৰে পৰিচালিত লোকসকল (স্বতন্ত্রগোষ্ঠী)।

৮ নং প্রশ্ন উত্তৰ ঃ-

ক) উত্তৰ ঃ- সঁচা

খ) উত্তৰ ঃ- সঁচা

গ) উত্তৰ ঃ- সঁচা



১৫.৮ আৰ্হি প্রশ্ন ঃ

(ক) **বস্তুধর্মী প্রশ্ন ঃ**

প্রশ্ন ১ ঃ- কাৰমতে সহনশীলতা খ্রীষ্টানধর্মৰ এক অবিচ্ছিন্ন উপাদান?

প্রশ্ন ২ ঃ- 'Essay on Catholiccis'ৰ লেখক কোন?

প্রশ্ন ৩ ঃ- সহনশীলতাক মুকলিভাবে অমান্য কৰা কেইজনমান লোকৰ নাম লিখক?

প্রশ্ন ৪ ঃ- কোনে কৈছে যে, "সহনশীলতা এক ভুল চিন্তাধাৰা"?

প্রশ্ন ৫ ঃ- কোনে কৈছে যে "সকলো ধর্ম এক"।

(খ) **চুটি প্রশ্ন ঃ** (১০০ৰ পৰা ১৫০ শব্দৰ ভিতৰত)

চমুটোকা লিখক ঃ

প্রশ্ন ১ ঃ-সহনশীলতা

প্রশ্ন ২ ঃ-খ্রীষ্টান ধর্মত সহনশীলতাৰ স্থান

প্রশ্ন ৩ ঃ-ইছলাম ধর্মত সহনশীলতাৰ স্থান

প্রশ্ন ৪ ঃ-ভাৰতীয় সংস্কৃতিত সহনশীলতাৰ স্থান

প্রশ্ন ২ ঃ-খ্রীষ্টান ধর্মই সহনশীলতাৰ ধাৰণাটো কেনেকৈ ব্যাখ্যা কৰিছে?

প্রশ্ন ৩ নং ঃ- ইছলামে সহনশীলতাৰ ধাৰণাটো কেনেকৈ ব্যাখ্যা কৰিছে?

(গ) **ৰচনাধর্মী প্রশ্ন ঃ** (৩০০ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ-ধর্মীয় সহনশীলতা কি? ধর্মীয় সহনশীলতাৰ ধাৰণাটো প্রাচ্যত কেনেদৰে উন্নত হৈছে? আলোচনা কৰক।

প্রশ্ন ২ ঃ-খ্রীষ্টান ধর্মত ধর্মীয় সহনশীলতাৰ ধাৰণাটো কেনেদৰে ব্যাখ্যা কৰিছে।

প্রশ্ন ৩ ঃ-ইছলাম ধর্মত ধর্মীয় সহনশীলতাৰ ধাৰণাটো আছেনে? ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ-ভাৰতীয় সংস্কৃতি আৰু হিন্দু ধর্মত থকা সহনশীলতাৰ ধাৰণাটো ব্যাখ্যা কৰক।

*** ***** ***



REFERENCES :

1) Hick, John (1991) Philosophy of Religion Prentice Hall of India. New Delhi

2) Clack, Beverley and Brian R.: (1998) The Philosopy of Religion, A Philosophy of Religion, Polity Press.

3) Masih, Y : Introduction to Religious Philosophy,. Motilal Banarsidass publishers, first edition Varanasi.

4) Mac Gregor, Goddes (1964) Introduction to Religions Philosophy. MacMillan and Co. Ltd., Varanasis

5) Smart, Ninian (1969), The Religious Experience of Mankind. Charles Scribner's Sons New York : 1969.

6) Edward, Mial D. The philosophy of Religion. Progressive pub.

7) Chatterj.i P.B. : Studies IN Comparative Religions. Das Gupta & Co. Private Ltd.

8) Mohapatra, A.R. Philosophy of Religion. Sterling Pub.

9) Caird, John (1956). The Philosophy of Religion, Chuckerverthy, Chatterjee & Ltd., Calcutta.

10) Galloway, G & Clark, T&T (1950). The Philosophy of Religion. Edinburgh.

11) James, William (1929). The Varieties of Religious Experience William, Random House. Inc

অসমীয়া গ্ৰন্থ ঃ-

১) শৰ্মা ৰামনাথ ঃ- ধৰ্ম দৰ্শন

২) বৰুৱা গিৰিশ ঃ পৃথিৱীৰ বিভিন্ন ধৰ্ম, এক তুলনামূলক আলোচনা

৩) দাস, ৰৱীন্দ্ৰ নাথ ঃ ধৰ্ম ও দৰ্শন

৪) শ্যাম, নগেন্দ্ৰ চন্দ্ৰ ঃ- ৰবীন্দ্ৰনাথৰ ধৰ্ম ও সমাজ